# এই সংখ্যাত


# পয়োভৰা

উন্নয়নমূলক বিষয়-বস্তুৰে সমৃদ্ধ
অসমীয়া ভাষাৰ
একমাত্র মাহেকীয়া
আলোচনী

সঞ্চালক আৰু
মুখ্য সম্পাদক ঃ দীপিকা কচচল
জ্যেষ্ঠ সম্পাদক ঃ অনুপমা দাস

**PAYOBHARA**
**VOL. - 48 No. 3**
অষ্টাচত্বাৰিংশ বৰ্ষ ঃ তৃতীয় সংখ্যা
মেই ঃ ২০১৭

শিক্ষক, ছাত্র-ছাত্রী, শিক্ষা প্ৰতিষ্ঠান আৰু পুথি ভঁৰালৰ বাবে ১০ শতাংশ ৰেহাই

বেটুপাতৰ শিল্পী ঃ
গজানন পি ধোপে



| | | |
|---|---|---|
| ❐ এখন নতুন ভাৰতৰ কাহিনী | ✍ এম ভেংকায়া নাইডু | ৩ |
| ❐ জীৱিকাৰ জৰিয়তে জীৱনৰ ৰূপান্তৰ সাধন | ✍ অমৰজিৎ সিন্‌হা | ৮ |
| ❐ ৰাজহুৱা বিত্তীয় ব্যৱস্থাত ডিজিটেল অভিযোজন ঃ সম্পদৰ ফলপ্ৰসূ প্ৰয়োগ | ✍ লেখা চক্ৰৱৰ্তী<br>✍ সমীক্ষা আগৰৱালা | ১৩ |
| ❐ দক্ষতা বিকাশ আৰু যুৱ সবলীকৰণ | ✍ যতীন্দৰ সিং | ১৬ |
| ❐ স্বচ্ছ ভাৰত অভিযান কাৰ্যসূচীৰ সফলতাৰ বাবে প্ৰত্যেকৰে কৰণীয় কাম | ✍ পৰমেশ্বৰ আয়াৰ | ১৯ |
| ❐ স্পষ্ট আৰু স্বচ্ছ অৰ্থনীতিৰ দিশে | ✍ এম এছ ভানুমতী<br>✍ ৰোহিত দেও ঝা | ২১ |
| ❐ সামাজিক প্ৰগতি ঃ অৰ্থনৈতিক বিকাশৰ উৰ্দ্ধত অগ্ৰসৰ | ✍ নাতাছা ঝা ভাস্কৰ | ২৬ |
| ❐ সফল ৰাজহ ব্যৱস্থাপনাৰ বাবে ৭টা পদক্ষেপ | ✍ শিশিৰ সিন্‌হা | ৩১ |
| ❐ মোদী চৰকাৰৰদ্বাৰা ভাৰতৰ আন্তঃগাঁথনিৰ অগ্ৰগতি | ✍ কে আৰ সুধামন | ৩৬ |
| ❐ কৃষি উৎপাদন বৃদ্ধিৰ ক্ষেত্ৰত কৃষি বিষয়ক উপজ সামগ্ৰীৰ গুৰুত্বপূৰ্ণ বৰঙণি | ✍ বসন্ত পি গান্ধী | ৪১ |
| ❐ অসমত চাহশিল্পৰ আৰম্ভণি আৰু ইয়াৰ বাণিজ্যিক সম্প্ৰসাৰণ | ✍ অৰ্পণ দত্ত | ৫৪ |


পয়োভৰাত প্ৰকাশিত প্ৰবন্ধ-পাতিৰ মতামত লেখকৰ নিজস্ব


পয়োভৰাৰ বছৰেকীয়া গ্ৰাহক মূল্য ঃ ২৩০.০০ টকা
দুবছৰৰ গ্ৰাহক মূল্য ঃ ৪৩০.০০ টকা
তিনি বছৰৰ গ্ৰাহক মূল্য ঃ ৬১০.০০ টকা
সম্পাদকীয় কাৰ্যালয় পেন্সনপাৰা পথ, গৃহ নং ৪, গুৱাহাটী
গুৱাহাটী-৭৮১ ০০৩ ফোন ঃ ২৬৬৫০৯০, ই-মেইল ঃ ypeguw@dataone.in
yojanaasomia@yahoo.co.in
প্ৰকাশক ঃ অতিৰিক্ত সঞ্চালক প্ৰধান (ভাৰপ্ৰাপ্ত), প্ৰকাশন বিভাগ, সূচনা ভৱন, চি জি অ' কমপ্লেক্স, নতুন দিল্লী ঃ ১১০০০৩
মুদ্ৰক ঃ ডি কে গ্ৰাফিকছ, বামুণীমৈদাম, গুৱাহাটী ঃ ৭৮১ ০২১, ফোন নং ঃ ৯৮৬৪০-৬৩৫৮৪

প
য়ো
ভ
ৰা

## এই সংখ্যাৰ প্ৰসংগত

# ভাৰতৰ বিকাশৰ কাহিনী

সু-প্ৰশাসনৰ কৃতিত্ব বিভিন্ন পৰম্পৰাগত ভাৰতীয় ৰচনাৰ মাজত নিহিত হৈ আছে; লাগিলে ই বৈদিক নতুবা কৌটিল্যৰ অৰ্থশাস্ত্ৰই হওক। আমাৰ পুৰণি ৰচনাসমূহে চৰকাৰে জাতিটোৰ বিকাশৰ কাৰণে গ্ৰহণ কৰা কল্যাণমূলক ব্যৱস্থাৱলীৰ গুৰুত্বৰ ওপৰত জোৰ দিছিল।

শেহতীয়া বছৰবোৰত বিভিন্ন খণ্ডত ভাৰতৰ বিকাশৰ কাহিনী হ'ল বিস্ময়কৰ সাফল্যৰ কাহিনী— লাগিলে ই বিত্তীয় সুপ্ৰতিষ্ঠিতকৰণ, বিত্তীয় অন্তৰ্ভুক্তিকৰণ, আন্তঃগাঁথনি, কৃষি আদি যিয়েই নহওক। সৰ্বাঙ্গীন উন্নয়নৰ বাবে চৰকাৰৰ প্ৰয়াসে বিকাশৰ সকলো ক্ষেত্ৰকে বহল প্ৰচাৰৰ কেন্দ্ৰবিন্দু কৰি তুলিছে। শক্তিশালী অৰ্থনৈতিক নীতি আৰু সামগ্ৰী সেৱা কৰৰ দৰে বিত্তীয় সবলীকৰণ ব্যৱস্থাই অৰ্থনীতিৰ দৃঢ় সংকল্পিত বিকাশৰ আশ্বাস দান কৰিছে। "এটা কৰ, এটা জাতি" ধাৰণাটো কৰ শাসন প্ৰণালীটো সৰলীকৰণৰ বাবে গ্ৰহণ কৰা হৈছে, সামগ্ৰীসমূহ আৰু সেৱাৰ বাবে ৰাষ্ট্ৰজোৰা বজাৰ গঠন আৰু নিৰ্মিত সামগ্ৰীসমূহ অধিক প্ৰতিযোগিতামুখী কৰি তুলিব বিচৰা হৈছে।

পৰিৱৰ্তনসূচক বি-মুদ্ৰাকৰণ অভিযানৰ আৰু উপাৰ্জন ঘোষণা আঁচনি, এছ আই টি গঠন আদি দুৰ্নীতি ৰোধৰ বাবে লোৱা ব্যৱস্থাসমূহ দুৰ্নীতি আৰু ক'লা ধন নিৰ্মূলকৰণৰ বাবে লোৱা কঠিন পদক্ষেপ। এই ব্যৱস্থাসমূহ গ্ৰহণ কৰাৰ উদ্দেশ্য আছিল ক'লা ধন আৰু দুৰ্নীতিৰ অভিশাপৰ পৰা অৰ্থনীতিক প্ৰক্ষালন কৰা আৰু অৰ্থনৈতিক নিৰূপিত পথলৈ ঘূৰাই অনা। বিমুদ্ৰাকৰণ আছিল ডিজিটেল পৰিশোধ পৰিস্থিতি তন্ত্ৰ, উৎকৰ্ষ সাধন, কম নগদ অৰ্থনীতি সৃষ্টি আৰু বিত্তীয় লেনদেনত স্বচ্ছতা অনাৰ বাবে এটা প্ৰচেষ্টা। বি এইছ আই এম আদিৰ দৰে বিভিন্ন ডিজিটেল ব্যৱস্থা যোগে পৰিশোধ আৰু কম নগদ লেনদেন কৰিবলৈ লোকক উৎসাহিত কৰাৰ বাবে প্ৰৱৰ্তন কৰা হয়।

সকলো পৰিয়ালৰ কুশলৰ বাবে নাগৰিকসকললৈ ন্যূনতম প্ৰয়োজনখিনি আগবঢ়োৱাটো হ'ল যিকোনো নীতি ৰূপায়িত কৰাৰ কাৰণে নিৰ্দেশনাকাৰী নীতি। বিকাশৰ শেষ মাইললৈকে লাভ কৰিব পৰা জন ধন যোজনা, প্ৰত্যক্ষ লাভ হস্তান্তৰ, উজালা, পহল আদি বিত্তীয় অন্তৰ্ভুক্তি ব্যৱস্থাসমূহ প্ৰৱৰ্তন কৰা হৈছে।

ভাৰতৰ বিৰাট পৰিমাণৰ জনসংখ্যাৰ লাভ আৰু যুৱক-যুৱতীসকলৰ বাবে নিয়োগ সৃষ্টি কৰাৰ অভিপ্ৰায়েৰে "মেইক্ ইন ইণ্ডিয়া" কাৰ্যসূচীৰ অধীনত ভালেমান ব্যৱস্থা প্ৰৱৰ্তন কৰা হৈছে। সপোন বাস্তৱায়িত কৰাৰ বাবে চৰকাৰে 'কৌশল ভাৰত, কুশল ভাৰত' ধ্বনিৰ আলমত কৌশল বিকাশ কাৰ্যসূচী প্ৰৱৰ্তন কৰিছে। "ষ্টাৰ্ট আপ্ ইণ্ডিয়া প্ৰ'গ্ৰাম আৰু ষ্টেণ্ড্ আপ ইণ্ডিয়া' কাৰ্যসূচীৰ জৰিয়তে যুৱক-যুৱতীসকলক ভাৰতত বসবাস কৰিবলৈ আৰু ভাৰতক বিকশাই তুলিবলৈ অনুপ্ৰাণিত কৰা হৈছে। চৰকাৰৰ ডিজিটেল প্ৰশাসন আৰু ইজ অব্ ডুয়িং বীজনেছ নীতিয়ে ভাৰতত বিনিয়োজন প্ৰসাৰণৰ নিশ্চয়তা দান কৰিছে।

চৰকাৰৰ আন এটা ধ্বজাবাহী কাৰ্যসূচী 'স্বচ্ছ ভাৰত অভিযান'এ ইতিমধ্যে বিৰোধী পক্ষৰো প্ৰশংসা বুটলিছে। স্বচ্ছ ভাৰত অভিযানে বিশেষকৈ গ্ৰামাঞ্চলত পৰিষ্কাৰ-পৰিচ্ছন্নতা, ভাল শৌচাগাৰ অভ্যাসৰ দিশত মানুহক বিস্ময়কৰভাৱে প্ৰণোদিত কৰিছে।

কৃষকৰ কল্যাণ, কৃষি আৰু গ্ৰাম্য উন্নয়ন অগ্ৰাধিকাৰ তালিকাৰ শীৰ্ষত আছে। প্ৰধান মন্ত্ৰী ফছল বীমা যোজনা, কৃষি সঞ্চয়ী যোজনাই কৃষকৰ জীৱন পৰিৱৰ্তনত সহায় কৰিছে। সুকন্যা সমৃদ্ধি যোজনা আৰু বেটী বচাও বেটী পঢ়াও আঁচনি দুখন কন্যা শিশুৰ কল্যাণৰ বাবে গ্ৰহণ কৰা নিৰ্ণায়ক আঁচনি। অটল পেঞ্চন যোজনা, জীৱন জ্যোতি যোজনা আদি সামাজিক সুৰক্ষা আঁচনিয়ে জ্যেষ্ঠ নাগৰিকসকলক সামাজিক সুৰক্ষা প্ৰদানত সহায় কৰিছে।

ভাৰতক বিশ্ব শ্ৰেণীৰ আন্তঃগাঁথনি আৰু গোলকীয় নিৰ্মাণ কেন্দ্ৰবিন্দু হিচাপে গঢ়ি তোলাত নিশ্চিত কৰাৰ কাৰণে আন্তঃগাঁথনি খণ্ডত বাজেটত অভূতপূৰ্ব বাজেট নিৰ্দ্ধাৰণ কৰা হৈছে। স্মাৰ্ট ছিটি প্ৰকল্প, প্ৰধান মন্ত্ৰী আৱাস যোজনা, প্ৰধান মন্ত্ৰী গ্ৰাম চড়ক যোজনা আদি আন্তঃগাঁথনিৰ খণ্ডত একোটা বৃহৎ পদক্ষেপ।

বিশ্বই ভাৰতক প্ৰশংসাৰ দৃষ্টিৰে চাই আছে। আমাৰ দৰ্শন, সাহিত্য, কলা আদিয়ে অতীততো উচ্চ প্ৰশংসা লাভ কৰিছিল। কিন্তু বৰ্তমান ভাৰত কৌশল বেংক, বিনিয়োগ সুবিধা, আন্তৰ্জাতিক সম্পৰ্ক, শান্তি গঢ়ি তোলা প্ৰচেষ্টাৰ বাবে প্ৰশংসিত হৈছে আৰু ইয়াৰ নীতিবোৰে বিশ্বব্যাপি ব্যাপক গ্ৰহণযোগ্যতা লাভ কৰিছে। এসময়ত 'সাপৰ ওজাৰ দেশ' হিচাপে খ্যাত ভাৰত আজি আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু চীনৰ পাছতে বিশ্বৰ তৃতীয় বৃহৎ অৰ্থনীতিৰ দেশ হিচাপে পৰিগণিত হৈছে। ভাৰতৰ বিকাশৰ কাহিনী আশাব্যঞ্জক পথত আগবাঢ়িব।

# এখন নতুন ভাৰতৰ কাহিনী

**এম ভেংকায়া নাইডু***

ভৌগোলিক, ৰাজনৈতিক তথা অৰ্থনৈতিক বিষয় সম্ভাৰেৰে পুষ্ট গোলকীয় দৃশ্যপটত ভাৰতে নিজৰ বিকাশ কাহিনী পুনৰ উপস্থাপন কৰিবলৈ লৈছে। তাৰ বাবে প্ৰশাসনৰ ক্ষেত্ৰত নতুন অধ্যায়ৰ সূচনা কৰিছে আৰু লগতে ৰাষ্ট্ৰসমূহে পোষণ কৰা পুৰণি প্ৰতিচ্ছবি আৰু ধাৰণাবিশেষক মচি পেলাই এখন 'নতুন ভাৰত' উদ্ভাৱন কৰিবলৈ নব্য ৰূপ-ৰেখাৰে ৰচনাৰ কামত ব্ৰতী হৈছে।

বাস্তৱিকতেই এতিয়া বিশ্বই নিশ্চয়েই জানিব লাগে যে আমেৰিকা আৰু চীনৰ কথা বাদ দি ভাৰত হ'ল তৃতীয় বৃহত্তম অৰ্থনীতিৰ দেশ— যাৰ আছে সা-সামগ্ৰী আৰু সেৱাৰ বাবে এটা খৰ গতিত বিকাশ সাধন কৰা বজাৰ, যথাযথ অৱস্থাত থকা স্থিতিক সঘনে প্ৰত্যাহ্বান জনাই এটা পৰিৱৰ্তিত ৰূপ দিবলৈ ভাৰতে বেচ সচেষ্ট হৈছে আৰু দেশখনৰ নেতৃত্ব বহনকাৰীৰ মূল ক্ষেত্ৰখনৰপৰা আৰম্ভ কৰা দৃষ্টান্তৰে যোৱা তিনি বছৰ কালত উজ্জীৱিত কামত লাগিছে। চৰকাৰে যি কামত আগভাগ লৈছে সেইবোৰে জনগণৰ মানসিক দৃষ্টিভঙ্গী আৰু আচৰণত গভীৰভাৱে পৰিৱৰ্তন আনিছে। এতিয়া ভাৰতৰ একঘেয়ামী প্ৰতিনিধিত্বমূলক কাম-কাজ পৰিহাৰ কৰাৰ সময় আহিল আৰু 'নব্য ভাৰতৰ এখন শক্তিশালী ছবি দাঙি ধৰাৰ আৱশ্যক হ'ল। সেই ছবি সংকট তথা গোলকীয় ভাবুকিলৈ কেৰেপ নকৰি উপস্থাপন কৰাৰ প্ৰয়োজন আছে। কাৰণ 'নব্য ভাৰত'ৰ লক্ষ্যই হ'ল উজ্জীৱিত, সংযমশীল আৰু নিকা ভাবমূৰ্তিৰে আগবাঢ়ি যোৱা।

এইক্ষেত্ৰত বি-মুদ্ৰাকৰণৰ সন্দৰ্ভত শেহতীয়াকৈ কৰা ঘোষণাৰে আৰম্ভ কৰা যাওক। ৫০০ টকীয়া আৰু ১০০০ টকীয়া নোটৰ বি-মুদ্ৰাকৰণ কৰা ব্যৱস্থা হ'ল অতি প্ৰভাৱশীল পদক্ষেপ— যাৰ দ্বাৰাই ক'লা ধন, অচল টকা আৰু দুৰ্নীতিৰ সংহাৰী ৰূপটোক ৰোধ কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰা হয়। ফলস্বৰূপে ইয়াৰ যুক্তিসঙ্গত শেষ পৰিণতি হ'ল চৰকাৰৰ প্ৰথম আঢ়ৈ বছৰ কালৰ ভিতৰত এলানি ব্যৱস্থা গ্ৰহণ— যাৰদ্বাৰাই কৰ ফাকি দিয়া ব্যক্তিসকলৰ ওপৰত তদন্তৰ দিহা কৰা। তাৰ বাবে ছুইছ বেংকৰ বিষয়াবৰ্গৰ স'তে নিকট সহযোগ আৰু 'এছ আই টি' অৰ্থাৎ বিশেষ তদন্তকাৰী দল গঠন কৰা হয়। আয়কৰ ঘোষণা আঁচনিও এইক্ষেত্ৰত কামত লগোৱা হয়। এনে ব্যৱস্থাৰদ্বাৰা ৬৫,০০০ কোটি টকাৰ ওচৰা-উচৰি কৰ ৰাজহ সংগ্ৰহ কৰা হয়। ক'লা ধনৰ গৰাহৰ পৰা অৰ্থনীতিক শোধন কৰা প্ৰয়াসে কেৱল অধিক কাৰ্যক্ষমতাকেই উদ্বুদ্ধ আৰু দুৰ্নীতিকেই হ্ৰাস নকৰে, তদুপৰি ই চৰকাৰ তথা কেন্দ্ৰীয় বেংকক যথাক্ৰমে কৰ হাৰ আৰু সুতৰ হাৰ কৰ্তন কৰিবলৈ সুবিধা প্ৰদান কৰে। বিত্তীয় ঘাটি আৰু বিকাশ লক্ষ্যপ্ৰাপ্তিৰ কাৰণে সঠিক পথত অৱতীৰ্ণ হোৱাৰ লগে লগে ক'লা ধনৰ সন্দৰ্ভত তদন্তৰ ব্যৱস্থা অব্যাহত ৰাখিবলৈ সূচল কৰে। এয়াই হ'ল 'পুনৰুজ্জীৱিত ভাৰত'ৰ কাহিনী।

বি-মুদ্ৰাকৰণৰ পৰৱৰ্তী কালত ভাৰতে নেতৃত্ব দান কৰা ডিজিটেল ব্যৱস্থাৰ প্ৰভাৱ স্পষ্ট ৰূপত পৰিলক্ষিত হয়, যেতিয়া ডিজিটেল পেমেণ্ট পদ্ধতিক উৎসাহিত কৰিবৰ কাৰণে কৰা প্ৰয়াসত অতি আৱশ্যকীয় সঁহাৰি লাভ কৰা হয়। লক্ষ্য হ'ল নগদ ধনবিহীন লেনদেনক উৎসাহিত কৰি জনগণৰ মাজত এটা আচৰণমূলক পৰিৱৰ্তনক উদ্বুদ্ধ কৰা আৰু ভাৰতক এখন নগদ ধনবিহীন সমাজলৈ ৰূপান্তৰিত কৰা— যাৰদ্বাৰাই স্বচ্ছতা আৰু উত্তৰদায়ী ভাবধাৰা বৃদ্ধি কৰিব পৰা যায়। এইটো আনন্দৰ কথা যে প্ৰায় ১.৫ কোটি লোকে এতিয়ালৈকে 'বি এইচ আই এম এপ্প' পদ্ধতি আৰম্ভ কৰা ২ মাহ কালৰ ভিতৰতেই অৱলম্বন কৰে। ডিজিটেল লেনদেনৰ কাম-কাজ সূচল কৰিবৰ কাৰণে চৰকাৰে ৩০ কোটিতকৈ অধিক 'ৰূপে ডেবিট কাৰ্ড' ইছ্যু কৰে। ইয়াৰ ভিতৰত জন ধন একাউণ্টৰ গৰাকীলৈ ইচ্ছ্যু কৰা সংখ্যাকো ধৰা হৈছে। 'লাকী গ্ৰাহক যোজনা'ৰ অধীনত প্ৰায় ১২.৫ লাখ লোক আৰু 'ডিজিধন ব্যাপাৰ যোজনা'ৰ অধীনত ৭০,০০০ বণিকে পুৰস্কাৰ লাভ কৰে। কৰ ফাকি দিওঁতাসকলক তেওঁলোকৰ উপাৰ্জন

*লেখক এম ভেংকায়া নাইডু কেন্দ্ৰীয় নগৰ উন্নয়ন, গৃহ নিৰ্মাণ আৰু নগৰ দাৰিদ্ৰ্য নিৰ্মূলকৰণ আৰু তথ্য আৰু অনাতাঁৰ মন্ত্ৰণালয়ৰ মন্ত্ৰী।

ৰাশি ঘোষণা কৰিবৰ কাৰণে প্ৰধান মন্ত্ৰী গৰিব কল্যাণ যোজনাই শেষ সুবিধা প্ৰদান কৰে আৰু এই প্ৰাপ্ত পুঁজিৰাশি দুখীয়া লোকসকলৰ হিতাৰ্থে নিৰ্দিষ্টভাৱে ৰখা হ'ব। এই ডিজিটেল বিপ্লৱক কামত লগাবলৈ বি-মুদ্ৰাকৰণ ব্যৱস্থাই আমাক এটা অনন্য সুযোগ দিছে— যাৰদ্বাৰাই দুৰ্নীতি তথা ক'লা ধনৰ প্ৰতি এটা মোক্ষম আঘাত দিব পাৰে। অনলাইন চেনেলৰ জৰিয়তে কৰা পৰিশোধ বৈশিষ্টপূৰ্ণভাৱে নগদ ধনৰ প্ৰয়োজনীয়তা হ্ৰাস কৰে আৰু বিত্তীয় লেনদেনত স্বচ্ছতা প্ৰদান কৰে। সেয়ে পৰিশোধ কৰাৰ ক্ষেত্ৰত যিসকল ডিজিটেল পদ্ধতি ব্যৱহাৰ সম্পৰ্কে সুবিদিত তেওঁলোক নতুনকৈ আৰম্ভ কৰাসকলক ভালদৰে বুজাই দিয়াৰ দায়িত্ব আছে। জনগণৰ জীৱন ধাৰাৰ মান উন্নীত কৰা তথা দুৰ্নীতি আৰু ক'লা ধনক উৎখাত কৰাৰ যুঁজ সঙ্ঘবদ্ধভাৱে কৰিব লাগিব আৰু এয়া এটা সামাজিক প্ৰয়াসো হ'ব লাগিব। এয়াই হ'ল 'ডিজিটেল ভাৰত'ৰ কাহিনী।

প্ৰধান মন্ত্ৰী জন ধন যোজনাৰ অধীনত হিচাপ-বহী খুলিলে নিৰ্দিষ্ট হিতাধিকাৰীসকলক এল পি জি ৰাজসাহায্য প্ৰদান কৰাত সুবিধা হয়। প্ৰত্যক্ষ লাভ হস্তান্তৰ( ডাইৰেক্ট বেনিফিট ট্ৰেন্সফাৰ) আঁচনিৰ অধীনত এই ব্যৱস্থা আছে। এয়া হ'ল সংস্কাৰ সাধনৰ প্ৰয়াস— যিটোৰ ডাঙৰ বৈশিষ্ট্য হ'ল দুখীয়া ঘৰৰ গৰাকীক লাভ হস্তান্তৰকৰণৰ সুবিধা প্ৰদান। গোলকীয় শ্ৰেষ্ঠ অভ্যাস ৰূপে সাধন কৰাৰ ইয়াৰ বিৰাট সম্ভাৱনা আছে। ১৬০ নিযুততকৈ অধিক পঞ্জীয়নকৃত হিতাধিকাৰীৰে ই হ'ল বিশ্বৰ বৃহত্তম ডিবিটি কাৰ্যসূচী। ইয়াৰ প্ৰধান উদ্দেশ্য হ'ল ৰাজসাহায্য সাধক স্থানত উপনীত কৰোৱা— যাতে লক্ষ্য নিৰ্দ্ধাৰিত হিতাধিকাৰীৰ ওচৰলৈকে ৰাজসাহায্য গৈ পায়। এনে কাৰ্যৰদ্বাৰা স্বচ্ছতা অনাৰ উপৰি সমগ্ৰ প্ৰক্ৰিয়াত দুৰ্নীতি দূৰ কৰিবলৈ প্ৰয়াস অব্যাহত থাকে। এই ডিবিটি আঁচনিখনে প্ৰচলন কৰা সময়ৰ পৰা চৰকাৰক এল পি জি ৰাজ সাহায্য ক্ষেত্ৰত প্ৰায় ২২,০০০ কোটি টকা ৰাহি কৰিছে।

বি-মুদ্ৰাকৰণ আৰু অৰ্থনৈতিক ক্ষেত্ৰত গ্ৰহণ কৰা অন্যান্য সিদ্ধান্তৰ লগে লগে সৰ্বাত্মক ৰূপৰ সাৰ্বজনীন বিত্তীয় ব্যৱস্থা লাভ কৰাৰ দিশতো সবল অভিযান চলি আছে আৰু প্ৰতিজন নাগৰিককে নীতিসন্মত বেংক ব্যৱস্থাৰ আওটালৈ আনিবলৈ প্ৰয়াস অব্যাহত আছে। এতিয়ালৈকে প্ৰধান মন্ত্ৰী জন ধন যোজনাৰ অধীনত প্ৰায় ২৮.১৩ কোটি একাউণ্ট অৰ্থাৎ হিচাপ-বহী খোলা হৈছে। এই ব্যৱস্থা ক্ৰমে নগদবিহীন অৰ্থনীতিৰ দিশৰ পিনে আগবাঢ়ি যাবলৈ বহু উৎসাহ-উদগনি প্ৰদান কৰিছে আৰু 'বিত্তীয় অস্পৃশ্যতা'ৰ সপোন উপলব্ধি কৰিবলৈ প্ৰেৰণা যোগাইছে। আঁচনিখনৰ জৰিয়তে যোৱা দুবছৰ কালত অধিক বেংক একাউণ্ট খুলিবলৈ সমৰ্থৱান হৈছে— যিটো দেশখনে স্বাধীনতা লাভ কৰা কালৰ পৰা ২০১৪ চনৰ আগলৈকে খোলা একাউণ্টতকৈ বহুত বেছি। এয়া হ'ল 'সৰ্বাত্মক ৰূপত প্ৰতিফলিত কৰিবলৈ লোৱা ভাৰতৰ' এটা কাহিনী।

'ডিবিটি' অথবা 'পাহাল' আঁচনিখনৰ বেয়া দিশটো হ'ল 'গিভ ইট আপ্' অভিযান। এই 'বাদ দিয়ক' আঁচনিখনে প্ৰতি বছৰে ১০ লাখ টকাতকৈ অধিক উপাৰ্জন কৰা গ্ৰাহকসকলক এল পি জি ৰাজসাহায্য স্বেচ্ছাই এৰি দিবলৈ উৎসাহিত কৰে। ইয়াৰ পৰা সঞ্চিত ধনৰাশি ৰন্ধন কাৰ্যৰ বাবে খৰি কিম্বা কেৰাচিন তেল ব্যৱহাৰ কৰি থকা ৬৫ লাখ লোকক নতুন এল পি জিৰ সংযোগ প্ৰদান কৰা হয়।

আনহাতে, ১ কোটিতকৈ অধিক লোকে উপভোগ কৰি থকা ৰাজসাহায্যৰ সুবিধা ল'বলৈ এৰি দিছে। ফলস্বৰূপে ৰাজকোষত ৫০০০ কোটি টকাৰ ওচৰা-উচৰি ধনৰাশি ৰাহি হোৱা পৰিলক্ষিত হয়। এয়া হ'ল এটা 'নিকা ভাবমূৰ্তিৰ ভাৰতৰ' এটা কাহিনী।

'মেইক্ ইন ইণ্ডিয়া' অভিযান হ'ল চৰকাৰৰ এটা অন্যতম মূল আঁচনি। ইয়াৰ লক্ষ্য হ'ল ভাৰতক গোলকীয়ভাৱে নিৰ্মাণ কেন্দ্ৰস্থল কৰি গঢ়ি তোলা আৰু তাৰদ্বাৰাই ভাল আন্তঃগাঁথনি আৰু নিয়োগ সা-সুবিধা সৃষ্টি কৰি অৰ্থনৈতিকভাৱে সুফল লাভ কৰা। লগতে দেশখনৰ বিপুল জনগাঁথনিৰ পৰা পাব পৰা সুবিধাখিনিৰ ওপৰত নিৰ্ভৰ কৰি সবলভাৱে আগলৈ গতি সঞ্চাৰ কৰা। দেশখনলৈ বিদেশৰ প্ৰত্যক্ষ বিনিয়োগৰ সোঁত ২০১৭ বৰ্ষৰ প্ৰথমছোৱাত সৰ্বকালৰ অধিক ৰূপে বিবেচিত হৈছে। ইয়াৰ পৰিমাণ হ'ল ৩.৩৫ বিলিয়ন ডলাৰ। এয়া চলিত হিচাপ ঘাটিতকৈ বহু বেছি ধনৰাশি ৰূপে গণ্য কৰা হয়। মেইক্ ইন ইণ্ডিয়া আঁচনিখন প্ৰচলন কৰাৰ পৰা বিদেশৰ বিনিয়োগৰাশিও প্ৰায় ৪৬ শতাংশ বৃদ্ধি পাইছে। এয়া হ'ল 'বিনিয়োগকাৰীৰ প্ৰিয় ভাৰত'ৰ কাহিনী।

ঐতিহাসিক 'সামগ্ৰী আৰু সেৱা কৰ' প্ৰণয়নে কৰ ব্যৱস্থাক সহজ-সৰল কৰিবলৈ লৈছে। সামগ্ৰী তথা সেৱাসমূহৰ বাবে এটা ৰাষ্ট্ৰজোৰা বজাৰ সৃষ্টি তথা কৰৰ আধাৰৰো বিস্তৃতি সাধন কৰিবলৈ লৈছে। ফলস্বৰূপে, অৰ্থনৈতিক বিকাশ সাধনত এটা নতুন গতিৰ সঞ্চাৰ কৰিবলৈ তৎপৰ হৈছে। এই ব্যৱস্থাক্ৰমে চৰকাৰৰ ৰাজহ বাঢ়িব, কৰ এৰাই চলাৰ গতিৰ পতন হ'ব আৰু নিৰ্মাণ সামগ্ৰী-

সমূহৰ মূল্য সুলভ হ'ব। এখন ৰাষ্ট্ৰ, এটা কৰৰ সপোন এতিয়া বাস্তৱত পৰিণত হ'ব। এই ব্যৱস্থাৰ পৰা নিঃসন্দেহে চৰকাৰৰ সঠিক সিদ্ধান্ত গ্ৰহণ কৰা বিষয়টোক প্ৰমাণিত কৰে। প্ৰস্তুত সামগ্ৰীয়ে অধিক প্ৰতিযোগিতা কৰিবলৈ পাব, কিয়নো সামগ্ৰী সেৱা কৰে আন্তঃৰাজ্যিক কৰ, নিৰ্মাণৰ বাবদ হোৱা অধিক খৰচ আৰু ভিন্ন পৰিৱেশত গঢ়ি উঠা বজাৰৰ সমস্যাবোৰ সমাধান কৰি এটা সৰল পথৰ সূচনা কৰিব। আমদানিৰ পৰাও বৰ্দ্ধিতভাৱে ৰক্ষিত ব্যৱস্থাৰ সুবিধা পাব, কিয়নো সামগ্ৰী সেৱা কৰে উপযুক্ত প্ৰত্যেক ৰূপাত্মক শুল্ক যোগান ধৰিব। এয়া হ'ল এটা 'ৰূপান্তৰাত্মক ভাৰতৰ' কাহিনী।

অধিক উপযুক্ত অৰ্থনীতিৰ স্বপ্ন দিঠকত পৰিণত কৰিবৰ কাৰণে 'ডিজিটেল ইণ্ডিয়া' অভিযান আৰম্ভ কৰা হয়— যাতে ডিজিটেল আন্তঃগাঁথনি সবল তথা ডিজিটেল বিষয় সম্বন্ধে সাক্ষৰতা কাৰ্যক উৎসাহিত কৰিব পৰা যায়। ই-প্ৰশাসন ব্যৱস্থাৰ আৰম্ভণিয়ে উপযুক্ত কাম-কাজ আৰু স্বচ্ছতা নিশ্চিত কৰাত ব্ৰতী হৈছে। ফলস্বৰূপে নীতি-নিয়মগত বিষয়বোৰ সমাধান কৰিবলৈ লগা অধিক সময় ৰাহি কৰিছে। যদিও এইবোৰ চালুকীয়া অৱস্থাত আছে আঁচনিখন বহু-ভাষিক মঞ্চত উপস্থাপন ক্ৰমে আৰু গ্ৰামাঞ্চলত উন্নত ইণ্টাৰনেট সংযোগ সাধন হ'লে এই প্ৰয়াসক সাৰ্থক কৰি তোলাত সহায় কৰিব পাৰে। চৰকাৰে পৰ্যাপ্ত আন্তঃগাঁথনিৰ যে প্ৰয়োজন আছে তাক উপলব্ধি কৰিব পাৰিছে আৰু সেই কাৰণে আমি ভাৰত ব্ৰডবেণ্ডৰ ব্যৱস্থা কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ। এইক্ষেত্ৰত ২.৫ লাখ পঞ্চায়তলৈ ইণ্টাৰনেট সংযোগ সাধন কৰাৰ লক্ষ্য আছে। ২০১৭ বৰ্ষৰ ২৯ জানুৱাৰী পৰ্যন্ত ৭৬,০৮৯খন গাঁও পঞ্চায়তলৈ অপ্টিকেল ফাইবাৰ কেব্‌ল বহুওৱা হয়। ইয়াৰ মুঠ দৈৰ্ঘ্য হ'ল ১,৭২,২৫৭ কিলোমিটাৰ। ১৬,৩৫৫খন গাঁও পঞ্চায়তক ব্ৰডবেণ্ড সংযোগৰ সুবিধা প্ৰদান কৰা হয়। এয়াই হ'ল 'ডিজিটেল ভাৰতৰ' এটা কাহিনী।

এই চৰকাৰখনে পৰিষ্কাৰ পৰিৱেশৰ ওপৰত গুৰুত্ব আৰোপ কৰে আৰু তাৰ বাবে হাতত লোৱা এটা প্ৰয়াস হ'ল স্বচ্ছ ভাৰত অভিযান। এই অভিযানক এটা ৰূপান্তৰকৰণ আন্দোলন ৰূপে উচ্চ স্বৰে ক'ব পাৰি, কিয়নো ই ২০১৯ বৰ্ষৰ ভিতৰত এনে এখন ভাৰত পোৱাৰ লক্ষ্য থিৰ কৰিছে, যাৰদ্বাৰাই মুকলিত মলত্যাগ কৰাৰ পৰা মুক্ত হ'ব। এই আঁচনিৰ অধীনত প্ৰয়োজনীয় আন্তঃগাঁথনিৰ প্ৰতি মনোযোগ দিয়া হৈছে। শৌচাগাৰৰ নিৰ্মাণকাৰ্য অধিকভাৱে কৰা হৈছে। চৰকাৰৰ পৰৱৰ্তী আলোচনাৰ বিষয় হ'ল আচৰণমূলক পৰিৱৰ্তন সাধন কৰা। শৌচাগাৰ ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত লোকসকলৰ মাজত যি আওপুৰণি সামাজিক তথা ধৰ্মীয় দিশৰ এটা মানসিকতা গঢ় লৈ উঠিছিল তাক সলনি কৰিবৰ বাবেই ৪ কোটিতকৈ অধিক শৌচাগাৰ এতিয়ালৈকে নিৰ্মাণ কৰা হয়। আঁচনিখন আৰম্ভ কৰাৰ পৰা এয়া এটা উল্লেখযোগ্য উৎকৰ্ষ সাধন বুলি ক'ব পাৰি। ইতিমধ্যে ৫৭৩খন চহৰ, ১,৮৮,০০৮ খন গাঁও আৰু ১৩০ খন জিলাক মুকলিভাৱে কৰা মলত্যাগ মুক্ত স্থান ৰূপে ঘোষণা কৰা হয়। এয়া হ'ল এখন পৰিষ্কাৰ ভাৰতৰ কাহিনী।

দক্ষতাৰ বিকাশৰ দিশত প্ৰধান মন্ত্ৰী কৌশল বিকাশ যোজনা হ'ল চৰকাৰৰ এখন মূল আঁচনি। এই আঁচনিখন আৰম্ভ কৰাৰ উদ্দেশ্য আছিল বৃহৎসংখ্যক ভাৰতীয় যুৱকক উদ্যোগ সংক্ৰান্তীয় দক্ষতা আহৰণৰ প্ৰশিক্ষণ প্ৰদান কৰা আৰু সেই প্ৰশিক্ষণপ্ৰাপ্ত কৰি তেওঁলোকে যাতে এটা ভাল জীৱিকা বৃত্তি লাভ কৰে। 'কৌশল ভাৰত, কুশল ভাৰত'— এই বাণী সাৰোগত কৰি ১৯.৮৫ লাখ যুৱকক প্ৰশিক্ষণ প্ৰদান কৰা হয় আৰু ২.৪৯ লাখক ২০১৬ বিত্তীয় বৰ্ষত চাকৰিত সংস্থাপন কৰা হয়। তদুপৰি ৫৯৬ খন জিলাত ৮৪৭৯টা প্ৰশিক্ষণ কেন্দ্ৰ খোলা হয়। এয়া হ'ল এখন 'দক্ষ ভাৰতৰ' কাহিনী।

'ন্যূনতম চৰকাৰ, সৰ্বাধিক প্ৰশাসন' এই বাণীক চৰকাৰে বিশ্বাস কৰে আৰু সেইটো চৰকাৰৰ পৰিৱৰ্তিত কৰ্ম নীতিত লক্ষ্য কৰিব পাৰি। সাম্প্ৰতিক নেতৃত্বৰ কাম কৰাৰ এটা পেছাদাৰী শৈলী আছে আৰু প্ৰশাসনক 'কৰ্পোৰেটৰ ধৰণ-কৰণেৰে' নতুন কৰ্ম সংস্কৃতিৰ ভাব জগাই তুলিছে। মন্ত্ৰীবৰ্গ আৰু শীৰ্ষ আমোলাসকলৰে গঠিত নিয়মীয়া পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয় আৰু দেশখনৰ সকলো বিষয়াবৰ্গৰ স'তে সময়ে সময়ে ভাব বিনিময় কৰা হয়। এই বিনিময় ভিডিঅ' কনফাৰেন্সৰ জৰিয়তে কৰা হয়। এয়া এটা নতুন মন কৰিবলগা বিষয়— যাৰ গুৰুত্ব বহুত। চৰকাৰৰ বৃহত্তম সফলতা হ'ল পদ্ধতিবিশেষত থকা ব্যাপক আকাৰৰ দুৰ্নীতি ৰোধ কৰাটো আৰু বিলম্ব তথা প্ৰশাসনীয় বাধাবোৰ দূৰ কৰা— যিটো কয়লা খণ্ড আৱণ্টনৰ দৰে সিদ্ধান্ত নিৰ্ণয়ত দেখা যায়। এয়া হ'ল এখন 'স্বচ্ছ ভাৰতৰ' কাহিনী।

কৃষি খণ্ডত যিবোৰ আঁচনি ৰূপায়ণ কৰা হৈছে, সেইবোৰে দেশখনৰ কৃষকসকলক বেচ উপকৃত কৰিছে। আনকি বতৰে সৃষ্টি কৰা কঠিন অৱস্থাতো সেই আঁচনিবোৰ কৃষকৰ বাবে সহায়ক হয়। উল্লেখযোগ্য তেনে

আঁচনিৰ কেইখনমান হ'ল প্ৰধান মন্ত্ৰী ফচল বীমা যোজনা, প্ৰধান মন্ত্ৰী কৃষি সিঞ্চয় যোজনা, ভূমি স্বাস্থ্য কাৰ্ড আঁচনি, নিমখযুক্ত ইউৰিয়া, ন্যূনতম সমৰ্থন মূল্য বৃদ্ধি ইত্যাদি। ২০১৪-১৭ বৰ্ষৰ পৰা প্ৰায় ১৫.৮৬ লাখ হেক্টৰ কৃষিভূমিক ক্ষুদ্ৰ জলসিঞ্চন ব্যৱস্থাৰ অধীনলৈ অনা হয়। ৬.২০ কোটি ভূমি স্বাস্থ্য কাৰ্ডো এতিয়ালৈকে বিতৰণ কৰা হয়। বীমাৰ ক্ষেত্ৰত ২০১৬ বৰ্ষৰ খাৰিফ শস্যৰ বতৰত ২৩ খন ৰাজ্যক সামৰি লোৱা হয়। তেনেদৰে ৩৯০ লাখ কৃষককো সামৰি লোৱা হয় আৰু ৩৮৬.৭৫ লাখ হেক্টৰ ভূমি বীমাকৰণ কৰা হয়। এই বীমাৰ পৰিমাণ হ'ল ১,৪১,৮৮৩.৩০ কোটি টকা। ২০১৬-১৭ বৰ্ষৰ ৰবি শস্যৰ কালত এতিয়ালৈকে ১৬৭ লাখ কৃষকক বীমাৰ অধীনলৈ অনা হয় আৰু প্ৰায় ১৯৩.৩৫ লাখ হেক্টৰ ভূমি ৭১,৭২৮.৫৯ কোটি টকাত বীমা কৰা হয়। এই পৰিসংখ্যা বোৰে দেশখনৰ 'অন্নদাতাসকলৰ' কল্যাণ সাধনৰ দিশত চৰকাৰৰ দায়বদ্ধতাকে প্ৰতিপন্ন কৰে।

আন্তঃগাঁথনিৰ ক্ষেত্ৰত যিবোৰ প্ৰয়াস কৰা হৈছে সেইবোৰে খণ্ডটোৰ প্ৰতি যথেষ্ট বৰঙণি যোগাইছে। তেনে প্ৰয়াসৰ ভিতৰত স্মাৰ্ট ছিটি প্ৰকল্প এমৰোট অভিযান, প্ৰধান মন্ত্ৰী আৱাস যোজনাৰ নাম ল'ব পাৰি। ঋণ সংযোজিত ৰাজসাহায্য আঁচনি, প্ৰধান মন্ত্ৰী সংসদ আদৰ্শ গ্ৰাম যোজনা, প্ৰধান মন্ত্ৰী গ্ৰাম চড়ক যোজনাও এইক্ষেত্ৰত উল্লেখযোগ্য।

সমাজৰ সকলো বৰ্গৰ লোকৰ বাবে ভাৰসাম্যমূলকভাৱে বিকাশ সাধন কৰাৰ ক্ষেত্ৰত বহু আঁচনি ৰূপায়ণ কৰা হৈছে। তেনে লোকসকলৰ ভিতৰত কন্যা সন্তানেই হওক, জ্যেষ্ঠ নাগৰিক, কৃষক, সংখ্যালঘু লোক, চহৰত বসবাস কৰা কিম্বা গ্ৰাম্য জনগণেই হওক— আটাইৰে প্ৰতি চৰকাৰ বেচ সচেষ্ট। তাৰ ভিতৰত কেইখনমান আঁচনি হ'ল— বেটী বাচাও বেটী পঢ়াও, অটল পেঞ্চন যোজনা, জীৱন জ্যোতি বীমা যোজনা, কৃষি সিঞ্চই যোজনা, মুদ্ৰা বেংক যোজনা, সু-কন্যা সমৃদ্ধি যোজনা আৰু নয়ী মঞ্জিল যোজনা। এইক্ষেত্ৰত মন কৰিবলগা বিষয়টো হ'ল, চৰকাৰৰ এই আঁচনিবোৰে সমাজৰ সকলো শ্ৰেণীৰ লোককে স্পৰ্শ কৰিছে আৰু তেওঁলোকৰ জীৱন ধাৰাক সহজ-সৰল কৰি তুলিছে। এয়া হ'ল দৰিদ্ৰ কৃষক আৰু মহিলাসকলৰ কাহিনী— যিসকলে এখন ৰূপান্তৰিত ভাৰতৰ সুফল লাভ কৰিছে।

ভাৰতৰ বৈদেশিক নীতিৰ ওপৰত অৱলোকন কৰিলে এইটো উপলব্ধি কৰা হয় যে চৰকাৰে যিবোৰ পদক্ষেপ গ্ৰহণ কৰিছে সেয়া বেচ তৎপৰতাৰে কৰা হৈছে। প্ৰধান মন্ত্ৰীয়ে দুবছৰতকৈ অধিক কেইটামান মাহৰ ভিতৰত ছখন মহাদেশৰ ৫০খনতকৈ অধিক দেশ ভ্ৰমণ কৰে। ছাৰ্ক ৰাষ্ট্ৰসমূহৰ নেতাসকলক শপত গ্ৰহণ অনুষ্ঠানলৈ আমন্ত্ৰণ জনোৱাটোৱে এটা বিশেষ বৈশিষ্ট্য বহন কৰিছে। চুবুৰীয়া দেশসমূহৰ স'তে নিকট সম্বন্ধ অটুট ৰখাৰ দিল্লীৰ অভিপ্ৰায় সম্পৰ্কে কূটনৈতিক মহললৈ এটা সবল বাৰ্তা প্ৰেৰণ কৰা কথাটোকে সূচায়। ইয়াক অধিক দৃঢ়তৰ কৰি তোলে ভুটানৰ স'তে দ্বিপাক্ষিক ভ্ৰমণ কৰাৰ সিদ্ধান্তই। প্ৰধান মন্ত্ৰীয়ে এতিয়ালৈকে ভাৰতৰ সকলোবোৰ চুবুৰীয়া দেশত কমেও এবাৰ ভ্ৰমণ কাৰ্য সমাপন কৰিছে।

পাকিস্তানৰদ্বাৰা সংঘটিত কৰা সন্ত্ৰাসবাদ কাৰ্যৰ ক্ষেত্ৰত ভাৰতৰ স্থিতি সলনি হৈছে। এতিয়া কৌশলাত্মক সংযমৰ ঠাইত অধিক দৃঢ়তাৰে প্ৰত্যাহ্বান জনাবলৈ পদক্ষেপ গ্ৰহণ কৰা হৈছে। অধিকভাৱে এইটো স্পষ্ট কৰা হৈছে যে ভাৰতে দ্বি-পাক্ষিকতাবাদক বিশ্বাস কৰে আৰু সেয়া প্ৰকৃতাৰ্থত হ'ব লাগিব। ভাৰতে বিচ্ছিন্নতাবাদীসকলৰ স'তে ইছলামবাদৰ আলাপ-আলোচনাক গ্ৰহণ নকৰে— যিটো বৈদেশিক সচিব পৰ্যায়ৰ আলোচনাত নবহি প্ৰমাণ কৰি দেখুৱাইছিল আৰু আঞ্চলিক শীৰ্ষ সন্মিলনৰ পৰাও (পাকিস্তানত অনুষ্ঠিত ছাৰ্ক সন্মিলন) ওলাই আহিছিল। ভাৰতীয় সেনাৰ ওপৰত কৰা আক্ৰমণক ছাৰ্জিকেল ষ্ট্ৰাইকৰ জৰিয়তে প্ৰতিহত কৰা বিষয়টোৱে এই স্থিতিক আৰু অধিক সবল কৰে। তদুপৰি ছাৰ্ক শীৰ্ষ সন্মিলন পৰিত্যাগ কৰি ভাৰতে বিশ্বৰ বৃহৎ শক্তিসমূহলৈও এক বাৰ্তা প্ৰেৰণ কৰে যে পাকিস্তানক এখন সন্ত্ৰাসবাদী ৰাষ্ট্ৰ ৰূপে ঘোষণা কৰিবলৈ বিবেচনা কৰিব লাগে।

নিৰাপত্তা পৰিষদৰ স্থায়ী সদস্য হ'বলৈ কৰা ভাৰতৰ প্ৰয়াসত ভালেকেইখন ৰাষ্ট্ৰই সমৰ্থন জনায় আৰু নিউক্লিয়াৰ ছাপ্লয়াৰ্ছ গ্ৰুপত প্ৰৱেশ কৰিবৰ বাবে যথেষ্ট অগ্ৰগতি সাধন কৰিছে। ব্ৰিক্‌ছ (বি আৰ আই চি এছ) ছাৰ্ক (এছ এ এ আৰ ছী), বিমষ্টেক (বি আই এম এছ টী ই ছী)ৰ দৰে আঞ্চলিক গোট বান্ধোনৰ ক্ষেত্ৰত ভাৰতে কৰা প্ৰয়াস ফলদায়ক হৈছে। জলবায়ু পৰিৱৰ্তন বিষয়ক বহুপাক্ষিক আলাপ-আলোচনাৰ ক্ষেত্ৰত (পেৰিছত অনুষ্ঠিত শীৰ্ষ সন্মিলনত) বিকাশশীল উদ্যোগসমূহৰ স্বাৰ্থত ভাৰতে নেতৃত্ব দান কৰিবলৈ সমৰ্থৱান হয় আৰু বিশ্ব বাণিজ্য সংগঠনতো বাণিজ্যৰ ক্ষেত্ৰত সবল ভূমিকা গ্ৰহণ কৰে।

বৰ্তমান চৰকাৰৰ নেতৃত্বৰদ্বাৰা ভাৰত আৰু আমেৰিকাৰ সম্পৰ্ক অধিক উন্নত পৰ্যায়ত স্থিত হৈছে। প্ৰধান

মন্ত্ৰীয়ে আমেৰিকাৰ গুৰুত্বপূৰ্ণ ৰাজনৈতিক নেতাসকলৰ স'তে এটা সম্বন্ধ গঢ়ি তুলিবলৈ আগতীয়া ব্যৱস্থা হাতত লয় আৰু প্ৰধান মন্ত্ৰীৰ দায়িত্বভাৰ লোৱাৰ প্ৰথম ২৪টা মাহৰ ভিতৰতে ৰাষ্ট্ৰপতি অ'বামাক ছবাৰ লগ ধৰে আৰু তিনিবাৰ আমেৰিকা ভ্ৰমণ কৰে। দুয়োখন ৰাষ্ট্ৰৰ মাজত প্ৰতিৰক্ষা চুক্তি চলি থাকে আৰু তাৰ লগে লগে বিকাশ তথা উন্নত মানৰ ন ন সৃষ্টিৰ গতি অধিকভাৱে সঞ্চাৰ হয়। পৰম্পৰাগত-ভাৱে চলি অহা মিত্ৰ শক্তিবোৰৰ স'তেও সক্ৰিয়ভাৱে ভাৰতে সম্পৰ্ক অক্ষুণ্ণ ৰাখিছে। জাপান আৰু ৰাছিয়াৰ দৰে দেশৰ স'তে গঢ়ি উঠা সম্বন্ধই দক্ষিণ এছিয়া অঞ্চলত চীনৰ অভিলাষী আকাংক্ষাৰ উপযুক্তভাৱে গতি ৰোধ কৰিছে। টাপিৰ দৰে যোজনা আৰু চাহবাহাৰ বন্দৰ চুক্তি অঞ্চলটোত চীনৰ প্ৰাধান্যতা বিস্তাৰ কৰাৰ বিৰুদ্ধে এক উপযুক্ত কাৰ্য ৰূপে ক্ৰিয়া কৰিবলৈ ব্যৱস্থা কৰা হয়।

পৰম্পৰাগত মিত্ৰ ৰাষ্ট্ৰবোৰৰ স'তে সম্বন্ধ অটুট ৰখাৰ বাহিৰেও এই চৰকাৰখনৰ আলোকপাতৰ বিষয় হ'ল মধ্য এছিয়া আৰু আফ্ৰিকাৰ নতুনকৈ বিকাশ লাভ কৰা দেশবোৰৰ স'তে কৌশলগত দিশত সু-সম্পৰ্ক গঢ়ি তোলা। কাৰণ সেইবোৰ দেশত প্ৰাকৃতিক সম্পদৰাজি আৰু কৌশলাত্মক দিশৰ বৈশিষ্ট্যপূৰ্ণ অস্তিত্ব আছে। ভাৰতে এক স্বাভাৱিক নেতা ৰূপে ওলাই আহিবলৈ এই দিশত পদক্ষেপ গ্ৰহণ কৰিছে। এয়াই হ'ল 'বিকশিত ভাৰতৰ' কাহিনী।

চৰকাৰৰ বদান্যতাও মন কৰিবলগা এটা বিষয়। এইক্ষেত্ৰত নেপালতেই ভূমিকম্প হওক অথবা য়েমেনত ভাৰতীয় লোকে আবদ্ধ হৈ পৰক কিম্বা কাশ্মীৰত বানপানী অথবা কেৰালাৰ মন্দিৰত অগ্নি কাণ্ডই হওক— চৰকাৰে সদায়েই সেইবোৰ ঠাইৰ লোকসকলৰ ওচৰ পায়গৈ সাহায্য আৰু উদ্ধাৰ কাৰ্য কৰিবলৈ। শৰীৰ আৰু চিত্ত ভালদৰে অটুট ৰখাৰ ক্ষেত্ৰতো ভাৰতৰ ভূমিকা শলাগিবলগীয়া। আন্তৰ্জাতিক যোগ দিৱসৰ দৰে অনুষ্ঠানক উপযুক্ত স্থান দি তাৰ সাৰ্থক ৰূপৰ প্ৰতিফলন ঘটাবলৈ বেচ সচেষ্ট। এয়া হ'ল যত্ন আৰু বদান্যতা দৰ্শোৱা ভাৰতৰ কাহিনী।

দেশখনে আৰু আগবাঢ়ি যাবৰ কাৰণে ইতিমধ্যে তাৰ আধাৰ যোৱা তিনি বছৰত গঢ়ি তোলা হয় আৰু এই গতিধাৰাকেই আগন্তুক বছৰবোৰত অক্ষুণ্ণ ৰাখিবলৈ প্ৰয়াস কৰা হ'ব। এই প্ৰয়াসৰ প্ৰায়খিনি বিভিন্ন যোগাযোগ পদ্ধতিৰ জৰিয়তে সবলভাৱে উপস্থাপন কৰা হয়। তেনে পদ্ধতিৰ ভিতৰত উল্লেখযোগ্য হ'ল টেলিভিছন, আকাশবাণী, ছপা মাধ্যম, সামাজিক মাধ্যম আৰু সংবাদ মেল। প্ৰধান মন্ত্ৰীয়ে নিজেই ৰাইজৰ আগলৈ ওলাই আহে মনৰ কথা কবলৈ 'মন কী বাত' কাৰ্যসূচীৰ জৰিয়তে। আকাশবাণীয়ে এই কাৰ্যসূচী প্ৰতি মাহে প্ৰচাৰ কৰে। চৰকাৰ, বিৰোধী পক্ষ, প্ৰশাসন, ক'ৰ্পৰেট আৰু নাগৰিকসকল সঙ্গবদ্ধ প্ৰয়াসে উন্নত ৰাষ্ট্ৰৰূপে ভাৰতৰ সপোন দিঠকত পৰিণত কৰিবৰ কাৰণে সহায় কৰিব পাৰে— যাৰদ্বাৰাই ই গোলকীয় স্তৰত এটা বৃহৎ শক্তি ৰূপে বিকাশ লাভ কৰিবলৈ সমৰ্থৱান হ'ব। এয়া হ'ল 'যোগাযোগ সাধনাত্মক ভাৰতৰ' কাহিনী।

আমাৰ কাহিনী দোহৰাৰ প্ৰয়োজন আছে। পাশ্চাত্যৰ দেশসমূহে ভাৰতক ৰঙীণ আইনা আৰু পোকে খোৱা পৰিকাঠামোৰ মাজেৰে নিশ্চয়েই চাবলৈ এৰিব লাগিব। সমাজবাদে গঢ় লৈ উঠা কালৰ পৰাই এই দেশখনৰ স্থিতি-স্থাপকতা উলাই কৰিবলগীয়া নহয় আৰু সেয়ে পুৰণি ভাবধাৰা সেই দেশবোৰে ভাৰতৰ ক্ষেত্ৰত পৰিহাৰ কৰিব লাগিব। কাৰণ সমগ্ৰ বিশ্বৰ মানৱজাতিয়ে এলান্ধুক'লীয়া তথা সংকীৰ্ণ ভাবধাৰা তত্ত্বক জলাঞ্জলি দি নতুনক সাবটি লৈছে।

ওপৰত উল্লেখ কৰা বিষয়বোৰ হ'ল নতুন ভাৰতৰ সন্দৰ্ভত ব্যাখ্যা দাঙি ধৰা কেইটামানহে কাহিনী। এই নব্য ভাৰতকেই নতুন শক্তি আৰু প্ৰতিশ্ৰুতিৰে প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গঢ়ি তুলিবলৈ লৈছে। এয়াই হ'ল এখন বিকাশশীল ভাৰত গঢ়ি তোলাৰ 'মিছন মোদী'ৰ কাহিনী। ❐

*পয়োভৰা ৰাইজৰ আলোচনী—*

*নিজে পঢ়ক, আনকো পঢ়ুৱাওক—*

*দেশ গঢ়াত নিজৰ মতামত আগবঢ়াওক—*

# গ্ৰাম্য উন্নয়ন ঃ জীৱিকা বৃত্তিৰ জৰিয়তে জীৱনৰ ৰূপান্তৰ সাধন

**অমৰজিৎ সিন্‌হা***

নিৰন্তৰ অৰ্থনৈতিক বৃদ্ধি আৰু মানৱৰ উন্নতি সাধনৰ ক্ষেত্ৰত গ্ৰাম্য বিকাশৰ গুৰুত্ব বহুত। দাৰিদ্ৰ্য অৱস্থাৰ হ্ৰাস খৰ গতিৰে হয়, যেতিয়া গ্ৰাম্য অৰ্থনীতিয়ে মূৰ দাঙি উঠে আৰু কৃষি তথা অ-কৃষি খণ্ডত ভিন্নমুখী জীৱিকা নিৰ্বাহৰ বাবে সুযোগ-সুবিধাৰ পথ মুকলি হয়। সেয়ে আমাৰ দেশখনৰ অগ্ৰগতি সাধনৰ ক্ষেত্ৰত এই বিষয়বোৰ ওতঃপ্ৰোতভাৱে জড়িত আছে। গোলকীয় স্তৰত ভাৰত এখন শক্তিশালী দেশ ৰূপে পৰিগণিত হ'বলৈ গ্ৰাম্য দৰিদ্ৰতাৰ প্ৰত্যাহ্বানমূলক সমস্যাবোৰ সমাধান কৰা আৰু বিকাশমূলক কাৰ্যক উপযুক্তভাৱে ৰূপায়ণ কৰাৰ সামৰ্থ্যৰ ওপৰত নিৰ্ভৰ কৰে। এই কাৰণতে চৰকাৰে গ্ৰাম্য অঞ্চলসমূহৰ লোকসকলৰ জীৱনৰ ৰূপান্তৰ সাধিবৰ বাবে সৰ্বাধিক গুৰুত্ব আৰোপ কৰিছে। তাৰ বাবে জীৱিকা বৃত্তিৰ বিভিন্ন পথ মুকলি কৰাৰ উপৰি আন্তঃগাঁথনিৰ বিকাশ সাধনৰ প্ৰতি মনোনিৱেশ কৰিছে— যাতে জনগণৰ কল্যাণ সাধন কৰিব পৰা যায়। গতিকে এটা সৰ্বাত্মক দিশৰ গ্ৰাম্য বিকাশৰ কাৰ্যসূচীৰ জৰিয়তেহে নিৰন্তৰভাৱে মানৱৰ অগ্ৰগতি সাধন সম্ভৱ হয়। গ্ৰাম্য দৰিদ্ৰতাৰ বহুদিশ আছে আৰু সেই কাৰণে এই সকলোবোৰ দিশ সামৰি লৈ একেলগে সমাধান কৰাৰ প্ৰয়োজন আছে। এখন ঘৰৰ লোক দুখীয়া হ'ব পাৰে—যদি তেওঁলোকৰ ঘৰ নাই। তেওঁলোক লিখা-পঢ়া নাজানে কাৰণে আৰু কাম-কাজ কৰাৰ দক্ষতা নথকাৰ বাবে দাৰিদ্ৰ্য হ'ব পাৰে, তেওঁলোকৰ কোনো সা-সম্পত্তি নথকাৰ বাবেও দুখীয়া হ'ব পাৰে, বেয়া স্বাস্থ্যৰ বাবেও তেওঁলোকে দুখীয়া হ'ব পাৰে। এনে ধৰণৰ বহুত কাৰণ থাকিব পাৰে— যিবোৰে তেওঁলোকৰ পূৰ্ণ ক্ষমতাৰাজিক বিকাশ কৰাৰ সামৰ্থ্যক আক্ৰান্ত কৰে। সেই বাবে গ্ৰাম্য বিকাশৰ প্ৰকৃত প্ৰত্যাহ্বানৰ বিষয় হ'ল প্ৰত্যেক গ্ৰাম্য ঘৰৰ লোককে তেওঁলোকৰ সম্ভাব্য গুণৰাজি বিকাশ কৰিবলৈ সুবিধা দিয়াটো। তাৰ কাৰণে চাকৰি আদি কৰাৰ সুচল প্ৰৱেশৰ সুবিধা দিব লাগিব— যাতে মানৱ বিকাশ সাধন হোৱাৰ উপৰি অৰ্থনৈতিক দিশতো বৃদ্ধি সাধন হয়।

এনেবোৰ দিশৰ প্ৰতি চিন্তা-চৰ্চা কৰি গ্ৰাম্য বিকাশ বিভাগে বছৰি এক লাখ কোটি টকাৰ বাজেটৰ ব্যৱস্থা কৰে। দাৰিদ্ৰ্য অৱস্থাৰ বিভিন্ন দিশবোৰ সামৰি লোৱাৰ লগতে অন্যান্য বিভাগবোৰৰ লগত সমন্বয় সাধন কৰে— যাতে জীৱিকা বৃত্তি নিশ্চিত কৰিব পাৰি আৰু গ্ৰামাঞ্চলৰ দুখীয়া লোকসকলৰ কল্যাণো সাধন কৰিব পাৰি। গ্ৰামাঞ্চলত বছৰি ৩-৪ লাখ কোটি টকাতকৈ অধিক ব্যয় কৰা হয়— যদিহে সকলো বিভাগ আৰু ৰাজ্য চৰকাৰৰ বাজেটৰ আবণ্টনৰাশি একেলগ কৰা হয়।

খৰাং বতৰৰ স্থিতিলৈ চাই পানী সংৰক্ষণৰ ক্ষেত্ৰত গুৰুত্ব দিয়াৰ বাবে এটা সংহত কৃষি পদ্ধতিৰ বিকাশ সাধন কৰিবলৈ মনোযোগ দিয়াৰ প্ৰয়োজন বোধ কৰা হয় আৰু সেই মৰ্মে কৃষি উদ্যানশস্য তথা পশুধন অন্তৰ্ভুক্ত কৰা হয়। তাৰ লগে লগে অ-কৃষিমূলক কাম--কাজত নিয়োগক উৎসাহিত কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰা হয়। মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আঁচনিৰ অধীনত যি সম্পদৰাজিৰ ব্যৱস্থা কৰা হয়, সেইটোৱে জীৱিকাবৃত্তিৰ এটা উৎস ৰূপে ক্ৰিয়া কৰা দেখা যায়; তাক যথাৰ্থ ৰূপত কাৰ্যত লগাবলৈ প্ৰয়াস কৰা হয় আৰু প্ৰয়োজন সাপেক্ষে পৰিয়ালবোৰৰ জীৱিকা সাধনৰ উপায়সমূহকো ভিন্নমুখী কৰাৰ ওপৰত প্ৰাধান্য দিয়া হয়। অলপতে অভিযান ভাবধাৰাৰে পৰিচালিত কৰিবলৈ যি নীতি-নিৰ্দেশনা অৱলম্বন কৰা হয় সেই অনুযায়ী এনৰেগা সম্পদসমূহক বিজ্ঞান আৰু প্ৰযুক্তিৰ ভিত্তিত ব্যৱহাৰ কৰা হ'ব। খৰাং অঞ্চলত নিশ্চিত জলচ্ছেদ ব্যৱস্থাৰ প্ৰতি মনোযোগ দিয়া হ'ব।

দীন দয়াল অন্ত্যোদয়া যোজনা আৰু ৰাষ্ট্ৰীয় গ্ৰাম্য জীৱিকাবৃত্তি অভিযানৰ অধীনত ক্ষুদ্ৰ ঋণ আঁচনিয়ে প্ৰতিষ্ঠানমূলক ঋণৰ যোগান ধৰাৰ কাম কৰে। মহিলা আত্মসহায়ক গোটসমূহৰ জৰিয়তে অৰ্থনৈতিক কাম-কাজৰ বাবে লোকসকললৈ এই সুবিধা আগবঢ়োৱা হয়। ৩১ লাখতকৈ অধিক মহিলা

*লেখক ভাৰত চৰকাৰৰ গ্ৰাম্য বিকাশ বিভাগৰ সচিব। সৰ্বশিক্ষা অভিযান আৰু ৰাষ্ট্ৰীয় গ্ৰাম্য স্বাস্থ্য অভিযানৰ আৰ্হিকৰণত তেওঁ প্ৰধান ভূমিকা গ্ৰহণ কৰিছিল।

আত্মসহায়ক গোট আৰু প্ৰায় ৩.৬ কোটি মহিলা এই অভিযান কাৰ্যত ভাগ লয়। আত্মসহায়ক গোট, গ্ৰাম্য সংগঠন আৰু সম্পদ সংগ্ৰহৰ ক্ষেত্ৰত জড়িত থকা লোকসকলৰ জৰিয়তে সামাজিক সম্পদৰ ব্যৱস্থা কৰাৰ পিছত এই গোটসমূহক অৰ্থনৈতিক কাম-কাজ কৰিবৰ বাবে একত্ৰিত কৰাৰ ওপৰত আধিক্য আৰোপ কৰা হয়। তাৰ বাবে বেংকৰ স'তে উপযুক্ত যোগসূত্ৰ স্থাপন কৰাৰ ওপৰতো গুৰুত্ব দিয়া হয়। মহিলা আত্মসহায়ক গোটৰ সদস্যসকলে যোৱা তিনি বছৰত ঋণ হিচাপে ৮৫,০০০ কোটি টকাতকৈ অধিক ধনৰ দিহা কৰে আৰু এই সম্পদৰ ভালেখিনি জীৱিকা-বৃত্তি ভিন্নমুখীকৰণৰ বাবে উপযুক্ত কামত ব্যৱহাৰ কৰে। লগতে দুখীয়া ঘৰৰ লোকসকলৰ উপাৰ্জন বৃদ্ধি কৰাৰো ব্যৱস্থা কৰে। এনৰেগাৰ সম্পদৰাজি ছাগলীৰ আশ্ৰয় থলী, হাঁহ-কুকুৰাৰ গড়াল, খীৰঁতী গাইৰ চালিৰ বাবে ব্যৱহাৰ কৰা হয়। পাম ক্ষেত্ৰত পুখুৰী আৰু নাদ খন্দাৰ কামতো ধন ব্যয় কৰা হয়। এনেধৰণৰ ব্যৱস্থাৰাজিৰ উদ্দেশ্য হ'ল হিতাধিকাৰীসকলৰ জীৱিকাবৃত্তি ভিন্নমুখী কৰা— যাতে তেওঁলোকে অধিক উপাৰ্জন কৰিবলৈ সক্ষম হ'ব পাৰে।

### ২০১৬-১৭ বৰ্ষৰ গ্ৰাম্য বিকাশ কাৰ্যসূচীৰ লেখ

২০১৬-১৭ বৰ্ষৰ কালছোৱাত গ্ৰাম্য বিকাশ কাৰ্যসূচীৰ অধীনত কৰা প্ৰায়ভাগ কামৰেই সফলতা লেখত ল'ব লগা। প্ৰধান মন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ অধীনত যিবোৰ পথ নিৰ্মাণ কৰা হয় সেয়া বেচ উল্লেখযোগ্য। তাৰ প্ৰতিফলন বাস্তৱ ক্ষেত্ৰত পৰিলক্ষিত হয়। ২০১১-২০১৪ বৰ্ষৰ কালছোৱাত প্ৰতিদিনে পথ নিৰ্মাণৰ সংখ্যা আছিল ৭৩.৫ কিলোমিটাৰ। কিন্তু ২০১৪-১৬ বৰ্ষৰ কালছোৱাত প্ৰতিদিনে পথ নিৰ্মাণ কৰা হৈছিল ১০০ কিলোমিটাৰ। ২০১৬-১৭ বৰ্ষৰ কালছোৱাত ইয়াৰ সংখ্যা আৰু অধিক। দৈনিক ১৩০ কিলোমিটাৰ। সেই একেদৰেগ্ৰাম্য বাসগৃহ কাৰ্যসূচীৰ অধীনত ইন্দিৰা আৱাস যোজনাৰ সকলোবোৰ অসম্পূৰ্ণ হৈ থকা ঘৰৰ নিৰ্মাণৰ কাম সম্পৰ্ণ কৰাৰ ওপৰত জোৰ দিয়া হয়। লগতে প্ৰধান মন্ত্ৰী আৱাস যোজনা গ্ৰামীণ আঁচনিৰ অধীনত গৃহ নিৰ্মাণৰ কাম আৰম্ভ কৰা হয়। ২০১৬ চনৰ ২০ নৱেম্বৰত প্ৰধান মন্ত্ৰীয়ে এই আঁচনিখন উদ্বোধন কৰিছিল। ৰাজ্যসমূহৰপৰা পোৱা পৰিসংখ্যা মতে ৩২.১৪ লাখ ঘৰ নিৰ্মাণ কাম সম্পূৰ্ণ কৰে। এয়া ২০১১-২০১৪ বৰ্ষৰ কালছোৱাত গড় হিচাপে নিৰ্মাণ কাম সম্পূৰ্ণ ঘৰৰ সংখ্যাতকৈ ২ ৰ পৰা ৩ গুণ অধিক। একেদৰে এনৰেগা আঁচনিৰ অধীনত সাধাৰণতে যি ২৫ লাখৰ পৰা ৩০ লাখ কাম সম্পূৰ্ণ কৰা হয়, তাৰ বিপৰীতে ২০১৬-২০১৭ বৰ্ষৰ কালছোৱাত ৫২ লাখ কামৰ সফলতা আঁচনিখনে দাবী কৰিব পাৰে। আৰু এটা উল্লেখযোগ্য বিষয় হ'ল এনৰেগা আঁচনিৰ অধীনত ৮৮ লাখ সম্পত্তিক পোন প্ৰথমবাৰৰ বাবে ভৌগোলিকভাৱে এক নিশ্চিত স্থিতিৰ অধীনলৈ অনা হয়। এই সকলোবোৰ আঁচনি আৰু কাৰ্যসূচীৰ ২০১৬-১৭ বৰ্ষৰ কালছোৱাত সাধন কৰা কিছুমান লেখত ল'ব লগা সফলতা সম্পৰ্কে তলত উল্লেখ কৰা হ'ল।

### প্ৰধান মন্ত্ৰী গ্ৰাম চড়ক যোজনা

- এটা অভিলেখ দৈৰ্ঘ্যৰ ৪৭,৩৫০ কিলোমিটাৰ গ্ৰাম চড়ক যোজনাৰ পথ ২০১৬-১৭ বৰ্ষৰ কালছোৱাত নিৰ্মাণ কৰা হয়। যোৱা ৭ বছৰৰ ভিতৰত এটা বছৰতে নিৰ্মাণ কৰা এয়া হ'ল গ্ৰাম চড়ক যোজনাৰ সৰ্বাধিক পথ।
- ২০১৬-১৭ বৰ্ষত ৪৭,৩৫০ কিলোমিটাৰৰ গ্ৰাম চড়ক যোজনা পথ নিৰ্মাণ কৰি ১১,৬১৪ খন বসতি স্থলক সংযোগ কৰা হয় দৈনিক গড় হিচাপে ৩২ খন বসতিস্থলক পথৰ দ্বাৰা সংযোগ কৰা হয়। সংখ্যাৰ পিনৰ পৰা যোৱা ৭ বছৰৰ ভিতৰত ভিন ভিন বসতিস্থল সংযোজিত কৰা এয়াই হ'ল সৰ্বাধিক। তাৰ সংখ্যা হ'ল ১১,৬০৬।
- গ্ৰাম্য পথবোৰত কাৰ্বনৰ মাত্ৰা হ্ৰাস কৰাৰ লক্ষ্যৰে পৰিৱেশমূলক প্ৰদূষণ কম কৰা হয়, কাম কৰাৰ বতৰ 'বৃদ্ধি' কৰা হয় আৰু 'সেউজ প্ৰযুক্তি'ৰ ব্যৱহাৰ অধিকভাৱে উৎসাহিত কৰা হয়। সততে প্ৰচলন নকৰা সামগ্ৰী কামত লগোৱা হয়। তেনে সামগ্ৰী হ'ল— পেলনীয়া প্লাষ্টিক, জিঅ' টেক্সটাইল, ফ্লাই এছ, লৌহ আৰু তামৰ ধাতৰ ইত্যাদি।
- ২০১৬-১৭ বৰ্ষত 'সেউজ' প্ৰযুক্তি ব্যৱহাৰ কৰি ৪,১১৩.১৩ কিলোমিটাৰ প্ৰধান মন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ পথ নিৰ্মাণ কৰা হয়।

### মহাত্মা গান্ধী এনৰেগা আঁচনি প্ৰশাসনৰ ৰূপান্তৰ সাধন আৰু জল সংৰক্ষণ

২০১৬-১৭ বিত্তীয় বৰ্ষত মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আঁচনিৰ কাম-কাজত প্ৰশাসনৰ বিশেষভাৱে ৰূপান্তৰ সাধন হোৱা দেখা যায় আৰু সেই অনুযায়ী পানী সংৰক্ষণৰ ওপৰত নিৰন্তৰভাৱে আধিক্য আৰোপ কৰা হয়। লক্ষণীয় কামবোৰৰ ভিতৰত উল্লেখযোগ্য হ'ল— আধাৰ স্থিতিৰে

৮২ শতাংশ সক্ৰিয় কৰ্মী (৯.১ কোটি), আধাৰ ভিত্তিক পে'মেণ্ট ব্যৱস্থাত ৪.৬ কোটি কৰ্মী, বেংক/ডাকঘৰৰ একাউণ্টৰ জৰিয়তে ৯৬% মজুৰিৰ বৈদ্যুতিন মাধ্যমেৰে পে'মেণ্ট, এতিয়ালৈকে ৮৯ লাখতকৈ অধিক সম্পত্তিৰ ভৌগোলিক স্থিতিৰ নিশ্চয়তা, উপযুক্ত পৰীক্ষা-নিৰীক্ষাৰ জৰিয়তে এতিয়ালৈকে ৯৩ লাখ জব কাৰ্ডৰ অৱলুপ্তি, কম বৃষ্টিপাত হোৱা অঞ্চলবোৰত ব্যাপক আকাৰত খৰাং অৱস্থাৰপৰা সকাহ দিবৰ বাবে পানী সংৰক্ষণ কাম, দুখীয়া লোক বসবাস কৰা অঞ্চলবোৰত জীৱিকাৰ নিৰাপত্তাৰ বাবে নিৰ্ভৰযোগ্য সম্পদ সৃষ্টি কৰি এটা সু-প্ৰকাশিত কাৰ্যসূচীৰ দিহা কৰা হয় আৰু লগতে চাহিদা অনুযায়ী নিয়োগৰো দিহা কৰা হয়। এই নিয়োগ নিশ্চিত আঁচনিখনে ২৩০ কোটি লোকক কৰ্ম দিন প্ৰদান কৰে। এয়া পুনৰবৰ্দ্ধিত শ্ৰমিক বাজেতকৈ অধিক। ৫৮,০৫৬ কোটি টকাৰ (কেন্দ্ৰ তথা ৰাজ্য) যি ব্যয় কৰা হয়, সেয়া অন্য বছৰবোৰত কৰা ব্যয়তকৈ অধিক। বছৰটোত মজুৰি প্ৰদানেৰে যি ৫৬ শতাংশ মহিলাক নিয়োগ কৰা হয়, সেয়াও সৰ্বাধিক।

পানী সংৰক্ষণৰ গতি অটুট ৰাখিবৰ কাৰণে খৰাং আক্ৰান্ত ৰাজ্যবোৰৰ মুখ্য মন্ত্ৰীসকলৰ স'তে অনুষ্ঠিত কৰা বৈঠকত প্ৰধান মন্ত্ৰীয়ে গুৰুত্ব আৰোপ কৰে আৰু তাৰ প্ৰতি সচেষ্ট হৈ থাকিবলৈও আহ্বান জনায়। সেই অনুযায়ী এনেৰেগাৰ সম্পদৰাজি ব্যৱহাৰ কৰি ৰাজ্যবোৰে নিজ অঞ্চলসমূহৰ প্ৰয়োজন অনুসাৰে পানী সংৰক্ষণ ব্যৱস্থাৰ প্ৰয়াস জাৰি ৰাখে। এইক্ষেত্ৰত উল্লেখযোগ্য প্ৰয়াসসমূহ হ'ল— ৰাজস্থানৰ মুখ্য জল স্বাৱলম্বন যোজনা, খৰাংপীড়িত ৩২০০০ গাঁৱত ৯২০০০ টা পানী সংৰক্ষণ গাঁথনিৰ নিৰ্মাণ, ঝাৰখণ্ডৰ প্ৰতিখন ৰাজহ গাঁৱতেই কৃষি ভূমিত পুখুৰীৰ ব্যৱস্থা; অন্ধ্ৰ প্ৰদেশত 'নিৰু সেতু'ৰ নিৰ্মাণৰ উপৰি ঠাইবিশেষে পুখুৰীৰ ব্যৱস্থা, তেলেংগানাৰ 'মিছন কাকাতিয়া'; মধ্য প্ৰদেশৰ 'কপিলধাৰাৰ' বাবে খন্দা নাদসমূহ আৰু মহাৰাষ্ট্ৰৰ 'জলযুক্ত চিকাৰ' তথা অন্য পানী সংৰক্ষণ ব্যৱস্থা ইত্যাদি। এই সকলোবোৰ জীৱিকা নিৰ্বাহৰ কাৰণে নিশ্চিত খৰাং উপশম ব্যৱস্থা ৰূপে গ্ৰহণ কৰা হয়।

২০১৬-১৭ বিত্তীয় বৰ্ষৰ কাল-ছোৱাত ১৫.৪৭ লাখ পানী সম্পৰ্কিত কাম-কাজ সম্পূৰ্ণ হয়। ইয়াৰ ভিতৰত ৫.৬৬ লাখ কৃষিক্ষেত্ৰৰ পুখুৰী নিৰ্মাণৰ কামো আছে। এনৰেগাৰ বাৰ্ষিক কাৰ্য সম্পাদনৰ ফলাফলৰ প্ৰতিবেদন তৈয়াৰ কৰাৰ যি নতুন নিয়ম কৰা হয় তাৰ পৰা এইটো পৰিলক্ষিত হয় যে ২০১৫-১৬ আৰু ২০১৬-১৭ বিত্তীয় বৰ্ষৰ কালছোৱাত এনৰেগাৰ জৰিয়তে প্ৰায় ৯০ লাখ হেক্টৰ ভূমিত জলসিঞ্চনৰ ব্যৱস্থা কৰা হয়।

জীৱিকাৰ সুৰক্ষা সাধনৰ বাবে ২০১৬-১৭ বিত্তীয় বৰ্ষত ব্যাপক আকাৰত ব্যক্তিগত কল্যাণমূলক আঁচনিক এনৰেগাই উৎসাহ-উদগনি জগায়। (১৪.৬১ লাখতকৈ অধিক হিতাধিকাৰী এনে আঁচনিত সামৰি লোৱা হয়।) তেনে সুৰক্ষা সাধনৰ কাম-কাজৰ ভিতৰত উল্লেখযোগ্য হ'ল— হাঁহ-কুকুৰা, ছাগলী আৰু খীৰঁতী গাইৰ বাবে চালি নিৰ্মাণ; কৃষি-ক্ষেত্ৰৰ পুখুৰী আৰু নাদ; বাসগৃহ আৰু শৌচাগাৰ নিৰ্মাণৰ বাবে সহায়-সমৰ্থন ইত্যাদি। তামিলনাডুৰ ১১০০০ খন গাঁৱত মল-মূত্ৰৰ ব্যৱস্থাপনাৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হয় আৰু অন্ধ্ৰপ্ৰদেশ, তেলেংগানা, মহাৰাষ্ট্ৰ তথা আন বহুতো ৰাজ্যতে মল-মূত্ৰ নিৰ্গত হৈ দ গাঁতত পৰাৰ ব্যৱস্থা কৰা হয়। তেনে নিৰ্গত ব্যৱস্থাৰ সংখ্যা ৪ লাখৰো অধিক। এন্‌ৰেগাৰ অদক্ষ কৰ্মীসকলক দক্ষতা অৰ্জনৰ বাবে গ্ৰাম্য স্ব-নিয়োজন প্ৰশিক্ষণ কেন্দ্ৰত বিভিন্নধৰণৰ প্ৰশিক্ষণ দিয়া হয়। এনে প্ৰশিক্ষণপ্ৰাপ্ত কৰ্মীৰ সংখ্যা হ'ল ২৯৭০৪। ৩৮১২ জনক টেক্‌নিচিয়ান হ'বলৈ প্ৰশিক্ষণ প্ৰদান কৰা হয়। তদুপৰি 'দি দি ইউ জি কে' যোজনাৰ অধীনত তিনি হেজাৰতকৈ অধিক কৰ্মীৰ নিয়োগৰ ব্যৱস্থা কৰা হয়।

**প্ৰধান মন্ত্ৰী আৱাস যোজনা-গ্ৰামীণৰ সা-সুবিধা**

প্ৰধান মন্ত্ৰীয়ে গ্ৰামীণ যোজনা— যাৰ নাম হ'ল প্ৰধান মন্ত্ৰী আৱাস যোজনা ২০১৬ চনৰ ২০ নৱেম্বৰত প্ৰচলন কৰে। এই নতুন গ্ৰাম্য বাসগৃহ কাৰ্যসূচী ঘৰৰ লোকৰ আৱশ্যকতা আৰু আশা-আকাংক্ষা পূৰণ কৰিবৰ বাবে দিহা কৰা হয়। অধিক ব্যয়ৰ প্ৰতিটো ঘৰ থলুৱা সা-সামগ্ৰী ব্যৱহাৰ কৰি নিৰ্মাণ কৰিবলৈ দিয়া হয়। এনে ঘৰৰ নক্সা স্থানীয় ঘৰৰ আৰ্হিৰ, কিন্তু ইয়াত ৰন্ধন ক্ষেত্ৰ, শৌচাগাৰ, এল পি জি গেছৰ সংযোগ, বিদ্যুৎ তথা পানী যোগানৰ ব্যৱস্থা থাকিব। অৱশ্যে হিতাধিকাৰীয়ে তেওঁলোকৰ প্ৰয়োজন অনুসৰি ঘৰটোৰ ব্যৱস্থাৰ বিষয়ে পৰিকল্পনা কৰিব পাৰে। গুণগত মানৰ নিৰ্মাণৰ বাবে ৰাজমিস্ত্ৰীৰ যি দক্ষতাৰ আৱশ্যক হয় তাৰ কাৰণে গ্ৰাম্য ৰাজমিস্ত্ৰীসকলৰ অৰ্থে প্ৰশিক্ষণ কাৰ্যসূচী আৰম্ভ কৰা হৈছে।

২০১৬-১৭ বৰ্ষত আধিক্য আৰোপৰ বিষয় আছিল এই গ্ৰামীণ আৱাস যোজনাক খৰ গতিৰে আগুৱাই নিবলৈ সকলো প্ৰয়োজনীয় বিষয় সম্পূৰ্ণ কৰা। তেনে বিষয়ৰ ভিতৰত কেইটামান

হ'ল হিতাধিকাৰী নিৰ্বাচন, আইটি/ ডিবিটিৰ ব্যৱস্থা, উপযুক্ত প্ৰযুক্তিৰ ব্যৱহাৰ, গ্ৰাম্য ৰাজমিস্ত্ৰীৰ প্ৰশিক্ষণ, ঘৰৰ নক্সা চূড়ান্তকৰণ ইত্যাদি। অন্য ক্ষেত্ৰত অধিক গুৰুত্ব আৰোপ কৰা বিষয় হ'ল এবছৰ আৰু চাৰি বছৰৰ মাজত ইন্দিৰা আবাস যোজনাৰ ৩০ লাখ ঘৰৰ সৰহভাগেই নিৰ্মাণৰ কাম অসম্পূৰ্ণ হৈ থকাবোৰক সম্পূৰ্ণ কৰা।

প্ৰশাসনৰ সংস্কাৰ সাধনৰ অংশ ৰূপে ধনৰ লেনদেনৰ ক্ষেত্ৰতো প্ৰক্ৰিয়া সলনি কৰা হয়। পূৰ্বতে গ্ৰাম্য বাসগৃহ কাৰ্যসূচীৰ বাবে প্ৰতিখন জিলাতে ২ টাৰ পৰা ২০ টা পৰ্যন্ত বেংকৰ হিচাপ-বহী আছিল। কিন্তু এতিয়া ৰাজ্যিক স্তৰত একক বেংক একাউণ্ট-যাক কোৱা হয় 'ছিঙ্গল নোডাল একাউণ্ট'— চলন্তি কৰা হয়। ইয়াৰপৰা পোনপটীয়াকৈ বৈদ্যুতিন-ভাৱে হিতাধিকাৰীৰ হিচাপ-বহীলৈ স্থানান্তৰিত কৰা হয়।

এই গ্ৰামীণ আৱাস যোজনাৰ অধীনত ২০২২ হিতাধিকাৰী নিৰ্বাচন কৰা হয়। এই নিৰ্বাচন গুৰুত্ব অনুযায়ী তথা স্বচ্ছভাৱে কৰা হয়। তিনি তৰপীয়া কমিটীয়ে দুখীয়া তথা গৃহহীন আৰু যিসকল অতি বেয়া অৱস্থাৰ ঘৰত কাম কৰে তেনে লোককহে বাছি উলিয়ায়। স্পৰ্শকাতৰ গোটসমূহৰ যথেষ্টসংখ্যক লোক তথা মহিলাক হিতাধিকাৰী ৰূপে নিৰ্বাচন কৰা হয়। দুৰ্যোগকালীন স্থিতিত প্ৰতিহত ক্ষমতা থকা দিশবোৰক সামৰি লৈ ঘৰত নক্সা চূড়ান্ত কৰা হয় আৰু ৰাজ্য চৰকাৰে ইয়াক কামত লগাবলৈ লয়।

প্ৰধান মন্ত্ৰী আৱাস যোজনা-গ্ৰামীণৰ কাৰ্যসূচী ৰূপায়ণৰ ক্ষেত্ৰত মধ্য প্ৰদেশ, ৰাজস্থান, মহাৰাষ্ট্ৰ, চণ্ডীগড়, কৰ্ণাটক আৰু অসমৰ দৰে ৰাজ্যবোৰে আগ-ভাগ লয়। ইন্দিৰা আৱাস যোজনাৰ ভালেসংখ্যক অসম্পূৰ্ণ হৈ থকা ঘৰৰ কাম সম্পূৰ্ণ কৰি কেইখনমান ৰাজ্যই ভাল কাম কৰে। তাৰ ভিতৰৰ কেইখন-মান ৰাজ্য হ'ল— বিহাৰ, পশ্চিমবঙ্গ, উত্তৰ প্ৰদেশ, মধ্য প্ৰদেশ, অসম, ঝাৰখণ্ড, ৰাজস্থান আৰু মহাৰাষ্ট্ৰ।

গ্ৰাম্য বিকাশ বিভাগে ২০১৭-১৮ বৰ্ষৰ কালছোৱাত ৫১ লাখ ঘৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰিবলৈ আশা কৰিছে। এই চলিত বিত্তীয় বৰ্ষৰ কালছোৱাতেই অলপতে অতিৰিক্ত ৩০ লাখ ঘৰৰ বাবে মঞ্জুৰি প্ৰদান কৰা হ'ব। একেই সংখ্যক ঘৰ নিৰ্মাণৰ কাম ২০১৮-১৯ বৰ্ষৰ কালছোৱাত সম্পূৰ্ণ কৰিবলৈ প্ৰস্তাৱ কৰা হয়। সেয়ে হ'লে ২০১৬-১৯ বৰ্ষৰ কালছোৱাৰ ভিতৰত মুঠ নিৰ্মাণ ঘৰৰ সংখ্যা হ'ব ১.৩৫ কোটি। এই গতিশীল কাৰ্যই ২০২২ বৰ্ষৰ ভিতৰত সকলোৰে বাবে ঘৰ সাজিবৰ কাৰণে পথ মুকলি কৰিব।

**দীন দয়াল অন্ত্যোদয়া যোজনা আৰু ৰাষ্ট্ৰীয় গ্ৰাম জীৱিকা অভিযানৰ ভূমিকা**

দীন দয়াল অন্ত্যোদয়া যোজনা আৰু ৰাষ্ট্ৰীয় গ্ৰাম্য জীৱিকা অভিযানে লোকসকলৰ জীৱন আৰু জীৱিকা বৃত্তিলৈ এটা পৰিৱৰ্তন আনিছে। এনে পৰিৱৰ্তনৰ সুফল ৩.৬ কোটিতকৈ অধিক ঘৰৰ লোকে লাভ কৰিছে আৰু ইয়াৰ ওপৰত ভেজা দিয়েই মহিলাসকলে আত্মসহায়ক গোটত যোগদান কৰিছে। এইবোৰ গোটৰ মহিলা, গ্ৰাম্য সংগঠন আৰু শাখা স্তৰৰ ফেডাৰেচনবোৰে ৰূপান্তৰমূলক সামাজিক পথ উদ্ভাৱন কৰিছে-যিটোৱে লিঙ্গৰ সম্পৰ্কৰ পৰিৱৰ্তন আনিছে, সামাজিক সেৱাসমূহৰ প্ৰতি সূচল প্ৰৱেশ ব্যৱস্থা সাধন কৰিছে আৰু গ্ৰাম সভা তথা পঞ্চায়তীৰাজ প্ৰতিষ্ঠানসমূহত অংশগ্ৰহণ কৰা সূচল কৰিছে। এনেকি দৰিদ্ৰতাৰ কৱলৰ পৰা নিজ সামৰ্থ্যৰে ওলাই অহা ১.৫ লাখ মহিলা এতিয়া পৰিৱৰ্তনৰ এটা ডাঙৰ কাৰক, শক্তি-স্বৰূপ হৈ পৰিছে। তেওঁলোক হ'ল কমিউনিটী ৰিছ'ৰ্চ গোটৰ ব্যক্তি। কৃষি, বেংকৰ সেৱা আদি নানা তৰহৰ সমাজ কল্যাণমূলক কামক উৎসাহ-উদগনি দি গ্ৰাম্য ৰাইজৰ প্ৰতি যথাসাধ্য প্ৰয়াস কৰিছে। আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয় হ'ল গাঁওসমূহৰ সামাজিক ৰূপান্তৰ সাধনৰ বাবে এইসকল ব্যক্তিৰ ভূমিকাক কোনো ধৰণে উলাই কৰিবলগা নহয়।

এই কাৰ্যসূচী ২০১১ চনত আৰম্ভ কৰা হয়; আৰু তেতিয়াৰ পৰাই আত্মসহায়ক গোটৰ মহিলা সদস্যসকলে বেংকৰ ঋণ ৰূপে ১.০৬ লাখ কোটি টকা কাৰ্যত খটুৱাবলৈ সুবিধা পায়। ২০১৪-১৫ বৰ্ষত ২০,০০০ কোটি টকাৰ বেংক ব্যৱস্থাৰপৰা আত্মসহায়ক গোটবোৰে ২০১৫-১৬ বৰ্ষত ঋণ ৰূপে ৩০,০০০ কোটি টকাতকৈ অধিক লাভ কৰে। ২০১৭ বৰ্ষৰ ফ্ৰেব্ৰুৱাৰীপৰ্যন্ত ২৯,০০০ কোটি টকা ইতিমধ্যে বিতৰণ কৰা হয় আৰু এইটো আশা কৰা হৈছে যে ৩৫,০০০ কোটি টকাৰপৰা ৩৮,০০০ কোটি টকালৈকে ২০১৬-১৭ বিত্তীয় বৰ্ষত ঋণ ৰূপে সংগ্ৰহ কৰাৰ কথা। ২০১৬-১৭ বৰ্ষত বেংক সম্বন্ধীয় বিষয়ৰ ক্ষেত্ৰত কৰা বিশ্লেষণৰ পৰা এইটো পৰিলক্ষিত হয় যে কেইখনমান ৰাজ্যই ঋণৰ সুবিধা লাভ কৰাৰ ক্ষেত্ৰত যথেষ্ট পৰিমাণে বৃদ্ধি পায়। সেই ৰাজ্যকেইখন হ'ল— অসম, বিহাৰ, ওড়িশা, ৰাজস্থান আৰু পশ্চিমবঙ্গ। ইয়াৰ পৰা এইটো স্পষ্ট যে বেংকৰ স'তে যোগাযোগ স্থাপন কৰা কাৰ্য বৃদ্ধি পাইছে, কিয়নো আত্মসহায়ক গোটবোৰ অধিক সক্ৰিয় হৈ উঠিছে আৰু উত্তৰ ভাৰতৰ বহু

ৰাজ্যত ই শক্তি শালী প্ৰতিষ্ঠানত পৰিণত হৈছে। দক্ষিণ ভাৰতৰ ৰাজ্যসমূহত সেই গোটবোৰ ইতিমধ্যে শক্তিশালী আৰু স্পন্দিত প্ৰতিষ্ঠানস্বৰূপ হৈ পৰিছে।

মহিলা কিষাণ স-শক্তিকৰণ পৰিযোজনাৰ অধীনত কৃষি কাৰ্যক উৎসাহিত কৰিবৰ বাবে ৩০ লাখতকৈ অধিক মহিলা কৃষকক সহায়-সমৰ্থন আগবঢ়োৱা হয়। কেইখনমান ৰাজ্যত মহিলা আত্মসহায়ক গোটৰ নেতৃত্বত কৃষিৰ সা-সঁজুলি, পাৱাৰটিলাৰ আদি সহজতে উপলব্ধ হয়। বাৰ্মিজাতৰ পচম সাৰ এই মহিলা আত্মসহায়ক গোটৰ প্ৰচেষ্টাত খেতিত প্ৰয়োগ কৰিবলৈ থলুৱা খেতিয়কসকলে সুবিধা পায়। তদুপৰি কীটনাশক দ্ৰব্যৰ মুক্ত কৃষি তথা বৰষুণপুষ্ট অঞ্চলবোৰত কেইবাবিধৰ শস্যৰ খেতি কৰাৰ ক্ষেত্ৰতো উৎসাহ জগোৱা হয়।

দীন দয়াল অন্ত্যোদয় যোজনা আৰু ৰাষ্ট্ৰীয় গ্ৰাম্য জীৱিকা অভিযান কাৰ্যসূচী দেশখনৰ প্ৰায় এক-তৃতীয়াংশ গ্ৰাম পঞ্চায়তলৈ প্ৰসাৰিত হৈছে। ইয়াক আৰু অধিক প্ৰসাৰিত কৰিবৰ কাৰণে প্ৰয়াস অব্যাহত আছে। ২০১৭-১৮ বৰ্ষৰ কাল-ছোৱাত ৪.৫ লাখ নতুন আত্মসহায়ক গোটৰ জৰিয়তে এই কাৰ্যসূচীত সংযোজন কৰা হয়। ৮৪,০০০ টা ক্ষুদ্ৰ উদ্যোগৰ বিকাশ সাধন কৰিবলৈ আৰম্ভণিসূচক গ্ৰাম্য উদ্যোগশীল ভাবধাৰাৰ কাৰ্যসূচী ১৭ খন ৰাজ্যত আৰম্ভ কৰা হয়। এই ৰাজ্যবোৰত ইতিমধ্যে ৪৭ টা খণ্ডক সামৰি লোৱা হৈছে। তামিলনাডুৰ ১১,০০০ গাঁৱত মহিলা আত্মসহায়ক গোটৰ জৰিয়তে মল ব্যৱস্থাপনা কাৰ্য হাতত লোৱা হয়। অন্য এখন ৰাজ্যতো এনেধৰণৰ সফল কাৰ্য সাধন কৰা হয়। বছৰটোৰ ভিতৰত দীন দয়াল তথা গ্ৰাম্য জীৱিকা অভিযানে জীৱিকা বৃত্তিৰ ভিন্নমুখীকৰণ বিষয়ক পুস্তিকা প্ৰকাশ কৰে আৰু ৰাষ্ট্ৰীয় পুৰস্কাৰৰ ওপৰত আধাৰ কৰি ভাল অভ্যাস সম্পৰ্কিত কিতাপো উলিয়ায়।

জীৱিকাবৃত্তি ভিন্নমুখীকৰণ কৰা কাৰ্যক সূচল কৰিবৰ অৰ্থে দক্ষতাৰ বিকাশ তথা স্ব-নিয়োজনক উৎসাহিত কৰিবৰ বাবে দীন দয়াল উপাধ্যায় গ্ৰামীণ (কৌশল) যোজনা আৰু গ্ৰাম্য স্ব-নিয়োজন তথা প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ জৰিয়তে পদক্ষেপ গ্ৰহণ কৰে। ২০১৬-১৭ বৰ্ষৰ কালছোৱাত ১.৬০ লাখ যুৱকক প্ৰশিক্ষণ দিয়া হয় আৰু ৭৯,৪০০ তৰুণক বিভিন্ন প্ৰতিষ্ঠানত নিয়োগৰ সুবিধা কৰি দিয়া হয়। ইয়াৰ বাহিৰেও ৪ লাখ যুৱকক স্ব-নিয়োজনৰ বাবে ৫৮৫ টা প্ৰতিষ্ঠানত প্ৰশিক্ষণ প্ৰদান কৰা হৈছে। উচ্চ গুণসম্পন্ন প্ৰশিক্ষণ তথা নিশ্চিত কৰ্মসংস্থাপনৰ বাবে দীন দয়াল উপাধ্যায় গ্ৰামীণ ৰাষ্ট্ৰীয় যোজনাৰ অধীনত ১২ জন নতুন 'চেম্পিয়ন' নিয়োগকৰ্তাৰ নিৰ্বাচন কৰা হয়। এনে নিয়োগকাৰী কেইটামান প্ৰতিষ্ঠান হ'ল যেনে— কাফে ডে', এপল্লো মেডিস্কীলছ, টীম লীজ ইত্যাদি। বছৰটোৰ ভিতৰত ভালেসংখ্যক প্ৰতিষ্ঠানত গাড়ী চালকৰ প্ৰশিক্ষণো আৰম্ভ কৰা হয়।

দীনদয়াল অন্ত্যোদয়া যোজনা-ৰাষ্ট্ৰীয় গ্ৰাম্য জীৱিকা অভিযানৰ ক্ষেত্ৰত কৰা প্ৰথম ৰাষ্ট্ৰীয় মূল্যাংকনৰ কাম ৰুৰেল মেনেজমেণ্ট আনন্দ ইনষ্টিটিউটৰ দ্বাৰা অলপতে সম্পূৰ্ণ হয়। ইয়াৰ খচৰা প্ৰতিবেদনত গ্ৰাম্য পৰ্যায়ত মহিলাৰ সমন্বিত প্ৰয়াসৰ জৰিয়তে সামাজিক পুঁজিৰ বিকাশ সাধন বিষয়টোক লেখত লয়। মূল্যাংকনৰ পৰা এইটো পৰিলক্ষিত হয় যে ৰাষ্ট্ৰীয় গ্ৰাম্য জীৱিকা অভিযানে অৱলম্বন কৰা কৌশলে গাঁৱৰ দুখীয়া লোকসকলৰ ভাব প্ৰকাশ আৰু অধিক চাহিদাৰ পথ মুকলি কৰে। সেয়া কেৱল সপ্তাহৰ অন্তত অনুষ্ঠিত সভাসমূহতেই নহয়, উৎপাদন আৰু সামাজিক বিষয়সমূহতো মিলি-জুলি কৰা কামৰ জৰিয়তে প্ৰকাশ পায়। জীৱিকা নিৰ্বাহৰ ক্ষেত্ৰত ইয়াতকৈও অধিক ব্যাপকভাৱে ভিন্নমুখীকৰণ তথা বিকাশৰ জৰিয়তে জীৱনৰ ৰূপান্তৰ সাধনৰ দিশত আগবাঢ়ি যোৱাৰ এয়া এটা পথ— যাৰদ্বাৰাই দৰিদ্ৰতামুক্ত গ্ৰাম পঞ্চায়তৰ অন্ত্যোদয়া অভিযানৰ লক্ষ্য পাব পৰা যাব।

দৰিদ্ৰতাৰ ভিন্ন আকাৰ-প্ৰকাৰৰ সমস্যাবোৰ সমাধান কৰাৰ ক্ষেত্ৰত উন্নত প্ৰশাসনৰ ভূমিকা অতিশয় গুৰুত্বপূৰ্ণ বিষয়। পদক্ষেপ গ্ৰহণ কৰিবলৈ লওঁতে বঞ্চিত লোকসকলে কিমান সা-সঁজুলি পাইছে তাৰো লেখ ল'ব লাগিব আৰু এই লেখ আৰ্থ-সামাজিক জাতি পিয়লৰ ওপৰত ভিত্তি কৰি আগবঢ়া প্ৰয়োজন। প্ৰস্তাৱিত 'ছ'চিয়েল ৰেজিষ্ট্ৰী অৰ্থাৎ সামাজিক পঞ্জীকৰণ ব্যৱস্থাৰ জৰিয়তে সেই কাৰ্য সাধন কৰিব লাগিব। 'পঞ্চায়ত দৰ্পণ'ৰ অধীনত ভিন্ন আকাৰৰ দৰিদ্ৰতা বিষয়ক যি সংকেত পোৱা যায় সেই মতেই তাক কামত লগাই লোকসকলৰ দৰিদ্ৰতা হ্ৰাসকৰণৰ ক্ষেত্ৰত গ্ৰাম পঞ্চায়তৰ অগ্ৰগতিৰ দিশটো পৰ্যবেক্ষণ কৰা হ'ব। সামগ্ৰিকভাৱে বিভাগটোৱে আধাৰ ব্যৱহাৰ কৰি পৰিচয় নিশ্চিত কৰিব।

সঠিক দিশত উপনীত হ'বৰ বাবে মন্ত্ৰণালয়ে ৫০,০০০ দৰিদ্ৰতামুক্ত গ্ৰাম পঞ্চায়ত বিকাশ কৰিবলৈ প্ৰস্তাৱ কৰিছে। ইয়াৰ কাৰণে যিবোৰ সমস্যাই লোকক দৰিদ্ৰতাৰ পিনে ঠেলি দিয়ে সেই সকলোবোৰকেই একাদিক্ৰমে সমাধান কৰাৰ পক্ষপাতী।

'এছ এ জি' যোজনাৰ দৃষ্টিভঙ্গী আগত ৰাখি মন্ত্ৰণালয়ে এখন গ্ৰাম

**(১৮ পৃষ্ঠাত চাওক)**

# ৰাজহুৱা বিত্তীয় ব্যৱস্থাত ডিজিটেল ব্যৱস্থাৰ প্ৰয়োগ ঃ সম্পদৰ ফলপ্ৰসূ প্ৰয়োগ

**লেখা চক্ৰৱৰ্তী***
**সমীক্ষা আগৰৱালা***

বিশেষকৈ বি-মুদ্ৰাকৰণৰ পাছত বৃহৎ অৰ্থনৈতিক নীতি নিৰ্দ্ধাৰণকাৰী-সকলৰ বাবে ৰাজহ নীতি ডিজিটেলাইজকৰণৰ গুৰুত্ব যথেষ্ট বেছি। ৰাজহুৱা বিত্তীয় ব্যৱস্থাত দেশত প্ৰথমে তিনিটা পৰীক্ষামূলক ডিজিটেল ব্যৱস্থা প্ৰৱৰ্তন কৰা হয়। শেহতীয়া অৰ্থনৈতিক জৰীপত ডিজিটেল বিত্তীয় সেৱাৰ আৱশ্যকতা প্ৰতিফলিত হৈছে। হিতাধিকাৰীসকলক চিনাক্ত কৰিবলৈ এই প্ৰযুক্তিয়ে চৰকাৰক সহায় কৰিছে। ৰাজহুৱা বিত্তত ডিজিটাইজেচন হোৱাৰ ফলত ভুৱা হিতাধিকাৰীৰ নামসমূহ আঁতৰোৱাত সহায়ক হৈছে। তদুপৰি ইয়াৰ ফলত বহু ধনৰ অপচয় ৰোধ কৰিব পৰাৰ লগতে চিনাক্তকৰণত হ'ব পৰা ভুলৰ সংখ্যা হ্ৰাস পাইছে। এটা সমীক্ষা অনুসৰি, ৰাজহুৱা বিত্তত ডিজিটাইজেচন হোৱাৰ ফলত বিভিন্ন উন্নয়নমূলক আঁচনিত ধনৰ স্থানান্তৰৰ ক্ষেত্ৰত ইয়াৰ উপযোগিতা বৃদ্ধি পাইছে। এম জি এনৰেগাত ৪১ শতাংশ, 'পহল' (এল পি জি ৰাজসাহায্য আঁচনি)ত ৩৭ শতাংশ, ৰাষ্ট্ৰীয় সামাজিক সহযোগিতা আঁচনি (এন এছ এ পি) আৰু ৰাষ্ট্ৰীয় শিক্ষাবৃত্তি আঁচনিত ৭ শতাংশলৈ ধন স্থানান্তৰৰ বৃদ্ধি হৈছে (ভাৰতৰ অৰ্থনৈতিক সমীক্ষা ২০১৫-১৬)।

ৰাজহ নীতিৰ ডিজিটাইজেচনৰ আন এটা সফল পৰীক্ষণ হ'ল প্ৰধান মন্ত্ৰী জন ধন যোজনা। এই আঁচনিয়ে বিত্তীয় সেৱাসমূহৰ বেংকৰ ছেভিংচ একাউণ্ট মুকলি কৰি ৰাইজক বিত্তীয় ব্যৱস্থাৰ অন্তৰ্ভুক্তিকৰণ নিশ্চিত কৰিছে। প্ৰকৃত হিতাধিকাৰীলৈ যাতে ধন স্থানান্তৰ কৰিব পাৰি তাৰ বাবে এই একাউণ্টসমূহ মুকলি কৰা হৈছে। অন্য এটা পৰীক্ষা-মূলক ব্যৱস্থা হ'ল আধাৰ কাৰ্ড প্ৰৱৰ্তন। এই ব্যৱস্থাই দেশৰ প্ৰতিগৰাকী নাগৰিকক এটা অনন্য অনলাইন পৰিচয় ক্ৰমাংক প্ৰদান কৰে আৰু বেংক একাউণ্ট আৰু ম'বাইল নম্বৰৰ সৈতে সংযোগ কৰি লেনদেন সহজ কৰি তোলে। দ্ৰুতগতিত ধন প্ৰেৰণ কৰাৰ লগাটো দীঘলীয়া বেংকিং সমস্যাৰপৰা মুক্তি পাবলৈ ম'বাইল বেংকিং বৃদ্ধিৰ বাবে উৎসাহ প্ৰদান কৰা হৈছে। জন ধন একাউণ্ট, আধাৰ কাৰ্ড আৰু ম'বাইল বেংকিঙে ভাৰতক ডিজিটেল বিপ্লৱৰ দিশে আৰু এখোজ আগবঢ়াই লৈ গৈছে।

বিত্ত ব্যৱস্থাৰ এনে ডিজিটাইজেচন কেনিয়াত প্ৰয়োগ কৰা হৈছে। দেশখনত ক্ৰমবৰ্দ্ধমান ডিজিটাইজেচনৰ পৰিৱেশ বিত্তীয় সংস্থাসমূহে কিমান সঁহাৰি জনাইছে, সেই কথা জানিবলৈ ভৌগোলিক জৰীপ চলোৱা হয়। কেনিয়াত প্ৰতি ৫ কিলোমিটাৰ মূৰে মূৰে 'ফাইনেন্সিয়েল একছেছ টাচ্ পইণ্ট স্থাপন কৰা হৈছে আৰু ইয়াৰ ফলত ম'বাইল ফোন নিৰ্ভৰ ধনেৰে অৰ্থনৈতিকভাৱে অগ্ৰসৰ হৈছে। মাথোঁ ১০ বছৰৰ ভিতৰত শূন্যৰ পৰা ৭০ শতাংশলৈ প্ৰাপ্তবয়স্ক লোকৰ ম'বাইল ফোন ব্যৱহাৰ বৃদ্ধি পাইছে। এয়া নিঃসন্দেহে উল্লেখনীয় সাফল্য।

গোলকীয় অভিজ্ঞতাৰপৰা শিক্ষা গ্ৰহণ কৰি ভাৰতে 'জে এ এম' (জন ধন, আধাৰ আৰু ম'বাইল) প্ৰয়োগেৰে দেশৰ সম্পদৰ ফলপ্ৰসূ ব্যৱহাৰ কৰিবলৈ সক্ষম হৈছে। মূলতঃ ৰাজসাহায্য স্থানান্তৰ কৰাৰ ক্ষেত্ৰত দেশখনত অদক্ষতাৰ লগতে পৰিলক্ষিত হৈছিল ধনৰ নিৰ্গমন আৰু ভুৱা হিতাধিকাৰীৰ প্ৰাদুৰ্ভাৱ। উদাহৰণস্বৰূপে ৰাজহুৱা বিতৰণ ব্যৱস্থা (পিডিএছ) ভুৱা বা নকল হিতাধিকাৰীৰ বাবেই পৰিচয় চিনাক্তকৰণৰ সমস্যাৰ সন্মুখীন হৈছিল। একেদৰে মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত (এম জি এনৰেগা) আঁচনি ৰূপায়ণত কেতবোৰ প্ৰতিবন্ধকতাই দেখা দিছিল আৰু ধনৰ বহিৰ্গমন পৰিলক্ষিত হৈছিল। এল পি জি ৰাজসাহায্যৰ ক্ষেত্ৰত ইমান বেছি অদক্ষতা পৰিলক্ষিত হৈছিল যে প্ৰথম ২০ শতাংশই মুঠ প্ৰত্যক্ষ জনসংখ্যাৰ ৰাজসাহায্যৰ ৬০ শতাংশ লাভ কৰাৰ বিপৰীতে বাকী অংশই মুঠ ৰাজসাহায্য স্থানান্তৰৰ ৮ শতাংশহে লাভ কৰিবলৈ সক্ষম হৈছিল। এই সমস্যাসমূহৰ জোৰা মাৰিবলৈ প্ৰক্ৰিয়াটো ডিজিটেল কৰাৰ আৱশ্যকতা আহি পৰে।

২০১১ চনত স্থাপন কৰা নিলেকানি কৰ্ম বাহিনীয়ে আধাৰ-নিৰ্ভৰ সন্মিলিত ধন পৰিশোধ গাঁথনিৰ প্ৰস্তাৱ দাঙি ধৰে।

***লেখা চক্ৰৱৰ্তী ৰাষ্ট্ৰীয় ৰাজহুৱা বিত্ত আৰু নীতি প্ৰতিষ্ঠানৰ সহযোগী অধ্যাপিকা আৰু সমীক্ষা আগৰৱালা একেখন প্ৰতিষ্ঠানৰে কনিষ্ঠ সহযোগী।**

### তালিকা ১

### ৰাজহুৱা বিত্ত ব্যৱস্থাত ডিজিটাইজেচন ঃ বিত্তীয় সেৱাসমূহৰ জৰিয়তে বিত্তীয় অন্তৰ্ভুক্তি (কোটিত)

| বেংকৰ নাম | গ্ৰাম্য | নগৰীয়া | মুঠ | ৰূপে কাৰ্ডৰ সংখ্যা | আধাৰ | একাউণ্টত ধনৰ পৰিমাণ |
|---|---|---|---|---|---|---|
| ৰাজহুৱা খণ্ডৰ বেংক | ১২.৩২ | ১০.২২ | ২২.৫৪ | ১৭.৫৮ | ১৪.৯৩ | ৪৯,২৬৬.০৪ |
| আঞ্চলিক গ্ৰাম্য বেংক | ৩.৯৭ | ০.৬৬ | ৪.৬৩ | ৩.৫৩ | ২.৭৬ | ১১,৭০৮.০৫ |
| ব্যক্তিগত বেংক | ০.৫৫ | ০.৩৭ | ০.৯১ | ০.৮৪ | ০.৪৪ | ২,১২৭.৪০ |
| মুঠ | ১৬.৮৪ | ১১.২৪ | ২৮.০৮ | ২১.৯৫ | ১৮.১৩ | ৬৩,১০১.৪৯ |

**দ্ৰষ্টব্য ঃ** এই সংখ্যাসমূহ প্ৰধান মন্ত্ৰী জন ধন যোজনাৰ অধীনত ২০১৭ চনৰ ২২ মাৰ্চলৈ মুকলি কৰা একাউণ্টৰ সংখ্যা। সকলো সংখ্যা কোটিৰ হিচাপত আছে। ২০১৭ চনৰ ২ এপ্ৰিলত এই পৰিসংখ্যা প্ৰকাশ কৰা হৈছে। (উৎস ঃ ভাৰত চৰকাৰ (২০১৭) প্ৰধান মন্ত্ৰী জন ধন যোজনা)।

এই বাহিনীয়ে ৰাজসাহায্যৰ ধন পোনপটীয়াকৈ হিতাধিকাৰীৰ বেংক একাউণ্টলৈ স্থানান্তৰকৰণৰ অনুমোদন জনায়। ইয়াৰ পাছতে বাহিনীটোক ধন স্থানান্তৰ প্ৰক্ৰিয়াটোৰ ৰূপৰেখা প্ৰস্তুত কৰিবলৈ দায়িত্ব অৰ্পণ কৰা হ'ল। ২০১২ চনত 'নেচনেল ইনষ্টিটিউট অব্ পাব্লিক ফাইনেন্স এণ্ড পলিচী' (এন আই পি এফ পি) ৰ সমীক্ষা অনুসৰি ৰাজহুৱা বিতৰণ ব্যৱস্থা (পিডিএছ)ৰ ক্ষেত্ৰত হিতাধিকাৰীসকলক যদি 'আধাৰ'ৰ জৰিয়তে তালিকাভুক্ত কৰা হয়, তেন্তে তেওঁলোকে প্ৰকৃতভাৱে পাবলগীয়া ধনৰ ক্ষেত্ৰত কোনো হীন-ডেঢ়ি নঘটে। এম জি এনৰেগাৰ ক্ষেত্ৰত যদি আধাৰ ধন পৰিশোধ ব্যৱস্থাৰ জৰিয়তে মজুৰি আদায় দিয়া হয়, তেন্তে ধনৰ অপচয় বা বহিৰ্গমন ৫ শতাংশলৈ হ্ৰাস কৰিব পাৰি (এন আই পি এফ পি, ২০১২)। অৱশ্যে ২০১৬ চনত ছাৰাফৰ পৰ্যবেক্ষণ অনুসৰি, পৰিচয়ৰ নথিসমূহ বাধ্যতামূলক যুক্তিপূৰ্ণ আধাৰৰ ওপৰত ভিত্তি কৰি গ্ৰহণ কৰা নহ'লে সংগঠিত অপৰাধ আৰু পৰিচয়ক লৈ জালিয়াতি ৰোধ কৰাটো সম্ভৱ নহয়।

শেহতীয়া অৰ্থনৈতিক সমীক্ষা মতে, ২০১৫ চনত প্ৰতি সপ্তাহত গড়ে ৪ নিযুত কাৰ্ডৰ হাৰত ২১০ নিযুত আধাৰ কাৰ্ড প্ৰস্তুত কৰা হৈছিল। প্ৰায় ৯৭৫ নিযুত লোকৰ হাতত আধাৰ কাৰ্ড আছে আৰু এয়া জনসংখ্যাৰ প্ৰায় ৭৫ শতাংশ আৰু প্ৰাপ্তবয়স্ক লোকৰ ৯৫ শতাংশ। (অৰ্থনৈতিক সমীক্ষা, ভাৰত চৰকাৰ, ২০১৫-১৬) তালিকা-১ ত ভাৰতৰ জন ধন আঁচনিৰ পৰিসৰ দেখুওৱা হৈছে। প্ৰধান মন্ত্ৰী জন ধন যোজনাই নিশ্চিত কৰিছে যাতে জনসাধাৰণে ছেভিংচ বেংক একাউণ্ট মুকলি কৰাৰ পাছত ৰাজসাহায্যৰ ধন পোনপটীয়াকৈ একাউণ্টসমূহত সোমায়। এই আঁচনিৰ ফলত প্ৰকৃত হিতাধিকাৰী প্ৰাপ্য ধনৰ পৰা বঞ্চিত নহয়।

২০১৪ চনত এল পি জিৰ প্ৰত্যক্ষ লাভ স্থানান্তৰ (ডি বি টি এল) অৰ্থাৎ 'পহল' আঁচনি পুনৰ মুকলি কৰাৰ পাছত এল পি জি চিলিণ্ডাৰৰ উপভোক্তা-সকলক ৰাজসাহায্যত ধন পোনপটীয়াকৈ ওভতাই দিয়াৰ ব্যৱস্থা কৰা হ'ল। এই আঁচনিৰ অধীনত শক্তি আন্তঃগাঁথনিত মহিলাসকলৰ যথেষ্ট গুৰুত্ব দিয়া হৈছে আৰু দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ মহিলাক পৰিষ্কাৰ ৰন্ধনৰ বাবে ইন্ধনৰ যোগান ধৰা হয়। এই বিষয়টো যথেষ্ট প্ৰাসংগিক, কাৰণ জৰীপ অনুসৰি মেলেৰিয়াতকৈ বন্ধ ঘৰৰ প্ৰদূষণৰ ফলত হোৱা ৰোগত অধিকসংখ্যক শিশু-মহিলাৰ মৃত্যু হয়। এই প্ৰদূষণৰ কাৰণ হ'ল বহুদূৰ বাটকুৰি বাই তেওঁলোকে সংগ্ৰহ কৰা নিম্নমানৰ ইন্ধনৰ ব্যৱহাৰ। মহিলাই ৰন্ধনৰ বিপৰীতে ব্যয় কৰা সময় আৰু ইন্ধন সংগ্ৰহ কৰোঁতে ব্যয় সময়ৰ খতিয়ান লোৱা হৈছিল আৰু ৰন্ধন গেছ ব্যৱহাৰ কৰাৰ ফলত মহিলাসকলৰ শ্ৰম হ্ৰাস হোৱাৰ লগতে স্বাস্থ্যৰ দিশটোও উন্নত হ'বলৈ ধৰিছে। এইসমূহ তথ্য ভাৰতীয় পাৰিসাংখ্যিক সংস্থাৰ জৰীপত প্ৰকাশ। লাহতীৰ পৰ্যবেক্ষণ অনুসৰি 'পহলৰ' পূৰ্বে এল পি জি সংযোগ থকা উপভোক্তাৰ সংখ্যা নগৰীয়া অঞ্চলৰ বেছি আছিল। তদুপৰি উন্নত আৰ্থ-সামাজিক অৱস্থাৰ লোকসকলেহে অধিক হাৰত ৰন্ধন গেছ ব্যৱহাৰ কৰিছিল। এই জৰীপত প্ৰকাশিত তথ্য অনুসৰি ৰন্ধন গেছ ইন্ধনৰ ক্ষেত্ৰত স্বাস্থ্যসন্মত আৰু পৰিষ্কাৰ হোৱা সত্বেও দেশৰ গৰিষ্ঠসংখ্যক পৰিয়াল ইন্ধনৰূপে খৰি, কাঠকয়লা আদি গোটা ইন্ধনৰ ওপৰতে নিৰ্ভৰশীল, যিবোৰ স্বাস্থ্যৰ বাবে ক্ষতিকাৰক। এল পি জি ৰাজসাহায্যৰ উদ্দেশ্য হ'ল দৰিদ্ৰ পৰিয়ালবিলাকৰ মাজত ৰন্ধন গেছৰ ব্যৱহাৰ বৃদ্ধি কৰা; তৎসত্বেও প্ৰদূষণ সৃষ্টিকাৰী গোটা ইন্ধন বাদ দি গেছ

ব্যৱহাৰ আৰম্ভ কৰা পৰিয়ালৰ সংখ্যা উল্লেখনীয়ভাৱে বৃদ্ধি পোৱা নাই।

আধাৰযোগে ধন আদায়ৰ ব্যৱস্থাই 'পহল' আঁচনি সফল কৰাত চমকপ্ৰদ ভূমিকা গ্ৰহণ কৰিছে। এই আঁচনিৰ অধীনত উপভোক্তাই বজাৰ মূল্যত চিলিণ্ডাৰ লাভ কৰে আৰু দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ পৰিয়ালসমূহে এল পি জি ৰাজসাহায্য তেওঁলোকৰ বেংক একাউণ্টযোগে পোনপটীয়াকৈ লাভ কৰে। এই ৰাজসাহায্য লাভ কৰিবলৈ উপভোক্তাসকলে বেংক একাউণ্টৰ সৈতে আধাৰ নম্বৰ সংযোগ কৰিব লাগে বা আধাৰ নম্বৰ নথকাসকলে তেওঁলোকৰ বেংক একাউণ্টৰ সৈতে ১৭টা অংশবিশিষ্ট এলপিজি পৰিচয় ক্ৰমাংক সংযোগ কৰিব লাগে। এই আঁচনিৰ অধীনত দেশৰ ৬৭৬ জিলাৰ ১৫.৩ কোটি উপভোক্তাক সামৰি লোৱাৰ লক্ষ্য স্থিৰ কৰাৰ লগতে ক্ৰমশঃ দেশৰ সকলো প্ৰান্ততে ইয়াক ৰূপায়ণ কৰি থকা হৈছে (পি আই বি, পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰণালয় ভাৰত চৰকাৰ, ৩১ ডিছেম্বৰ ২০১৪)। 'পহল' আঁচনিখন বৃহৎ সাফল্য বুলি ভাৰত চৰকাৰে ঘোষণা কৰিছে। ২০১৫-১৬ চনত 'ভাৰতীয় অৰ্থনৈতিক জৰীপ'ৰ দাবী অনুসৰি ৰাজসাহায্যৰ ধনৰ পোনপটীয়া স্থানান্তৰৰ ফলত ৰাজসাহায্যযুক্ত চিলিণ্ডাৰৰ ব্যৱহাৰ পূৰ্বতকৈ হ্ৰাস পাইছে। এল পি জি বিহিৰ্গমনৰ হাৰ ২৪ শতাংশলৈ কমিছে, কাৰণ প্ৰকৃত হিতাধিকাৰীয়েহে বৰ্তমান এই চিলিণ্ডাৰ লাভ কৰাৰ লগতে সীমিতসংখ্যক হিতাধিকাৰীয়ে এই সুবিধা স্বেচ্ছাই ত্যাগ কৰিছে। (ভাৰতৰ অৰ্থনৈতিক জৰীপ, ২০১৫-১৬)। তদুপৰি ৰাজসাহায্যযুক্ত চিলিণ্ডাৰৰ ক'লা বজাৰখন যথেষ্ট পৰিমাণে নিয়ন্ত্ৰিত হৈছে। বৰ্তমানলৈ 'পহল' আঁচনিৰ অধীনত মুঠতে ৪৫,৪১২ কোটি টকা স্থানান্তৰিত হৈছে আৰু ১,০৫,৪৬,৩৮৮ গৰাকী-লোকে স্বেচ্ছাই এল পি জি ৰাজসাহায্য ত্যাগ কৰিছে (ভাৰত চৰকাৰৰ পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰণালয়, ২০১৪)।

কেন্দ্ৰীয় চৰকাৰৰ উল্লেখনীয় নিয়ন্ত্ৰণ থকা ক্ষেত্ৰত আৰু য'ত ধনৰ বহিৰ্গমন অতি বেছি, 'JAM' (জন ধন-আধাৰ-ম'বাইল)ৰ প্ৰয়োগ কৰাৰ থল আছে যাতে ৰাজহ ৰাহি বৃদ্ধি পায়। সাৰৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ নিয়ন্ত্ৰণ অধিক আৰু ইয়াত ধনৰ বহিৰ্গমন প্ৰায় ৪০ শতাংশ। গতিকে সাৰৰ ৰাজসাহায্য প্ৰদানৰ ক্ষেত্ৰত 'JAM' ৰ প্ৰয়োগ কৰাৰ যুক্তিযুক্ততা আছে।

তদুপৰি কেন্দ্ৰীয় চৰকাৰৰ সৈতে লেনদেনৰ সম্পৰ্ক ৰক্ষা কৰা ৰাজ্য চৰকাৰ, স্থানীয় প্ৰশাসন বা ব্যৱসায়ীয়ে কেন্দ্ৰীয় চৰকাৰৰ স্থানান্তৰ বা ধন আদায় পাবলৈ চৰকাৰী ৰাজসাহায্য প্ৰেৰণৰ প্ৰক্ৰিয়াৰ সৈতে একে প্ৰক্ৰিয়াৰ ওপৰত নিৰ্ভৰশীল।

ধনৰ বহিৰ্গমন হ্ৰাস, বিলম্ব হ্ৰাস আৰু প্ৰশাসনীয় বোজা হ্ৰাস কৰিছে 'জে এ এম'ৰ জৰিয়তে ধন স্থানান্তৰৰ প্ৰক্ৰিয়াই। সেইবাবে চৰকাৰৰ ধন আদায় দিয়াৰ ব্যৱস্থাটো কম ব্যয় আৰু উন্নত দক্ষতাসম্পন্ন কৰি তুলিবলৈ 'জে এ এম' প্ৰয়োগ কৰাটো অধিক সুবিধাজনক। অৱশ্যে ইমান সফল সংস্কাৰৰ পাছতো জনকল্যাণমূলক আঁচনি বিভিন্ন অসুবিধাৰ সন্মুখীন হৈ আহিছে। এই আঁচনিসমূহৰ অধীনত ধনৰ স্থানান্তৰকৰণ প্ৰক্ৰিয়াটোত অন্তৰ্ভুক্তি আৰু বৰ্জনৰ ক্ষেত্ৰত হ'বলগা ভুলৰ সংস্কাৰৰ লগতে ধনৰ বহিৰ্গমন, অপচয় আৰু ধন আদায়ৰ ক্ষেত্ৰত দুৰ্নীতি হ্ৰাস পোৱা আদি সমস্যা বহু পৰিমাণে কমিছে যদিও এই আঁচনিসমূহৰ বিপৰীতে যথেষ্টসংখ্যক মানৱশক্তি আৰু সম্পদ ব্যয় কৰিবলগীয়া হয়।

২০১৫-১৬ চনৰ ভাৰতীয় অৰ্থনৈতিক জৰীপৰ পৰ্যবেক্ষণ অনুসৰি ভাৰতৰ দাৰিদ্ৰ্য সীমাৰেখাৰ ওপৰৰ লোকসকলে লাভ কৰা ৰাজসাহায্যৰ ক্ষেত্ৰত পশ্চাদমুখিতা পৰিলক্ষিত হয়। এনেদৰে এল পি জি উপভোক্তাসকলে লাভ কৰা ৰাজসাহায্যৰ হাৰ (বজাৰ মূল্য আৰু ৰাজসাহায্যৰ অনুপাতৰ হাৰ) হ'ল প্ৰায় ৩৬ শতাংশ। ইফালে এল পি জি ব্যৱহাৰকাৰীৰ ভিতৰত দৰিদ্ৰ লোক মাথোঁ ৯ শতাংশ। এই তথ্যই প্ৰকাশ কৰে ৯১ শতাংশ অৱস্থাপন্ন লোকে ৰাজসাহায্য লাভ কৰে। মূল সমস্যাটো হ'ল ৰাজসাহায্য প্ৰাপকসকলৰ দৰাচলতে বিশেষ প্ৰয়োজন কি সেই সিদ্ধান্ত গ্ৰহণৰ সুবিধা প্ৰাপকসকলৰ ওপৰত এৰি দিয়া নহয় (মৈত্ৰীশ ঘটক, ২০১৬)। সেইবাবে সাম্প্ৰতিক ব্যৱস্থাৰ সংস্কাৰৰ বাবে আৰু এখোজ আগুৱাবলৈ অৰ্থনীতিবিদসকলে সাৰ্বজনীন মূল আয় (ইউ বি আই) নীতিৰ পোষকতা কৰিছে। ইউ বি আই স্থিৰ কৰি ধনী-দুখীয়া নিৰ্বিশেষে সকলো লোকৰ বেংক একাউণ্টলৈ চৰকাৰীভাৱে নিঃচৰ্ত আৰু সমপৰিমাণৰ ধন স্থানান্তৰ কৰিব পাৰি। ২০১৬-১৭ বৰ্ষৰ ভাৰতীয় অৰ্থনৈতিক জৰীপ অনুসৰি ইউ বি আই ৰূপায়ণৰ জৰিয়তে ৰাজসাহায্যৰ ধনৰ বহিৰ্গমন আৰু ভুল আবণ্টন ৰোধ কৰিব পৰা যাব। কাৰণ হিতাধিকাৰীৰ বেংক একাউণ্টলৈ এই ধন পোনপটীয়াকৈ স্থানান্তৰিত হ'ব আৰু কল্যাণমূলক আঁচনিত দেখা দিব পৰা আমোলাতান্ত্ৰিক জটিলতা হ্ৰাস পাব।

প্ৰণৱ বৰ্দ্ধন (২০১৬)ৰ মত অনুসৰি দাৰিদ্ৰ্য সীমাৰেখাৰ প্ৰায় ৭৫ শতাংশত

**(৪০ পৃষ্ঠাত চাওক)**

# দক্ষতা বৃদ্ধি তথা নৱ উদ্ভাৱনৰ জৰিয়তে যুৱ কল্যাণ

**যতীন্দৰ সিং***

যুৱক হ'ল, পৰিৱৰ্তনকামী, পৰীক্ষণ-ধৰ্মী, নতুন নতুন ধাৰণাৰ বাহক আৰু বিকাশমুখী। ভাৰতীয় যুৱকে এই কথা নিশ্চিত কৰিছে যে তেওঁলোক কেৱল ভৱিষ্যতেই নহয় বৰং দেশৰ বিকাশৰ অংশীদাৰো। ভাৰতবৰ্ষক বিকাশৰ লক্ষ্যত উপনীত কৰিবলৈ ইয়াৰ যুৱশক্তিক প্ৰয়োজনীয় দক্ষতা তথা জ্ঞানেৰে প্ৰসিদ্ধ কৰি তুলিব লাগিব। ২৫ বছৰৰ তলৰ ৫০% যুৱকেৰে বৰ্তমান ভাৰতবৰ্ষ এক শুভ ঐতিহাসিক ক্ষণত আছে। ২০২০ চনত এওঁলোকৰ বয়স ২৯ বছৰ হ'বগৈ আৰু ইয়াৰ ফলত ৪৭ মিলিয়ন অধিক কৰ্মজীৱী লোকৰ সৃষ্টি কৰিব। ঔদ্যোগীকৰণ আৰু দক্ষতা বিকাশৰ প্ৰতি যুৱ সমাজক উৎসুক কৰি তোলাটো অতীৱ প্ৰয়োজনীয় বিষয়। বিশ্ব বেংকৰ প্ৰতিবেদন অনুসৰি ২০৪০ চনলৈকে কৰ্মক্ষম লোকৰ সংখ্যা বৃদ্ধি পাই থাকিব আৰু এই শক্তিয়ে ভাৰতবৰ্ষক 'উন্নয়নশীল দেশৰ' পৰা 'উন্নত দেশলৈ' ধাৱমান কৰিব। দেশৰ বিকাশৰ তালিকাত যুৱ সমাজৰ আশা-আকাংক্ষাক গুৰুত্বসহকাৰে লোৱাটো নিৰ্দিষ্ট কৰা হৈছে। দেশৰ উন্নতি তথা বিকাশ সম্ভৱপৰ কৰি তুলিবলৈ বুদ্ধিদীপ্ত চিন্তা-চৰ্চা তথা উদ্ভাৱনী ক্ষমতা বৃদ্ধি কৰি যুৱকসকলক সিদ্ধান্ত গ্ৰহণৰ আনুষ্ঠানিকতাত জড়িত কৰা প্ৰয়োজন। ইয়াকে কৰিবলৈ যাওঁতে দক্ষতা অনুযায়ী যুৱকসকলক কামত নিয়োজিত কৰিব পৰা হৈছে নে নাই তেনে এটা প্ৰত্যাহ্বানে দেখা দিব।

ভাৰত চৰকাৰে এই ব্যৱধান আঁতৰ কৰিব পৰাকৈ এটা কৌশলগত পদক্ষেপ গ্ৰহণ কৰিছে, যেনে— মেইক্ ইন ইণ্ডিয়া, স্কীল ইণ্ডিয়া মিছন, ষ্টাৰ্টআপ ইণ্ডিয়া, ষ্টেপ্ আপ ইণ্ডিয়া আৰু ডিজিটেল ইণ্ডিয়া। যুৱকসকলক ঔদ্যোগীকৰণৰ প্ৰতি উৎসাহিত কৰিবৰ বাবে, লগতে তেওঁলোকৰ বাবে নিয়োগ সৃষ্টি কৰিবৰ নিমিত্তে এই লক্ষ্য স্থিৰ কৰা হৈছে।

### মেইক্ ইন ইণ্ডিয়া

মেইক্ ইন ইণ্ডিয়া, এই বহু বিলাসী আঁচনিয়ে ২০২২ চনৰ ভিতৰত নিয়োগক উৎসাহিত কৰিব, নৱ উদ্ভাৱনক গুৰুত্বসহকাৰে গ্ৰহণ কৰিব, বুদ্ধিদীপ্ত ক্ষেত্ৰত উৎসাহিত কৰিব আৰু ভিন ভিন ক্ষেত্ৰত উৎপাদনৰ হাৰ বৃদ্ধি কৰি ১০০ মিলিয়ন নতুন নিয়োগৰ ব্যৱস্থা কৰিব। মেইক্ ইন ইণ্ডিয়া হ'ল এনে এখন শক্তিশালী আঁচনি যি যুৱ সমাজৰ বাবে অপৰিসীম জীৱন নিৰ্বাহৰ পথ সুগম কৰি তুলিব। এই অভিযানৰ লক্ষ্য হ'ল, বিশ্বৰ উৎপাদনৰ মানচিত্ৰত জিলিকি উঠা আৰু ২০২২ চনৰ ভিতৰত মুঠ ঘৰুৱা উৎপাদনৰ অংশ ২৫ শতাংশ বৃদ্ধি কৰা। এই আঁচনিখনে, বিভিন্নধৰণৰ দক্ষতাৰে পূৰ্ণ ২৫টা ক্ষেত্ৰ চিনাক্ত কৰিছে, যেনে— নিৰ্মাণ, বস্ত্ৰশিল্প, খাদ্য সংৰক্ষণ, যাতায়াত, প্ৰতিৰক্ষাৰ সঁজুলি নিৰ্মাণ তথা কাৰিকৰী কৰ্ম। চৰকাৰে দেশী আৰু বিদেশী কোম্পানীসমূহক দেশতে উৎপাদন কৰি বিদেশৰ বজাৰত বিক্ৰী কৰিবলৈ উৎসাহী কৰিব পৰাকৈ এফ ডি আইৰ নীতি-নিয়ম শিথিল কৰিছে। কৰ্মক্ষেত্ৰত আধুনিক কাৰিকৰী প্ৰযুক্তি ব্যৱহাৰ বৃদ্ধিত মেইক্ ইন ইণ্ডিয়া সহায় হ'ব। এনে কৰিবলৈ বৰ্তমান আৰু ভৱিষ্যতৰ শ্ৰমিকসকল উচ্চ দক্ষতাসম্পন্ন প্ৰশিক্ষণৰ দ্বাৰা প্ৰশিক্ষিত হোৱাটো বাঞ্ছনীয়। ছফ্‌ট ফ্ল'ৰ টেকনিচিয়ান, আৰ্হিকাৰক, কাৰ্যসূচী ব্যৱস্থাপক, প্ৰকল্প পৰিকল্পনাকাৰীৰ দৰে বহুমুখী প্ৰতিভাসম্পন্ন শ্ৰম শক্তিয়ে প্ৰচুৰ নিয়োগৰ সুবিধা লাভ কৰিব। সৌৰ শক্তি আহৰণ, সেউজ গৃহ, স্মাৰ্ট ছিটী আদি ক্ষেত্ৰত নতুন নিয়োগৰ সুবিধা হ'ব আৰু এই ক্ষেত্ৰসমূহো সামৰি লোৱা হ'ব। পৰিশ্ৰমসাধ্য মূল্য সাপেক্ষ তথা বৃত্তিগত খণ্ডত বিভিন্নধৰণৰ চাকৰিৰ সুবিধা বাঢ়িব। ইয়াৰদ্বাৰা ভাৰতবৰ্ষ এখন প্ৰতিযোগী বজাৰ তথা বিশ্ব উৎপাদন কেন্দ্ৰত পৰিণত হ'বগৈ।

### স্কিল ইণ্ডিয়া

ভাৰতবৰ্ষখন যদিও ভৌগোলিক ভিন্নতাৰে পুষ্ট এখন দেশ, তথাপি

*লেখক নতুন দিল্লীৰ পি এইচ ডি চেম্বাৰ্ছ অব্ কমাৰ্চ এণ্ড ইণ্ডাষ্ট্ৰীৰ জ্যেষ্ঠ সচিব তথা শিক্ষা বিভাগ, চি এছ আৰ আৰু উদ্ভাৱন বিভাগৰ মুৰব্বী। হাৰিয়ানা ৰাজ্যিক কাৰিকৰী ব'ৰ্ডৰ গৱৰ্ণিং কাউঞ্চিলৰো তেওঁ এজন সদস্য।

বজাৰমুখী দক্ষতা এতিয়াও প্ৰত্যাহ্বান হৈ আছে। প্ৰতি বছৰে কৰ্মশক্তি হিচাপে যদিও ১২ মিলিয়ন লোক আগবাঢ়ি আহিছে, তেওঁলোকৰ ২% হে প্ৰশিক্ষণপ্ৰাপ্ত। বিকাশ তথা বাণিজ্যিক-কৰণৰ এটা সুকীয়া দপ্তৰ খোলা হৈছে কাৰণে দক্ষতাৰ মানচিত্ৰখন দ্ৰুত গতিত ঊৰ্ধ্বগামী হোৱা পৰিলক্ষিত হৈছে। মেইক্ ইন ইণ্ডিয়াৰ সূচনা তথা ১০০ খন স্মাৰ্ট চিটীৰ ধাৰণাই সকলোকে আকৰ্ষিত কৰা দেখা গৈছে। দক্ষতা বিকাশ তথা ঔদ্যোগিকৰণৰ প্ৰথমখন সংহত ৰাষ্ট্ৰীয় নীতি ২০১৫ চনত আৰম্ভ কৰাৰ ধাৰণা আছিল ঔদ্যোগীকৰণৰ মানচিত্ৰত দক্ষতাসম্পন্ন ব্যক্তিৰ অন্তৰ্ভুক্তি আৰু উচ্চ কাৰিকৰী ক্ষেত্ৰৰ বাবে যুৱ সমাজক তৈয়াৰ কৰি তোলা। ইয়াৰ ধাৰণা হৈছে, 'উচ্চ মানবিশিষ্ট দক্ষতাৰে টনকিয়াল হোৱা আৰু নৱ উদ্ভাৱনৰদ্বাৰা ঔদ্যোগী-কৰণৰ সংস্কৃতি জগাই তোলা, যাতে ইয়াৰ জৰিয়তে সম্পদ আহৰণৰ বাট মুকলি হয় আৰু দেশৰ প্ৰতিজন ব্যক্তিৰ উপাৰ্জনৰ ক্ষেত্ৰ গঢ়ি উঠে।'

প্ৰশিক্ষণৰ পাছত যাতে নিযুক্তি নিশ্চিত হয় তাৰ বাবে এই ব্যৱস্থাপনাত দক্ষতা বিকাশ আঁচনি তথা কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব।

কাৰিকৰী ক্ষেত্ৰ আৰু বাণিজ্যৰ মাজত বিভেদ দেখা যায়—যি নিয়োগৰ ক্ষেত্ৰখনত প্ৰভাৱ পেলায়। এই দৃশ্যপটত, সময়োচিত নিয়োগ নীলা বা বগা হৈ নেথাকে। বৰং ই হ'ব এটা নতুন বৰণৰ নিয়োগ ব্যৱস্থা। কৃত্ৰিম প্ৰজ্ঞাৰ দৰে অট'মেচন, ইণ্টাৰনেটৰ যাৱতীয় কাম-কাজ, ডাটা এনালেষ্টিক আদি উচ্চ কাৰিকৰী কাম সেয়ে, এনে কামৰ বাবে অতি দক্ষতাসম্পন্ন লোকৰ প্ৰয়োজন। এনে প্ৰতিষ্ঠানসমূহে উচ্চ দক্ষতা থকা লোকহে বিচাৰিব। গতিকে, দক্ষতা বিকাশৰ এক নতুন পথৰ সূচনা হ'ব। নিয়োগৰ এই পৰিৱৰ্তিত ধাৰাৰ সৈতে ৰজিতা খুৱাব পৰাকৈ যুৱসমাজক তেনে ধৰণেৰে প্ৰশিক্ষিত কৰা প্ৰয়োজন। মেইক্ ইন ইণ্ডিয়াৰ বাবে আন্তৰ্জাতিক পৰ্যায়ৰ দক্ষতা বিকাশ বাঞ্ছনীয়। ৰাষ্ট্ৰীয় দক্ষতা বিকাশ নিগমে উদ্যোগ সমৰ্থিত ছেক্টৰ স্কিল কাউঞ্চিল গঠন কৰিছে, যি ৰাষ্ট্ৰীয় মানসম্পন্ন নিয়োগৰ ওপৰত কাম কৰি আছে (এন অ' এছ)। এন অ' এছৰ লক্ষ্য হ'ল, কৰ্ম ক্ষেত্ৰত উচ্চ মানৰ কাম আদায় কৰা। প্ৰশিক্ষণ দিয়া কাৰ্য জড়িত সকলো প্ৰতিষ্ঠানে এন অ' এছৰ জৰিয়তে প্ৰমাণ-পত্ৰ বিতৰণ কৰিব লাগিব। ভাৰতবৰ্ষৰ নেচনেল স্কিল কোৱালিফিকেশ্বন ফ্ৰেমৱৰ্ক-এ বৃত্তিগত আৰু সাধাৰণ শিক্ষাৰ মাজত এটা যোগসূত্ৰ স্থাপন কৰিছে। ইয়াৰদ্বাৰা প্ৰতিটো ক্ষেত্ৰতে প্ৰতিভাৰ চানেকি পোৱা যাব। এই ব্যৱস্থাই যুৱকসকলক সমগ্ৰ বিশ্বৰ প্ৰতিযোগী-সকলৰ সমকক্ষ কৰি তুলিব।

**অভিযোজন, উস্মায়ক, ষ্টাৰ্টআপ আৰু ষ্টেণ্ডআপ পৰিস্থিতিতন্ত্ৰ**

ভাৰতবৰ্ষ সৰ্বকালেই নৱ সৃষ্টিৰ ভূমি। থলুৱাভাৱে নিৰ্মিত মংগলযান হ'ল এনে সৃষ্টিৰ সাক্ষী। প্ৰতি কিলোমিটাৰত ৭ টকা ব্যয়সাপেক্ষ এই যানে বুধ গ্ৰহৰ ৬৫০ মিলিয়ন কিলোমিটাৰৰ দুৰত্ব সামৰি লৈছে। ই ভাৰতবৰ্ষৰ নৱ কৌশলগত কাৰিকৰী জ্ঞান তথা সবল নেতৃত্বকে সূচাইছে। ভিন্নতাই সৃষ্টি অঙ্কুৰিত কৰে, ভাৰতবৰ্ষত জলজল-পটপটকৈ এনে ভিন্নতা প্ৰকট। বিভিন্ন ভৌগোলিক সীমাত বাস কৰা আমাৰ যুৱকসকল উজ্জ্বল নৱ ধাৰণাৰে পুষ্ট, এই ধাৰণাসমূহক সহায় আৰু সমৰ্থনৰ প্ৰয়োজন। সৃষ্টি পঢ়াশালিৰ পৰাই অঙ্কুৰিত হ'য়। দেশৰ শিক্ষা খণ্ড আৰু প্ৰাথমিক বিত্তীয় প্ৰতিষ্ঠানত বহুতো উৎপাদনমুখী বাণিজ্যিক প্ৰতিষ্ঠান জড়িত হৈ আছে আৰু ইয়াৰে ভালেমান ঔদ্যোগিক কোম্পানীৰ অংশ হিচাপে আছে। বিজ্ঞান তথা প্ৰযুক্তি বিজ্ঞান বিভাগে উদ্ভাৱনক উৎসাহিত আৰু পৰিপুষ্ট কৰিব পৰাকৈ নিৰ্মাণ উদ্যোগসমূহলৈ সমৰ্থন আগবঢ়াই আছে। আৰ এণ্ড ডিৰ কাৰ্যপন্থা এতিয়া সৃষ্টিশীল যুৱক তথা এম এছ এম ই সমূহৰ দিশে গতি কৰিব লাগে আৰু তেওঁলোকৰপৰা সুন্দৰ সৃজনী আহৰণ কৰিব লাগে। ভাৰতবৰ্ষত ডী এছ আই আৰ, চী এছ আই আৰ, ডী এছ টী, এন এছ টী ই ডী বী, ডী বী টী-ৰ দৰে চৰকাৰী বিভাগসমূহে লগতে ভালেমান বেচৰকাৰী সংস্থায়ো বিজ্ঞান, প্ৰযুক্তি তথা উদ্ভাৱন প্ৰক্ৰিয়াক সমৰ্থন দি আছে। ভালেমান হৰণাশঙ্কিত মূলধন, ব্যক্তিগত অংশীদাৰী মূলধন আৰু নতুন দৃষ্টিভঙ্গীৰ বিনিয়োগকাৰীয়েও নৱ উদ্ভাৱনক্ষম যুৱকসকললৈ কাৰিকৰী তথা বিত্তীয় সাহায্য আগবঢ়াই আহিছে।

উষ্মায়কসমূহে কাম আৰম্ভ কৰা সকলোকে প্ৰাৰম্ভিক সাহায্য দান কৰে। কিয়নো, প্ৰায়সংখ্যকেই নিজৰ কামৰ বাবে পৰিয়াল আৰু বন্ধুবৰ্গৰ পৰাহে বিত্তীয় সহায় ল'বলগীয়া হয়। উস্মায়কসমূহৰ গুৰুত্ব এই বাবেই বেছি, কিয়নো তেওঁলোকে কেৱল আৰ্থিক সাহায্যই নহয়, বৰং কামৰ এটা পৰিৱেশ সৃষ্টি কৰি দিয়ে আৰু নেটৱৰ্কিঙৰ পথো সুগম কৰে। এওঁলোকে উদ্যোগীসকলক গ্ৰাহকৰ কাষ চপায়, যাৱতীয় দিহা-পৰামৰ্শ প্ৰদান কৰে আৰু উৎপাদিত সামগ্ৰীসমূহ বিক্ৰীৰ বাবে পথ প্ৰদৰ্শন কৰে তথা মূলধন আহৰণৰ লগতে মূলধনী বজাৰৰ দিশত সহায় আগবঢ়োৱাৰ উপৰি এইবিলাক ক্ষেত্ৰত

সমাধানো আগবঢ়ায়। ভাৰতবৰ্ষত বেছি ভাগ উত্মায়ক শিক্ষানুষ্ঠানৰ সৈতে জড়িত হৈ আছে আৰু ইয়াৰে ১১৮ টা এনে গোটক ষ্টাৰ্ট আপ ইণ্ডিয়া আঁচনিৰ অধীনত বাণিজ্য তথা উদ্যোগ মন্ত্ৰণালয়ে স্বীকৃতি দিছে। ষ্টাৰ্ট আপ উদ্যোক্তাসকলে বৃত্তি অথবা কৰ্মজীৱন আৰম্ভ কৰাৰ হেতু যুৱকসকলৰ পছন্দৰ ক্ষেত্ৰ। ভাৰতবৰ্ষত ১০,০০০ এনে ষ্টাৰ্টআপ আছে আৰু ২০২০ চনৰ ভিতৰত ইয়াৰ সংখ্যা ১১,৫০০ হ'বগৈ বুলি ধাৰণা কৰা হৈছে। ষ্টাৰ্ট্আপ পৰিস্থিতিতন্ত্ৰৰ দিশত ভাৰত বিশ্বৰ তৃতীয় বৃহৎ দেশ।

নৱ নিৰ্মাণৰ সংস্কৃতি থকা যুৱক-সকলে স্কুল আৰু উচ্চ শিক্ষানুষ্ঠান-সমূহত ই-ক্লাব আৰু এনে সংস্থা গঠন কৰিছে তথা ভালেমান কো-স্পেচৰ ক্ষেত্ৰত কাম কৰি আছে। এনে ক্লাব তথা কো-ৱৰ্কিং স্পেচবোৰে উদ্যোগ আৰু বাণিজ্যৰ প্ৰতি আকৰ্ষণ বৃদ্ধি কৰাত সহায় কৰিছে। উদ্ভাৱনী বাণিজ্যসমূহৰ উদ্যোগ তথা কাৰিকৰী দিশত কৰ্প'ৰেট সামাজিক দায়িত্ব পুঁজিয়েও সহায় আগবঢ়াইছে। ভাৰতীয় কোম্পানী আইন ২০১৩ ৰ ১৩৫ ধাৰাৰ সপ্তম অনুচ্ছেদ অনুসৰি কোম্পানীসমূহে কৰ্প'ৰেট সামাজিক পুঁজিৰ ২% ধন উন্মেষকসকলক দিয়াটো বাধ্যতামূলক।

মহিলা আৰু অনুসূচিত জাতি তথা জনজাতিৰ বাণিজ্যিক প্ৰকল্পৰ উন্নয়নৰ হেতু ষ্টেণ্ড্আপ ইণ্ডিয়া আঁচনি উছৰ্গিত। মহিলা তথা অনুসূচিত জাতি আৰু জনজাতিৰ উদ্যোগলৈ ১০ লাখৰ পৰা এক কোটিপৰ্যন্ত ঋণ দিয়া হয় আৰু এই ঋণ সাত বছৰৰ ভিতৰত পৰিশোধ কৰিব লাগে। এই আঁচনিখনে যুৱ উদ্যোগী-সকলক চাকৰি, ই-বজাৰ আৰু অন লাইন পঞ্জীয়ন কৰাৰ সুবিধা আগবঢ়াইছে।

**যুৱ শক্তিৰ স্বাধীনতা**

ভাৰতবৰ্ষ এতিয়া যুৱ সমাজক উচ্চকাংক্ষিত কৰাৰ সন্ধিক্ষণত আছে। উচ্চাকাংক্ষা থকা তথা এটা মান বিশিষ্ট জীৱন বিচৰা যুৱ শক্তি হ'ল এখন উন্নত ভাৰতবৰ্ষৰ সঞ্জীৱনী। অহা ২০ বছৰত ঔদ্যোগিকৃত অৰ্থনীতিৰ শ্ৰম শক্তি ৪ শতাংশ হ্ৰাস পোৱাৰ বিপৰীতে ভাৰতবৰ্ষত ৩২ শতাংশ বৃদ্ধি পাব। যুৱ শক্তিৰ সৱলিকৰণ তথা দক্ষতা বৃদ্ধিৰ বাবে চৰকাৰে হাতত লোৱা প্ৰচেষ্টা অতি আদৰণীয় আৰু এনে পদক্ষেপৰ ফলত বিশ্বৰ দক্ষতাৰ বজাৰত ভাৰতবৰ্ষৰ উৎপাদনে এটা বিশেষ স্থান লাভ কৰিবগৈ। স্কীল ইণ্ডিয়া আৰু ষ্টাৰ্ট্আপ ইণ্ডিয়া অভিযানে যুৱকসকলক শিক্ষানুষ্ঠানৰপৰা নিয়োগলৈ লৈ আহিব আৰু উদ্ভাৱনী মনোভাবসম্পন্নসকললৈ প্ৰয়োজনীয় সা-সুবিধা আগবঢ়াব। চমকপ্ৰদ দক্ষতা আৰু নিয়োগমুখিতাৰ পৰা নিয়োগ দাতাৰ ভূমিকা পালন কৰাৰ বাবে যুৱ সমাজ আকৰ্ষিত হ'লেহে কাংক্ষিত বিকাশ সম্ভৱপৰ হ'ব। যুৱকসকলৰ মাজত ঔদ্যোগীকৰণৰ মনোভাব জাগি উঠিলেহে প্ৰকৃতাৰ্থত বিকাশ নিশ্চিত হয়। ইয়াৰ বাবে যুটীয়া প্ৰচেষ্টা আৰু বলিষ্ঠ নেতৃত্বৰ অতি প্ৰয়োজন। আত্মবিশ্বাস তথা প্ৰতিভাৰে সমগ্ৰ বিশ্বৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলৈ ওলোৱা নৱ ভাৰতৰ বাবে কেৱল চৰকাৰৰ প্ৰচেষ্টাই যথেষ্ট নহয়, বৰং ব্যক্তিগত খণ্ড তথা শিক্ষানুষ্ঠানসমূহৰো সহযোগ একান্ত কাম্য। ❐

---

**(১২ পৃষ্ঠাৰ পৰা)**

পঞ্চায়তৰ বিকাশৰ স্থিতি কি সেই বিষয় জানিবৰ কাৰণে ৩৬ টা সংকেতসূচক বিষয়ৰ দিহা কৰিছে। এই সংকেত দান বিষয়বোৰৰ ভিতৰত আছে— আন্তঃগাঁথনি, সংযোগ, সামাজিক বিকাশ, সেৱা আৰু বেংকৰ সুচলতা, মল আদিৰ ব্যৱস্থাপনামূলক কাম, স্বাস্থ্য, শিক্ষা, খৰাং স্থিতিত সহনশীল অৱস্থাৰ সৃষ্টি, পৌষ্টিকতা ইত্যাদি। মন্ত্ৰণালয়ে দৰিদ্ৰতা মুক্ত গ্ৰাম পঞ্চায়তৰ কাৰণে এটা সঠিক সূচীনামৰ দিহা কৰিবলৈ প্ৰস্তাৱ কৰিছে আৰু সেইবোৰত নতুন কাৰ্য ব্যৱস্থাৰ গ্ৰহণ ক্ৰমে কেনেদৰে উন্নত অৱস্থাৰ পিনে গতি কৰিছে তাক পৰ্যবেক্ষণ কৰিবলৈ প্ৰস্তাৱ কৰিছে।

এনে প্ৰক্ৰিয়াৰদ্বাৰাই গ্ৰাম্য বিকাশ মন্ত্ৰণালয়ে ৫০,০০০ গ্ৰাম পঞ্চায়ত। ৫০০০ কাষৰীয়া অঞ্চলসমূহত সকলো ঘৰৰ লোকৰ বাবে জীৱিকাবৃত্তি নিশ্চিত কৰিব খুজিছে। তাৰ বাবে অন্ততঃ ন্যূনতম মৌলিক আন্তঃগাঁথনি আৰু সা-সুবিধা আগবঢ়োৱা নিশ্চয়েই প্ৰয়োজন। জিলা স্তৰত 'দিছা কমিটী'বোৰেও গ্ৰাম পঞ্চায়তৰ অগ্ৰগতি সাধনৰ কাম-কাজবোৰ পৰ্যবেক্ষণ কৰিব— যাৰদ্বাৰাই জনজীৱনত আশাৰ ৰেঙণি সঞ্চাৰ কৰিব পাৰে। ❐

# স্বচ্ছ ভাৰত অভিযান কাৰ্যসূচীৰ সফলতাৰ বাবে প্ৰত্যেকৰে কৰণীয় কাম

**পৰমেশ্বৰ আয়াৰ***

স্বচ্ছ ভাৰত অভিযান কাৰ্যসূচী ৰূপায়ণৰ ক্ষেত্ৰত যথেষ্ট গতি লাভ কৰা দেখা গৈছে। আৰম্ভণিৰপৰা এতিয়ালৈকে যিখিনি কৰা হ'ল সেয়া মন কৰিবলগীয়া, আৰু তাৰ অগ্ৰগতি সাধনৰ খতিয়ান বেচ বৈশিষ্ট্যপূৰ্ণ। এই কাৰ্যসূচী ধীৰে ধীৰে এটা পণ আন্দোলনলৈ ৰূপান্তৰিত হৈছে। প্ৰধান মন্ত্ৰীয়ে লালকিল্লাৰপৰা তেওঁৰ ভাষণত ইয়াৰ বিষয়ে প্ৰথমে যি ৰূপৰেখা দাঙি ধৰিছিল তাৰেই এয়া প্ৰতিফলন বুলি ক'ব লাগিব। ২০১৪ বৰ্ষৰ অক্টোবৰত কাৰ্যসূচী ৰূপায়ণ কৰাৰপৰা গ্ৰাম্য ভাৰতত অনাময় কাৰ্যৰ পৰিব্যাপ্তি ৪২ শতাংশৰ পৰা ৬৩ শতাংশলৈ বৃদ্ধি পায়। তেনেদৰে গ্ৰাম্য ভাৰতত মুকলি ঠাইত মল ত্যাগ কৰা লোকৰ সংখ্যা প্ৰায় ৫৫০ নিযুতৰপৰা ৩৫০ নিযুতলৈ হ্ৰাস পায়। আনপিনে ১,৯০,০০০ খন গাঁও, ১৩০ খন জিলা আৰু তিনিখন ৰাজ্য খোলা ঠাইত মল ত্যাগ কৰাৰপৰা মুক্ত হয়। ২০১৯ বৰ্ষৰ ২ অক্টোবৰৰ ভিতৰত এনে এখন ভাৰত, য'ত খোলা স্থানত মল ত্যাগ কৰা কাৰ্যৰপৰা মুক্ত হ'ব। তাকেই লাভ কৰিবৰ কাৰণে এতিয়া এই কাৰ্যসূচী সঠিক পথত আগবাঢ়িছে।

বহু কাৰণতেই অনাময় ব্যৱস্থাৰ ক্ষেত্ৰত গুৰুত্ব দিয়াৰ প্ৰয়োজন আছে। পাঁচ বছৰ বয়সৰ তলৰ ল'ৰা-ছোৱালীৰ মাজত ডায়েৰীয়া ৰোগ দেখা দিয়াৰ প্ৰধান কাৰণ হ'ল অনাময় ব্যৱস্থাৰ অভাৱ। কেৱল ডায়েৰীয়াই নহয়, আন বহুতো ৰোগে আক্ৰান্ত কৰি সন্তানক মৃত্যুৰ মুখত পেলায়। অথচ তেনে ৰোগবোৰ সঠিক ব্যৱস্থা গ্ৰহণ কৰিলে প্ৰতিৰোধ কৰিব পাৰি। মহিলাসকলৰ সুৰক্ষা আৰু মৰ্যাদা ৰাখিবৰ বাবেও অনাময় এটা গুৰুত্বপূৰ্ণ বিষয়। যি ক্ষেত্ৰত ভাৰত অৰ্থনৈতিকভাৱে এখন বৃহৎ শক্তিৰ দেশ ৰূপে পৰিগণিত হ'বলৈ বিপুল প্ৰয়াস কৰিছে, তেনে ক্ষেত্ৰত মুক্ত স্থানত মল ত্যাগ কৰা অভ্যাসৰ অৱসান ঘটোৱা প্ৰকৃততেই বাঞ্ছনীয়।

পূৰ্বৰ কালৰ অনাময় কাৰ্যসূচীবোৰৰ দৰে স্বচ্ছ ভাৰত অভিযানৰ কাৰ্যসূচী শৌচালয় নিৰ্মাণ কৰা নহয়, বৰং ই হ'ল এটা আচৰণমূলক পৰিৱৰ্তন সাধনাৰ গণ আন্দোলন। এটা পথ, এখন দলং অথবা এটা বিমান বন্দৰ নিৰ্মাণ কৰিবলৈ তুলনামূলকভাৱে সহজ, কিন্তু মানৱৰ আচৰণ পৰিৱৰ্তন সাধিবলৈ কৰা প্ৰয়াস জটিল। আপুনি যদি পাঁচ লাখ লোকৰ আচৰণ পৰিৱৰ্তন সাধিবলৈ চেষ্টা কৰে আৰু তাৰ বাবে যি আচৰণ অথবা অভ্যাস গোটেই জীৱন কালতেই কৰি আছে, তেনে কাম নকৰিবলৈ ব্যাপক আকাৰত বাধা দিয়াটো অতি বৃহৎ কাম। মুক্ত স্থানত মল ত্যাগ কৰা আৰু তাৰ পৰিৱৰ্তে শৌচালয় ব্যৱহাৰ আৰম্ভ কৰিবলৈ প্ৰত্যয় নিওৱাই হ'ল সেই প্ৰয়াস। এনে ক্ষেত্ৰত গণ মাধ্যম অভিযান কামত আহিলেও বাস্তৱ ৰূপত আঁচৰণৰ পৰিৱৰ্তন সাধন কৰাটো হ'ল প্ৰকৃত চাবি-কাঠী। তাৰ বাবে তৃণমূল স্তৰত প্ৰশিক্ষিত আৰু উৎসাহ উদগনি প্ৰয়োজন হয়— যি গাঁওবাসী আৰু ঘৰৰ লোকসকলৰ স'তে পাৰস্পৰিকভাৱে যোগাযোগ কৰিব পাৰে। আৰু এই যোগাযোগৰ গুৰুত্ব আৰোপৰ বিষয় হ'ল শৌচাগাৰ তথা পৰিষ্কাৰ-পৰিছন্নতাৰ বাবে দাবী জনাবলৈ তেওঁলোকক প্ৰত্যয় আৰু প্ৰেৰণা দান কৰাটো। এনে প্ৰত্যয় প্ৰদান কৰোঁতাসকলৰ সংখ্যা ৰাজ্য আৰু জিলাসমূহত খৰতকীয়াকৈ বৃদ্ধি পাইছে। কিন্তু এনে কাম আৰু অধিক গতিৰে হ'ব লাগিব। আঁচনি অনুযায়ী আধা নিযুততকৈ অধিক লোকক এনে কামত লগোৱাৰ কথা। গড় হিচাপে দেশখনৰ প্ৰতিখন গাঁৱত এজনকৈ তেনে ব্যক্তি দায়িত্ব অৰ্পণ কৰাৰ লক্ষ্য আছে।

খোৱাপানী আৰু অনাময় মন্ত্ৰণালয়ে স্বচ্ছ ভাৰত অভিযানৰ ভালদৰে ৰূপায়ণ কৰিবৰ কাৰণে ৰাজ্যসমূহক সমৰ্থন জনায়। তাৰ বাবে কাৰ্য ক্ষমতা গঢ়ি তোলা, মানৱ সম্পদ, আচৰণ পৰিৱৰ্তনৰ যোগাযোগ কাৰ্য, ভাব বিনিময় আৰু পৰ্যবেক্ষণ তথা মূল্যাংকনৰ ওপৰত গুৰুত্ব দিছে। 'স্বচ্ছ সংগ্ৰহ', ভাল অভ্যাসমূহক গ্ৰহণ কৰা জিলা তথা ৰাজ্য সমূহৰ বাবে স্বচ্ছ ভাৰত অভিযান পোৰ্টাল, বিভিন্ন স্থানত শ শ প্ৰেৰণা দান কৰোঁতাসকলক প্ৰশিক্ষণ দিয়াৰ শ্ৰেণী-কোঠাৰ ব্যৱস্থা হ'ল কাৰ্যসূচীৰ

*লেখক নতুন দিল্লীৰ পি এইছ ডী চেম্বাৰ্ছ অব্ কমাৰ্চ এণ্ড ইণ্ডাষ্ট্ৰিৰ জ্যেষ্ঠ সচিব তথা শিক্ষা বিভাগ, চি এছ আৰ আৰু উদ্ভাৱন বিভাগৰ মুৰব্বী।

প্ৰযুক্তিসমূহক পদ্ধতিগতভাৱে সমন্বিত কৰা উদাহৰণবিশেষ। ইয়াৰ অতিৰিক্ত এনেবোৰ কামৰ স'তে জড়িত থকা সকলো অনুষ্ঠান-প্ৰতিষ্ঠানৰ লোকক একত্ৰিত কৰি ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক স্তৰত বিভিন্ন কৰ্মশালা আৰু অনুষ্ঠান নিয়মীয়াকৈ আয়োজন কৰা হয়। গাঁৱৰ মুখিয়াল বিশেষকৈ মহিলাৰ দৰে তৃণমূল পৰ্যায়ত নেতাসকলে কাৰ্যসূচী আগবঢ়াই নিয়াৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। দুমাহমানৰ পূৰ্বে সামৰণি পৰা (৮ মাৰ্চ) মহিলা দিৱসৰ 'স্বচ্ছ শক্তি' অনুষ্ঠানত স্বচ্ছ ভাৰত অভিযানৰ প্ৰতি গ্ৰহণ কৰা ভূমিকাৰ সোঁৱৰণাৰ্থে দেশখনৰ বিভিন্ন ঠাইৰ ৬০০০ মহিলা গাঁৱৰ মুখিয়াল একত্ৰিত হৈছিল। গান্ধীনগৰত অনুষ্ঠিত এই সমাৱেশত প্ৰধান মন্ত্ৰীয়ে স্বচ্ছ ভাৰত অভিযান তথা 'বেটী বাচাও, বেটী পঢ়াও'ৰ দৰে কাৰ্যসূচীবোৰত মহিলা গাঁৱৰ মুখিয়ালসকলৰ নেতৃত্বদানৰ ভূমিকাক প্ৰশংসা কৰে। তেওঁ মহিলা 'স্বচ্ছতা সমৰ্থকসকলকো পুৰস্কৃত কৰে। এই মহিলাসকল নিজ নিজ ঠাইসমূহৰ লোকসকলৰ বাবে অনুপ্ৰেৰণাৰ বিষয়-স্বৰূপ হৈ উঠে।

স্বচ্ছ ভাৰত অভিযানক এটা জনতাৰ আন্দোলন কৰি তোলাৰ লগে লগে শৌচাগাৰ স্থাপনৰ প্ৰযুক্তিৰ ব্যৱহাৰ তথা তাক কামত লগোৱাৰ অভ্যাস সহজ কৰি তোলাটোও এটা গুৰুত্বপূৰ্ণ বিষয়। গ্ৰাম্য অঞ্চলৰ কাৰণে অতি উপযুক্ত প্ৰযুক্তি হ'ল দুটা গাঁতৰ আৰ্হিৰ শৌচাগাৰ নিৰ্মাণ কৰা। এনে শৌচাগাৰৰ ক্ষেত্ৰত খৰচ কম পৰে, দীৰ্ঘ দিন টিকি থাকে আৰু বিকল্পভাৱে পুনৰ ব্যৱহাৰযোগ্য হয়। গ্ৰাম্য ভাৰতত এই আৰ্হিৰ শৌচাগাৰক ঘাইকৈ পছন্দ কৰা হয় বাবে ইয়াৰ বহুল ব্যৱহাৰৰ ক্ষেত্ৰত অধিক প্ৰয়াস কৰা প্ৰয়োজন আৰু তেনেদৰে ইয়াৰ বাণিজ্যিকৰণ দিশটোৰ প্ৰতি মনোযোগ দিয়া আৱশ্যক— যাতে গাঁৱৰ লোকসকলে তাক বিনাদ্বিধাই গ্ৰহণ কৰিব পাৰে। গৃহস্থীয়ে দুটা শৌচালয় গাঁতৰ এটা বন্ধ (যেতিয়া এটা গাঁত ভৰি যায়) কৰি দিবলৈ কোনো অসুবিধা নেপায়। ই নিৰাপদজনক আৰু পৰিৱেশ অনুকূল কাৰ্য। বন্ধ কৰি দিয়া গাঁতত যি জৈৱিক সাৰ প্ৰস্তুত হয় সেয়া কৃষিত ব্যৱহাৰ কৰাৰ এটা আদৰ্শজনক পছন্দ সাৰ। জ্যেষ্ঠ বিষয়া আৰু প্ৰখ্যাত ব্যক্তিসকলে যিমানেই সঘনে ভৰি পৰা গাঁতবোৰ বন্ধ কৰাৰ প্ৰতি সোঁ-শৰীৰে ব্যৱস্থা গ্ৰহণ কৰে, সিমানেই গাঁৱৰ লোকসকলৰ এটা দৃষ্টান্তস্বৰূপ হৈ পৰে আৰু তাৰদ্বাৰাই তেওঁলোকক নিজেই তেনে কাম কৰিবলৈ প্ৰত্যয় নিয়াব পাৰে। তেনে কৰিলে দুটা গাঁতৰ প্ৰযুক্তিৰ অৱলম্বন কৰা কাম খৰ গতিৰ হ'ব।

আচৰণৰ পৰিৱৰ্তন আৰু উপযুক্ত প্ৰযুক্তিক কামত লগোৱাৰ উপৰি স্বচ্ছতা প্ৰত্যেকেৰেই এটা কাৰ্যত পৰিণত হোৱাটো বাঞ্ছনীয়। তাৰ বাবে অৱশ্যে প্ৰয়াস অব্যাহত আছে। ব্যক্তিগত খণ্ডকে ধৰি আটাইবোৰ খণ্ডই নিজৰ কাম-কাজত অনাময় ব্যৱস্থাক জড়িত কৰা দেখা গৈছে। উদাহৰণস্বৰূপে টাটা ট্ৰাষ্টৰ কথা ক'ব পাৰি। এই ট্ৰাষ্টে ৬০০ তৰুণ পেছাদাৰীক ভাৰতৰ প্ৰতিখন জিলাত নিযুক্তি দিবলৈ তথা বিত্ত প্ৰদান কৰিবলৈ ওলাই আহিছে— যাতে স্বচ্ছ ভাৰত অভিযান কাৰ্যক আগবঢ়াই নিবৰ কাৰণে সংগ্ৰহকাৰীসকলক সমৰ্থন জনাব পাৰে। ৰাজহুৱা খণ্ডত প্ৰধান মন্ত্ৰীৰ প্ৰচেষ্টা প্ৰতি পযেকে স্বচ্ছতাপখৰাৰা উদ্‌যাপন কৰাৰ উপৰি প্ৰত্যেক কেন্দ্ৰীয় মন্ত্ৰণালয়ে স্বচ্ছতা কৰ্ম পৰিকল্পনা যুগুতাই উলিয়াইছে, য'ত নিজৰ কাম-কাজৰ ভিতৰত অনাময় বিষয়টোও সমন্বিত কৰা হ'ব। ২০১৭-১৮ বৰ্ষৰ কালছোৱাত স্বচ্ছতা সম্পৰ্কিত কাম-কাজৰ বাবে ৫০০০ কোটি টকা ধাৰ্য কৰা হৈছে। সকলো মন্ত্ৰণালয়ে ইয়াক কামত ব্যৱহাৰ কৰিব পাৰিব। স্বৰ্ণ মন্দিৰ আৰু তিৰুপতি মন্দিৰৰ দৰে পৱিত্ৰ ঠাইসমূহ পৰিষ্কাৰ কৰাৰ বিষয়ে বিবেচনা কৰা হৈছে। এনেবোৰ স্থান আন্তৰ্জাতিক মানৰ কৰি তোলাৰ লগে লগে গঙ্গা নদীৰ কাষত অৱস্থিত গাঁও পঞ্চায়তসমূহকো পৰিষ্কাৰ কৰি ৰখাৰ বিষয় সামৰি ল'বলৈ ঠিক কৰা হৈছে।

স্বচ্ছ ভাৰত অভিযানৰ এটা অন্যতম গুৰুত্বপূৰ্ণ বিষয় হ'ল কাৰ্যসমূহ পৰীক্ষা কৰা আৰু তাৰ সু-ফলৰ গতি অব্যাহত ৰখাৰ প্ৰতি গুৰুত্ব দিয়া। এয়া বিশেষকৈ আৱশ্যক, কিয়নো তাৰ ওপৰত নিৰ্ভৰ কৰিহে কাৰ্যসূচীৰ ইতিবাচক দিশটোৰ প্ৰতি সচেষ্ট হ'ব পাৰি। সম্প্ৰতি এটা বহু-তৰপীয়া প্ৰক্ৰিয়া অৱলম্বন কৰিবলৈ লোৱা হৈছে। জিলা স্তৰ, ৰাজ্যিক পৰ্যায় তথা ৰাষ্ট্ৰীয় স্তৰত এনেবোৰ কাৰ্য পৰীক্ষা কৰি চোৱা হয়। এই প্ৰচেষ্টাক শক্তিশালী কৰিব লাগিব আৰু আগতঃ দিনবোৰত ঘাইসুঁতিত স্থিত কৰিবলৈও চেষ্টাৰ ত্ৰুটি কৰিব নেলাগিব। সামগ্ৰিক বিকাশক অটুট ৰখাটো একান্ত প্ৰয়োজন, কিয়নো ইয়াৰ সফলতা নিৰন্তৰ কাৰ্যক্ৰমৰ সঠিক গতিদানৰ ওপৰতহে নিৰ্ভৰ কৰে। সেয়ে সামগ্ৰিক বিকাশৰ স্থিতি লাভ কৰাটো এটা কথা, আৰু প্ৰয়োজনাত্মক কাৰ্যব্যৱস্থাৰ জৰিয়তে তাক নিৰন্তৰভাৱে গতি দান কৰাটো আন কথা। সেয়ে দুয়োটাৰ দিশৰ প্ৰতি মনোযোগ দিয়া খুবেই প্ৰয়োজন। এইক্ষেত্ৰত খোৱাপানী তথা অনাময় মন্ত্ৰণালয়ে ৰাজ্যসমূহৰ স'তে নিকট সম্পৰ্ক ৰাখিছে যাতে প্ৰয়োজনীয় ব্যৱস্থা

**(৩৫ পৃষ্ঠাত চাওক)**

শতাংশহে। ২০১৬-১৭ বৰ্ষৰ অৰ্থনৈতিক জৰীপ মতে ভাৰতবৰ্ষৰ প্ৰতি ১০০ গৰাকী ভোটদাতাৰ মাত্ৰ ৭ গৰাকীহে কৰদাতা। যি সময়ত যোৱা পাঁচ বছৰত ১.২৫ কোটি গাড়ী বিক্ৰী হৈছে, ২০১৫ চনত ২ কোটিৰো অধিক লোকে বিদেশ ভ্ৰমণ কৰিছে, তেনে সময়ত কেৱল ১.৭২ লাখ লোকে কৰ আদায় দি ৫০ লাখৰো অধিক আয় বুলি দেখুওৱাটো দেখদেখকৈ কৰ নিদিয়াৰ মনোভাব মাত্ৰ। কৰ ফাকি দি ক'লাধন গঢ়াটো এটা অৰ্থনৈতিক প্ৰত্যাহ্বান তথা সামাজিক ব্যাধি। উৎকোচ দিয়া, নিৰ্বাচনী দুৰ্নীতিত লিপ্ত হোৱা, পৰিকল্পিতভাৱে অপৰাধ কৰা আৰু বিলাস বহুলভাৱে জীৱন নিৰ্বাহ কৰা কাৰ্যই দেশ এখনৰ অৰ্থনৈতিক পৰিকল্পনা তথা বিত্তীয় সংহতি বিঘ্নিত কৰে। সামগ্ৰিকভাৱে এনে কাৰ্যই অৰ্থনৈতিক সমতা নোহোৱা কৰে আৰু দেশ এখনৰ সামাজিক চিত্ৰৰ অৱক্ষয় ঘটায়। যোৱা তিনিটা বছৰত চৰকাৰে ক'লাধন বাহিৰ কৰিবৰ বাবে এলানি যুদ্ধসদৃশ ব্যৱস্থাৱলী গ্ৰহণ কৰিছে। এই ব্যৱস্থাৱলীৰ ভিতৰত, বিধানমণ্ডলীয় তথা প্ৰশাসনীয় উদ্যোগৰ দ্বাৰা নীতি পৰ্যায়ৰ সংস্কাৰ, দৃঢ় তথা ফলপ্ৰসূ কাৰ্যপন্থা, দক্ষতাৰ বিকাশ আৰু সূক্ষ্ম তথ্যগত ব্যৱস্থাৰ উন্নয়ন সাধন।

**এটা নিকা অৰ্থনীতিৰ বাবে কৰ প্ৰশাসন ক'লাধনৰ উপদ্ৰৱ ৰোধৰ হকে নিম্নোক্ত ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰা হৈছে**

* উচ্চতম ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ এম বি শ্বাহৰ নেতৃত্বত বিশেষ তদন্তকাৰী গোট গঠন।

* 'ক'লাধন (হিচাপ বহিৰ্ভূত বিদেশী ধন তথা সম্পত্তি) আৰু কৰ আৰোপণ নীতি ২০১৫' অনুযায়ী, বিদেশত ৰখা ক'লাধন ধৰা পৰিলে অন্যান্য শাস্তিৰ

# এটা নিকা আৰু স্বচ্ছ অৰ্থনীতিৰ দিশে

**এম ভি ভানুমতী***
**ৰোহিত দেও ঝা***

জনসাধাৰণ যাতে সোনকালে সমৃদ্ধি-শালী হৈ উঠে তাৰ বাবে এজন সুদক্ষ শাসকে দেশখন ভালদৰে পৰিচালনা কৰে, জনসাধাৰণৰ বাবে কল্যাণমুখী আঁচনি হাতত লয় আৰু বাণিজ্যৰ বিকাশ কৰে— চাণক্য

দৰিদ্ৰ তথা অভাৱগ্ৰস্ত লোকৰ সংখ্যা একেদৰে থকা হেতুকে ৰাষ্ট্ৰসংঘৰ মানৱ বিকাশ সূচীত ভাৰতবৰ্ষ এতিয়াও অতি নিম্ন স্তৰতে ৰৈ আছে। যোৱাটো বছৰৰ (HDI-2016) ক্ৰমাণুসাৰে ১৮৮ খন দেশৰ তালিকাত স্থান আছিল ১৩১। যিসকল লোকে আৰ্থিক উন্নয়নৰ দিশে আগবাঢ়িছে তেনে লোকক বিকশিত কৰি তোলাৰ বাবে যৎপৰোনাস্তি চেষ্টা কৰা হৈছে। এনে প্ৰচেষ্টাৰ ঘাই স্তম্ভ হ'ল অংশীদাৰিত্ব, স্বচ্ছতা আৰু বিকেন্দ্ৰীকৰণ। পোন প্ৰথমবাৰৰ বাবে এই তিনিটা স্তম্ভৰ দক্ষ ৰূপায়ণ হোৱাৰ বাবে বিকাশ পোনে পোনে জনগণৰ কাষ চাপিবলৈ সক্ষম হৈছে। এই তিনিটা স্তম্ভৰ ভিতৰত, স্বতন্ত্ৰ অৰ্থনৈতিক বিকাশৰ বাবে প্ৰথমতে গুৰুত্ব দিবলগীয়া বিষয় হ'ল স্বচ্ছতা। পুংখানুপুংখ নিৰীক্ষণৰ পিছত দেখা গৈছে যে হিতকাৰী কাৰ্যসূচীসমূহ অসফল হোৱাৰ গুৰিতে হ'ল দুৰ্নীতি। যুৱ সমাজলৈ নিয়োগৰ সুবিধা আগবঢ়াবলৈ যথেষ্ট সংঘাতৰ সন্মুখীন হোৱা দেশ এখনৰ বাবে দুৰ্নীতি এনে এটা বিষবাষ্প যি কল্যাণকামী কাৰ্যসূচীৰ ধন আত্মসাৎ কৰি ক'লাধন বৃদ্ধি কৰে, চৰকাৰে লাভ কৰিবলগীয়া বিত্তৰ হাৰ সংকুচিত কৰে, যিকোনো কাৰ্যসূচী গ্ৰহণ তথা ৰূপায়ণ বিঘ্নিত কৰে আৰু আৰ্থিক উন্নয়নৰ বাবে প্ৰয়োজন হোৱা বৈদেশিক বিনিয়োগ আৰু লগতে কাৰিকৰী আদান-প্ৰদান নিৰুৎসাহিত কৰে। বিশ্ব বেঙ্কৰ মতে, উন্নয়নশীল দেশসমূহৰ বাবে দুৰ্নীতি হ'ল জন-অৰ্থনীতিৰ প্ৰধান শত্ৰু আৰু আৰ্থিকভাৱে দুৰ্বল লোকক ই উচ্চ শতাংশত উৎকোচ দিবলৈ বাধ্য কৰে। ভাৰতবৰ্ষ ইয়াৰ ব্যতিক্ৰম নহয়। আমোদ-জনক কথা এয়ে যে চৰকাৰে যেতিয়া ক'লাধনৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰে, তেতিয়া নিজৰ কাম সুকলমে হ'বৰ বাবে দুখীয়া জনগণহে দুৰ্নীতিগ্ৰস্ত আৰু ঘোষ খুৱাওতা হিচাপে পৰিগণিত হ'বলৈ ধৰে। এই প্ৰবন্ধত কেইটামান মুখ্য পদক্ষেপৰ বিষয়ে আলোচনা কৰা হৈছে।

**এটা নিকা অৰ্থনীতিৰ দিশে**

প্ৰায় ৫.৫ কোটি জনসাধাৰণ, য'ত ব্যক্তি বিশেষ, কোম্পানী আৰু অন্যান্য ব্যৱসায়ী সোমাই আছে তেনে ক্ষেত্ৰত ভাৰতবৰ্ষৰ পণ্য কৰৰ অনুপাত মাত্ৰ ১৬.৬

***লেখিকা ভানুমতী এগৰাকী জ্যেষ্ঠ আই আৰ এছ বিষয়া আৰু তেওঁ দিল্লীত আয়কৰ বিভাগ (তদন্ত)ৰ প্ৰধান সঞ্চালকৰ দায়িত্বত আছে আৰু লেখক আই এছ আৰ ৰোহিত দেও ঝাই দিল্লীত আয়কৰ বিভাগ (তদন্ত)ৰ সহকাৰী সঞ্চালক ৰূপে কাৰ্যনিৰ্বাহ কৰি আছে।**

উপৰি ৩-১০ বছৰৰ সশ্ৰম কাৰাদণ্ড বিহাৰ কঠোৰ ব্যৱস্থা কৰা হৈছে। ধন অপসাৰণ বিৰোধী আইনৰ অধীনত, কৰ ফাকিক এটা অক্ষমণীয় অপৰাধ বুলি ধৰা হৈছে।

* ভাৰতীয়ই দেশৰ বাহিৰৰ বেংকত থোৱা ৮,১৮৬ কোটি টকাৰ দিব লগা কৰ নিদিয়াকৈ ৰখাৰ তথ্য তথা বিদেশী বেংকসমূহৰ পৰা লাভ কৰা লাভালাভ বাহিৰ কৰিবলৈ হেঁচাও আৰোপ কৰা হৈছে।

* পানামা পেপাৰ তথ্য ফাদিল সম্পৰ্কত ইয়াৰ সমন্বয়ৰ বাবে বহু দেশীয় গোট গঠন কৰা হৈছে।

* বিভিন্ন দেশৰ সৈতে দুগুণ কৰ ৰেহাই চুক্তি কৰ সম্পৰ্কীয় তথ্য বিনিময় চুক্তি বহু দেশীয় অভিৰ্ৱৰ্ত ইত্যাদিৰ ব্যৱস্থা কৰা হৈছে।

* তথ্যসমূহ যাতে স্বয়ংক্ৰিয়ভাৱে লাভ কৰিব পৰা হয় আৰু ক'লাধনৰ বিৰুদ্ধে সাৰ্বজনীন সমৰ্থন আদায় কৰিব পৰা হয় তাৰ বাবে বহুপাৰ্শ্বীয় অৰ্হতা সম্পন্ন কৰ্তৃপক্ষ চুক্তিত যোগ দিয়া হৈছে।

* মাৰ্কিন যুক্তৰাষ্ট্ৰৰ সৈতে বৈদেশিক হিচাপ কৰ বাধ্যতা (FATCA) চুক্তি সাক্ষৰ কৰা হৈছে যাতে ইয়াৰ অধীনত প্ৰয়োজনীয় তথ্য আহৰণ কৰিব পৰা যায়।

* মৰিছাছ, ছিংগাপুৰ আৰু ছাইপ্ৰাছৰ সৈতে ডী টী টী এ চুক্তি পুনৰ নবীকৰণ কৰা হৈছে যাতে নিয়ম ভংগকাৰী, কৰ ফাকি দিওঁতা তথা জমা ধনৰ বহু একাউণ্ট ৰখা লোকৰ তথ্য লাভ কৰিব পৰা হয়।

* ধন বাহিৰত জমা থ'লে যদিও বৈদেশিক বিনিয়োগ সূচায় (PN), এছ আই টীৰ যোগেদি বাহিৰৰ বেংকৰ পৰা ক'লাধন ফিৰাই অনাৰ ব্যৱস্থা আছে কিয়নো এনেদৰে জমা ধন অসৎ উপায়েৰে ৰখা হয়। ধন আত্মসাৎ কৰা লোকৰ হিচাপ নিয়মীয়াকৈ পাব পৰাৰ উপায় হিচাপে এছ ই বী আই প্ৰৱৰ্তন কৰি ইয়াক অধিক কটকটীয়া কৰা হৈছে।

* বেনামী লেনদেন (প্ৰতিৰোধ) সংশোধনী আইন, ২০১৬ ই কোনো ক্ষতিপূৰণ নিদিয়াকৈ বেনামী ধন-সম্পদ প্ৰকৃত নামতেই থাকক বা আনৰ নামতেই থাকক উলিয়াই অনাৰ অধিকাৰ চৰকাৰক দিছে। এই আইনৰ অধীনত সাত বছৰ পৰ্যন্ত কাৰাবাস হোৱাৰ দিহা আছে। ৰাজহ বিভাগৰ মতে, ২৪৫ ভাগ বেনামী লেনদেন ধৰা পেলোৱা হৈছে, ১২৪টা গোচৰৰ ক্ষেত্ৰত ৫৫ কোটি টকাৰ লেনদেন সাময়িকভাৱে তালিকাভুক্ত কৰা হৈছে।

* ২৩০৬৪টা তদন্ত/তালাচী (আয়কৰ বিভাগৰ ১৭৫২৫টা, শুল্ক বিভাগৰ ২৫০৯টা, কেন্দ্ৰীয় আবকাৰী বিভাগৰ ১৯১৩টা , সেৱা কৰ ১১২০টা) ১.৩৭ লাখ কোটি অধিক টকাৰ কৰ ফাকিৰ (আয়কৰ বিভাগৰ ৬৯৪৩৪টা কৰ ফাকি, শুল্ক বিভাগৰ ১১৪০৫টা কেন্দ্ৰীয় আবকাৰী বিভাগৰ ১৩৯৫২টা, সেৱা কৰৰ ৪২৭২৭টা) ক্ষেত্ৰত চলোৱা হৈছে।

* গ্ৰেপ্তাৰ হ'বলগীয়া ৩৮৯৩ গৰাকী ব্যক্তিৰ বিপৰীতে ২৮১৪টা গোচৰৰ ক্ষেত্ৰত আইনী প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে।

* ই ডী-এ ৫১৯টা গোচৰ পঞ্জীয়ন কৰিছে, ৩৯৬টা তালাচী চলাই ইয়াৰে ৭৯টা গ্ৰেপ্তাৰ কৰিবলগীয়া গোচৰ, য'ত ১৪,৯৩৩ কোটি টকাৰ সা-সম্পত্তি লেনদেন আছে ধৰা পেলাইছে।

* ৬৪,২৭৫ গৰাকী ব্যক্তিয়ে আয় ঘোষণা আঁচনি (IDS), ২০১৬ ৰ অন্তৰ্গত ৬৫,২৫০ কোটি হিচাপ নিদিয়াকৈ থকা ধনৰ হিচাপ দাখিল কৰিছে আৰু দেশীয় বেংকতে ক'লাধন জমা ৰখা লোকক নিকা হোৱাৰ সুযোগ দিছে।

**২০১৬-১৭ বৰ্ষৰ বাজেট স্বচ্ছ, শক্তিদীপ্ত তথা নিকা ভাৰতবৰ্ষ**

ক'লাধনৰ বিৰুদ্ধে অভিযান চলোৱাৰ অৰ্থে বিত্ত মন্ত্ৰীয়ে নিম্নোক্ত ধৰণৰ গুৰুত্ব-পূৰ্ণ ব্যৱস্থাৰ ঘোষণা কৰিছে—

* ব্যৱসায়ৰপৰা দিব পৰা ধনৰ পৰিমাণ ১০,০০০ টকালৈকেহে।

* এটা উৎসৰপৰা দাতব্য ন্যাসে কেৱল ২০০০ টকাহে দান হিচাপে ল'ব পাৰিব।

* গ্ৰাহকে এবাৰত উলিয়াব পৰা ধনৰ পৰিমাণ ২ লাখ টকাত সীমাবদ্ধ কৰা হৈছে, অন্যথা সমপৰিমাণৰ ধন ক্ষতিপূৰণ হিচাপে দিব লাগিব।

* বৰ্তমান থকা মুখ্য কৃষি ঋণ সংস্থাৰ যিহেতু ক'লাধনৰ সুৰুঙা থাকিব পাৰে সেয়ে ইয়াক কম্পিউটাৰযুক্ত কৰি ৰাজ্যিক কেন্দ্ৰীয় সমবায় বেংকসমূহৰ সৈতে ক'ৰ বেংকিঙৰ ব্যৱস্থা কৰা হৈছে।

* মূলধন লাভৰ সুবিধা থকা দীৰ্ঘম্যাদী কৰ ৰেহাইৰ অংশ ক্ৰয়ৰ সংশোধন কৰি সুৰক্ষা লেনদেন কৰ (ৰাজহুৱাভাৱে দিয়া সা-সুবিধাৰ দৰে নিকা ক্ষেত্ৰতো) বহুৱাই কঠোৰ কৰা হৈছে। ইয়াৰদ্বাৰা ছলেৰে লোৱা ধনৰ লেনদেনৰ ক্ষেত্ৰত কৰ ফাকি হ্ৰাস কৰিব পৰা হ'ব।

* দেশতে লুকুৱাই ৰখা সা-সম্পত্তি ধৰা পৰা লোকৰ লগতে ধনৰ লেনদেনৰ দোষী ব্যক্তি যিসকলে পলায়ন কৰি এতিয়াও ধৰা নিদিয়াকৈ আছে, তেনে লোকৰ বাবে আইন প্ৰণয়ন কৰাৰ দিহা কৰা হৈছে।

* আয়কৰ হিচাপ দাখিল তথা পেন কাৰ্ডৰ আবেদন আৰু গ্ৰহণৰ বাবে আধাৰ কাৰ্ড বাধ্যতামূলক কৰা হৈছে। এই ব্যৱস্থাই বহু কাৰ্ড অথবা অন্যায়ভাৱে লোৱা পেন কাৰ্ডৰ সমস্যা সমাধান কৰিব আৰু ধনৰ বিভিন্ন লেনদেনৰ ক্ষেত্ৰত দিবলগীয়া কে ৱাই চীৰ পৰীক্ষণ সুদৃঢ় কৰিব।

**সচ্চৰিত্ৰ কৰদাতালৈ পুৰস্কাৰ**

যি সময়ত চৰকাৰে কৰৰ উৎস বিচৰাৰ লক্ষ্য স্থিৰ কৰিছে, তেনে সময়তে আকৌ বিনিয়োগ সুহৃদ তথা আশ্চৰ্যকৰ বিকাশ লভা এটা বাঞ্ছনীয় আৰু সুস্থিৰ কৰ আৰোপ পৰিৱেশ সম্ভৱপৰ কৰি তুলিবলৈ যৎপৰোনাস্তি চেষ্টা চলাবলগীয়াও হৈছে। উন্নত কৰ প্ৰশাসনৰ বাবে হাতত লোৱা কেতবোৰ লেখত ল'বলগীয়া ব্যৱস্থা/নীতি সংশোধন তলত উল্লেখ কৰা হৈছে ঃ

* চৰকাৰে ইয়াৰ সাৰ্বভৌম অধিকাৰৰ কথা মনত ৰাখি অতীতদৰ্শী আইন প্ৰণয়ন সম্পৰ্কত যিকোনো কঠোৰ ব্যৱস্থা তথা ন্যায়পূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিব বুলি অতি স্পষ্টভাৱে জনাইছে।

* কৰ বিভাগ আৰু কৰদাতাৰ মাজত ব্যক্তিগত যোগাযোগ নোহোৱা কৰিবলৈ তথা সময়ৰ অপব্যৱহাৰ নহ'বলৈ ৭ খন চহৰত ই-বিনিময় প্ৰথা ৰূপায়ণ কৰা হৈছে। যিসকল কৰদাতাই কৰ হিচাপ দাখিল কৰে তেনে লোকৰ এই লেখ পুনৰীক্ষণ কৰিবলগীয়া হোৱাত যি ব্যৱহাৰিক খৰচ হয় তাক ৰাহি হোৱাকৈ তথা শুধৰোৱাৰ বাবে, বিশেষকৈ ক্ষুদ্ৰ কৰদাতাসকলৰ ক্ষেত্ৰত অনলাইন দাখিলৰ হেতু ২০১৫ চনত ই-সহযোগ প্ৰণয়ন কৰা হৈছে।

* বণিক তথা উদ্যোগীসকলৰ সৈতে মত বিনিময় কৰাৰ উদ্দেশ্যে গঠন কৰা উচ্চ ক্ষমতাসম্পন্ন কমিটীখনৰ প্ৰতিবেদন অনুসৰি কৰ আইনৰ বিষয়ে সময়ে সময়ে জনাই থাকিব পৰাকৈ চী বী ডী টী আৰু চী বী ই চীৰ ব্যৱস্থা কৰা হৈছে।

* আৱাসী কৰদাতাসকলেও তেওঁলোকৰ কৰ আদায় এটা পৰ্যায়লৈকে দিব লগা হৈছে বুলি এই ব্যৱস্থাৰদ্বাৰা জানিব পাৰিছে। ততোধিক কৰদাতাই যাতে কৰ পৰিশোধ কৰিব পাৰে তাৰ বাবে আয়কৰ নিষ্পত্তি।

* আয়োগখন বহলোৱা হৈছে। ইয়াৰদ্বাৰা সময় সাপেক্ষ গোচৰ-সমূহ নিষ্পত্তি কৰিব পৰা হৈছে।

* কেন্দ্ৰীয় ৰাজহুৱা গোচৰ পুনৰুদ্ধাৰ (CPGRAMS) তথা 'ই-নিবাৰণ' ব্যৱস্থাৰ নিৰীক্ষণ পি এম অ'ৰ জৰিয়তে কৰি থকা হৈছে যাতে, সময়-সাপেক্ষ গোচৰসমূহ পুনৰুদ্ধাৰ কৰিব পৰা যায়।

* কৰদাতাক চিনাক্ত কৰিব পৰাকৈ 'সহজ'ৰ এটা পৃষ্ঠাৰ আই টী আৰ প্ৰ-পত্ৰৰ ৰূপায়ণ কৰা হৈছে। আয়কৰ বিভাগে কৰ আৰোপ তথা কৰ সংগ্ৰহ উন্নত কৰিবলৈ অবলপূৰ্বক তথ্য সংগ্ৰহৰ বাবে 'প্ৰজেক্ট ইনচাইট্' ৰ দ্বাৰা কাম কৰি আছে।

**বি-মুদ্ৰাকৰণ**

অধিক মূল্য সূচোৱা ৫০০ শ আৰু ১০০০ টকীয়া নোটৰ বি-মুদ্ৰাকৰণৰ ফলত কৰ ফাকিৰ ক্ষেত্ৰত শাস্তিমূলক ব্যৱস্থা গ্ৰহণ অধিক কটকটীয়া হৈ পৰিল তথা দুৰ্নীতিৰ উৎসসমূহ স্পষ্ট হ'ল।

অবৈধ টকাৰ বিৰুদ্ধে অভিযান, অৰ্থনীতিৰ উন্নত ডিজিটেলাইজেচন, বিত্তীয় জমাৰ বৃদ্ধি আৰু অৰ্থনীতিৰ বহুল নীতি-নিয়মৰ বি-মুদ্ৰাকৰণৰ এটা লক্ষ্য হিচাপে লোৱা হৈছে আৰু ইয়াৰদ্বাৰা পণ্যকৰ বৃদ্ধিৰ পথ প্ৰশস্ত হৈছে লগতে কৰ ব্যৱস্থাৰ উন্নয়ন তথা কৰ সংগ্ৰহ বৃদ্ধিৰ কাৰক হৈছে।

বি-মুদ্ৰাকৰণৰ পাছত প্ৰায় সকলোখিনি ধন বেংকত সোমাইছে—যাৰ ফলত অভিযানকাৰী সংস্থাসমূহৰ ধনৰ গতি নিৰ্ণয়ত সহায় হৈছে। আগৰ তাৰিখ দেখুৱাই কৰা বিক্ৰী, বেনামী জমা, আ-অলঙ্কাৰ বিক্ৰী, মূল্য বৃদ্ধি, বিলাসী বয়-বস্তু তথা বিদেশী বিনিয়োগ থকা ব্যক্তিৰ চিনাক্তকৰণ (পান কাৰ্ড নোহোৱাকৈ), পান নম্বৰ দাখিল নকৰাকৈ থাকিব পৰাধৰণে বিলসমূহৰ বিভক্তকৰণ, সমবায় বেংকসমূহত (এই বেঙ্কসমূহত কে ৱাই চী দাখিলৰ ধৰাবন্ধা নিয়ম নেথাকে) ধন জমা, একেটা পান নম্বৰৰ বিপৰীতে বিভিন্ন ঠাইত জমা আদিৰ দৰে জমা ধন গোপন কৰাৰ উৎস তদন্তৰ বাবে গোপন হৈ থকা নাই।

প্ৰাপ্ত তথ্যই নিশ্চিত কৰিছে যে বি-মুদ্ৰাকৰণৰ পাছত ২ লাখ আৰু ৮০ লাখ— মুঠ ৫.৪৮ লাখ কোটি টকা ১.০৯ টা জমা খাটাত জমা হৈছে। ১.৪৮ লাখ জমা খাটাত ৮০ লাখকৈ মুঠ ৪.৮৯ লাখ কোটি টকা জমা হৈছে। নিকা ধন অভিযানৰ অধীনত (Operation Clean Money), আয়কৰ বিভাগে প্ৰথম পৰ্যায়ত ১৮ লাখ লোকলৈ ই-মেইল তথা জাননী পঠাইছে। ই-ফাইলিং ৱেবছাইটত ১২ টা জমা খাটাৰ গৰাকীয়ে যোগাযোগ কৰিছে। এনে কাৰ্যৰদ্বাৰা ই-ফাইলিং বিভাগে নিকা জমাক আৰু অধিক তদন্তৰ আওতালৈ অনাৰ দিহা কৰাত সুবিধা হৈছে। ৰাজ্যসভাত দিয়া এটা লিখিত উত্তৰত বিত্ত মন্ত্ৰীয়ে জানিবলৈ দিছে যে বি-মুদ্ৰাকৰণৰ পাছত কৰা ১১০০ টা বিচাৰ-খোচাৰ আৰু তদন্তত আয়কৰ বিভাগে ৬০০ কোটি টকা মূল্যৰ ধন আৰু মূল্যৱান সামগ্ৰী ধৰা পেলাইছে।

এটা নিকা ভাবমূৰ্তি প্ৰদৰ্শন কৰিব পৰাকৈ ঘোষণা কৰা প্ৰধান মন্ত্ৰী গৰিব কল্যাণ যোজনাৰ অন্তৰ্গত যিসমূহ লোকে জমা ধনৰ কথা সদৰী কৰে (৩১ মাৰ্চৰ, ২০১৭ চনলৈকে) তেনে লোকে, ৫০% কৰ দিলেই হ'ব আৰু ২৫% ধন প্ৰধান মন্ত্ৰী গৰিব কল্যাণ যোজনাৰ অধীনত কৰবিহীনভাৱে চাৰি বছৰলৈকে জমা থ'ব পাৰিব। সংখ্যা যিয়ে নহওক, অসৎ উপায়েৰে ধন ঘটা সৰ্বসাধাৰণ লোকে যে এতিয়া এটা নিবাৰণৰ পথ পালে সেইটোহে গুৰুত্বপূৰ্ণ।

## ডিজিটেল অৰ্থনীতি

অৰ্থনীতিত ধনৰ দাসত্ব ব্যাপক কৰ ফাকিৰ অন্যতম মুখ্য কাৰণ। পী ডব্লিউ চীৰ ২০১৫ চনৰ এখন প্ৰতিবেদন অনুসৰি, ভাৰতবৰ্ষত ৯৮ শতাংশ লেনদেন আকাৰেৰে আৰু লেনদেনৰ সৰ্বমুঠ ৬৮ শতাংশ টকাৰে কৰা হয়। বি-মুদ্ৰাকৰণে ডিজিটেল লেনদেনৰ দিশত এটা উল্লেখনীয় আশাৰ সঞ্চাৰ কৰিছে। ডিজিটেল অৰ্থনীতিৰ সুবিধা বহুত যদিও প্ৰধানতঃ ইয়াৰ স্বচ্ছতা প্ৰকট হৈ উঠে। আন্তৰ্জাতিক স্বচ্ছতা নিৰূপণৰ দুৰ্নীতি ধাৰণা তালিকাত সৰ্বোচ্চ স্থান লাভ কৰা দেশসমূহৰ শতকৰা ১০% হে মুঠ ধনৰ লেনদেনৰ ক্ষেত্ৰত এই তালিকাভুক্ত হয়। এই তালিকাত ভাৰতবৰ্ষ ৭৯ নম্বৰতে অৱস্থান কৰিছে।

ভাৰতবৰ্ষৰ ৰাষ্ট্ৰীয় পৰিশোধ (Payments) নিগমে সফলতাৰে য়ুনিফাইড পেমেণ্ট ইণ্টাৰফেইছ প্লেটফৰ্ম ৰূপায়ণ কৰিছে যাৰদ্বাৰা আন্তঃক্ৰমণিকা; বী এইছ আই এম (১৯৬ লাখ লোকে ইয়াক ডাউনলোড কৰিছে) আৰু আধাৰ কাৰ্ডৰ জৰিয়তে কৰা পৰিশোধ ব্যক্তিৰপৰা ব্যক্তিলৈ প্ৰসাৰিত হৈছে আৰু লগে লগে সমগ্ৰ দেশব্যাপি ডিজিটেল পৰিশোধ ব্যৱস্থাৰ প্ৰসাৰ ঘটিছে। এই ব্যৱস্থাৰ দীৰ্ঘম্যাদী লাভালাভ ইতিমধ্যে প্ৰত্যক্ষ হৈছে যাক ভাৰতীয় ৰিজাৰ্ভ বেংকৰ তথ্যত মাৰ্চ ২০১৭ত য়ু পী আই ভিত্তিক লেনদেন ২০%ৰ পৰা ঊৰ্দ্ধগামী হৈ ২০০০ হেজাৰ কোটি টকা হোৱা বুলি দেখুওৱা হৈছে।

ডিজিটেল লেনদেনক আকৰ্ষিত কৰিবলৈ ২ কোটি টকালৈকে ধনবিহীন লেনদেনৰ কৰৰ হাৰ ৮% ৰ পৰা ৬% কৰা হৈছে। তদুপৰি চৰকাৰে, মাইক্ৰ, এ টী এম আৰু পী অ' এছ মেচিনৰ BCD, Exise/CV শুল্ক ৰেহাই দিছে।

চৰকাৰে আধাৰ কাৰ্ডক পান কাৰ্ডৰ সৈতে সংলগ্ন কৰাটো বাধ্যতামূলক কৰাৰ লগে লগে ৫০ হেজাৰৰ অধিক ধন লেনদেনৰ ক্ষেত্ৰত আধাৰ কাৰ্ডৰ নিৰ্ভৰযোগ্যতা বাধ্যতামূলক কৰাৰ বিবেচনা কৰি আছে।

## সামগ্ৰী আৰু সেৱা কৰ (GST)

সামগ্ৰী আৰু সেৱা কৰ স্বাৰাজোত্তৰ কালৰ বৃহত্তম কৰ সংশোধনীৰ অন্যতম, যাক পৰোক্ষ কৰৰ ক্ষেত্ৰখন সবলীকৰণ কৰাৰ বাবে হাতত লোৱা হৈছে। কেন্দ্ৰ তথা ৰাজ্য চৰকাৰসমূহে ধাৰ্য কৰা সকলোধৰণৰ পৰোক্ষ কৰকে এই ব্যৱস্থাই একীভূত কৰি এখন সৰ্বসাধাৰণ ভাৰতীয় বজাৰ গঢ়িব, কৰ প্ৰশাসন নিয়াৰি কৰিব, কৰ আৰোপ উন্নত কৰিব, বিনিয়োগ তথা বিকাশ ত্বৰান্বিত কৰিব আৰু ইয়াৰদ্বাৰা ৰাজহ সংগ্ৰহ বৃদ্ধি পাব। সংসদত সামগ্ৰী আৰু সেৱা কৰ সম্বন্ধীয় চাৰিখন বিল গৃহীত হোৱাৰ পাছত পহিলা জুলাইত বলৱৎ হ'বলগীয়া সামগ্ৰী আৰু সেৱা কৰ আৰু এটা স্তৰ আগুৱাই আহিল। সামগ্ৰী আৰু সেৱা কৰ তথ্য, কাৰিকৰী আৰ্হি তথা কৰ ফাকিৰ ক্ষেত্ৰত ধাৰ্য কৰা শাস্তি আৰু অভিযোগৰ দিশত ভাৰতে মুঠ ঘৰুৱা উৎপাদনৰ অনুপাতিক কৰৰ হাৰৰ বৃদ্ধি মধ্যৱৰ্তী আৰু দীৰ্ঘকালীন হিচাপত দেখিবলৈ পাব। তদুপৰি, ইয়াৰ দ্বাৰা বাণিজ্যিক লেনদেনৰ তথ্য পোনপটীয়াকৈ পোৱা যাব আৰু প্ৰত্যক্ষ কৰ সংগ্ৰহৰ উৎস স্পষ্টভাৱে ভাহি উঠিব।

## নিৰ্বাচনী পুঁজিৰ সংশোধন

গণতান্ত্ৰিক সংশোধনী সংস্থাৰ বিশ্লেষণ অনুসৰি ২০০৪-০৫ আৰু ২০১৪-১৫ বৰ্ষত ৰাজনৈতিক দলসমূহে অজ্ঞাত উৎসৰ পৰা ৭,৮৩৩ কোটি টকাৰ পুঁজি সংগ্ৰহ কৰিছিল, যি দলসমূহৰ মুঠ আয়ৰ শতকৰা ৬৯ ভাগ। এনে কাৰ্যই এই অজ্ঞাত উৎসৰ বিষয়ে আমাক ভাবিবলৈ বাধ্য কৰায়। উদ্যোগ তথা বাণিজ্যিক ক্ষেত্ৰৰপৰা গোপনে লাভ কৰা পুঁজিয়ে ন্যস্তস্বাৰ্থৰ বৰ্দ্ধিত হাৰৰ কথা উদঙাই দিয়ে। এনে কৰাৰ ফলত, ৰাজনীতিক আৰু ব্যৱসায়ীৰ মাজত এটা বুজাবুজি গঢ়ি উঠে আৰু ফলস্বৰূপে গণতন্ত্ৰ তথা জনগণৰ অহিত সাধন হয়। এটা নিকা অৰ্থনীতিৰ হকে সেয়ে স্বচ্ছতাৰ প্ৰয়োজন হৈ পৰে। ২০১৭ বৰ্ষৰ বাজেটত ৰাজনৈতিক দলসমূহে এটা উৎসৰ পৰা কেৱল ২,০০০/- টকাহে বৰঙণি ল'ব পাৰিব বুলি সীমা নিৰ্দ্ধাৰণ কৰি সামান্য এটা পদক্ষেপ গ্ৰহণ কৰা হৈছে। নিৰ্বাচনী চুক্তিৰ এটা ধাৰণা কৰা হৈছে, য'ত নেকি কৰ্পʼৰেট বৰঙণিৰ সুৰক্ষিত সীমা ৰখা হ'ব, কিন্তু বৰঙণিৰ উৎস স্পষ্ট হৈ থাকিব লাগিব।

## দুৰ্নীতি ৰোধৰ অতিৰিক্ত পথ

স্বাৰাজোত্তৰ কালৰেপৰা দৰিদ্ৰ তথা অভাৱগ্ৰস্তজনৰ কল্যাণৰ হকে কল্যাণ-মূলক আঁচনিসমূহ গ্ৰহণ কৰি অহা হৈছে। কিন্তু, বছৰ বছৰ ধৰি হৈ অহা দুৰ্নীতিৰ ফলত এইবিলাকৰ গোপনীয়তা ৰক্ষা হোৱা নাই আৰু নাপাব লগাজনৰ জেপলৈহে ইয়াৰ লাভালাভ গৈ আছে। ২০১৫-১৬ বিত্তীয় বৰ্ষৰ অৰ্থনৈতিক সমীক্ষা অনুসৰি, ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ ধ্বজাবাহী কাৰ্যসূচীৰ গোপনীয়তা ৰক্ষা নোহোৱাৰ ফলত ইয়াৰ প্ৰকৃত লক্ষ্য ৪০-৫০% উপলব্ধ হোৱা নাই। ই মাত্ৰ এটা উদাহৰণহে। চৰকাৰে, পোনপটীয়া লাভৰ অংশ বুলি এটা অভিনৱ কাৰ্যপন্থা গ্ৰহণ কৰিছে—যাৰদ্বাৰা দুৰ্নীতি চেৰাই গৈ লাভৰ অংশ পোনে পোনে প্ৰকৃত ব্যক্তিৰ জমা খাটাত সোমাবগৈ। বেংকিং ব্যৱস্থাক দৰিদ্ৰ তথা অভাৱগ্ৰস্তজনৰ কাষ চপাই নিবলৈ ২০১৪ চনত ব্যাপক প্ৰচেষ্টা হাতত লোৱা হৈছিল যাৰ ফলত পোনপটীয়া লাভালাভ গাঁথনিৰ বিকাশ পৰিলক্ষিত

হৈছিল। জমাধন (প্ৰায় ২৫.৭ কোটি জমা খাটা মুকলি), আধাৰ (ইয়াৰ অন্তৰ্ভুক্তিৰ সীমা ১১২ কোটি অতিক্ৰম কৰিছে) তথা ম'বাইল এপৰ ব্যৱহাৰ, এই তিনিওটা ব্যৱস্থাই স্বচ্ছতা আৰু একাত্মতাৰ এক ভেটি গঢ়ি তুলিলে।

প্ৰাপ্ত তথ্য অনুসৰি, বৰ্তমান ১৭ টা মন্ত্ৰালয়ৰ অধীনত ৮৪ খন আঁচনিক পোনপটীয়া লাভালাভৰ অংশই সামৰি লৈছে আৰু যোৱা তিনিটা বছৰত ৫০,০০০ কোটি টকা সঞ্চয় কৰিবলৈ সক্ষম হৈছে। এইক্ষেত্ৰত আৰু অধিক স্বচ্ছতা আনিবৰ বাবে লাভৰ অংশীদাৰৰ তালিকা প্ৰকাশ পৰৱৰ্তী পদক্ষেপ হিচাপে গ্ৰহণ কৰা হ'ব। চৰকাৰে প্ৰাকৃতিক সম্পদ নিলামৰ একমাত্ৰ আহিলা খনিজ তথা খনিজ পদাৰ্থ আইন (উন্নয়ন আৰু নীতিবদ্ধ) সংশোধন কৰি এইক্ষেত্ৰত হোৱা দুৰ্নীতি যথেষ্টখিনি কমাই আনিছে, সা-সামগ্ৰী তথা সা-সুবিধাসমূহ লাভৰ অৰ্থে চৰকাৰী মন্ত্ৰণালয়/বিভাগ, ৰাজহুৱা সেৱা খণ্ড আৰু স্বায়ত্তশাসিত গোটসমূহত ই-বজাৰৰ সংযোগ কৰিছে।

## অসম্পূৰ্ণ কাৰ্যসূচী

এখন নিকা ভাৰতবৰ্ষ গঢ়াৰ দিশত সাহস তথা আত্মোৎসৰ্গাৰ বাবে চৰকাৰে আৰু কেতবোৰ সুদৃঢ় আৰু নিয়াৰি পন্থা হাতত ল'ব লাগিব, যিবোৰ হ'ব সুবিস্তাৰিত কিন্তু বন্ধ হৈ যোৱা বিধৰ নহয়।

* সুদক্ষ আৰু দুৰ্নীতিহীন কৰ প্ৰশাসনৰ বাবে আয়কৰ আইন তথা পদ্ধতিৰ বাধাহীন সৰলীকৰণ। ইয়াত বৈষম্য তথা অভিযোগৰ কোনো সুৰুঙা থাকিব নালাগিব। ২০১৬-১৭ বৰ্ষৰ বাজেট ভাষণত এই কথা স্পষ্ট হৈছে যে প্ৰথমখন আপীল সম্বন্ধীয় কৰ্তৃপক্ষৰ ওচৰত ৩ লাখ আয়কৰ সম্বন্ধীয় গোচৰ মীমাংসা নোহোৱাকৈ আছে আৰু ইয়াত ৫.৫ লাখ কোটি আপত্তিজনিত ধনৰাশি জড়িত হৈ আছে।

* আইনৰ সৈতে জড়িত ব্যক্তিৰ যাতে অসৎ ব্যৱহাৰ নহয়, তাৰ বাবে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। যোৱা কিছু বছৰ ধৰি ছেল্ কোম্পানীসমূহ ৰঘুমলাৰ দৰে শিপাইছে, যাৰ ফলত সৰল কৰ্প'ৰেট পদ্ধতি বিঘ্নিত হৈছে। এটা ঠিকনাৰ অধীনতে ভালেমান কোম্পানীৰ পঞ্জীয়ন হোৱা দেখা গৈছে। এনে কোম্পানীসমূহ কম মূলধনী, একক অথবা কৰ্মচাৰী আৰু সঞ্চালকবিহীন আৰু অস্তিত্বহীন হোৱাটো নতুন কথা নহয়। বছৰ বছৰ ধৰি এনে কোম্পানীসমূহে তৈলমৰ্দনৰদ্বাৰা ভুৱা বিল দাখিল কৰি আছে, অস্তিত্বহীন অংশীদাৰী আগবঢ়াই আহিছে, ভুৱা ঋণৰ প্ৰচাৰ কৰিছে আৰু এনেদৰে ধনৰ ভুৱা লেনদেন কৰিবলৈ কুণ্ঠাবোধ কৰা নাই। এনে অসংখ্য কোম্পানী থকাৰ বাবে এওঁলোকক ধৰা পেলোৱা কঠিন আৰু ধৰা পৰিলেও বৰ্তমান থকা সাক্ষ্য প্ৰমাণ ব্যৱস্থাৰ বাবে এওঁলোক প্ৰমাণ নোহোৱাকৈ সাৰি যায়। ২০১৩-১৪ চনৰপৰা ২০১৫-১৬ চনলৈকে আয়কৰ তালাচী অভিযানত ১১৫৫টা এনে ভুৱা কোম্পানী আৰু ১৩,৩০০ কোটিৰো অধিক টকাৰ ভুৱা লেনদেনত জড়িত ২২,০০০ তকৈয়ো অধিক অংশীদাৰ ধৰা পৰিছে। অৱশ্যে, এই কোম্পানীসমূহৰ বিৰুদ্ধে তৰা গোচৰত মিশ্ৰিত ফলাফল দেখা গৈছে। এনেধৰণৰ অভিযোগক ছেল্ কোম্পানী তথা ধনৰ ভুৱা লেনদেন কৰা বুলি অভিহিত কৰি এনে কাৰ্যক সু-সংগবদ্ধ জগৰ হিচাপে ধৰিবলৈ নিৰ্দেশনা জাৰি কৰিব লাগে আৰু ইয়াৰ নিষ্পত্তিৰ বাবেল্টা আছুতীয়া পেনেল আইনৰ দিহা কৰিব লাগে।

* কৰ সংগ্ৰহ কৰা ব্যক্তি আৰু কৰদাতাৰ মাজত আন কোনো ব্যক্তি সাঙোৰ খাই থাকিব নালাগে। যৎসম্ভৱ আলাপ-আলোচনা, যি-খিনি নকৰিলে নহয় তাকে কৰি ঊৰ্দ্ধতন কৰ্তৃপক্ষৰ হতুৱাই ইয়াক পৰীক্ষা কৰাব লাগে। কৰ বিভাগে প্ৰৱৰ্তন কৰা ই-এছেছমেণ্ট এই দিশত এটা উচিত পদক্ষেপ।

* ভাৰতবৰ্ষ সদস্য হিচাপে থকা বিত্তীয় কৰ্ম বাহিনী (FATF)এ দেশসমূহক এনেদৰে পৰামৰ্শ দিছে যে তেওঁলোকে বিত্তিয় প্ৰতিষ্ঠানসমূহৰ পৰা ৰাজহুৱা ক্ষেত্ৰত জড়িত হৈ থকা ৰাজনীতিকক ইয়াৰ সৈতে সম্পৰ্কিত নেকি চিনাক্ত কৰি প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিব লাগে আৰু ব্যৱস্থা হিচাপে সমুচিত বিপদ ব্যৱস্থাপনা পদ্ধতি অৱলম্বন কৰিব লাগে।

* কেন্দ্ৰ তথা ৰাজ্যসমূহৰ আইন বলৱৎ সংস্থাসমূহৰ মাজত নিয়াৰি সমন্বয় ৰক্ষাৰ উন্নত ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

## নেৰানেপেৰা প্ৰচেষ্টাৰ প্ৰয়োজন

দুৰ্নীতি ৰোধ কৰাৰ বাবে তথা অৰ্থনীতি নিকা কৰাৰ অৰ্থে চৰকাৰে গ্ৰহণ কৰা কঠোৰ পদক্ষেপে প্ৰশংসনীয় ফলাফল দেখুৱাবলৈ সক্ষম হৈছে। এই অভিযান যদিহে এটা উৎসাহ আৰু উদ্দীপনাৰে চলাই থকা হয়, তেন্তে সা-সুবিধাসমূহ ধনীৰপৰা দুখীয়ালৈ পৰ্যৱেসিত হ'ব, দৰিদ্ৰতা নিবাৰণ হ'ব, জনগণৰ বাবে নিয়োগৰ সুবিধা উপলব্ধ হ'ব আৰু অতি প্ৰয়োজনীয় বুলি বিবেচিত দক্ষতা বৃদ্ধি হ'ব। যিকোনো-ধৰণৰ সাল-সলনিৰ বেলিকাও এই অভিযান অক্ষত হৈ ৰ'ব লাগিব। ত্যাগৰ মনোভাব অবিহনে একো কামেই সম্ভৱ নহয় আৰু নিকা তথা স্বচ্ছ অৰ্থনীতি অতি কম মূল্যৰ বিনিময়ত কৰিব পৰা যাব। ❒

# সামাজিক প্ৰগতি ঃ অৰ্থনৈতিক বিকাশৰ উৰ্দ্ধত অগ্ৰসৰ

**নাতাছা ঝা ভাস্কৰ***

বৰ্তমানৰ চৰকাৰে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত সীমাহীন আশাৰ ভিতৰত আছিল সুশাসন। আন বিষয়ৰ ভিতৰত মুদ্ৰাস্ফীতি তথা মূল্যবৃদ্ধি, দৈনন্দিন লেন-দেনত হোৱা দুৰ্নীতি তথা তাৰ সংগীৰূপে থকা পুঁজিবাদ আদি জ্বলন্ত সমস্যাসমূহো আছিল। ২০১৭-১৮ বৰ্ষৰ বাজেট ভাষণত বিত্ত মন্ত্ৰীয়ে চৰকাৰৰ লক্ষ্যসমূহ দাঙি ধৰিছিল—

★ বৈষম্যমূলক প্ৰশাসনৰ পৰিৱৰ্তে আঁচনি আৰু পদ্ধতিৰ ওপৰত গঠিত প্ৰশাসন।

★ পক্ষপাতিত্বৰ পৰিৱৰ্তে স্বচ্ছতা আৰু লক্ষ্যৰদ্বাৰা সিদ্ধান্ত গ্ৰহণ।

★ উদাসীন আৰু শিথিল কৰ্মৰ সলনি লক্ষ্য নিৰ্দ্ধাৰণ।

★ অনানুষ্ঠানিক অৰ্থনীতিৰ পৰিৱৰ্তে আনুষ্ঠানিক অৰ্থনীতি।

যোৱা কেইবছৰমানৰ ভিতৰত হোৱা ভাৰতৰ বিকাশৰ পথ বিশ্লেষণ কৰা প্ৰয়োজন। বিকাশে কি বুজায়? আমাৰ বিকাশ সামগ্ৰিক আৰু ন্যায় সংগতনে? বিকাশক অধিক সম্যক আৰু সৰ্বাত্মক কৰি তুলিবলৈ আমি বিকাশৰ নমুনাৰ ওপৰত পুনৰায় চকু ফুৰাব লাগিবনে? স্পষ্টভাৱে, এইটো ৰাজহুৱা বিনিয়োগৰ মান আৰু দিশৰ ওপৰত নিৰ্ভৰ কৰে।

নোবেল বঁটা বিজয়ী অমাৰ্ত্য সেনে সদায়েই কৈ আহিছে যে— "অৰ্থনৈতিক প্ৰগতিৰ বিচাৰৰ পথ হিচাপে বিকাশৰ হাৰ অতি নিৰ্বোধ আৰু গভীৰভাৱে পৃথককৃত।" সেন আৰু ভাৰতীয় মূলৰ বেলজিয়ান অৰ্থনীতিবিদ জিন দ্ৰেজ-এ ১৯৯৫ চনতে কৈছিল যে সংস্কাৰে বিকাশৰ উৎকৰ্ষ সাধন কৰে যদিও দৰিদ্ৰৰ জীৱন ধাৰা উন্নত কৰিবলৈ যথেষ্ট নহয়। সেয়ে জাতি-বৰ্ণৰ ভেদা-ভেদ এৰি সংস্থাপনৰ ব্যৱস্থা কৰিব লাগে আৰু শিক্ষা আৰু স্বাস্থ্যৰ বাবে প্ৰৱৰ্তিত ৰাজহুৱা নীতিৰ পৰিপূৰক হ'ব লাগিব।

সকলোকে সাঙুৰি মানৱ বিকাশ কৰিবৰ বাবে চাৰিটা স্তম্ভেৰে পৰিপুষ্ট সৰ্বাত্মক বিকাশ হ'ব লাগিব। এই স্তম্ভকেইটা হ'ল— কৰ্মসংস্থাপন আনিব পৰা বিকাশৰ নমুনা প্ৰস্তুত, বিত্তীয় অন্তৰ্ভুক্তিৰ বৃদ্ধি, মানৱ বিকাশৰ অগ্ৰাধিকাৰত বিনিয়োগ (শিক্ষা আৰু স্বাস্থ্য) আৰু বহু দিশ সমৰ্থিত অতি প্ৰভাৱশালী কাৰ্যপন্থা গ্ৰহণ।

শিক্ষিত আৰু সুস্বাস্থ্যৰ অধিকাৰী হিচাপে প্ৰতিজন ব্যক্তিয়ে নিজৰ সম্ভাৱনীয়তাৰ শিখৰ স্পৰ্শ কৰিব পৰাৰ অৱস্থাই হৈছে মানৱ বিকাশ। শিক্ষা, স্বাস্থ্য আৰু আয়ৰ ওপৰত ভিত্তি কৰি ৰাষ্ট্ৰসংঘই যুগুত কৰা "মানৱ বিকাশ সূচী"ৰ ১৮৮ খন দেশৰ ভিতৰত ভাৰত মধ্যমীয়া মানৱ বিকাশ সূচকৰ ১৩০তম স্থানত আছে, ভূটান ১৩২তম স্থান, বাংলাদেশ ১৪২তম স্থানত আছে। অতি উচ্চ মানৱ বিকাশ সূচকৰদ্বাৰা শ্ৰীলংকা আৰু চীনদেশ ক্ৰমে ৭৩তম আৰু ৯০তম স্থানত আছে। নিম্ন মানৱ বিকাশ সূচকৰ বাবে নেপাল আৰু পাকিস্তানে ১৪৫তম আৰু ১৪৭তম স্থানহে পাইছে। মানৱ বিকাশৰ উদাহৰণ স্বৰূপ হ'বলৈ ভাৰত এতিয়াও সাজু হৈ উঠা নাই। (ৰাষ্ট্ৰসংঘৰ এই প্ৰতিবেদন শিক্ষা, স্বাস্থ্য আৰু আয়ৰ ওপৰত ভিত্তি কৰি যুগুত কৰা হয়) আৰু ইয়াত প্ৰাধান্য দিশসমূহ হ'ল— শিক্ষাৰ বাবে শিশুক প্ৰয়োজন হোৱা বছৰৰ হিচাপ আৰু পূৰ্ণবয়স্কৰ শিক্ষাৰ বাবে প্ৰয়োজনীয় বছৰৰ গড় হিচাপ। স্বাস্থ্যৰ বাবে— জন্মৰ সময়ত ঠিৰাং কৰা শিশুৰ জীৱন কালৰ সময় আৰু আয়ৰ বাবে সমুদায় ৰাষ্ট্ৰীয় আয়।)

আমাৰ দেশত থকা দ্ৰাৰিদ্ৰ্যতা আৰু বৈষম্যৰ বাবেই বিকাশত হেঙাৰ আহি পৰিছে। 'ক্ৰেডিট চুইছ গ্লোবেল ৱেল্থ ডাটাবুক ২০১৪'ৰ মতে বিশ্বৰ অন্য দেশৰ তুলনাত আমাৰ দেশত ধনাঢ্যৰ সম্পত্তিৰ পৰিমাণ ১ শতাংশ আছিল, আৰু বৰ্তমান দেশৰ সম্পত্তিৰ ১০ শতাংশ ধনাঢ্যসকলৰ হাতত আছে। ২০০০ চনৰ পৰা ধনাঢ্যৰ সম্পত্তি আৰু ১০ গুণ বাঢ়িছে।

ইয়াৰদ্বাৰাই প্ৰমাণিত হয় যে মানৱ বিকাশৰ ব্যতিৰেকে অৰ্থনৈতিক বিকাশ অবহনক্ষম আৰু অনৈতিক হ'ব। এ এছ ই আৰ-ৰ বাৰ্ষিক প্ৰতিবেদনত দেখা গৈছে যে শিক্ষানুষ্ঠানসমূহত নামভৰ্তিৰ সংখ্যা বাঢ়িছে যদিও প্ৰাথমিক স্তৰতো ছাত্ৰৰ মাজত শিক্ষা গ্ৰহণৰ আগ্ৰহ অতি

***লেখক নাতাছা ঝা ভাস্কৰ, লোকসভা টেলিভিশ্বনৰ জ্যেষ্ঠ বিশ্লেষক**

পুতৌজনক। অনাময় আৰু স্বাস্থ্য সেৱাৰ প্ৰতিও মনোযোগ দিব লাগে। চৰকাৰে এই ক্ষেত্ৰত বহুত আঁচনি হাতত লৈছে যদিও ফলাফলৰ ক্ষেত্ৰত ইয়াকে ক'ব পাৰি যে আমাৰ কৰিবলগীয়া আৰু বহুত কাম বাকী আছে।

**শিক্ষা**

১.৪ নিযুত বিদ্যালয়, ৪৫,০০০ মহাবিদ্যালয় আৰু ৭০০তকৈও অধিক বিশ্ববিদ্যালয়ৰে ভাৰত বিশ্বৰ ভিতৰতে আগৰণুৱাৰ শাৰীত পৰে। কিন্তু ভাৰতবৰ্ষই শিক্ষাৰ বাবে নিজৰ ঘৰুৱা উৎপাদনৰ ৪ শতাংশতকৈও কম খৰচ কৰে। এই শিক্ষানুষ্ঠানসমূহে ৩০০ নিযুতকৈও অধিক শিক্ষাৰ্থীক শিক্ষিত কৰে। এইসকলেই মানৱ পুঁজিৰ কঠিয়া চপোৱাৰ সাঁচাৎ কাঠি।

শিক্ষাৰ সংস্কাৰৰ বাবে আঁচনি যুগুত কৰি তাৰ প্ৰভাৱশালী ৰূপায়ণ কৰিবলৈ ৰাজ্যসমূহৰ প্ৰাধান্যক স্বীকৃতি দি কেন্দ্ৰীয় মানৱ সম্পদ দপ্তৰে 'কেন্দ্ৰীয় শিক্ষা উপদেষ্টা সমিতি'ৰ লগত নিয়মীয়াভাৱে বৈঠক অনুষ্ঠিত কৰে। (চী এ বী ই এটি হ'ল যৌগিক তথা শিক্ষাৰ বাবে সৰ্বোচ্চ উপদেষ্টা সমিতি)।

চী এ বী ই-ৰ জৰিয়তে কেন্দ্ৰ আৰু ৰাজ্যসমূহত সমূহীয়া মতৰ জৰিয়তে সকলো সংস্কাৰৰ পদক্ষেপ লোৱা হয়।

**প্ৰাথমিক আৰু মাধ্যমিক শিক্ষা**

শিক্ষাৰ বাবে বৰ্তমান বহুবিলাক আঁচনি লোৱা হৈছে যেনে— শিশুৰ বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ আইন ২০০৯, সৰ্বশিক্ষা অভিযান, ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযান। স্কুলসমূহত কম্পিউটাৰ প্ৰযুক্তিৰ প্ৰচলন, শিক্ষকৰ শিক্ষাৰ বাবে কেন্দ্ৰৰ দায়িত্বত প্ৰৱৰ্তন কৰা আঁচনি, চাল্লা সিদ্ধি, ৰাষ্ট্ৰীয় আবিষ্কাৰ অভিযান আদিৰ ৰূপায়ণৰ দ্বাৰা প্ৰাথমিক আৰু মাধ্যমিক শিক্ষাৰ সংস্কাৰ কৰাৰ দিহা কৰা হৈছে।

**উচ্চ শিক্ষা**

উচ্চ শিক্ষাৰ ক্ষেত্ৰতো ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযান (RUSA), শিক্ষক আৰু শিক্ষণৰ বাবে পণ্ডিত মদন মোহন মালব্য ৰাষ্ট্ৰীয় অভিযান, স্বয়ম (এছ ডব্লিউ এ ৱাই এ এম) ৰাষ্ট্ৰীয় ডিজিটেল পুথিভঁৰাল, কেম্পাছ কানেক্ট প্ৰ'গ্ৰেম, উচ্চস্তৰ আৱিষ্কাৰ অভিযান, উন্নত ভাৰত অভিযান আদি আঁচনি ৰূপায়ণৰদ্বাৰা দেশৰ উচ্চ শিক্ষাৰ মান উন্নত কৰাৰ প্ৰয়াস কৰা হৈছে। বিশ্ববিদ্যালয় অনুদান আয়োগ আৰু এ আই চী টী ই-য়েও উচ্চতৰ আৰু কাৰিকৰী শিক্ষাৰ বাবেও বহু কাৰ্যপন্থা হাতত লৈছে।

স্বয়ম (এছ ডব্লিউ এ ৱাই এ এম) হৈছে তথ্য প্ৰযুক্তিৰ এটা স্বদেশী মুক্ত অনলাইন পাঠ্যক্ৰম য'ত শিক্ষাৰ্থীয়ে অন্‌লাইন যোগে বিভিন্ন বিষয়ৰ ওপৰত উন্নত মানৰ শিক্ষা লাভ কৰিব পাৰে যিবিলাক পাঠ্যক্ৰম বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ত শিকোৱা হয়; দেশৰ আটাইতকৈ ভিতৰুৱা ঠাইত বসবাস কৰা শিক্ষাৰ্থীয়েও এই পাঠ্যক্ৰমৰ সুবিধা গ্ৰহণ কৰিব পাৰে। জী আই এ এন GIAN আঁচনিৰদ্বাৰা ভাৰত চৰকাৰে বিদেশৰ পৰা শিক্ষাবিদ আনি আমাৰ উচ্চ শিক্ষাৰ শিক্ষানুষ্ঠানসমূহত তেওঁলোকৰদ্বাৰা পাঠদান কৰোৱাৰ ব্যৱস্থা কৰিছে যাতে আমাৰ শিক্ষা ব্যৱস্থাৰ আন্তঃৰাষ্ট্ৰীয় মানৰ সমাৱেশ ঘটে। ৰাষ্ট্ৰীয় ডিজিটেল পুথিভঁৰাল (NDL) শেহতীয়াভাৱে হাতত লোৱা এটা প্ৰচেষ্টা য'ত দেশ আৰু বিদেশৰ সকলো ডিজিটেল পুথিভঁৰালৰ লগত উচ্চ শিক্ষাৰ অনুষ্ঠানবিলাক সংযোগ কৰা হ'ব যাতে শিক্ষাৰ্থীয়ে অনলাইন যোগে শিক্ষাৰ উৎস লাভ কৰিব পাৰে। সম্ভৱতঃ এই পুথিভঁৰাল দেশৰ সবাতোকৈ বৃহৎ পুথিভঁৰাল হৈ উঠিব। এই ডিজিটেল লাইব্ৰেৰীত ৭০টা ভাৰতীয় আৰু বিদেশী ভাষাৰ ৬৪.২৩ লাখ কিতাপ/বাতৰি কাকত/শ্ৰব্য পুথি আৰু ১৮,০০০ বৈদ্যুতিন বাতৰি কাকত (e-journal) আছে আৰু ৩৬১৭ খন শিক্ষানুষ্ঠান ইয়াৰ সৈতে সংযোজিত হৈছে আৰু ৫.৭৫ লাখ শিক্ষাৰ্থীয়ে ইয়াত নাম পঞ্জীয়ন কৰিছে। উন্নত মানৰ শিক্ষাৰ বাবে অপৰিহাৰ্য শিক্ষক আৰু পুথিভঁৰালৰ অভাৱ পূৰণ কৰিবৰ বাবেই এই উদ্যোগ গ্ৰহণ কৰা হৈছে।

উচ্চ শিক্ষাৰ শিক্ষানুষ্ঠানবিলাকৰ মাজত প্ৰতিযোগিতাৰ মনোভাব বৃদ্ধি কৰিবৰ বাবে নেশ্বনেল ইন্সটিটিউশ্বনেল ৰেংকিং ফ্ৰেইম্‌ৱৰ্ক (NIRF) আঁচনি প্ৰৱৰ্তন কৰা হৈছে। শেহতীয়া বাজেটত বিশ্ববিদ্যালয়ৰ অনুদান আয়োগ (UGC)ৰ সংস্কাৰৰ বিষয়ে ঘোষণা কৰা হৈছে যাতে বৃহত্তৰ প্ৰশাসনৰ উৎকৰ্ষ সাধন আৰু শিক্ষাদানে স্বায়ত্তৰ বাবে সংস্কাৰৰ বিষয়ে ঘোষণ আৰু ফলাফলৰ ওপৰত ভিত্তি কৰিহে স্বীকৃতি দিয়া হয় আৰু প্ৰশংসনীয় কৰ্মসূচীৰ বাবে নতুন কাৰ্যপন্থা হাতত ল'বলৈ সক্ষম হয়। ইয়াৰ বাবে তথ্য প্ৰযুক্তিক আগুৱাই নিয়া হৈছে। স্বয়মৰ জৰিয়তে ৩৫০ ৰকমৰ অনলাইন পাঠ্যক্ৰম আগবঢ়োৱা হৈছে আৰু সকলো ধৰণৰ প্ৰৱেশ পৰীক্ষা পৰিচালনা কৰিবলৈ ৰাষ্ট্ৰীয় পৰীক্ষণ সন্থা (National Testing Agency) স্থাপন কৰা হৈছে।

**শিক্ষাৰ নতুন নীতি**

বৰ্তমান এটা নতুন শিক্ষা নীতি প্ৰস্তুত কৰাৰ প্ৰক্ৰিয়া চলি আছে। এই নীতিত পৰীক্ষা, প্ৰশাসন, নীতি-নিয়ম, বিদ্যালয়ৰ মান, শিক্ষক আৰু অনুযদ (Faculty), সাক্ষৰতা আৰু জীৱনজোৰা শিক্ষণ, কৌশল আৰু সংস্থাপন, মানৱ নিশ্চয়তা, আন্তঃৰাষ্ট্ৰীয়কৰণ, গৱেষণা, পাঠ্যক্ৰম, আবিষ্কাৰিক আদৰ্শ আদি বহুতো সংস্কাৰৰ বিষয়ে সম্ভৱতঃ প্ৰস্তাৱ আগবঢ়োৱা হ'ব যাতে সমাজৰ সকলো শ্ৰেণীৰ লোক সমভাগী হ'ব পৰাকৈ মানবিশিষ্ট এটা নতুন শিক্ষা পদ্ধতিৰ প্ৰতিষ্ঠা হয়।

শিক্ষাই হ'ল অৰ্থনৈতিক বিকাশ আৰু সামাজিক পৰিৱৰ্তনৰ চাবিকাঠী। বিশ্বায়নৰ এই যুগত শিক্ষা কেৱল ক্ষমতা আৰু সামাজিক ন্যায়ৰ বাবে নিয়োজিত শক্তি নহয়, বৰঞ্চ প্ৰতিজন ব্যক্তি আৰু প্ৰতিখন দেশৰ জীয়াই থকাৰ ভেটি স্বৰূপ হৈ পৰিছে।

**স্বাস্থ্য**

স্বাস্থ্য খণ্ডত আমি মিশ্ৰিত ফলাফল লাভ কৰিছোঁ। জন্মৰ ক্ষেত্ৰত নিৰ্দ্ধাৰণ কৰা জীৱন কালৰ ক্ষেত্ৰত ভাৰতে বিশ্বৰ মাপকাঠীত তুলনামূলকভাৱে ভাল কাম কৰিছে কিন্তু আনহাতে উৰ্বৰতা হ্ৰাস পাইছে। কিন্তু শিশুৰ মৃত্যুৰ হাৰ আৰু মাতৃৰ মৃত্যুৰ হাৰৰ ফলাফল চাবলৈ গ'লে ক'ব পাৰি যে আমাৰ এতিয়াও বহুত কাম কৰিবলৈ বাকী আছে। শিক্ষাৰ অভাৱ, লিংগ বৈষম্য আৰু বৃহৎ জনসংখ্যাৰ বাবে ৰোগৰ বোজা বাঢ়ে।

পৰিৱেশ অনাময়তাৰ অভাৱ, অসুৰক্ষিত খোৱাপানী, পুষ্টিহীনতা, জীৱন ধাৰণৰ পুতৌজনক পৰিৱেশ আৰু প্ৰতিষেধক তথা আৰোগ্যৰ বাবে প্ৰয়োজনীয় স্বাস্থ্যসেৱাৰ প্ৰাপ্তিৰ সীমাৱদ্ধতাৰ বাবে ভাৰতত ৰোগৰ বোজা বাঢ়ে। স্বচ্ছ ভাৰত অভিযান, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, প্ৰতিষেধক টীকাকৰণৰ বাবে আৰম্ভ কৰা ইন্দ্ৰধনুষ অভিযান, মাহেকৰ কেইটামান নিৰ্দ্ধাৰিত দিনত আগবঢ়োৱা বিনামূলীয়া প্ৰাক-জন্মকালীন সেৱা, ধঁপাত নিষিদ্ধকৰণ, ডেংগু প্ৰতিৰোধ আদি কামৰদ্বাৰা ভাৰতৰ চিকিৎসা সেৱাৰ মান উন্নত কৰাৰ লক্ষ্য লোৱা হৈছে।

কলাজ্বৰ আৰু ফিলাৰিয়াছিছক ২০১৭ চনৰ ভিতৰত কুষ্ঠৰোগ ২০১৮ চনৰ ভিতৰত আৰু ২০২০ চনৰ ভিতৰত সৰু আই (বসন্ত) নিৰ্মূল কৰিবৰ বাবে ২০১৭ চনৰ বাজেটত কিছু কাৰ্যকৰী কাৰ্যপন্থাৰ বিষয়ে উল্লেখ কৰা হৈছে। আনকি ২০২৫ চনৰ ভিতৰত যক্ষ্মাৰোগ নিৰ্মূলকৰণৰ এটা অভিলাষী লক্ষ্য স্থিৰ কৰা হৈছে। দেশত থকা সোঁচৰা ৰোগৰ প্ৰত্যাহ্বান স্বৰূপে এই আঁচনিসমূহ সঁচাকৈয়ে অতি বাস্তৱমুখী। এই লক্ষ্যত উপনীত হ'বলৈ আৰু কাৰ্যপন্থাসমূহ কাৰ্যকৰী কৰিবলৈ পৰ্যাপ্ত ৰাজহুৱা পুঁজি পোৱা যাবনে? পুতৌজনক কাৰ্যপন্থাই হ'ল আমাৰ দেশৰ স্বাস্থ্যখণ্ডৰ অৱনতিৰ প্ৰধান কাৰণ। চৰকাৰৰ পৰা পোৱা বিত্ত সাহায্য অতি কম পৰিমাণ, ইয়ো এটা প্ৰধান অন্তৰায়। সমুদায় ঘৰুৱা উৎপাদনৰ মাত্ৰ ১.২ শতাংশ পুঁজিহে স্বাস্থ্য খণ্ডৰ বাবে আবণ্টন দিয়া হয়। সঁচা অৰ্থত, যোৱা ৫ বছৰে স্বাস্থ্য সেৱাৰ আঁচনিসমূহৰ বাবে কেন্দ্ৰ চৰকাৰে দিয়া পুঁজিৰ আবণ্টন কমি আহিছে।

প্ৰযুক্তিৰ সুবিধা উৎকৰ্ষ সাধনৰদ্বাৰা স্বাস্থ্যসেৱাৰ সুবিধাবিলাকৰ উন্নতি হ'লহেঁতেন, কিন্তু এই সুবিধা গ্ৰহণৰ সামৰ্থ সকলোৰে বাবে সহজসাধ্য নহয়। ১৫ বছৰৰ আগতেই স্বাস্থ্যসেৱাৰ এখন আঁচনিত সন্মতি প্ৰদান কৰা হৈছে। চৰকাৰে শেহতীয়াকৈ ৰাষ্ট্ৰীয় স্বাস্থ্য আঁচনি ২০১৭ দ্বাৰা সকলো শ্ৰেণীৰ লোকৰ বাবে স্বাস্থ্যসেৱা সহজলভ্য কৰাৰ লক্ষ্য লৈছে। এই নতুন স্বাস্থ্য আঁচনিয়ে স্বাস্থ্য খণ্ডত বিনিয়োগ আৰু অনুদানৰ ওপৰত প্ৰাধান্য দিছে। সামাজিক, অৰ্থনৈতিক আৰু প্ৰযুক্তিক পৰিৱৰ্তনৰ প্ৰেক্ষাপটত এই আঁচনিয়ে ৰাজহুৱা স্বাস্থ্যসেৱা ব্যৱস্থাৰ পুনৰুত্থান আৰু সবলীকৰণৰদ্বাৰা দেশৰ স্বাস্থ্যসেৱাৰ পদ্ধতি শক্তিশালী কৰাৰ লক্ষ্য ৰাখিছে। ব্যক্তিগত খণ্ডৰ লগত অংশীদাৰিত্ব কৰাৰ লক্ষ্যও এই আঁচনিত ৰখা হৈছে।

স্বাস্থ্য ব্যৱস্থাক সকলো দিশৰ পৰা আকাৰ দিয়াত চৰকাৰৰ ভূমিকাৰ বিষয়ে জ্ঞাত কৰা, সন্দেহ দূৰীভূত কৰা আৰু সবলীকৰণৰ ওপৰত প্ৰাধান্য দিয়াই হৈছে এই আঁচনিৰ প্ৰধান লক্ষ্য। ৰাষ্ট্ৰীয় স্বাস্থ্য আঁচনিৰ লক্ষ্যৰ প্ৰধান দিশবিলাক হ'ল স্বাস্থ্য খণ্ডত বিনিয়োগ, স্বাস্থ্যসেৱাক সংগঠিত কৰা আৰু বিভিন্ন সাহায্য প্ৰদান কৰা, ৰোগ প্ৰতিৰোধ কৰা আৰু সকলো শ্ৰেণীৰ মানুহক সুস্বাস্থ্যৰ উপকাৰিতাৰ বিষয়ে জ্ঞাত কৰা, প্ৰযুক্তিক ব্যৱহাৰ কৰা, মানৱ সম্পদ বিকাশ কৰা, বহুত্ববাদক উদগনি দিয়া আৰু সুস্বাস্থ্যৰ বাবে যাৱতীয় জ্ঞানৰ ভেটি গঢ়া, স্বাস্থ্যৰ বাবে বিত্তীয় সুৰক্ষাৰ উপায়, নিয়ম-নীতি আৰু আস্থা বঢ়োৱা। এই আঁচনিয়ে ৰাজহুৱা স্বাস্থ্য কেন্দ্ৰবিলাক পুনৰ সংগঠিত আৰু সবলীকৰণ কৰাত জোৰ দিছে যাতে ঔষধ, চিকিৎসা সম্বন্ধীয় পৰীক্ষা আৰু অন্যান্য অত্যাৱশ্যকীয় সেৱা বিনামূলীয়াকৈ উপলব্ধ হয়।

এই নীতিৰ ব্যাপক সূত্ৰসমূহ—পেছাদাৰিত্ব, সততা আৰু নীতিগত, স্বাভাৱিক ন্যায়তন্ত্ৰ, সামৰ্থ্য,

সাৰ্বজনীনতা, ৰোগীকেন্দ্ৰিক তথা উন্নত সেৱা, ব্যাখ্যা সাধ্যতা আৰু বহুত্ববাদৰ স'তে কেন্দ্ৰীভূত। মানবিশিষ্ট মাধ্যমিক আৰু ক্ৰমানুসাৰে তৃতীয় ভাগৰ স্বাস্থ্যসেৱা সামৰ্থ্যৰ ভিতৰত পাবৰ বাবে ৰাজহুৱা চিকিৎসালয় আৰু স্বাস্থ্যসেৱা আগবঢ়োৱা স্বীকৃতিপ্ৰাপ্ত বেচৰকাৰী স্বাস্থ্যসেৱা কেন্দ্ৰৰ পৰা চিকিৎসা উপলব্ধ কৰোৱা, ৰোগৰ চিকিৎসাৰ বাবে খৰচ হোৱা ৰোগীৰ নিজৰ ধনৰ ওপৰত উল্লেখনীয় হ্ৰাসকৰণ, ৰাজহুৱা স্বাস্থ্যসেৱাৰ ওপৰত পুনৰ বিশ্বাস অনা আৰু ৰাজহুৱা স্বাস্থ্যসেৱা খণ্ডৰ কৰ্ম ক্ষমতা বৃদ্ধি তথা বিকাশ আৰু সমান্তৰালভাৱে প্ৰযুক্তিগত চিকিৎসা উপলব্ধ কৰাবলৈ এই আঁচনিয়ে চেষ্টা কৰিছে। শিশু আৰু যুৱকৰ মাজত সুস্বাস্থ্যৰ বাবে সজাগতা অনাত এই আঁচনি বদ্ধ পৰিকৰ। এই আঁচনিয়ে বিদ্যালয়ত স্বাস্থ্যৰ কাৰ্যপন্থা লোৱাত চকু দিছে আৰু বিদ্যালয়ৰ পাঠ্যক্ৰমত সুস্বাস্থ্য, স্বাস্থ্যবিধি আদি অন্তৰ্ভুক্ত কৰাৰ বিষয়ে চিন্তা কৰিছে।

স্বাস্থ্যসেৱাৰ বহুত্ববাদক আগবঢ়াই নিবৰ বাবে এই আঁচনিয়ে বেলেগ বেলেগ স্বাস্থ্যসেৱাবিলাকক মূলসুঁতিলৈ আনিবলৈ চেষ্টা কৰিছে। তাৰ বাবে 'আয়ুস্'ৰ সম্ভাৱনীয়তাক প্ৰধান সোঁতলৈ আনি আৰু ৰোগ নিৰাময়ত ইয়াৰ উপকাৰিতাৰ বিষয়ে জনাজাত কৰিবলৈ ৰাজহুৱা সেৱাৰ সৈতে 'আয়ুস্'ক একেলগ কৰাৰ সিদ্ধান্ত লোৱা হৈছে। বিদ্যালয় আৰু কৰ্মস্থানসমূহত যোগ অভ্যাস অতি বহুলভাৱে পৰিচিত কৰোৱা হ'ব যাতে সু-স্বাস্থ্যই এটা গতি লাভ কৰে।

'সমাজক ঘূৰাই দিয়া' এই সম্ভাৱনীয়তাৰে পেছাদাৰী স্বাস্থ্যকৰ্মীৰ-দ্বাৰা গ্ৰামীণ তথা পিছপৰা অঞ্চলত স্বেচ্ছামূলক আৰু বিনামূলীয়া সেৱা আগবঢ়োৱাৰ ক্ষেত্ৰত এই আঁচনিয়ে সমৰ্থন আগবঢ়াইছে। স্বাস্থ্যসেৱাৰ কাৰ্যকাৰিতা তথা ভাল ফলাফলৰ বাবে ডিজিটেল যন্ত্ৰপাতি ব্যৱহাৰ কৰাৰ ওপৰত জোৰ দিয়া হৈছে, আৰু পৰস্পৰৰ লগত সম্বন্ধ থকা স্বাস্থ্যসেৱাক ডিজিটেল কৰা, নিয়মীয়া কৰা আৰু উন্নীতকৰণৰ বাবে 'ৰাষ্ট্ৰীয় ডিজিটেল স্বাস্থ্য প্ৰাধিকৰণ' গঠন কৰাৰ প্ৰস্তাৱ আগবঢ়োৱা হৈছে। এই আঁচনিয়ে খুব লাহে লাহে এটা প্ৰগতিশীল গতি লাভ কৰিব খোজে আৰু ৰাষ্ট্ৰীয় স্বাস্থ্যসেৱা মানক সংস্থা স্থাপন কৰাৰ ওপৰত জোৰ দিছে, যাৰদ্বাৰা দেশৰ স্বাস্থ্যসেৱা কেন্দ্ৰসমূহৰ মান নিৰ্দ্ধাৰণ কৰিব পৰা যাব। কিন্তু স্বাস্থ্যসেৱা হৈছে এটা ৰাজ্যিক বিষয় আৰু সেয়ে এই সংস্থাই আগবঢ়োৱা কামৰ প্ৰভাৱশালিতাৰ ওপৰত সন্দেহৰ অৱকাশ আছে।

খহি আহিব ধৰা স্বাস্থ্যখণ্ডৰ আন্তঃগাঁথনি, বিশেষকৈ দুখীয়া ৰাজ্যৰ আন্তঃগাঁথনিৰ অভাৱৰ বাবে স্বাস্থ্যসেৱাৰ এই নতুন আঁচনি ৰূপায়ণত প্ৰত্যাহ্বান আছে আৰু প্ৰচলিত এই ব্যৱস্থাক এটা ৰাষ্ট্ৰীয় কৰ্মসূচীৰ লগত সাঙুৰি লোৱা অতীব প্ৰয়োজন। ৰাষ্ট্ৰীয় স্বাস্থ্য আঁচনি ২০১৭এ এনেদৰে সামৰণি মাৰিছে— "এখন আঁচনিৰ ৰূপায়ণেহে আঁচনিখনৰ সাফল্য বুজায়" এই নতুন ধাৰণা আৰু প্ৰাধান্যক কাৰ্যকৰী তথা সফল ৰূপায়ণ কৰিবলৈ 'বহু দাবীদাৰ ৰূপায়ণ গোট' বা 'কৰ্মীগোট' গঠন কৰা ভাল হ'ব।

প্ৰাইচৱাটাৰ হাউছ কুপাৰৰ প্ৰতিবেদন অনুসৰি ভাৰতত অহা ২০ বছৰৰ ভিতৰত ৩.৫ নিযুত বিছনা, ৬ নিযুত পৰিচাৰিকা আৰু ৩ নিযুত চিকিৎসকৰ প্ৰয়োজন হ'ব। কিন্তু বৰ্তমান ভাৰতত ১০০০ ৰোগীৰ মাজত মাত্ৰ ১.৩ খন বিছনাহে উপলব্ধ হয়। বিশ্ব স্বাস্থ্য সংস্থাৰ নিৰ্দেশাৱলীত থকা ৩.৫ খন বিছনাৰ তুলনাত এই সংখ্যা অতি কম।

**ইয়াৰ পৰা আমি ক'লৈ যাম?**

ভাৰতৰ জনসংখ্যাৰ লাভালাভ পাবৰ বাবে— মানুহ, তেওঁলোকৰ স্বাস্থ্য আৰু শিক্ষাত অধিক বিনিয়োগ কৰিব লাগিব। আজিৰ শিশুৱেই হ'ল কাইলৈৰ কৰ্মী। শিক্ষাখণ্ডত চৰকাৰে তলত দিয়া বিষয়বিলাকত মনোনিৱেশ কৰা উচিত।

**শিক্ষা খণ্ডৰ বিত্তীয় অৱস্থা ঃ** চৰকাৰী আৰু ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহৰ মাজত থকা ব্যৱধান।

**সমাধান ঃ** কেন্দ্ৰ আৰু ৰাজ্য উভয়েই শিক্ষাত প্ৰাধান্য দিব লাগে আৰু বিভিন্ন পৰিকল্পনা ৰূপায়িত কৰিবলৈ প্ৰভাৱশালী প্ৰণালী ব্যৱস্থা কৰিব লাগে। যোৱা ৪০ বছৰৰ পৰা শিক্ষাৰ বাবে হোৱা ৰাজহুৱা ব্যয়ৰ পৰিমাণ সমুদায় ঘৰুৱা উৎপাদনৰ ৬% শতাংশ হৈয়েই আছে।

**শিক্ষাৰ বৈশিষ্ট্য, সমমানতা আৰু প্ৰসাৰ ঃ** প্ৰয়োগশালাৰ দৰে কিছু আন্তঃগাঁথনিৰ অভাৱৰ বাবে শিক্ষকৰ চাকৰি খালি থাকে আৰু বিশিষ্ট গুণসম্পন্ন শিক্ষক পোৱা নাযায়।

**সমাধান ঃ** বিশিষ্ট গুণসম্পন্ন শিক্ষকৰ হাৰ বৃদ্ধি কৰিব লাগে আৰু গুণবিশিষ্ট শিক্ষক বা বিশিষ্ট গুণ নথকা শিক্ষক সকলোকে প্ৰশিক্ষণ দিব লাগে। বিদ্যালয় তথা উচ্চশিক্ষাৰ অনুষ্ঠান-সমূহত ১৫ৰ পৰা ৪০ শতাংশ পৰ্যন্ত শিক্ষকৰ অভাৱ থাকে। সেয়ে শিক্ষকৰ প্ৰশিক্ষণৰ লগতে শিক্ষাৰ মান, ঐক্যবদ্ধ পাঠ্যক্ৰম আৰু সন্মানীয় বদলিৰ মান নিৰ্দ্ধাৰণ কৰিবলৈ ৰাষ্ট্ৰীয়ভাৱে মান নিৰ্দ্ধাৰক এটা অনুষ্ঠান গঠন কৰিব লাগে।

**শিক্ষকৰ অনুপস্থিতি ঃ** দৃষ্টিকটুভাৱে শিক্ষাৰ পৰিৱৰ্তনৰ অভাৱ।

**সমাধান ঃ** শিক্ষকৰ কৰ্মৰ প্ৰশস্তি আৰু মধ্যকালীনভাৱে পুনৰ নিৰীক্ষণৰ ব্যৱস্থা কৰিব পাৰি। (শিক্ষাৰ মান, শিক্ষকৰ উপস্থিতি, পাঠ্যক্ৰমৰ লগতে অন্যান্য শিক্ষা, মান নিৰ্দ্ধাৰণ সমন্ধীয় কাৰ্য, পৰীক্ষাৰ ফলাফল আৰু ছাত্ৰৰ কৃতিত্বৰ ওপৰত ভিত্তি কৰি মান্যাংক দিব পৰা যায়)। দৃশ্য শিক্ষাৰ ধাৰণাক অগ্ৰসৰ কৰিব লাগে। ছাত্ৰক পথ প্ৰদৰ্শন আৰু অনুপ্ৰাণিত কৰিবলৈ আৰু উদগনি দিবলৈ অতি উত্তম শিক্ষক আৰু বিষয় বিশেষজ্ঞৰদ্বাৰা এটা ঐক্যবদ্ধ প্ৰণালী গঢ়ি তুলিব লাগে। ভাৰতীয় প্ৰশাসনিক সেৱাৰ দৰে সদৌ ভাৰত শিক্ষক সেৱাৰ প্ৰৱৰ্তন কৰিব পৰা যায়।

**উপলব্ধতা ঃ** বাঢ়ি অহা যুৱ জনসংখ্যাক পৰ্যাপ্ত পৰিমাণৰ উচ্চশিক্ষাৰ অনুষ্ঠানেৰে পৰিপুষ্ট কৰিবলৈ আমি অপাৰগ। ৰাষ্ট্ৰীয় জ্ঞান আয়োগৰদ্বাৰা প্ৰস্তাৱিত ১৫০০ খন শিক্ষানুষ্ঠানৰ বিপৰীতে আমাৰ দেশত মাত্ৰ ৭৫০ খন শিক্ষানুষ্ঠানহে আছে।

**সমাধান ঃ** প্ৰক্ষেপণৰ ব্যৱস্থাৰ অভাৱেই হৈছে ইয়াৰ মূল কাৰণ। ভৱিষ্যতৰ চাহিদাৰ বিষয়ে বুজি উঠাৰ ব্যৱস্থা হাতত ল'ব লাগে আৰু লক্ষ্যপ্ৰাপ্তিৰ হাৰ ৰাজহুৱা তথা ব্যক্তিগত খণ্ডত ভাগ কৰি দিব লাগে আৰু সমান্তৰালভাৱে শিক্ষাৰ বাজেট বৃদ্ধি কৰিব লাগে। মানৱ সম্পদ বিকাশ মন্ত্ৰণালয়ৰদ্বাৰা অলপতে ঘোষণা কৰা এন আই আৰ এফৰ স্থানাংকত স্থান লাভ কৰা ১০ খন আগশাৰীৰ মহাবিদ্যালয়ৰ ভিতৰত ৬ খন দিল্লীত অৱস্থিত। বাকী চাৰিখনৰ এখন কলকাতাত, দুখন চেন্নাইত আৰু এখন তিৰুচিৰাপল্লীত অৱস্থিত। মানবিশিষ্ট উচ্চশিক্ষাৰ এই একে দিশৰ গতি দেশৰ বাবে এটা অশনি সংকেত।

**সামৰ্থ্য ঃ** ৰাজহুৱা বিত্ত সাহায্যৰদ্বাৰা চলিত শিক্ষানুষ্ঠানৰ অভাৱ আৰু ব্যক্তিগত শিক্ষানুষ্ঠানৰ মাত্ৰাধিক মাচুলৰ বাবে এটা বৃহৎ সংখ্যক লোক শিক্ষা সামৰ্থ্যৰ বাহিৰলৈ ওলাই গৈছে।

**সমাধান ঃ** বিভিন্ন স্তৰত জলপানি, শিক্ষাৰ ঋণ, উদ্যোগৰদ্বাৰা ব্যয় বহন কৰা শিক্ষা আদিৰ দৰে বিভিন্ন নমুনা উদ্ভাৱন কৰিব লাগে। ইউনিচেফৰদ্বাৰা বিকশিত আৰু মানৱ সম্পদ মন্ত্ৰণালয়ৰদ্বাৰা প্ৰৱৰ্তিত কৰা "এ ডিজিটেল জেণ্ডাৰ আটলাছ্ ফৰ্ গাৰ্লছ এডুকেশ্বন ইন ইণ্ডিয়া"ৰদ্বাৰা নিম্ন কৃতিত্বৰ ছোৱালী থকা ভৌগোলিক ব্যতিক্ৰমী স্থানসমূহ বিচাৰি উলিয়াব পৰা যাব। সকলো ধৰণৰ বৃত্তি/ জলপানিৰ বাবে এক খিৰিকিৰ ব্যৱস্থা কৰিলে এখন সামগ্ৰিক সমাজ গঢ়ি তুলিব খোজা চৰকাৰৰ প্ৰচেষ্টাত সহায়ক হ'ব।

**স্বায়ত্ততা ঃ** ৰাজনৈতিকভাৱে দিয়া নিয়োজন আৰু সঘনাই হৈ থকা হেতা-ওপৰাৰ বাবে বিশ্ববিদ্যালয়সমূহৰ উদ্ভাৱনী শক্তি পঙ্গু হৈ পৰে।

**সমাধান ঃ** এখন ৰাষ্ট্ৰীয় নিয়োজন আয়োগ আৰু আভ্যন্তৰীণ আৰ্হি তৈয়াৰ কৰাৰ স্বায়ত্ততা তাৎক্ষণিকভাৱে প্ৰয়োজন।

**নিয়োজনৰ সুবিধা ঃ** গৱেষণাৰ সুবিধাবিলাক বিশ্ববিদ্যালয়ৰ পৰা পৃথক কৰাৰ বাবে আৰু প্ৰাসংগিক শিক্ষাৰ অভাৱৰ বাবে দেশত উচ্চশিক্ষা লাভ কৰাৰ প্ৰয়াসক বিপদসংকুল কৰি তুলিছে।

**সমাধান ঃ** উস্মায়ক কেন্দ্ৰ, বৈজ্ঞানিকৰ বিস্তৃত কাৰ্যক্ৰম আৰু শিক্ষানুষ্ঠানৰ মাজত পাৰস্পৰিকভাৱে হ'ব পৰা কিছু কাৰ্যক্ৰমক উদগনি দিব লাগে।

**ভাষাৰ বাধা ঃ** ইংৰাজী মাধ্যমৰ শিক্ষা আৰু ভাৰতীয় ভাষালৈ অনুদিত কিতাপৰ অত্যধিক অভাৱৰ বাবে শিক্ষাগ্ৰহণ প্ৰক্ৰিয়া চলাই নিয়াত শিক্ষাৰ্থীৰ উৎসাহ কমি আহে।

**সমাধান ঃ** শিক্ষাৰ বাবে প্ৰয়োজনীয় সকলো বিষয় তথা পাঠ্যক্ৰম বিভিন্ন ভাৰতীয় ভাষালৈ অনুবাদ কৰা এটা অভিযান স্বৰূপ হৈ উঠিব লাগে।

পৃথিৱীৰ ৰোগৰ ২১% বোজা ল'ব লগা ভাৰতত চিকিৎসক আৰু ৰোগীৰ অনুপাত এতিয়াও ১ঃ১৭০০ হৈ আছে আৰু স্বাস্থ্যসেৱা/চিকিৎসাৰ বাবে হোৱা সম্পূৰ্ণ ব্যয়ৰ ৬২% ৰোগীয়ে নিজৰ জেপৰ ধনৰ পৰা খৰছ কৰিব লগা হয়। স্বাস্থ্য খণ্ডৰ গাঁথনিগত আৰু মৌলিক প্ৰত্যাহ্বানৰ মুখামুখি হ'বলৈ ভাৰতক কাঢ়া ঔষধৰ প্ৰয়োজন।

**প্ৰাপ্তি ঃ** ৰাজহুৱা স্বাস্থ্য খণ্ডৰ সেৱাৰ অধোগতি আৰু সু-কৌশলী লোকৰ অভাৱ।

**সমাধান ঃ** ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডত সেৱাৰ মান আৰু প্ৰদান উন্নতিকৰণৰ বাবে এটা নিয়মীয়া ব্যৱস্থা গ্ৰহণ কৰিব লাগে। তদুপৰি অনাময় কাৰ্যপন্থা, প্ৰতিষেধক স্বাস্থ্যসেৱা আঁচনি আৰু কেন্দ্ৰীয় তথা ৰাজ্যিক অন্যান্য বিভিন্ন আঁচনিৰ ৰূপায়ণৰদ্বাৰা স্বাস্থ্য-সেৱাৰ আন্তঃগাঁথনি উন্নত মানবিশিষ্ট কৰাৰ উপৰিও প্ৰশাসন আৰু সামগ্ৰিক শাসন তথা পৰিচালনা উন্নত কৰিব লাগে।

**স্বাস্থ্যসেৱা প্ৰদানৰ আন্তঃগাঁথনি ঃ** কে পি এম এছ-ৰ প্ৰতিবেদনত কোৱা হৈছে যে ৬০ শতাংশ চিকিৎসালয়, ৭৫ শতাংশ ঔষধালয় আৰু ৮০ শতাংশ চিকিৎসক চহৰীয়া অঞ্চলতে আছে আৰু দেশৰ জনসংখ্যাৰ মাত্ৰ ২৮ শতাংশৰ প্ৰতিহে সেৱা আগবঢ়াইছে।

**(৩৫ পৃষ্ঠাত চাওক)**

# সবল ৰাজহ ব্যৱস্থাপনাৰ বাবে ৭টা পদক্ষেপ

**শিশিৰ সিন্‌হা***

এখন নিৰ্বাচিত চৰকাৰে বহুকেইটা গোটক সন্তুষ্ট কৰিবলগীয়া হয়। এটা গোট হ'ব পাৰে ভোটদাতাসকল; ইয়াৰ ভিতৰত আছে শাসনাধিষ্ঠিত দল বা মৰ্চাৰ সপক্ষে ভোট দিয়া আৰু ভোট নিদিয়া ভোটদাতাসকল। অন্য এটা গোট হ'ব পাৰে অৰ্থনীতিবিদ, ৰেটিং এজেন্সী, বিশ্লেষকসকল আদি। প্ৰথমটো গোটে অধিক জলকল্যাণমূলক আঁচনি ৰূপায়ণৰ পোষকতা কৰে, কিন্তু পাছৰটো গোটে চৰকাৰে মূলধনী ব্যয়ৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰাটো বিচাৰে। তৃতীয় গোট এটাও থাকে— সেয়া হ'ল কৰ্প'ৰেট গোষ্ঠীসমূহ। এই গোটৰ বাবে অধিক হাৰত কৰ ৰেহাই আৰু লাভ গুৰুত্বপূৰ্ণ বিষয়। এই গোটটোৰ মতে জনসাধাৰণৰ কল্যাণৰ বাবে গ্ৰহণ কৰা আঁচনিসমূহ অন্য একো নহয় জনতোষণহে।

কোনো বিত্ত মন্ত্ৰীয়ে তিনিওটা গোটক সমানে সন্তুষ্ট কৰি ৰাখিব পৰাটো সহজ নহয়। তেওঁ জনসাধাৰণক সন্তুষ্ট কৰি ৰাখিবলগীয়া হয়, যিহেতু তেওঁৰ দলে শাসনৰ নিৰ্দ্ধাৰিত ম্যাদ উকলি যোৱাৰ পাছত বাৰম্বাৰ তেওঁলোকৰ ওচৰলৈ ভোট বিচাৰি যাবলগীয়া হয়। তেওঁ বিশ্লেষক আৰু ৰেটিং এজেঞ্চীসমূহকো সন্তুষ্ট কৰিবলগীয়া হয় কাৰণ তেওঁলোকে ৰাইজৰ মাজত ধাৰণাৰ সৃষ্টি কৰে আৰু এই ৰেটিংসমূহে বিনিয়োগকাৰীক আকৰ্ষণ কৰে। মনত ৰখাটো প্ৰয়োজনীয় যে বৈদেশিক বিনিয়োগ কৰাটো সঠিক কাম; কিন্তু দেশীয় উদ্যোগী বা উদ্যোগপতিয়ে ধন বিনিয়োগ কৰি উদ্যোগ গঢ়াটোও সমানেই গুৰুত্বপূৰ্ণ। বিত্ত মন্ত্ৰীয়ে এই পক্ষত থকা তৃতীয়টো গোটকো সুখী কৰি ৰাখিবলগীয়া হয়। গতিকে তিনিওটা গোটৰ বাবে উমৈহতীয়া ব্যৱস্থা কি হ'ব পাৰে। ইয়াকে সবল ৰাজহ ব্যৱস্থাপনা বুলি কোৱা হয় আৰু এই ব্যৱস্থাই ৰাজহ সুদৃঢ়কৰণত সহায় কৰে।

সবল ৰাজহ ব্যৱস্থাপনা নীতিৰ বাবে কেৱল গাণিতিক আৰু কঠোৰ পদক্ষেপ গ্ৰহণ কৰাটোৱেই প্ৰয়োজনীয় নহয়, ইয়াৰ বাবে লাগে ব্যৱহাৰিক পদক্ষেপ, মানৱীয় দৃষ্টিকোণ আৰু ফলপ্ৰসূ পদ্ধতি। এই সকলোবোৰ সামৰি চৰকাৰৰ শক্তিশালী ৰাজহ ব্যৱস্থাপনা নীতি সন্দৰ্ভত সাতটা গুৰুত্বপূৰ্ণ পদক্ষেপ হ'ল—

**(১) কয়লা-বিভিন্ন মণিক বা খনিজ দ্ৰব্য আৰু স্পেকট্ৰাম নিলাম**

'প্ৰথমে আহিলে প্ৰথম অগ্ৰাধিকাৰ লাভ কৰা' নীতি প্ৰাকৃতিক সম্পদ বণ্টনৰ ক্ষেত্ৰত পূৰ্বতে প্ৰযোজ্য আছিল যদিও দুৰ্নীতিৰ জালত পৰা বাবে উচ্চতম ন্যায়ালয়ে ২০১৪ চনৰ ২৫ আগষ্টত প্ৰদান কৰা ৰায়যোগে ২০৪টা কয়লা খণ্ডৰ আবণ্টন বাতিল কৰে। ইয়াৰ পাছত সিদ্ধান্ত গ্ৰহণ কৰা হ'ল যে এই কয়লা খনিসমূহ নতুনকৈ চৰকাৰী কোম্পানীক নিলাম অথবা আবণ্টন কৰা হ'ব। গতিকে ইয়াৰ বাবে এখন অধ্যাদেশ জাৰি কৰা হ'ল আৰু চৰকাৰী কোম্পানীসমূহক নিলাম আৰু আবণ্টন কৰাৰ প্ৰক্ৰিয়াটো মসৃণ কৰিবলৈ পাছলৈ এই অধ্যাদেশ আইনত পৰিণত কৰা হ'ল। বৰ্তমানলৈ ৮২টা কয়লাখনি নিলাম বা আবণ্টন কৰা হৈছে। (ইয়াৰ ভিতৰত ৰাজ্য চৰকাৰৰ অধীনস্থ সংস্থাক কয়লা বিক্ৰীৰ বাবে ছটা কয়লাখনি আবণ্টন দিয়া হৈছে)। এই ৮২টা কয়লা খনিৰ ভিতৰত ৩১টাৰ ই-নিলাম আৰু আন ৫১টাৰ আবণ্টন কৰা হৈছে।

এই নতুন প্ৰক্ৰিয়াই ৰাজকোষলৈ কেনেকৈ অৰিহণা যোগাব পাৰে? ২০০৪-২০১৪ চনত কয়লা খণ্ডসমূহৰ আবণ্টনৰ ফলত চৰকাৰে কিমান পৰিমাণৰ ৰাজহ হেৰুৱাবলগীয়া হ'ল সেই হিচাপ দাঙি ধৰা নাই যদিও ভাৰত মহালেখা আৰু হিচাপ পৰীক্ষকে (কেগ-CAG) প্ৰকাশ কৰা 'কয়লা খণ্ডৰ আবণ্টন আৰু কয়লা উৎপাদন প্ৰসাৰণ' শীৰ্ষক প্ৰতিবেদনত উল্লেখ কৰে যে কয়লা খণ্ড ন্যায্যভাৱে ব্যক্তিগত সংস্থাক আবণ্টন দিয়াৰ ফলত হিচাপ অনুসৰি ১.৮৬ লাখ কোটি টকা বিত্তীয় লাভ পৰিলক্ষিত হৈছে (উৎপাদনত গড় ব্যয় আৰু ক'ল ইণ্ডিয়া লিমিটেডৰ কয়লা খনিৰ মুক্ত খননৰ গড় বিক্ৰী মূল্যৰ ওপৰত ভিত্তি কৰি ২০১০-১১ চনৰ হিচাপ)। এতিয়াৰ প্ৰাক্কলন অনুসৰি

*লেখক শিশিৰ সিন্‌হাই বিগত ২১ বছৰ ধৰি অৰ্থনীতি আৰু ব্যৱসায় সাংবাদিক হিচাপে কাম কৰি আছে। বৰ্তমান তেওঁ এ বি পি নিউজৰ বিয়নিছ এ'ডিটৰ হিচাপে কৰ্মৰত।

এই নিলাম/আবণ্টনে ৪ লাখ কোটি লাভ কঢ়িয়াই আনিব আৰু লাভৰ পৰিমাণ যাব পশ্চিমবংগ, বিহাৰ, মধ্য প্ৰদেশ আৰু ছত্তিশগড়ৰ দৰে কয়লাত চহকী ৰাজ্যকেইখনলৈ।

অন্যান্য মণিক বা খনিজ দ্ৰব্যৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰসমূহক 'খনি আৰু খনিজ পদাৰ্থ (উন্নয়ন আৰু নিয়ন্ত্ৰণ) সংশোধনী আইন, ২০১৫ অনুসৰি কয়লা খণ্ড বা খনিজ পদাৰ্থ নিলাম কৰিবলৈ ক্ষমতা প্ৰদান কৰা হৈছে। এতিয়ালৈ অন্ধ্ৰপ্ৰদেশ, ছত্তিশগড়, কৰ্ণাটক, ওড়িশা, ৰাজস্থান, ঝাৰখণ্ড আৰু মধ্য প্ৰদেশত ২১টা খনিজ পদাৰ্থৰ খনি সফলতাৰে নিলাম কৰা হৈছে। প্ৰাক্কলন অনুসৰি ৰাজ্যসমূহে এই নিলামৰ জৰিয়তে ৫০ হাজাৰ কোটি টকা উপাৰ্জন কৰিব। ১০খন ৰাজ্যত আৰু ৭১টা কয়লাখনি/খনিজ পদাৰ্থ খণ্ড নিলাম কৰা হ'ব।

নিলামৰ জৰিয়তে ভাল ফল লাভ কৰা আন এটা উদাহৰণ হ'ল স্পেকট্ৰাম। ২০১২ চনত এই নিলাম প্ৰক্ৰিয়াৰ আৰম্ভ হৈছিল যদিও বৰ্তমানৰ চৰকাৰখনে শাসনভাৰ গ্ৰহণ কৰাৰ পাছৰে পৰা ই গতি লাভ কৰে। চৰকাৰে দাবী কৰা মতে ইয়াৰ ৩ বছৰীয়া শাসনকালত কোনো ধৰণৰ দুৰ্বলতা বা অভাৱ প্ৰদৰ্শন কৰা নাই। চৰকাৰে ২০১৪-১৫ চনত কোনো লক্ষ্য নথকাৰ বিপৰীতে ১০,৭৯১.০৮ কোটি টকা, ২০১৫-১৬ চনত ২১,৫৮৭ কোটি টকা, লক্ষ্যৰ বিপৰীতে ২১,৫৮৭ কোটি টকা আৰু ২০১৬-১৭ চনৰ ৩৩,১৯৪ কোটি টকাৰ লক্ষ্যৰ বিপৰীতে ৩৩,১৯৬.৮৭ কোটি টকা আহৰণ কৰিবলৈ সক্ষম হৈছে।

প্ৰাকৃতিক সম্পদ বিতৰণৰ প্ৰথাগত প্ৰক্ৰিয়াৰ বিপৰীতে নিলাম প্ৰক্ৰিয়াই যে বহু বেছি লাভ প্ৰদান কৰিছে সেই কথা স্পষ্ট। আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয়টো হ'ল ই-নিলাম প্ৰৱৰ্তনৰ লগে লগে প্ৰক্ৰিয়াটো আগতকৈ ক্ৰমাৎ বেছি স্বচ্ছ হ'বলৈ ধৰিছে। 'ফৰ্বছ' আলোচনীয়ে নিলাম প্ৰক্ৰিয়াক প্ৰশংসা কৰি কৈছে, প্ৰাকৃতিক সম্পদসমূহৰ উদ্‌ঘাটন আৰু অধিকাৰ আবণ্টন দিয়াৰ বাবে এইটোৱেই একেবাৰে সঠিক পথ। চহকী ৰাষ্ট্ৰ হোৱাৰ দিশত আগবঢ়োৱা ব্যৱস্থাসমূহৰ এয়া অন্যতম। এই বিষয়টো এনেধৰণেই সমাধান কৰা উচিত।'

### (২) জে এ এম ত্ৰয়

সবল ৰাজহ ব্যৱস্থাপনাৰ দিশে যদি নিলাম ব্যৱহাৰিক পদক্ষেপ, তেন্তে জে এ এম হ'ল ইয়াৰ মানৱীয় দৃষ্টিকোণ। জে এ এমৰ অৰ্থ হ'ল জন ধন, আধাৰ আৰু ম'বাইল।

জে এ এমৰ গভীৰতালৈ যোৱাৰ পূৰ্বে আমাক ইয়াৰ আৱশ্যকতা কিয়, সেই কথা জনা দৰকাৰ। জনসাধাৰণৰ জীৱন ধাৰণৰ মান উন্নত কৰিবলৈ চৰকাৰে প্ৰত্যেক বছৰে বিভিন্ন জনকল্যাণমূলক আঁচনিত লাখ লাখ কোটি টকা খৰচ কৰি আহিছে। এই ব্যয়ৰ ভিতৰত অন্যতম আহিলা হ'ল ৰাজসাহায্য। ২০১৫-১৬ চনৰ অৰ্থনৈতিক জৰীপত উল্লেখ কৰা হৈছে যে দেশত দাৰিদ্ৰ্য দূৰীকৰণ আৰু চৰকাৰী নীতিৰ আহিলাসমূহৰ অন্যতম হ'ল ৰাজসাহায্য। দৰিদ্ৰ লোকসকলে কম দামত পাব পৰাকৈ বিভিন্ন সামগ্ৰীৰ ক্ষেত্ৰত ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰে ৰাজসাহায্য প্ৰদান কৰি আহিছে। ধান, ঘেঁহু, দাইল, চেনি, কেৰাচিন, এল পি জি, নেফ্‌থা, পানী, বিদ্যুৎ, ডিজেল, সাৰ, লোৰ আকৰ, ৰে'লসেৱা হ'ল এনে কেইবিধমান সামগ্ৰী আৰু সেৱা য'ত চৰকাৰে ৰাজসাহায্য প্ৰদান কৰি আহিছে। ৰাজসাহায্য থকা সামগ্ৰীসমূহৰ বিপৰীতে প্ৰাক্কলন অনুসৰি প্ৰত্যেক্ষ ৰাজহ ব্যয় প্ৰায় ৩,৭৮,০০০ কোটি টকা বা মুঠ ঘৰুৱা উৎপাদনৰ প্ৰায় ৪.২৪ শতাংশ। এতিয়া ডাঙৰ প্ৰশ্নটো হ'ল কোন আটাইতকৈ বেছি লাভৱান হ'ল— দৰিদ্ৰ শ্ৰেণী নে আন কোনোবা? আনটো প্ৰশ্ন হ'ল দৰিদ্ৰসকল প্ৰকৃততে লাভৱান হৈছে নে নাই?

২০১৫-১৬ চনৰ অৰ্থনৈতিক জৰীপত প্ৰথমটো প্ৰশ্নৰ উত্তৰ এনেদৰে দিয়া হৈছে— কোনো সামগ্ৰীৰ দামৰ বিপৰীতে প্ৰদান কৰা ৰাজসাহায্য সদায় পশ্চাদমুখী হয়। পশ্চাদমুখী হোৱাৰ অৰ্থ হ'ল দৰিদ্ৰ পৰিয়ালতকৈ চহকী পৰিয়ালেহে ৰাজসাহায্যৰপৰা অধিক উপকৃত হয়। তৰলীকৃত পেট্ৰ'লিয়াম গেছ (এল পি জি) উদাহৰণটো দিলেই এই কথা স্পষ্ট হ'ব। দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ ৫০ শতাংশ পৰিয়ালেহে এল পি জিৰ ২৫ শতাংশ ব্যৱহাৰ কৰে। বৰ কম উপাৰ্জনৰ পৰিয়ালসমূহে মাহিলি জনমূৰি ১০ টকাতকৈ কম টকাৰ এল পি জি ৰাজসাহায্য লাভ কৰে। ইয়াৰ বিপৰীতে অধিক উপাৰ্জনকাৰী পৰিয়ালসমূহে মাহিলি এই ৰাজসাহায্য লাভ কৰে জনমূৰি প্ৰায় ৮০ টকালৈকে। আনকি দৰিদ্ৰ লোকসকলে বেছিকৈ ব্যৱহাৰ কৰা বুলি ভবা কেৰাচিনৰ ক্ষেত্ৰতো অন্ত্যোদয়া কাৰ্ডধাৰী বা দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ পৰিয়ালসমূহে ৰাজসাহায্যযুক্ত কেৰাচিনৰ ৪৬ শতাংশহে ব্যৱহাৰ কৰে। এই সামগ্ৰীবিধ দৰিদ্ৰ পৰিয়ালসমূহৰ ৪৯ শতাংশইহে ব্যৱহাৰ কৰে বুলি ২০১৫-১৬ অৰ্থনৈতিক জৰীপত প্ৰকাশ। এই তথ্যই স্পষ্টকৈ দেখুৱায় যে ৰাজসাহায্যযুক্ত কেৰাচিনৰ অধিকাংশ (৫১ শতাংশ) অৱস্থাপন্ন পৰিয়ালে

ব্যৱহাৰ কৰে। আপেক্ষিকভাৱে চহকী পৰিয়ালসমূহে আবণ্টিত ৰাজসাহায্যযুক্ত কেৰাচিনৰ প্ৰায় ১৫ শতাংশ ব্যৱহাৰ কৰে। এই বৃহৎ বহিৰ্গমন সবল ৰাজহ ব্যৱস্থাপনাৰ মূল নীতিসমূহৰ বিৰোধী। গতিকে এই বহিৰ্গমন ৰোধ কৰাৰ উপায় কি? ইয়াৰ উত্তৰ হ'ল যিসকলৰ চৰকাৰৰ তৰফৰপৰা সাহায্যৰ প্ৰয়োজন, তেওঁলোকক লক্ষ্যৰূপে লোৱা বাঞ্ছনীয়। লক্ষ্য নিৰ্দ্ধাৰণকাৰী বহু চৰকাৰী আঁচনি থকা সত্বেও সফলতা অৰ্জন কৰিব পৰা নাই। কাৰণ এই আঁচনিসমূহত যিসকল লোকক লক্ষ্যৰূপে লোৱা হয়, সেইবোৰত লক্ষ্য চিনাক্তকৰণৰ বাবে বিজ্ঞানসন্মত আৰু স্বচ্ছ ব্যৱস্থাৰ অভাৱ। ইয়াৰ ফলস্বৰূপে দৰিদ্ৰসকল দৰিদ্ৰ হৈ থাকে যদিও চৰকাৰী ৰাজসাহায্যৰ নামত ব্যয় আকাশলংঘী হৈ পৰে। এই সমস্যাৰ সমাধান কৰিবলৈ চেষ্টা আৰম্ভ কৰে মুখ্য অৰ্থনৈতিক উপদেষ্টা অৰবিন্দ সুব্ৰমণিয়নে। তেওঁ উলিয়ায় এটা নতুন সংক্ষিপ্তকৰণ— জে এ এম, ইয়াৰ অৰ্থ জন ধন-আধাৰ-ম'বাইল। তেওঁৰ মতে ই হ'ল 'প্ৰত্যেকটো চকুৰ প্ৰতিটোপাল চকুপানী মচা'ৰ সমাধান। কথাটো হ'ল, ই কেনেকৈ কাম কৰিব?

**জন ধন**

বৰ্তমানৰ শাসনাধিষ্ঠিত চৰকাৰখনে দেশবাসীৰ বাবে এই বিত্তীয় অন্তৰ্ভুক্তিৰ পদক্ষেপ গ্ৰহণ কৰিছে। প্ৰধান মন্ত্ৰী জন ধন যোজনা নামৰ আঁচনিখনৰ অধীনত প্ৰত্যেক পৰিয়ালৰ বাবে অন্ততঃ এটা বেংক একাউণ্ট মুকলি কৰিবলৈ এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে। নিৰ্দ্ধাৰিত হিতাধিকাৰীৰ লক্ষ্য স্থিৰ কৰি সেই দিশত আগুৱাবলৈ এয়া প্ৰথমটো পদক্ষেপ। এতিয়ালৈকে দেশত ২৮ কোটিতকৈয়ো অধিক একাউণ্ট খোলা হৈছে।

**আধাৰ**

১২ টা অংশবিশিষ্ট 'আধাৰ' হ'ল এগৰাকী ব্যক্তিৰ অনন্য পৰিচয়। বৰ্তমানলৈ ১১১টা আধাৰ নম্বৰ সৃষ্টি কৰা হৈছে। চৰকাৰখনে দেশৰ প্ৰায় প্ৰতিগৰাকী প্ৰাপ্তবয়স্ক নাগৰিকৰ আধাৰ নম্বৰ প্ৰৱৰ্তন কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিছে। প্ৰত্যেকৰে মাত্ৰ এটাকৈ আধাৰ নম্বৰ থাকিলে লক্ষ্য নিৰ্দ্ধাৰিত হিতাধিকাৰীগৰাকীক কেৱল চিনাক্ত কৰাই নহয়, প্ৰত্যক্ষ ধন স্থানান্তৰকৰণ নিশ্চিত কৰাটোও সহজ হৈ পৰে। একোটা সক্ৰিয় বেংক একাউণ্টৰ সৈতে আধাৰ নম্বৰ সংযুক্ত কৰাটোৱেই আয়ৰ ধন স্থানান্তৰকৰণ ৰূপায়ণ কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ হৈ পৰে। এই কথা মনত ৰাখি চৰকাৰে বেংক একাউণ্টৰ সৈতে আধাৰ নম্বৰ সংযোগ কৰিবলৈ উঠি-পৰি লাগিছে।

**ম'বাইল**

দেশত ১০০ কোটিৰো অধিক ম'বাইল সংযোগ আছে। ডিজিটেল মঞ্চত বিত্তীয় ব্যৱস্থা প্ৰদানৰ ক্ষেত্ৰত ম'বাইলে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে। যদি ম'বাইল আধাৰ নম্বৰ সংযুক্ত বেংক একাউণ্টলৈ ধন স্থানান্তৰকৰণত হিতাধিকাৰীক সহায় কৰে, তেন্তে তেওঁ ম'বাইল ফোন বিত্তীয় লেনদেনৰ বাবেও ব্যৱহাৰ কৰিব পাৰে। প্ৰযুক্তিৰ সঞ্চাৰ হোৱাৰ লগে লগে বিত্তীয় লেনদেনৰ বাবে স্মাৰ্টফোন অপৰিহাৰ্য হৈ পৰে। ব্যক্তিগৰাকীয়ে তেওঁৰ বেংক একাউণ্টৰ জৰিয়তে ম'বাইল ফোনৰ সহায়ত ধন প্ৰেৰণ বা গ্ৰহণ কৰিব পাৰে।

২০১৪-১৫ চনৰপৰা চৰকাৰে সক্ৰিয়ভাৱে 'জে এ এম' ব্যৱহাৰ কৰি আহিছে। এই প্ৰচেষ্টাই ভাল ফল প্ৰদান কৰিছে। চৰকাৰে বহুবাৰ প্ৰকাশ কৰিছে যে যোৱা আঢ়ৈটা বছৰে 'জে এ এম' ত্ৰয় ব্যৱহাৰ কৰি প্ৰত্যক্ষ লাভৰ ধন স্থানান্তৰকৰণৰ জৰিয়তে প্ৰায় ৫০ হাজাৰ কোটি টকা সঞ্চয় কৰা হৈছে। ৰাজহুৱা বিতৰণ ব্যৱস্থা (পি ডি এছ) ত ১৪ হাজাৰ কোটি টকা, এম জি এনৰেগাত ৭,৬০০ কোটি টকা আৰু 'এলপিজি পহল'ত প্ৰায় ২৬,৪০০ কোটি টকা সঞ্চয় কৰা হৈছে। এই সকলোবোৰৰ অৰ্থ এয়ে যে ধন কৰ্তনৰ যোগেদি এই সাফল্য অৰ্জন কৰিছে এনে নহয়, বৰঞ্চ এটা কাৰ্যকৰী বিতৰণ ব্যৱস্থা সফল হৈছে।

**(৩) সামগ্ৰী আৰু সেৱা কৰ**

সবল ৰাজহ ব্যৱস্থাপনাৰ বাবে যদি প্ৰথম দুটা পদক্ষেপ ব্যৱহাৰিক আৰু মানৱীয় দৃষ্টিকোণ, তেন্তে ব্যৱসায় সুচল কৰিবলৈও এটা পদ্ধতি গঢ়ি তোলা প্ৰয়োজন। এয়া সামগ্ৰী আৰু সেৱা কৰ (জি এছ টি) যোগে কৰাটো সম্ভৱ। ২০১৭চনৰ ১ জুলাইৰ পৰা দেশজুৰি নতুন পৰোক্ষ কৰ ব্যৱস্থা সামগ্ৰী আৰু সেৱা কৰ (জি এছ টি) প্ৰৱৰ্তন কৰিবলৈ পূৰ্ণ প্ৰস্তুতিৰে সাজু হৈ উঠিছে। এই কৰ ব্যৱস্থাৰ ফলত ভাৰতত এখন একক বজাৰ গঢ় লৈ উঠিব, বাৰম্বাৰ কৰ আৰোপ বন্ধ হ'ব, কৰ ফাকি ৰোধ কৰিব পৰা যাব আৰু ৰাজকোষলৈ অধিক ৰাজহ আহিব। কৰ মুঠ ঘৰুৱা উৎপাদন অনুপাতে বৃদ্ধি কৰিবলৈও জি এছ টি প্ৰয়োজনীয়। বৰ্তমানৰ বজাৰ মূল্যত (কেন্দ্ৰীয় কৰৰ ওপৰত ভিত্তি কৰি) ভাৰতৰ পৰোক্ষ কৰ— মুঠ ঘৰুৱা উৎপাদন অনুপাত ২০১৫-১৬ চনত আছিল ৫.২ শতাংশ। এই নিম্ন অনুপাত বিভিন্ন কাৰকৰ বাবে পৰিলক্ষিত হৈছিল। কাৰকসমূহ হ'ল— সেৱাৰ কৰৰ আওতাৰপৰা বহুকেইটা খণ্ডক আঁতৰাই ৰখা, কৃষি আৰু সংশ্লিষ্ট খণ্ডত কৰ আৰোপ নকৰা, ক্ষুদ্ৰ উদ্যোগৰ বাবে

আৰম্ভণিতে উচ্চসীমা নিৰ্দ্ধাৰণ কৰা, আৰ্থ-সামাজিক কাৰণত বিত্তীয় সকাহ প্ৰদান কৰা আদিৰ লগতে অন্য বহু কাৰণ। বহু কৃষি সামগ্ৰীৰ, বিশেষকৈ খাদ্যশস্য জি এছ টিৰ আওতাৰপৰা আঁতৰাই ৰাখিলেও আন বহু এনে সামগ্ৰীত জি এছ টি আৰোপ কৰা হ'ব। আন সকলো কৰ ৰেহাইৰ বিষয়ে স্পষ্ট হৈ উঠা নাই যদিও কিছু আশাৰ সঞ্চাৰ হৈছে। কৰ ৰেহাইৰ অধিকাংশই, সকলো নহ'লেও জি এছ টি ব্যৱস্থাত পৰ্যায়ক্ৰমে কৰা হ'ব আৰু ই নিৰপেক্ষ আৰু ন্যায়সংগতভাৱে পৰোক্ষ কৰ— মুঠ ঘৰুৱা উৎপাদন অনুপাতে বৃদ্ধি কৰিব।

জি এছ টিয়ে দেশজুৰি সুসম কৰ গাঁথনি প্ৰদান কৰিব আৰু ইয়াৰ ফলত কৰ্প'ৰেটসকলৰ বাবে ব্যৱসায় সু-সাধ্য কৰি তোলাত সহায়ক হ'ব। একে সময়তে এই কৰ ব্যৱস্থাই কৰ ভিত্তি প্ৰসাৰিত কৰি চৰকাৰক অধিক কৰ ৰাজহ সংগ্ৰহ কৰিবলৈ সহায় কৰিব।

**(৪) বাজেটৰ পৰিণতি**

প্ৰায়েই এটা অভিযোগ শুনা যায় যে ধন আবণ্টনৰ ক্ষেত্ৰত যিমান হৈ-চৈ লাগে, ধন আবণ্টনৰ পৰিণতি কি হ'ল সেই সন্দৰ্ভত কিন্তু সিমান চৰ্চা নহয়। আশা কৰা হৈছে যে এই অভিযোগ এতিয়াৰেপৰা আৰু শুনিবলৈ পোৱা নাযাব। কাৰণ চলিত বাজেটৰ পাছৰে পৰা পৰিকল্পনাৰ ধন আবণ্টন, উৎপাদন আৰু পৰিণতি নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে সংসদত উত্থাপন কৰা হ'ব। ইয়াৰ ফলত চৰকাৰী আঁচনিসমূহ ৰূপায়ণ কৰা বিভাগ বা সংস্থাসমূহ অধিক দায়বদ্ধ হ'ব। 'ধন আবণ্টন' হ'ল বাজেটত কোনো আঁচনি বা প্ৰকল্পৰ বাবে নিৰ্দ্ধাৰিত ধন, 'উৎপাদন' হ'ল আঁচনিসমূহ ৰূপায়ণৰ পাছত প্ৰত্যক্ষ আৰু পৰিমাণসাধ্য উৎপাদন যাক ভৌতিক এককযোগে প্ৰকাশ কৰা হয়। পৰিণতি হ'ল এই সেৱাসমূহ প্ৰদানৰ পাছত সমূহীয়া ফলাফল বা গুণগত উন্নতি— যাক পূৰ্বৰ সূচক বা সাফল্যৰ খতিয়ানৰ সৈতে তুলনা কৰি প্ৰকাশ কৰা হয়।

৬৮টা মন্ত্ৰণালয় আৰু বিভাগত আঁচনিসমূহ বাজেটৰ নথিত অন্তৰ্ভুক্ত হ'ব যিসমূহত নতুন ৰাজহ উৎপাদন আৰু পৰিণতি সংসদত উত্থাপন কৰা হ'ব যাতে প্ৰতিখন আঁচনিৰ লক্ষ্য আৰু উদ্দেশ্য স্পষ্ট হৈ পৰে। ইয়াৰ ফলস্বৰূপে লক্ষ্য পূৰণত ব্যৰ্থতাৰ কাৰণসমূহ ফঁহিয়াই চাব পৰাৰ লগতে ব্যৱস্থাটোক অধিক দায়বদ্ধ কৰি তোলাৰ ক্ষেত্ৰত চৰকাৰৰ বাবে সহায়ক হ'ব। তদুপৰি লক্ষ্য পূৰণ কৰিবলৈ উপযুক্ত কাৰ্যব্যৱস্থা গ্ৰহণ কৰাৰ ক্ষেত্ৰতো ই চৰকাৰক সহায় কৰিব।

**(৫) ব্যয়ৰ পুনৰ শ্ৰেণীবদ্ধকৰণ**

এইবাৰৰ বাজেটৰ (২০১৭-১৮) পৰা ব্যয়ৰ শিতান পৰিকল্পনা বহিৰ্ভূত বুলি শ্ৰেণীবদ্ধ কৰা নহ'ব।

এই বিভাজন বাতিল কৰা হৈছে আৰু সকলো ব্যয় 'মূলধন' আৰু 'ৰাজহ' বুলি শ্ৰেণীবদ্ধ কৰা হ'ব। চৰকাৰৰ মত অনুসৰি পৰিকল্পনা আৰু পৰিকল্পনা বহিৰ্ভূত শ্ৰেণী বিভাজন আঁচনিসমূহ ৰূপায়ণৰ ক্ষেত্ৰত ব্যয় নিৰ্দ্ধাৰণৰ অসুবিধাৰ সৃষ্টি কৰে। পৰিকল্পনা শিতানৰ প্ৰতি অধিক পক্ষপাতিত্ব থকাৰ বাবে অত্যাৱশ্যকীয় ব্যয়ৰ ক্ষেত্ৰত অৱহেলা প্ৰদৰ্শিত হয় আৰু ফলত গুৰুত্বপূৰ্ণ সামাজিক সেৱাসমূহ বাধাপ্ৰাপ্ত হ'ব পাৰে। পৰিকল্পনা আৰু পৰিকল্পনা বহিৰ্ভূত শিতান দুটাৰ একত্ৰীকৰণে ৰাজহ আৰু মূলধনী ব্যয়ত গুৰুত্ব প্ৰদানৰ ক্ষেত্ৰত উপযুক্ত বাজেট গাঁথনি সৃষ্টি কৰিব বুলি আশা কৰা হৈছে।

**(৬) সাধাৰণ বাজেটৰ সৈতে ৰে'ল বাজেটৰ চামিলকৰণ**

চৰকাৰে ৰে'ল বাজেট সুকীয়াকৈ উত্থাপন কৰাৰ ৯২ বছৰীয়া পুৰণি পৰম্পৰাৰ ওৰ পেলাইছে। এতিয়া সাধাৰণ বাজেটৰ সৈতে ৰে'ল বাজেট চামিল কৰা হ'ল। একত্ৰিত বাজেট উত্থাপন কৰাৰ ফলত ৰে'ল বাজেটে অধিক দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হ'ব আৰু চৰকাৰৰ বিত্তীয় অৱস্থাৰ সামগ্ৰিক চিত্ৰখন দাঙি ধৰিব। এই চামিলকৰণৰ ফলত প্ৰক্ৰিয়াগত আৱশ্যকতা হ্ৰাস কৰিব বুলি আশা কৰা হৈছে। সেৱা প্ৰদান আৰু সু-প্ৰশাসনৰ বাবে ই সহায়ক হ'ব। এই প্ৰক্ৰিয়াই ৰে'ল বিভাগৰ ওপৰত থকা আৰ্থিক বোজা লাঘৱ কৰিব। ইয়াৰ ফলত ভাৰত চৰকাৰৰ প্ৰায় ৯,৭০০ কোটি টকাৰ বাৰ্ষিক ৰাহি হ'ব।

**(৭) বাজেট উত্থাপনৰ দিন আগুৱাই অনা**

চলিত বৰ্ষত ১ ফেব্ৰুৱাৰীত বাজেট উত্থাপন কৰা হ'ল আৰু বিত্তীয় বিধেয়ক প্ৰৱৰ্তন কৰাকে ধৰি সমস্ত প্ৰক্ৰিয়া ৩১ মাৰ্চৰ ভিতৰত সমাপ্ত কৰা হ'ল। ইতিপূৰ্বে এই প্ৰক্ৰিয়া মে'-জুনতহে সামৰণি পৰিছিল। ইয়াৰ ফলত মন্ত্ৰণালয় আৰু বিভাগসমূহে ধন ব্যয়ৰ বাবে ১২ মাহৰ ঠাইত ৯ মাহতকৈ অধিক সময় লাভ কৰা নাছিল। কিন্তু এতিয়া মন্ত্ৰণালয় আৰু বিভাগসমূহে আঁচনিৰ পৰিকল্পনা আৰু ৰূপায়ণৰ বাবে অধিক সময় পোৱা বাবে কামখিনি অধিক উন্নত আৰু গুণসম্পন্ন হোৱাৰ থল আছে।

১৯৯৯-২০০৪ চনৰ তদানীন্তন চৰকাৰে 'ফিছকেল ৰেছপনছিবিলিটি এণ্ড মেনেজমেণ্ট (এফ আৰ বি এম)

আইন ২০০৩ চনত প্ৰৱৰ্তন কৰিছিল। এই আইনখনেই বৰ্তমানৰ চৰকাৰে নতুনকৈ ৰূপায়ণ কৰিবলৈ ওলাইছে। এফ আৰ বি এম পৰ্যালোচনা সমিতিয়ে দাখিল কৰা প্ৰতিবেদনেৰে এই প্ৰক্ৰিয়া ইতিমধ্যে আৰম্ভ হৈছে।

২০১৪ চনত চৰকাৰে শাসনভাৰ লোৱাৰে পৰা সবল ৰাজহ ব্যৱস্থাপনাৰ বাবে কঠোৰ নীতি অৱলম্বন কৰিছে। এইকথা ৰাজহ ঘাটি হোৱা বিষয়টোৰে প্ৰতিপন্ন কৰিছে। ২০১৩-১৪ চনৰ ৪.৫ শতাংশৰপৰা ২০১৪-১৫ চনত ৪.১ শতাংশলৈ, ২০১৫-১৬ চনৰ ৩.৯ শতাংশৰপৰা ২০১৬-১৭ চনৰ ৩.৫ শতাংশলৈ ৰাজহ ঘাটি হ্ৰাস হৈছে। তদুপৰি আশা কৰা হৈছে যে ২০১৮-১৯ চনলৈ এই ৰাজহ ঘাটি ৩ শতাংশলৈ সীমাবদ্ধ কৰি ৰাখিবলৈ চৰকাৰ সক্ষম হ'ব। ❐

---

**(২০ পৃষ্ঠাৰ পৰা)**

গ্ৰহণ কৰিব পৰা যায়। মুঠৰ ওপৰত উপযুক্তভাৱে ইয়াক ৰূপায়ণ কৰা আৱশ্যক। গোটা আৰু পানীয় মলৰ ব্যৱস্থাকৰণ পদ্ধতি হ'ল স্বচ্ছ ভাৰত অভিযানৰ এটা গুৰুত্বপূৰ্ণ কাৰ্য। এই বিষয়ত বহু গাঁৱতেই কাম আৰম্ভ কৰা হয়। উল্লিখিত ব্যৱস্থাপনাৰদ্বাৰা এখন গাঁৱৰ স্বচ্ছতা সূচী বিকাশ কৰি উলিওৱা হয়। এনে সূচীত গাঁওবোৰে নিজৰ তৰফৰ পৰা সামগ্ৰিক পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ এটা নিৰ্ণায়ক স্থিতি গ্ৰহণ কৰে আৰু সেই স্থিতিৰ ওপৰত আধাৰ কৰি কিমান অগ্ৰগতি সাধন কৰা হৈছে সেই বিষয়ে তাৰ জোখ লয়। সামগ্ৰিক বিকাশ, মল ব্যৱস্থাপনাৰ স্থিতি তথা সাধাৰণ পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ লেখৰ ওপৰত তৈয়াৰী এই সূচীয়ে এখন গাঁৱৰ উপযুক্ত মান লাভ কৰাত সহায় কৰে। আৰু ইয়াৰ পাছতেই দ্বিতীয় পৰ্যায়লৈ আগবাঢ়ি যোৱাত স্বাভাৱিকতেই পথ মুকলি হয় তথা পূৰ্ণাঙ্গ অৱস্থা প্ৰাপ্ত কৰাও আশা কৰিব পাৰি।

স্বচ্ছ ভাৰত অভিযানৰ ক্ষেত্ৰত এতিয়ালৈকে যি আধা ভাগ কাম কৰা হৈছে সেয়া ভালদৰেই সাধন কৰা হৈছে বুলি ক'ব পৰা যায়। কিন্তু কেন্দ্ৰ আৰু ৰাজ্য উভয়ৰ ক্ষেত্ৰতে জড়িত থকা বিভাগ আৰু দায়িত্বশীল ব্যক্তিসকলৰ মনত এইটো স্পষ্ট হৈ উঠিছে যে আগলৈ যোৱা পথছোৱা দীঘলীয়া আৰু প্ৰত্যাহ্বানমূলক। তথাপি প্ৰধান মন্ত্ৰীৰ নেতৃত্বত আৰু ৰাজ্যসমূহৰ ৰাজনৈতিক নেতাসকলৰ সমৰ্থন তথা কৰ্মচাৰীৰ সহায়-সহযোগত সেয়া সম্ভৱ হৈ উঠিব। গাঁৱৰ মুখিয়ালৰ দৰে তৃণমূল পৰ্যায়ৰ নেতা—বিশেষকৈ মহিলাসকলৰ সক্ৰিয় অংশ গ্ৰহণেৰে এই গণ আন্দোলন ফলৱতী হ'ব। ❐

---

**(৩০ পৃষ্ঠাৰ পৰা)**

**সমাধান ঃ** চিকিৎসা মহাবিদ্যালয়ৰ সংখ্যা আৰু তাৰ লগতে আসনৰ সংখ্যাও বৃদ্ধি কৰিব লাগে। গ্ৰামাঞ্চলত চিকিৎসা আগবঢ়োৱাৰ নিয়ম কৰিব লাগে। তিনিৰ পৰা পাঁচ বছৰলৈকে গ্ৰামাঞ্চলত সেৱা আগবঢ়োৱা ছাত্ৰৰ বাবে স্নাতকোত্তৰ চিকিৎসা পাঠ্যক্ৰমৰ আসন সংৰক্ষিত কৰিব লাগে। চিকিৎসা মহাবিদ্যালয়ত শিক্ষক নিয়োজনৰ বাবে থকা বয়সৰ উৰ্দ্ধসীমা বৃদ্ধি কৰিব লাগে, সামৰ্থ্যৰ ভিতৰত চিকিৎসা শিক্ষা লোৱাৰ ব্যৱস্থা কৰিব লাগে (কিয়নো ব্যক্তিগত মহাবিদ্যালয়সমূহত মাত্ৰাধিক খৰচ হয়)। ব্যৱহাৰিক বাহ্যিক শিক্ষা, প্ৰযুক্তি পৰিচালিত শিক্ষা, অভিযোজিত, মানবিশিষ্ট আৰু হ্ৰাসমূল্যৰ শিক্ষাৰ অতীব প্ৰয়োজন। ২০১৫ চনত স্বাস্থ্যসেৱা খণ্ডত প্ৰায় ৩০০ৰো অধিক বিশেষ সুবিধাযুক্ত শিক্ষাখণ্ড মূৰ দাঙি উঠিছে।

**বিশেষজ্ঞৰ আৱশ্যকতা ঃ** দেশৰ চহৰ আৰু গ্ৰামাঞ্চলত চিকিৎসক, পৰিচালিকা তথা অৰ্দ্ধ-চিকিৎসাৰ বৃত্তিধাৰী লোকৰ উপলব্ধতাত সন্তুলনৰ অভাৱ।

**সমাধান ঃ** স্বাস্থ্যসেৱাৰ বৃত্তিধাৰী লোকৰ এটা দল গঠন কৰিব লাগে, যাতে প্ৰত্যেকেই নিৰ্দিষ্ট কিছু ৰোগৰ চিকিৎসাৰ প্ৰত্যাহ্বানৰ মুখামুখি হ'ব পাৰে। ই-নেটৱৰ্কৰ জৰিয়তে চিকিৎসালয়বিলাক সন্নিৱিষ্ট কৰিব লাগে যাতে চিকিৎসালয়ৰ বিছনা, চিকিৎসক আৰু উপলব্ধ সুবিধাৰ তথ্য পোৱা যায়। (খৰতকীয়া সেৱা আৰু সন্নিৱিষ্টকৰণৰ বাবে প্ৰযুক্তি ব্যৱহাৰ কৰিব লাগে)।

**সামৰ্থ্যযোগ্য স্বাস্থ্যসেৱা ঃ** ঔষধ আৰু চিকিৎসা সমন্ধীয় পৰীক্ষাসমূহৰ উচ্চ ব্যয়।

**সমাধান ঃ** একে শ্ৰেণীৰ ঔষধৰ পৃষ্ঠপোষকতা।

প্ৰসংগক্ৰমে, শিক্ষা আৰু স্বাস্থ্যই হৈছে এনে দুটা খণ্ড যি অহা দশকত 'উদিত ভাৰত'ৰ সংজ্ঞা হৈ উঠিব। ❐

# মোডী চৰকাৰৰদ্বাৰা ভাৰতৰ আন্তঃগাঁথনিৰ অগ্ৰগতি

**কে আৰ সুধামন***

কেন্দ্ৰীয় বিত্ত মন্ত্ৰীয়ে অলপতে প্ৰকাশ কৰিছে যে ভাৰতৰ আন্তঃগাঁথনিৰ ব্যৱধান ইমান বিশাল যে ইয়াক পূৰাবলৈ অতি কমেও দুটা দশকৰ প্ৰয়োজন হ'ব। একে সময়তে উন্নয়নৰ বাবে প্ৰধান প্ৰতিবন্ধকে বৃহৎ বিনিয়োগৰ সুযোগ প্ৰদান কৰিছে। সেইবাবে চৰকাৰে আন্তঃগাঁথনিগত বিকাশত সঠিকভাৱে গুৰুত্ব আৰোপ কৰিছে।

আন্তঃগাঁথনিগত বিকাশ আগুৱাই নিয়াৰ চেষ্টা স্পষ্টৰূপত প্ৰতিফলিত হৈছে। যোৱা তিনিবছৰীয়া কালছোৱাৰ প্ৰেক্ষাপটত এই বৃহৎ উন্নয়নৰ খতিয়ান লোৱাটো প্ৰয়োজনীয় হৈ পৰিছে। ৰে'লসেৱা, পথ পৰিবহণ, বন্দৰ, জাহাজ পৰিবহণ, অসামৰিক বিমান সেৱা, আভ্যন্তৰীণ জল পৰিবহণ, শক্তি (পুনৰ নবীকৰণকে ধৰি) সকলো ক্ষেত্ৰতে যোগাযোগ বৃদ্ধিৰ বাবে বৃহৎ অগ্ৰগতি পৰিলক্ষিত হৈছে। স্বাধীনতাৰ ৭০ বছৰ পাছৰ কালছোৱাত দৰাচলতে যোগাযোগৰ ক্ষেত্ৰত প্ৰয়োজনীয় উল্লেখনীয় সাফল্য দেশখনে অৰ্জন কৰিব পৰা নাই।

ভৌতিক আন্তঃগাঁথনি গঢ়ি তুলিবলৈ দেশখনত প্ৰয়োজনীয় দক্ষ শ্ৰমিক আৰু ডিজিটেলযুক্তকৰণ আৱশ্যক। বিশ্ব স্তৰৰ আন্তঃগাঁথনি সৃষ্টি কৰি ভাৰতক গোলকীয় উৎপাদনৰ কেন্দ্ৰৰূপে গঢ়ি তোলাটো নিশ্চিত কৰিবলৈ চৰকাৰে দক্ষ ভাৰত, ডিজিটেল ভাৰত আৰু ভাৰত অভিযান আদিৰ লগতে 'মেইক্ ইন ইণ্ডিয়া' পদক্ষেপ গ্ৰহণ কৰিছে।

২০১৭ চনৰ সামৰণিত দ্বাদশ পঞ্চবাৰ্ষিক পৰিকল্পনা অনুসৰি চৰকাৰে আন্তঃগাঁথনিত উন্নয়নৰ বাবে ধাৰ্য কৰা প্ৰস্তাৱিত ১ ট্ৰিলিয়ন ডলাৰৰ বৃহৎ অংশ ব্যক্তিগত খণ্ডৰ পৰা আহিব।

ভাৰতৰ আন্তঃগাথনিৰ শোচনীয় অৱস্থা দেশৰ অৰ্থনীতিৰ বিকাশৰ পথত হেঙাৰৰূপে দেখা দিছিল। আন্তঃগাঁথনিৰ ক্ষেত্ৰত চৰকাৰৰ কাৰ্যনীতি অনুসৰি প্ৰথম, প্ৰধান আৰু উল্লেখনীয় পদক্ষেপ যোগান-নিৰ্ভৰ হোৱাতকৈ চাহিদা-নিৰ্ভৰ হোৱা পৰিলক্ষিত হয়। যোগান-নিৰ্ভৰ কাৰ্যনীতিৰ বাবে কৃষিখণ্ডত বিৰূপ প্ৰভাৱ পৰে। ইয়াৰ কাৰণ হ'ল বিধ্বস্ত গ্ৰাম্য আন্তঃগাঁথনি, যেনে— বাট-পথ, শীতল ভঁৰাল আৰু জলসিঞ্চনৰ সুবিধা আদি চাহিদা কেতিয়াও পূৰণ কৰা হোৱা নাই।

আন্তঃগাঁথনিৰ ক্ষেত্ৰত যোৱা ১৫ বছৰে দেখা দিয়া প্ৰত্যাহ্বানৰপৰা শিক্ষা গ্ৰহণ কৰি চৰকাৰে আধুনিকীকৰণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰে। পৰিসংখ্যায়ো তাকেই প্ৰমাণ কৰে। ১২৫ কোটি জনসংখ্যাৰ এখন দেশ— য'ত দুই-তৃতীয়াংশ লোক ৩৫ বছৰৰ অনূৰ্ধ্বৰ, বৃহৎ আন্তঃগাঁথনিগত উন্নয়নৰ বাহিৰে আন কোনো উন্নয়নমূলক পদক্ষেপ কাৰ্যকৰী হোৱাৰ সম্ভাৱনা নাই। এই বিত্তীয় বৰ্ষত অৰ্থনৈতিক বিকাশৰ বৃদ্ধিৰ হাৰ প্ৰায় ৭.৫ শতাংশ হোৱাৰ ফলত দেশ প্ৰগতিমুখী হৈছে। দেশৰ এনে সন্তোষজনক অৱস্থা এনে সময়ত হৈছে যি সময়ত আন দেশ, যেনে চীনৰ অৰ্থনৈতিক বিকাশ মন্থৰ হৈ পৰাৰ লগতে সমগ্ৰ বিশ্বতে এই ছবিখন উৎসাহজনক নহয়। এই প্ৰেক্ষাপটত যিকোনো আগশাৰীৰ অৰ্থনীতিবিদৰ মত অনুসৰি চৰকাৰে আন্তঃগাঁথনিগত উন্নয়নত গুৰুত্ব প্ৰদান কৰাটো সংগত পদক্ষেপ। কাৰণ বিশ্ব অৰ্থনীতিত ক্ৰমাৎ চাহিদা বৃদ্ধি হৈ থকাৰ পৰিপ্ৰেক্ষিতত বিকাশৰ বাবে ই আৱশ্যকীয় সুবিধা প্ৰদান কৰিব। আন্তঃগাঁথনি খণ্ডত প্ৰয়োজনীয় তেল, তীখা, চিমেণ্ট আদিৰ দৰে সামগ্ৰীৰ মূল্য বিশ্বৰ বজাৰত হ্ৰাস পোৱাৰ সময়তে আন্তঃগাঁথনিগত উন্নয়ন বৃদ্ধি কৰাটো বিবেচনামূলক পদক্ষেপ। ব্যয় সংকোচনৰ ক্ষেত্ৰত ই নিসন্দেহে সুবিধা প্ৰদান কৰিব। তদুপৰি উন্নত অৰ্থনীতিত দেশসমূহৰ পেন্সন পুঁজি আৰু বিশ্বৰ অন্য বিনিয়োগকাৰী বিনিয়োগ কৰিবলৈ সুযোগৰ সন্ধানত থাকে। সাম্প্ৰতিক কালছোৱাত ইমান বৃহৎ আৰু দীৰ্ঘম্যাদী বিনিয়োগৰ বাবে অন্য কোনো দেশ উদ্‌গ্ৰীৱ হৈ থকা নাই। এই সোণালী সুযোগৰপৰা অধিক লাভ অৰ্জন কৰিবলৈ বিশ্বৰ বিনিয়োগকাৰী-সকল অপেক্ষাৰত।

চীনৰ দৰে অগ্ৰগামী অৰ্থনীতিৰ দেশত বিকাশ মন্থৰ হোৱাৰ সময়ত ভাৰতৰ বৃহৎ অৰ্থনীতিৰ স্থিতাংক শক্তিশালী হোৱাৰ পৰিপ্ৰেক্ষিতত আন্তঃগাঁথনিগত উন্নয়নৰ বাবে উল্লেখযোগ্য পদক্ষেপ আগবঢ়োৱাটো অনুকূল হ'ব। মুদ্ৰাস্ফীতিৰ হাৰ ৫ শতাংশতকৈ কম, ৰাজহ ঘাটি নিয়ন্ত্ৰণসাধ্য,

***লেখক কে আৰ সুধামন পি টি আই, টিকাৰ নিউজ আৰু ফাইনেন্চিয়েল ক্ৰ'নিকল-ৰ অৰ্থনৈতিক সম্পাদক।**

সুদৰ হাৰ ক্ৰমহ্ৰাসমান, কৃষি খণ্ড পুনৰুজ্জীৱিত হোৱাৰ সময়তে আন্তঃগাঁথনিগত বিকাশৰ বাবে অৰ্থনৈতিক অৱস্থা যথেষ্ট অনুকূল। কেন্দ্ৰীয় চৰকাৰে অহা ৩-৪ বছৰত অতি কমেও ১ ট্ৰিলিয়ন ডলাৰ ব্যয় কৰাৰ অভিলাষী আঁচনি গ্ৰহণ কৰিছে। চলিত বৰ্ষত প্ৰথম ত্ৰিমাসিকত মূলধনী ব্যয় ইতিমধ্যে ১৮ শতাংশ বৃদ্ধি পাইছে আৰু বহু স্থবিৰ হৈ থকা প্ৰকল্পৰ কাম-কাজ ক্ৰমাৎ ত্বৰান্বিত হৈছে। কেন্দ্ৰীয় শক্তি মন্ত্ৰণালয়ৰ মতে আন্তঃগাঁথনিৰ বাবে দীৰ্ঘম্যাদী বিনিয়োগৰ ক্ষেত্ৰত বিদেশী বিনিয়োগকাৰীসকলে আগ্ৰহ প্ৰকাশ কৰাৰ ইংগিত পোৱা গৈছে।

২০১৪ চনৰ জুলাইত কেন্দ্ৰীয় চৰকাৰে আনুষ্ঠানিকভাৱে ঘোষণা কৰে যে ৰে'লসেৱাৰ বাবে বিদেশী বিনিয়োগ গ্ৰহণ কৰা হ'ব। ৰে'লসেৱাৰ আন্তঃগাঁথনি উন্নত কৰাৰ বাবে ১২৮ বিলিয়ন ডলাৰ ব্যয়সাপেক্ষ আঁচনিৰ অংশ হ'ব এই বিদেশী বিনিয়োগ। দেশৰ ৰে'লসেৱা আন্তঃগাঁথনি উন্নত কৰিবলৈ নতুন ৰে'লপথ আৰু ৪০০টা ৰে'ল ষ্টেচন নিৰ্মাণ, ১৫ বিলিয়ন ডলাৰ ব্যয়সাপেক্ষ বুলেট ট্ৰেইন সেৱা, ১২.৫ বিলিয়ন ডলাৰ ব্যয়সাপেক্ষ মালবাহী ৰে'লসেৱাৰ প্ৰস্তাৱ, দাঙি ধৰা হৈছে। যোৱাবাৰৰ ৰে'ল বাজেটত দেশৰ চুকে-কোণে মালবাহী ৰে'লৰ সেৱা বৃদ্ধি কৰিবলৈ বহুকেইখন আঁচনি ঘোষণা কৰা হৈছিল। মুম্বাই-দিল্লী আৰু লুধিয়ানা-কলকাতা মালবাহী ৰে'লসেৱাৰ কাম ইতিমধ্যে পূৰ্ণগতিত চলি আছে। তিনিখন নতুন মালবাহী ৰে'লসেৱা আঁচনি কলকাতা বিজয়ৱাড়া, দিল্লী-চেন্নাই আৰু কলকাতা-মুম্বাইৰ কাম হাতত লোৱা হৈছে।

আন্তঃগাঁথনি খণ্ডত বিদেশী বিনিয়োগকাৰীৰ মাজত আস্থা বৃদ্ধি কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে ৬ বিলিয়ন ডলাৰৰ 'ৰাষ্ট্ৰীয় আন্তঃগাঁথনি আৰু বিনিয়োগ পুঁজি' (এন আই আই এফ) গঠন কৰিছে। এন আই আই এফ হ'ল সন্মিলিত বৃহৎ পুঁজিৰ এখন মঞ্চ, য'ত কেন্দ্ৰীয় চৰকাৰ ৪৯ শতাংশৰ অংশীদাৰ। আৰ্থিকভাৱে টনকিয়াল ৰাজহুৱা খণ্ডৰ কোম্পানীসমূহ আৰু বিদেশী বিনিয়োগ-কাৰীসকল ইয়াত নিয়ন্ত্ৰণকাৰী অংশীদাৰ-ৰূপে থাকিব। প্ৰতিটো পুঁজি বাহিৰৰপৰা পেছাদাৰী বিনিয়োগ পৰিচালকে পৰিচালনা কৰিব।

আন্তঃগাঁথনিগত পুঁজি বিনিয়োগৰ ক্ষেত্ৰত এটা বৃহৎ সমস্যা হ'ল ১৯৯০ ৰ দশকটোৰ অৰ্থনৈতিক উদাৰীকৰণৰ পাছত চৰকাৰে বিত্তীয় সংস্থাসমূহৰ উন্নয়ন সাধন প্ৰক্ৰিয়াটো স্থবিৰ কৰাটো। কিন্তু ইয়াৰ পৰিৱৰ্তে 'কৰ্প'ৰেট বণ্ড মাৰ্কেট' আৰু আন্তঃগাঁথনিগত পুঁজিৰ দৰে দীৰ্ঘম্যাদী পুঁজিৰ বিকল্প সৃষ্টি কৰাত ব্যৰ্থ হয়। এই পৰিঘটনাই আন্তঃগাঁথনি খণ্ডক বাণিজ্যিক বেংকসমূহে বৃহৎ পৰিমাণৰ ঋণ প্ৰদান কৰিবলৈ বাধ্য কৰায়। বাণিজ্যিক বেংকসমূহত সাধাৰণতে হ্ৰস্ব আৰু মধ্যমীয়া ম্যাদৰ জমা ধন থাকে বাবে এইবোৰে হ্ৰস্ব আৰু মধ্যমীয়া ম্যাদৰ ঋণহে প্ৰদান কৰিব পাৰে। কিন্তু আন্তঃগাঁথনিগত প্ৰকল্প-সমূহৰ কাম-কাজ দীঘলীয়া হোৱাৰ লগতে ইয়াৰপৰা মন্থৰ হাৰতহে ঋণ পৰিশোধ সম্ভৱ হয়, সেয়ে ইয়াৰ প্ৰয়োজন কম সুদৰ হাৰত দীৰ্ঘম্যাদী পুঁজিৰ। সাধাৰণতে পেন্সন আৰু বীমা পুঁজি, কৰ্প'ৰেট বণ্ড আৰু আন্তঃগাঁথনি পুঁজিৰদ্বাৰা ধন যোগান ধৰা হয়। সেই সময়ত এইসমূহ পুঁজি নথকা বাবে বাণিজ্যিক বেংকসমূহে সম্পত্তিৰ বিপৰীতে ঋণ প্ৰদান কৰিবলৈ বাধ্য হয় আৰু ইয়াৰ ফলত অনুৎপাদনশীল সম্পত্তিৰ বিপৰীতে চম্ভালিব নোৱাৰা অপৰিশোধেয় ঋণৰ বোজা বাঢ়ি যায়।

২০১৪ চনৰপৰা দ্বিতীয়টো পৰ্যায়ত থকা আন্তঃগাঁথনিগত উন্নয়নৰ বাবে অহা ৫ বছৰত ৪৩ লাখ কোটি টকাৰ প্ৰয়োজন। ৰেটিং সংস্থা 'ছিৰিল' (CIRIL) ৰ তথ্যত এই কথা প্ৰকাশ। ইয়াৰ অৰ্থ বছৰি গড়ে প্ৰায় ৮.৬ লাখ কোটি টকাৰ প্ৰয়োজন। এই বৃহৎ পুঁজিৰ ৭০ শতাংশই মাথোঁ তিনিটা খণ্ডতে (শক্তি পৰিবহন আৰু নগৰ আন্তঃগাঁথনি) ব্যয় হ'ব। ১০-১৫ বছৰ পূৰ্বে বিনিয়োগ হোৱা ব্যক্তিগত মূলধন আঁতৰি যোৱাৰ উপক্ৰম হোৱাৰ সময়তে বিদেশী বিনিয়োগকাৰী আগবাঢ়ি অহাত সুযোগ বৃদ্ধি পাইছে।

পুনৰ নবীকৰণযোগ্য শক্তি খণ্ডতো আগ্ৰহ পৰিলক্ষিত হৈছে; চৰকাৰে দেশৰ সেউজ শক্তি সামৰ্থ্য বৰ্তমানৰ ৩০ গিগাৱাটৰপৰা ২০২২ চনলৈ ১০০ গিগাৱাটলৈ বৃদ্ধি কৰিবলৈ আঁচনি ৰূপায়ণ আৰম্ভ কৰিছে।

পুনৰ নবীকৰণযোগ্য শক্তিৰ সকলো আন্তঃগাঁথনিগত সম্পদ শ্ৰেণী-সমূহৰ সৈতে একেধৰণে ৰাজপথ আৰু ৰে'লসেৱাৰ পৰিসৰ মূলতঃ কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ আৰু এই দুটা খণ্ডই চৰকাৰৰ স্বচ্ছতা বৃদ্ধিত গুৰুত্ব প্ৰদান কৰাত সহায়ক হ'ব। চৰকাৰে শেহতীয়াকৈ বিনিয়োগ চুক্তিৰ সিদ্ধান্ত নিজাববীয়াকৈ গ্ৰহণ কৰাৰ বাবে আগভাগ লৈছে আৰু নিয়মনিষ্ঠ চৰকাৰ হোৱাৰ দিশে গতি কৰিছে। ফলত অধিক বিদেশী আৰু ব্যক্তিগত বিনিয়োগ আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে।

জাপান, কোৰিয়া, আমেৰিকা, আৰু অষ্ট্ৰেলিয়াৰ দৰে দেশৰ চৰকাৰসমূহৰ সৈতে সম্পৰ্ক অক্ষুণ্ণ ৰাখিবলৈ কেন্দ্ৰীয় চৰকাৰৰ উৎসাহী উদ্যোগৰ ফল ইতিবাচক পৰিলক্ষিত হৈছে।

কেন্দ্ৰীয় শক্তিমন্ত্ৰী পীয়ূষ গোৱেলৰ মতে মালবাহী ৰে'লসেৱাত জাপানী

কোম্পানীসমূহে প্ৰায় ৫ বিলিয়ন ডলাৰ বিনিয়োগ কৰাৰ বাবে আগবাঢ়ি আহিছে, কানাডাৰ ২৬৮ বিলিয়ন পেন্সন সংস্থাই ইতিমধ্যে ২ বিলিয়ন ডলাৰ বিনিয়োগ কৰিছে আৰু সংযুক্ত আৰব আমীৰশ্বাহীৰ আবু ঢাবি বিনিয়োগ কৃৰ্তপক্ষও সমানেই আগ্ৰহান্বিত।

চৰকাৰে যোৱা তিনিটা বছৰত সামগ্ৰিক বিকাশৰ বাবে সহযোগিতা-মূলক আৰু প্ৰতিযোগিতামূলক যুক্ত-ৰাষ্ট্ৰীয় ব্যৱস্থাৰ প্ৰভাৱৰ আৱশ্যকতাৰ ওপৰত গুৰুত্ব প্ৰদান কৰি আহিছে। দীৰ্ঘদিনৰেপৰা কেন্দ্ৰ আৰু ৰাজ্যৰ সম্পৰ্ক দমনীয় ৰূপত পৰিলক্ষিত হৈ আহিছিল। সকলো ৰাজ্যৰ বাবে একেটা নীতি প্ৰযোজ্য কৰিবলৈ যোৱাৰ ফলত বিভিন্ন ৰাজ্যৰ বৈচিত্ৰ্যৰ লগতে স্থানীয় চাহিদা বা আৱশ্যকতা আওকাণ কৰা হয় আৰু বহু বছৰ ধৰি এনেধৰণে চলি আহিছে। এইটো কাৰণৰ বাবেই ৰাজ্য-সমূহক অধিক সবল আৰু শক্তিশালী কৰি তুলিবলৈ নিটি আয়োগ গঠন কৰা হয়।

চৰকাৰে জন ধন, আধাৰ আৰু ম'বাইলৰ ব্যৱহাৰেৰে যুগান্তকাৰী সংস্কাৰ প্ৰৱৰ্তন কৰিছে। এই তিনিওটাৰ অনন্য মিলনেৰে লাভৰ ধনৰ প্ৰত্যক্ষ স্থানান্তৰ ৰূপায়ণ সম্ভৱ হৈছে। এই পদ্ধতিয়ে সীমিত চৰকাৰী সম্পদৰ বহিৰ্গমন ৰোধ কৰিব পাৰে। ইয়াৰ ফলত এই ৰাহি হোৱা ধন আন্তঃগাঁথনি উন্নয়নৰ দিশলৈ প্ৰৱাহিত কৰিব পাৰি। এই কথা স্পষ্ট হৈছে ৰাজহুৱা ধনৰ বৰ্দ্ধিত পুঁজিৰ পৰা, ঘৰুৱা ব্যক্তিগত মূলধন বিনিয়োগৰ বাবে বিশেষ উৎসাহ পৰিলক্ষিত নোহোৱা সময়ত অৰ্থনীতি সবলীকৰণৰ বাবে এয়া অতি আৱশ্যকীয়। জুলাইৰপৰা প্ৰৱৰ্তন হ'বলগীয়া সামগ্ৰী আৰু সেৱা কৰে (জিএছটি) চৰকাৰী ৰাজহ বৃদ্ধি কৰিব আৰু ইয়াৰ ফলত আন্তঃগাঁথনি ব্যয় বঢ়োৱাত সহায়ক হ'ব। বিভিন্ন অধ্যয়নত প্ৰকাশ পোৱা অনুসৰি জি এছ টি আৰম্ভ কৰাৰ পাছত ভাৰতত মুঠ ঘৰুৱা উৎপাদন (জি ডি পি) ১.৫-২ শতাংশকৈ বৃদ্ধি পাব। ইয়াৰ অধিকাংশই আহিব আন্তঃগাঁথনিত বিনিয়োগ হোৱা ধনৰপৰা। যদি বছৰি অৰ্থনীতিত বিকাশৰ হাৰ ৮-৯ শতাংশ হয়, ৰে'লসেৱাসহ বয়-বস্তু পৰিবহণ খণ্ডত বিকাশৰ হাৰ ২ শতাংশতকৈ অধিক বৃদ্ধি পাব। ৰে'ল বিভাগে সঠিকভাৱেই মূলধনী ব্যয় অভিলেখ-সংখ্যক বছৰি ১ লাখ কোটিলৈ বৃদ্ধি কৰিছে। যোৱা ৩ বছৰৰ পূৰ্বে মাথোঁ ৪০ হাজাৰ কোটি টকাৰপৰা ৰে'ল বিভাগৰ মূলধনী ব্যয় সুস্থিৰভাৱে বৃদ্ধি পাইছে।

কেন্দ্ৰীয় পথ পৰিবহণ, ৰাজপথ আৰু জাহাজ মন্ত্ৰণালয়ে অহা বছৰত ২৫ ট্ৰিলিয়ন টকা (৩৭৬.৫৩ বিলিয়ন ডলাৰ) আন্তঃগাঁথনিত বিনিয়োগ কৰাৰ চৰকাৰী লক্ষ্য স্থিৰ কৰাৰ কথা ঘোষণা কৰিছে। ইয়াৰ ভিতৰত ২৭ টা ঔদ্যোগিক থূপ উন্নয়নৰ বাবে ৮ ট্ৰিলিয়ন টকা (১২০.৪৯ বিলিয়ন ডলাৰ) আৰু পথ, ৰে'ল আৰু বন্দৰ যোগাযোগ প্ৰকল্পৰ বাবে অতিৰিক্ত ৫ ট্ৰিলিয়ন টকা (৭৫.৩০ বিলিয়ন ডলাৰ) ধাৰ্য কৰা হৈছে। ২০১৫ চনত বিশ্ব বেংকৰ বয়-বস্তু পৰিবহণ প্ৰদৰ্শন সূচকত ১৯ টা স্থান আগুৱাই ১৬০ খন দেশৰ ভিতৰত ৩৫ সংখ্যক স্থান অধিকাৰ কৰিছে।

ভাৰতৰ শক্তি খণ্ডতে অহা ৪-৫ বছৰত ২৫০ বিলিয়ন ডলাৰ বিনিয়োগৰ সম্ভাৱনীয়তা আছে। শক্তি খণ্ডত বিনিয়োগ কৰাৰ ফলত শক্তি উৎপাদন, বিতৰণ, প্ৰেৰণ আৰু যন্ত্ৰ-পাতি বৃদ্ধি পাব।

ভাৰতীয় নিৰ্মাণ সামগ্ৰী উদ্যোগ ৪ বছৰৰ মূৰত পুনৰুজ্জীৱিত হৈ উঠিছে আৰু বৰ্তমানৰ ২.৮ বিলিয়ন আমেৰিকান ডলাৰৰ আয়তনৰপৰা ২০১৯-২০ চনলৈ ৫ বিলিয়ন আমেৰিকান ডলাৰলৈ বৃদ্ধি পাব বুলি আশা কৰা হৈছে। ইয়াৰ অৰ্থ এয়ে যে আন্তঃগাঁথনি খণ্ডত ভাৰতে আন্তঃৰাষ্ট্ৰীয় বিনিয়োগকাৰীসকলৰ উল্লেখনীয় দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। ভাৰতৰ আন্তঃগাঁথনি, তীব্ৰবেগী ৰে'ল, পুনৰ নবীকৰণযোগ্য শক্তি আৰু 'স্মাৰ্ট ছিটি' উন্নয়নৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়াবলৈ স্পেইনৰ বহুকেইটা কোম্পানীয়ে আগ্ৰহ প্ৰকাশ কৰিছে। 'নাছাৰ' কাৰিকৰী অংশীদাৰ স্কাইট্ৰেন ইনকৰ্প'ৰেচনে, 'পড কাৰ' নিৰ্মাণ কৰি উলিয়াইছে আৰু ভাৰতত নগৰ পৰিবহণত ই সহায়ক হোৱাকৈ চৰকাৰৰ আৱশ্যকতা অনুসৰি নিজা খৰচত পৰীক্ষামূলকভাৱে ১ কিলোমিটাৰ পথ সাজি উলিয়াব। ভাৰতত পৰীক্ষামূলক-ভাৱে 'পড কাৰ' নিৰ্মাণ কৰিবলগীয়া তিনিটা কোম্পানীৰ অন্যতম এই 'স্কাইট্ৰেন'। ভাৰতৰ আন্তঃগাঁথনি খণ্ডত কোটি কোটি ডলাৰ বিনিয়োগ কৰিবলৈ শাৰী পাতি ৰৈছে 'গ্ল'বেল প্ৰাইভেট ইকুইটি ফাৰ্ম', ইকুইটি হেজ ফাণ্ড', 'গ্ল'বেল নন-বেংকিং কোম্পেনিজ', 'সাৰ্বভৌম সম্পত্তি পুঁজি আৰু গোলকীয় পেন্সন পুঁজি'। দিল্লী-মুম্বাই, লুধিয়ানা-কলকাতা, কলকাতা-বিশাখাপট্টনম-বিজয়ৱাড়া, চেন্নাই-টুটিক'ৰিন, চেন্নাই-বেংগালুৰু, বেংগালুৰু-মুম্বাই আদি ঔদ্যোগিক সংযোগী পথ জাপানী, ব্ৰিটিছ কোম্পানীৰ লগতে বিশ্ব বেংক, এছিয়ান উন্নয়ন বেংক (এডিবি) ৰ সহযোগিতাত নিৰ্মিত হৈ আছে। এইবোৰৰ উপৰি ১০০ খন 'স্মাৰ্ট ছিটি'ৰ উন্নয়নৰ বাবে টেলিকম খণ্ডসহ ভাৰতৰ আন্তঃগাঁথনিত বৃহৎ বিনিয়োগৰ বাট মুকলি কৰিব।

প্ৰধান মন্ত্ৰীৰ স্বচ্ছ ভাৰত অভিযানৰ অধীনত ২০১৯ চনলৈ ভাৰতক মুকলি ঠাইত মলত্যাগ মুক্ত কৰা আঁচনিৰ বাবে বৃহৎ পুঁজিৰ বিনিয়োগ হৈছে। বিশেষকৈ

গ্ৰামাঞ্চলত অনাময় আঁচনিৰ অধীনত লাখ লাখ ব্যক্তিগত আৰু সমূহীয়া শৌচাগাৰ নিৰ্মাণ কৰা হৈছে। তদুপৰি জৈৱ গেছ প্ৰকল্প আৰু খোৱাপানী যোগানৰ উন্নতিৰ বাবেও বহু ধন বিনিয়োগ কৰা হৈছে।

চৰকাৰৰ স্মাৰ্ট ছিটি প্ৰকল্পত জাপান, চীন, ব্ৰিটেইন, ফ্ৰান্স আৰু আমেৰিকা যুক্তৰাষ্ট্ৰই যথেষ্ট আগ্ৰহ দেখুৱাইছে। এই দেশকেইখনে এইক্ষেত্ৰত শ শ কোটি ডলাৰ বিনিয়োগ কৰিব বুলি প্ৰতিশ্ৰুতি প্ৰদান কৰিছে।

মালয়ছিয়াৰ নিৰ্মাণ উদ্যোগ উন্নয়ন পৰিষদে (চি আই ডি বি) নগৰ উন্নয়ন আৰু আৱাসন প্ৰকল্পত ৩০ বিলিয়ন ডলাৰ বিনিয়োগ কৰাৰ প্ৰস্তাৱ দাঙি ধৰিছে। নতুন দিল্লীৰ ৰে'ল ষ্টেচনৰ কাষৰীয়া মিনি-স্মাৰ্ট চিটি, উত্তৰ প্ৰদেশৰ গড়মুখতেশ্বৰত সেউজ মহানগৰ প্ৰকল্প আৰু গংগা পৰিষ্কৰণ প্ৰকল্পৰ দৰে কামত পৰিষদখনে বিনিয়োগ কৰিবলৈ মন মেলিছে।

দেশৰ বিশ্বমানৰ জাহাজ পৰিবহন আৰু ৰাজপথৰ আন্তঃগাঁথনি গঢ়ি তুলিবলৈ যোৱা আঢ়ৈ বছৰত পথ পৰিবহন আৰু ৰাষ্ট্ৰীয় ঘাইপথ মন্ত্ৰণালয়ে ৩.১৭ ট্ৰিলিয়ন (৪৭.৭ বিলিয়ন ডলাৰ) আৰু জাহাজ মন্ত্ৰালয়ে প্ৰায় ৮০ হাজাৰ কোটি টকা (১২ বিলিয়ন ডলাৰ) বিনিয়োগ কৰিছে। ২০১৬-১৭ চনত লক্ষ্য নিৰ্দ্ধাৰিত ১৫ হাজাৰ কিলোমিটাৰ পথৰ ভিতৰত ২০১৭ চনৰ ফেব্ৰুৱাৰীলৈ ৬,৬০৪ কিলোমিটাৰ পথ নিৰ্মাণ কৰি উলিওৱা হৈছে।

২০১৭-১৮ বৰ্ষৰ কেন্দ্ৰীয় বাজেটত দেশৰ আন্তঃগাঁথনিগত উন্নয়নৰ বাবে বহুকেইটা নতুন পদক্ষেপ গ্ৰহণ কৰিছে। আন্তঃগাঁথনি বিনিয়োগ আৰু প্ৰতিৰক্ষা মূলধনী ব্যয় ক্ৰমে ১০ শতাংশ আৰু ২০.৬ শতাংশ বৃদ্ধি কৰা হৈছে। প্ৰথমটো শিতানৰ বাবে ৩,৯৬,১৩৫ কোটি টকা (৫৯.১৮ বিলিয়ন ডলাৰ) আৰু দ্বিতীয়টোত ৮৬,৪৮৮ কোটি টকা (১৩.১ বিলিয়ন ডলাৰ)। ৰে'ল বিভাগত ২০১৭-১৮ চনত ৩,৫০০ কিলোমিটাৰ ৰে'লপথ নিৰ্মাণৰ বাবে ব্যয়ৰ পৰিমাণ ৮ শতাংশ বৃদ্ধি কৰি ১,৩১,০০০ কোটি টকা (১৯.৫৮ বিলিয়ন ডলাৰ) ধাৰ্য কৰা হৈছে। কম মূল্যৰ আৱাসনকো আন্তঃগাঁথনিৰ মৰ্যাদা প্ৰদান কৰা হৈছে। ভূমি আৰু গৃহ নিৰ্মাণত দীৰ্ঘম্যাদী মূলধনী লাভৰ বাবে 'লক-ইন পিৰিয়ড' ৩ বছৰৰপৰা দুবছৰলৈ হ্ৰাস কৰা হৈছে।

ভাৰতীয় ৰে'ল বিভাগে ৫ বিলিয়ন ডলাৰৰ 'ৰে'ল বিকাশ পুঁজি' (আৰ আই ডি এফ) গঠন কৰাৰ পৰিকল্পনা কৰিছে। বজাৰৰপৰা বিভিন্ন আন্তঃগাঁথনি প্ৰকল্পৰ বাবে পুঁজি আহৰণ কৰিবলৈ এই পুঁজিয়ে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিব।

তদুপৰি চৰকাৰৰ গ্ৰাম্য কৰ্মসংস্থান আঁচনি, গ্ৰাম্য আন্তঃগাঁথনি নিৰ্মাণ, নগৰ উন্নয়ন আৰু কৃষিপাম বীমাৰ ধনৰ জোৰা মাৰিবলৈ অতিৰিক্ত ব্যয়ৰ বাবে ৫৯,৯৭৮.২৯ কোটি (৮.৯৬ বিলিয়ন ডলাৰ) ঘোষণা কৰা হৈছে।

কেন্দ্ৰীয় জাহাজ মন্ত্ৰণালয়ে ২০১৬ চনৰ ৰাষ্ট্ৰীয় জলপথ আইনৰ অধীনত ১১১ টা ৰাষ্ট্ৰীয় জলপথৰ ভিতৰত অহা ৩ বছৰত ৩৭টাৰ উন্নয়নৰ বাবে পৰিকল্পনা গ্ৰহণ কৰিছে। দেশখনৰ সামগ্ৰিক মাল পৰিবহণৰ ব্যয় হ্ৰাসৰ ক্ষেত্ৰত এই পদক্ষেপে ইতিবাচক প্ৰভাৱ পেলাব।

প্ৰধান মন্ত্ৰী কৃষি জলসিঞ্চন যোজনা (পি এম কে এছ ৱাই) আৰু ত্বৰান্বিত জলসিঞ্চনৰ সুবিধা আঁচনিৰ অধীনত ২০১৬-১৭ চনৰ ভিতৰত ২৩ টা অগ্ৰাধিকাৰ-১ প্ৰকল্প, ২০১৭-১৮চনৰ ভিতৰত ৩১ টা অগ্ৰাধিকাৰ-২ প্ৰকল্প আৰু ২০১৯ চনৰ ভিতৰত বাকী থকা ৪৫ টা অগ্ৰাধিকাৰ-৩ প্ৰকল্প সম্পূৰ্ণ কৰাৰ বাবে পথনক্সা ঘোষণা কৰা হৈছে। নগৰ অঞ্চলত 'কাৰ্বন ফুটপ্ৰিণ্ট' হ্ৰাস কৰিবলৈ অহা ৫ বছৰত ১০৬ খন মহানগৰত ৮০ হাজাৰ কোটি (১১.৯৪ ডলাৰ) বিনিয়োগেৰে ৮ হাজাৰ কিলোমিটাৰ পদপথ আৰু অধিক সংখ্যক চাইকেল ট্ৰেক নিৰ্মাণ কৰাৰ কথা ঘোষণা কৰিছে।

ত্ৰয়োদশ পঞ্চ বাৰ্ষিক পৰিকল্পনাৰ (২০১৭-২২) কালছোৱাত ভাৰতৰ শক্তি সঞ্চাৰণ খণ্ডত কেন্দ্ৰীয় বিদ্যুৎ প্ৰাধিকৰণে (চি ই এ) বিনিয়োগ কৰিবলগীয়া পুঁজিৰ পৰিমাণ ২.৬ লাখ কোটি টকালৈ (৩৮.৮৫ বিলিয়ন ডলাৰ) বৃদ্ধি পাব। এই বিদ্যুৎ সঞ্চাৰণ সামৰ্থ্য আন্তঃআঞ্চলিক সংযোগ ভিত্তিত ৪৫,৭০০ মেগাৱাটলৈ বৃদ্ধি হোৱাৰ আশা কৰা হৈছে।

৭৫টা ৰাজহুৱা পুঁজিৰে বিনিয়োগ হোৱা ৰাজপথ প্ৰকল্পৰ ৩৫ হাজাৰ কোটি টকা (৫.৩২ বিলিয়ন ডলাৰ) ৰ ট'ল অপাৰেট ট্ৰেন্সফাৰ (টি অ' টি) পদ্ধতিৰে নগদীকৰণ হোৱাৰ ফলত ২,৭০০ কিলোমিটাৰ ৰাজপথ নিৰ্মাণৰ বাবে পৰ্যাপ্ত পুঁজি আহৰণ কৰিব পৰা যাব।

২০১৭-২০ চনৰ কালছোৱাত মূল নগৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে 'অটল মিছন ফৰ ৰিজুভিনেচন এণ্ড আৰবান ট্ৰেন্সফৰ্মেচন' (AMRUT) আঁচনিৰ অধীনত কেন্দ্ৰীয় নগৰ উন্নয়ন মন্ত্ৰণালয়ে ছখন ৰাজ্যত ২,৮৬৩ কোটি টকা (৪৩৩ মিলিয়ন ডলাৰ) বিনিয়োগ কৰিবলৈ অনুমোদন জনাইছে।

ভাৰতৰ বিমান বন্দৰ কৰ্তৃপক্ষই (এ এ আই) ২০১৭-১৮ বৰ্ষৰ বাবে ইয়াৰ মূলধনী ব্যয় ২৫ শতাংশ বৃদ্ধি কৰি ২৫ হাজাৰ কোটি টকালৈ (০.৩৭ বিলিয়ন ডলাৰ) নিৰ্দ্ধাৰণ কৰাৰ পৰিকল্পনা গ্ৰহণ কৰিছে। এ এ আইৰ অধ্যক্ষই বৰ্দ্ধিত বিমান সেৱা সুচল

কৰিবলৈ ১২ টা বিমান বন্দৰৰ পৰিসৰ বৃদ্ধি কৰিবলৈ মূলতঃ এই ধন বৃদ্ধি কৰা হ'ব। বিমান বন্দৰ কৰ্তৃপক্ষই দেশৰ ১৩ টা আঞ্চলিক বিমান বন্দৰৰ আশে-পাশে হোটেল, কাৰ পাৰ্ক আৰু অন্যান্য সা-সুবিধা গঢ় দিবলৈ ব্যক্তিগত কোম্পানীৰ সহযোগিতা গ্ৰহণ কৰিব যাতে বিমান সেৱাৰ বাহিৰেও অন্যান্য উৎসৰ পৰাও ৰাজহ সংগ্ৰহ কৰিব পৰা যায়।

কেন্দ্ৰীয় চৰকাৰে দেশৰ বিভিন্ন ঠাইত ১০০ খন স্মাৰ্ট চিটি উন্নয়নৰ বাবে ৫০ হাজাৰ কোটি (৭.৩৪ বিলিয়ন ডলাৰ) আছুতীয়াকৈ ধাৰ্য কৰিছে। চৰকাৰে দেশৰ ৰাষ্ট্ৰীয় ঘাইপথৰ উন্নয়নৰ বাবে ৯৩ বিলিয়ন ডলাৰ ব্যয় নিৰ্দ্ধাৰণ কৰিছে। ইয়াৰ ভিতৰত চৰকাৰী ধ্বজাবাহী 'ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ প্ৰকল্প' (এন এইচ ডি পি)ও আছে য'ত অহা ৩ বছৰত ৪৫ বিলিয়ন ডলাৰ বিনিয়োগ কৰা হ'ব।

এইসমূহ পৰিসংখ্যাই আভাস দিয়ে যে বাজেটত আন্তঃগাঁথনি উন্নয়নৰ বাবে কিমান উদ্যোগ গ্ৰহণ কৰা হৈছে। যোৱা ৩টা বছৰে চৰকাৰে দেশৰ সামগ্ৰিক উন্নয়নৰ বাবে কৰা আহোপুৰুষাৰ্থ এই পৰিসংখ্যাই প্ৰতিপন্ন কৰে। ইয়াৰ ভিতৰত প্ৰয়োজনীয় আইনী আধাৰ, সিদ্ধান্ত গ্ৰহণত স্বচ্ছতা আৰু প্ৰকল্পসমূহত অনতিপলমে অনুমোদন জনোৱা আদিও অন্তৰ্ভুক্ত।

সম্প্ৰতি ভাৰতৰ বন্দৰ খণ্ডই অহা কেইবাবছৰমানৰ ভিতৰত উল্লেখনীয় অগ্ৰগতি অৰ্জন কৰাৰ সম্ভাৱনা পৰিলক্ষিত হৈছে। পূৰ্বানুমান অনুসৰি ২০১৭ চনৰ শেষলৈ মুখ্য বন্দৰেৰে মাল পৰিবহণৰ পৰিমাণ ৯৪৩.০৬ মেট্ৰিকটন আৰু সৰু বন্দৰেৰে ৮১৫.২০ টন হ'বগৈ।

এইবোৰৰ উপৰি ভাৰতৰ বিমান পৰিবহণৰ বজাৰখন ২০২০ চনলৈ বিশ্বৰ ভিতৰতে তৃতীয় বৃহত্তম বুলি পৰিগণিত হ'ব বুলি আশা কৰা হৈছে। এই খণ্ডই ৩৩৬ নিযুত ঘৰুৱা আৰু ৮৫ নিযুত আন্তঃৰাষ্ট্ৰীয় যাত্ৰীক সেৱা আগবঢ়াই আহিব বুলি ধাৰণা কৰা হৈছে। ইয়াৰ বাবে প্ৰক্ষেপিত বিনিয়োগ ধাৰ্য কৰা হৈছে ১২০ বিলিয়ন ডলাৰ। যোৱা ৩ বছৰত আন্তঃগাঁথনি উন্নয়নৰ দ্ৰুতগতিয়ে অৰ্থনীতিক নতুন মাত্ৰা প্ৰদান কৰি উচ্চ হাৰৰ বিকাশৰ দিশে লৈ যাব। ৰাজপথ খণ্ডৰ অধীনত নিতৌ ২-৩ কিলোমিটাৰ পথ নিৰ্মাণ কৰি থকা হৈছিল যদিও সম্প্ৰতি এই সংখ্যা বৃদ্ধি হৈ দৈনিক ৪০ কিলোমিটাৰৰো অধিক হৈছেগৈ। এই সংখ্যা আগলৈ অধিক বৃদ্ধি পাব বুলি আশা কৰা হৈছে। আন্তঃগাঁথনিৰ উন্নয়ন এতিয়া দৃশ্যমান হৈছে। ৰাজপথ, ৰে'লসেৱা, বন্দৰ, মেট্ৰ'ৰে'ল আদি যিকোনো খণ্ডতে এই উন্নয়ন দ্ৰুত গতিত অব্যাহত আছে। ❐

---

**(১৫ পৃষ্ঠাৰ পৰা)**

এই মূল আয় স্থিৰ কৰি সকলো নহ'লেও কিছুসংখ্যক জনকল্যাণমূলক আঁচনি আঁতৰাই দিব লাগে। তেওঁৰ মতে ৰাজহুৱা শিক্ষা, স্বাস্থ্য সেৱা, শিশুৰ পৰিপুষ্টি আঁচনি আৰু ৰাজহুৱা কৰ্ম নিযুক্তি নিশ্চিত আঁচনিসমূহ অব্যাহত থাকিব লাগে। ৰাজহ কাৰ্যকাৰিতা সন্দৰ্ভত ক'ব পাৰি যে যদি ইউ বি আইৰ পৰিমাণ ২০১৪-১৫ বৰ্ষত মুদ্ৰাস্ফীতিৰ সূচক ১০,০০০ টকা বছৰি প্ৰত্যেক ব্যক্তিৰ বিপৰীতে কৰা হয়, তেন্তে এই ধন সেই বৰ্ষৰ মুঠ ঘৰুৱা উৎপাদনৰ ১০ শতাংশ হ'ব। পাশ্চদমুখী ৰাজসাহায্য আৰু অদক্ষ কল্যাণমূলক আঁচনিৰ বিপৰীতে এই ধন নিয়ন্ত্ৰিত কৰিব পৰা যাব।

অভিজিৎ বেনাৰ্জী (২০১৬) আৰু মৈত্ৰীশ ঘটক (২০১৬) ৰ পৰ্যবেক্ষণ অনুসৰি এম জি এনৰেগা আৰু ৰাজহুৱা বিতৰণ ব্যৱস্থা (পিডিএছ)ক ভুলকৈ এতিয়াও লক্ষ্য কৰি লোৱা হৈছে আৰু দেশখনে ৰাজসাহায্য কৰ্তন, ধনৰ অপচয় হ্ৰাস কৰাৰ লগতে কৰ পদ্ধতিৰ সংস্কাৰ সাধন কৰি এটা মূল আয় নিৰ্দ্ধাৰণ কৰিব পাৰে। দেৱৰাজ ৰায়ে (২০১৬) ব্যক্ত কৰা মত অনুসৰি নাগৰিকসকলক প্ৰদান কৰিবলগীয়া ইউ বি আই আধাৰ আৰু উন্নত ইলেকট্ৰনিক ধন আদায় আন্তঃগাঁথনিৰে সংযোগ কৰি দেশৰ মুঠ ঘৰুৱা উৎপাদনৰ শতাংশ-ৰূপে স্থিৰ কৰিব পৰা যায়। ইউ বি আইৰ ফলত আমোলাতান্ত্ৰিক জটিলতা হ্ৰাস পাব আৰু ই দেশক দাৰিদ্ৰ্যৰে যুঁজাত সহায় কৰিব পাৰিব। ইউ বি আইৰ মূল সুবিধা হ'ল ইয়াৰ জৰিয়তে যি ধন স্থানান্তৰিত হ'ব, সেয়া সাৰ্বজনীন। অৰ্থনৈতিক বিকাশৰ প্ৰক্ৰিয়াত পৰিলক্ষিত ক্ৰমবৰ্দ্ধমান অসমতা পূৰাবলৈ ইউ বি আয়ে ভূমিকা গ্ৰহণ কৰিব পাৰে।

ৰাজহ সুদৃঢ়কৰণ আৰু ৰাজহ নীতিৰ প্ৰেক্ষাপটত; ভাৰতে ৰাজহ ঘাটি ৩ শতাংশৰ তলত অক্ষুণ্ণ ৰখা প্ৰয়োজন। ডিজিটেলাইজেচনৰ ফলত ৰাজসাহায্য ব্যৱস্থাপনা পদ্ধতি সৰলীকৃত হৈছে। তদুপৰি ই বিত্তীয় অন্তৰ্ভুক্তিক উৎসাহ প্ৰদান কৰাৰ লগতে সম্পদসমূহৰ ফলপ্ৰসূ ব্যৱহাৰ নিশ্চিত কৰিছে। ❐

# কৃষি উৎপাদন বৃদ্ধিৰ ক্ষেত্ৰত কৃষি বিষয়ক উপজ সামগ্ৰীৰ গুৰুত্বপূৰ্ণ বৰঙণি

**বসন্ত পি গান্ধী***

**পাতনি**

ওপজ সামগ্ৰীয়ে ভাৰতৰ কৃষিত উৎপাদন বৃদ্ধিৰ ক্ষেত্ৰত প্ৰভূতভাৱে বৰঙণি যোগাইছে। তেনেদৰে ই উৎপাদনশীল গুণৰো সমৃদ্ধি সাধন কৰিছে আৰু সেয়ে এই ওপজ সামগ্ৰী ভাৰতীয় কৃষিৰ ৰাজহাড়স্বৰূপ হৈ পৰিছে। দেশখনত সেউজ বিপ্লৱৰ সূচনাৰ মূলতে হ'ল এই ওপজ সামগ্ৰী। অধ্যয়নৰপৰা দেখা যায় যে উচ্চ উৎপাদনক্ষম জাতৰ বীজ, সাৰ আৰু জলসিঞ্চনে বিশেষকৈ উৎপাদন বৃদ্ধিৰ ক্ষেত্ৰত এটা বৃহৎ ভূমিকা গ্ৰহণ কৰিছিল; আৰু তাৰ ফলস্বৰূপেই দেশৰ খাদ্য উৎপাদন খৰতকীয়াকৈ বৃদ্ধি হোৱাত উৎসাহিত কৰিছিল। সেই প্ৰক্ৰিয়াৰ অবিৰত অৱলম্বন ক্ৰমে ওপজ সামগ্ৰীৰ ব্যৱহাৰ ব্যাপকভাৱে কৰিবলৈ লোৱা হয়। উদাহৰণ স্বৰূপে ঘেঁহু খেতিত সাৰৰ ব্যৱহাৰ ১৯৫০-৫১ বৰ্ষৰ কালছোৱাত প্ৰতিহেক্টৰ মাটিত ২ কিলোগ্ৰামতকৈ কম পৰিমাণহে প্ৰয়োগ কৰা হৈছিল; কিন্তু ১৯৯৮-৯৯ বৰ্ষৰ কালছোৱাত ইয়াৰ মাত্ৰা প্ৰতি হেক্টৰ ভূমিত ১৩৭ কিলোগ্ৰামলৈ বৃদ্ধি কৰা হয়। তেনেদৰে উচ্চ উৎপাদনক্ষম সঁচৰ বীজ ১৯৫০-৫১ বৰ্ষৰ কালছোৱাত ব্যৱহাৰ কৰা হোৱা নাছিল, কিন্তু ১৯৬০-৬১ বৰ্ষৰ কালছোৱাত কৃষি ভূমিৰ ৮৮ শতাংশ ভাগত ইয়াৰ খেতি কৰা হয়। জলসিঞ্চনৰ পৰিব্যাপ্তি ঘেঁহু খেতিত ৩৪ শতাংশৰ পৰা ৮৯ শতাংশলৈ কৰা হয়।

জনসংখ্যা বৃদ্ধি আৰু তাৰ লগতে উপাৰ্জনৰ মাত্ৰাও বাঢ়ি যোৱা ক্ৰমে জীৱন ধাৰণৰ উন্নত উপায়ৰ বিষয়টো চিন্তা কৰিব লগা হয়; কাৰণ ভূমি আৰু জলৰ দৰে মূল প্ৰাকৃতিক সম্পদৰাজিৰ নাটনিৰ সমস্যাটো আহি পৰে আৰু সেইটোৱেই ভাৰতত কৃষিৰ আধুনিকীকৰণ কৰা তথা ওপজ সামগ্ৰী বৃদ্ধিৰ বাবে এটা বৃহৎ চালিকা শক্তি হৈ পৰে। উৎপাদন বৃদ্ধিৰ উৎস ৰূপে কৃষি ভূমি অঞ্চলৰ সীমাবদ্ধতা বিষটোৱে উৎপাদনৰ ক্ষেত্ৰত কঠিনতা আনি দিয়ে আৰু সেই কঠিনতাই অন্য পথ বাছি লোৱা দিশ সূচনা কৰে। ফলক্ৰমে বিজ্ঞান আৰু প্ৰযুক্তিৰ ওপৰত অধিকভাৱে আলোকপাত কৰাৰ পথ প্ৰশস্ত কৰে আৰু তেনে পথে ন ন দিশ উদ্ভাসিত কৰি তোলে। প্ৰযুক্তি আৰু ওপজ সামগ্ৰীৰ ক্ষেত্ৰত বহু বিষয় আৱিষ্কৃত হয়। তাৰ ভিতৰত এইকেইটা উল্লেখ কৰিব পাৰি—

* ভাল সঁচ/অধিক উৎপাদনক্ষম জাতৰ বীজ
* কৰৰ জৰিয়তে ভাল পৌষ্টিক পুলি
* জল উৎস প্ৰযুক্তি আৰু ব্যৱস্থাপনাৰ জৰিয়তে জল যোগানৰ সু-ব্যৱস্থা
* কীটনাশক দ্ৰব্যৰ জৰিয়তে ভাল ধৰণে কীট-পতঙ্গৰ নিয়ন্ত্ৰণ
* সমুচিতভাৱে কায়িক শ্ৰম তথা সময়ৰ সদ্ব্যৱহাৰৰ অৰ্থে পামত বিদ্যুৎ শক্তি আৰু যান্ত্ৰিক ব্যৱস্থাৰ প্ৰয়োগ।

সাম্প্ৰতিক কালত কৃষিৰ বিকাশ সাধনৰ অৰ্থে যিবোৰ প্ৰয়াস কৰা হয় সেয়া কেৱল চৰকাৰী স্তৰ আৰু চৰকাৰী প্ৰতিষ্ঠানসমূহৰ মাজতেই সীমাবদ্ধ হৈ নেথাকে— ব্যক্তিগত খণ্ডৰ উদ্যোগ তথা বাণিজ্যিক প্ৰতিষ্ঠানো সেই কামত জড়িত হয়। ধন বিনিয়োগ, নব্য সৃষ্টি আদিৰ জৰিয়তে এনে উদ্যোগসমূহে বৰঙণি যোগায়। ফলস্বৰূপে বিভিন্নধৰণৰ নতুন কৃষি উদ্যোগ আৰু কৃষি-বাণিজ্যৰ বিকাশক উজ্জীৱিত কৰি তুলিছে। ইয়াৰ ভিতৰত বীজ উদ্যোগ, সাৰ কাৰখানা, জলসিঞ্চনৰ সা-সৰঞ্জাম আৰু নিৰ্মাণ উদ্যোগৰ কথা উল্লেখ কৰিব পাৰি। তেনেদৰে কৃষি-ৰাসায়নিক উদ্যোগ, ফাৰ্মৰ মেচিন সামগ্ৰী নিৰ্মাণ উদ্যোগ আৰু আন বহুতৰে নাম ল'ব পাৰি। এইবোৰে এতিয়া কৃষিৰ ক্ষেত্ৰত ভূমি আৰু সম্পদৰ যি সীমাবদ্ধতাই দেখা দিছিল তাক দূৰীকৰণ কৰাত বিপুলভাৱে বৰঙণি যোগায়। এইবোৰ গুৰুত্বপূৰ্ণ উদ্যোগৰ বৈশিষ্ট্যপূৰ্ণ বৰঙণিৰ অবিহনে এতিয়া তথা ভৱিষ্যতেও বিশ্ববাসীক খুওৱাৰ কথাটো ভাবিবই নোৱাৰি। সেয়ে এই প্ৰবন্ধটোত তেনে উদ্যোগৰ মহত্বলৈ চাই ভাৰতীয়

---

*লেখক গান্ধী নাবাৰ্ডৰ চেয়াৰ প্ৰফেচাৰ তথা আহমদাবাদৰ ইণ্ডিয়ান ইনষ্টিটিউট অৱ মেনেজমেন্টৰ কৃষি ব্যৱস্থাপনা বিষয়ক কেন্দ্ৰৰ অধ্যক্ষ। এই প্ৰবন্ধটো নাবাৰ্ডৰ বাবে লেখকে কৰা গৱেষণাৰ ওপৰত আলোকপাত কৰি যুগুতোৱা হৈছে।

১ নং তালিকা ঃ নিৰ্বাচিত কৃষিজাত ওপজ সামগ্ৰীৰ শেহতীয়া বিকাশ

| বৰ্ষ | প্ৰমাণিকৃত গুণবিশিষ্ট বীজ বিক্ৰী (লাখ কুইণ্টল হিচাপত) | পৌষ্টিকতাৰ হিচাপত সাৰৰ ব্যৱহাৰ | টেকনিকেল গ্ৰেডৰ কীটনাশক দ্ৰব্যৰ বিক্ৰী (হেজাৰ টন হিচাপত) | ভূগৰ্ভস্থ জলসিঞ্চন (নাদ আৰু নলী নাদ) মুঠ জলসিঞ্চিত এলেকা লাখ হেক্টৰ | হেজাৰ হিচাপত ট্ৰেক্টৰৰ বিক্ৰী |
|---|---|---|---|---|---|
| ১৯৮১-৮২ | পোৱা নাই | ৬০.৬ | ৪৭.০ | ১৮৭.৪ | পোৱা নাই |
| ১৯৮৩-৮৪ | ৪৫.০ | ৭৭.১ | ৫৫.০ | ১৯৩.৯ | ৭৪.৩ |
| ১৯৯১-৯২ | ৪৭.৫ | ১২৭.৩ | ৭২.১ | ২৬০.৪ | ১৫০.৬ |
| ২০০১-০২ | ৯১.৮ | ১৭৩.৬ | ৪৭.০ | ৩৫১.৮ | ২২৫.৩ |
| ২০০৫-০৬ | ১২৬.৮ | ২০৩.৪ | ৩৯.৮ | ৩৬০.৭ | ২৯৬.১ |
| ২০১০-১১ | ২৭৭.৩ | ২৮১.২ | ৫৫.৫ | ৩৯০.৬ | ৫৪৫.১ |
| ২০১১-১২ | ২৯৪.৯ | ২৭৭.৯ | ৫৩.০ | ৪০৫.৪ | ৬০৭.৭ |
| ২০১২-১৩ | ৩১৩.৪ | ২৫৮.০ | ৪৫.৬ | ৪১২.৬ | ৫৯০.৭ |
| ২০১৩-১৪ | ৩০১.৪ | ২৩৯.৬ | ৫৮.২ | পোৱা নাই | ৬৯৬.৮ |
| ২০১৪-১৫ | পোৱা নাই | ২৫৫.৮ | পোৱা নাই | পোৱা নাই | ৬২৬.৮ |
| বৃদ্ধি গুণীতক | × ৬.৭ | × ৪.২ | × ১.২ | × ২.২ | × ৮.৪ |

**উৎস ঃ গান্ধী (২০১৪), ভাৰত চৰকাৰৰ অৰ্থনীতি তথা পৰিসংখ্যা সঞ্চালকালয় আৰু ফাৰ্টিলাইজাৰ এছোচিয়েচন অব ইণ্ডিয়া, ২০১৩**

জনগণৰ বাবে খাপ খুৱাকৈ কৃষিজাত ওপজ সামগ্ৰীৰ বিকাশ আৰু গতিধাৰা সম্পৰ্কে চালি-জাৰি চাবলৈ লোৱা হৈছে। সেই ওপজ সামগ্ৰীসমূহৰ ভিতৰত হ'ল, সাৰ, বীজ, কীটনাশক দ্ৰব্য আৰু ফাৰ্মৰ বিদ্যুৎ তথা মেচিন সামগ্ৰীকো ধৰা হৈছে। কাৰণ এইবোৰ ভাৰতীয় কৃষিত অতি গুৰুত্বপূৰ্ণ তথা অতিৰিক্ত উপচাৰ ৰূপে সাঙুৰ খাই আছে।

১নং তালিকাত কিছুমান গুৰুত্বপূৰ্ণ ওপজ-সামগ্ৰীৰ এখন ছবি দাঙি ধৰা হৈছে। ইয়াৰ সময় আবৰ্ত কাল হ'ল আশী দশকৰ আগভাগৰপৰা ২০১৪-১৫ বৰ্ষলৈকে। এই সময়ছোৱাত বীজৰ বাণিজ্যিকৰণৰ পৰিমাণ ৪৫.০ লাখ কুইণ্টলৰপৰা ৩০১.৪ লাখ কুইণ্টললৈ বৃদ্ধি পায়। মাত্ৰা হিচাপত এই বৃদ্ধি হ'ল ৬.৭ গুণ। তেনেদৰে সাৰৰ বাণিজ্যও ৪.২ গুণ বৃদ্ধি পায়। পৰিমাণৰ হিচাপত এই বৃদ্ধি হ'ল ৬০.৬ লাখ টনৰ পৰা ২৫৫.৮ লাখ টন। ভূগৰ্ভস্থ জলসিঞ্চন আৰু ইয়াৰ সা-সৰঞ্জামৰ ব্যৱসায়ৰ পৰিমাণ দুগুণ হয় আৰু তাৰদ্বাৰাই পৰিব্যাপ্ত কৰা কৃষি এলেকা ১৮৭.৪ লাখ হেক্টৰৰ পৰা ৪১২.৬ হেক্টৰলৈ বৃদ্ধি পায়। ট্ৰেক্টৰৰ বেচা-কিনা কৰাৰ ক্ষেত্ৰত— য'ত কৃষি ভূমিৰ মেচিন সামগ্ৰীৰ গুৰুত্ব অধিক— ৮ গুণ বৃদ্ধি পায়। লেখৰ হিচাপত ৭৪.৩ হেজাৰ ট্ৰেক্টৰৰ পৰা ৬২৬.৮ হেজাৰ ট্ৰেক্টৰলৈ বিক্ৰী বৃদ্ধি হয়।

## জলসম্পদ

কৃষিৰ বাবে জল হ'ল এটা মূল আধাৰ স্বৰূপ। ওপজ সামগ্ৰীৰ ভিতৰত ইয়াৰ গুৰুত্ব সৰ্বাধিক। ২নং তালিকাত মুঠ জলসিঞ্চিত অঞ্চলৰ পৰিসংখ্যা দাঙি ধৰা হৈছে; আৰু সেই পৰিসংখ্যাৰ পৰা এইটো স্পষ্ট যে তেনে জলসিঞ্চিত অঞ্চল প্ৰায় তিনিটা দশক কালত যথেষ্ট বৃদ্ধি পায়। ১৯৮০-৮১ বৰ্ষৰ কালছোৱাত পৰিব্যাপ্ত কৰা এই অঞ্চলৰ সংখ্যা আছিল ৩৮ নিযুত হেক্টৰ। কিন্তু ২০১২-১৩ বৰ্ষৰ কালছোৱাত জলসিঞ্চন ব্যৱস্থাৰদ্বাৰা সামৰি লোৱা অঞ্চল হয়গৈ ৬৬ নিযুত হেক্টৰ কৃষিভূমি। জলসিঞ্চিত অঞ্চলৰ বৃদ্ধিৰ গতি কেইটামান বছৰত বেচ স্থিৰ হয় আৰু সেই স্থিৰতাৰ ওপৰত গইনা লৈ ২০১০-১১ বৰ্ষৰ কালছোৱাৰ পিছত বছৰি ১.৯০ শতাংশকৈ বাঢ়ি যায়। মুঠ জলসিঞ্চিত অঞ্চল ১৯৮০-৮১ চনৰ ৪৯ নিযুত হেক্টৰৰপৰা ২০১২-১৩ চনত ৯২ নিযুত হেক্টৰলৈ বৃদ্ধি পায় (১ নং গ্ৰাফিক চিত্ৰত দেখুওৱা হৈছে)। আশী তথা নব্বৈ দশকৰ কালছোৱাত এই বৃদ্ধিৰ গতি যথেষ্ট খৰতকীয়া হয়। তাৰ হাৰ হ'ল বাৰ্ষিক প্ৰায়

২.৩ শতাংশ; কিন্তু পৰৱৰ্ত্তী দশকৰ কালছোৱাত ইয়াৰ গাত বছৰি প্ৰায় ১.৮ শতাংশলৈ অৱনমিত হয়। অৱশ্যে ২০১০-১১ বৰ্ষৰ পিছত পুনৰ ২.৫ শতাংশ গতি লাভ কৰে। শতাংশ হিচাপত জলসিঞ্চনৰ ব্যৱস্থা কৰা মুঠ-এলেকা ১৯৮০-৮১ বৰ্ষৰ শতাংশৰ পৰা ২০১২-১৩ বৰ্ষৰ কালছোৱাত ৪৭.৬ শতাংশলৈ বৃদ্ধি পায়। পিছে ২০০০-০১ বৰ্ষৰ পৰা ২০১০-১১ বৰ্ষৰ কালছোৱাত জলসিঞ্চিত এলেকাৰ বৃদ্ধি কিছু লেহেমীয়া হয় ১.১৪ শতাংশ। কিন্তু ২০১০-১১ বৰ্ষৰ পিছৰ পৰা ২.৮৮ শতাংশলৈ গতি লাভ কৰে।

ইয়াৰ পৰা এইটো স্পষ্ট যে জলসিঞ্চনৰ ক্ষেত্ৰত যি বৃদ্ধিৰ গতিয়ে পুনৰ স্থিতি লাভ কৰে সেয়া হ'ল ইতিবাচক দিশ। এই জলসিঞ্চিত এলেকাবোৰত ভাল উৎপাদন হোৱাৰ কাৰণ হ'ল শেহতীয়া বছৰকেইটাত জল সম্পদ সংৰক্ষণ কৰা ব্যৱস্থা উন্নত কৰাৰ প্ৰয়াস আৰু উপযুক্ত জলৰ ব্যৱহাৰ কৰাৰ প্ৰতি মনোযোগ দিয়াটো। এই ক্ষেত্ৰত অংশগ্ৰহণমূলক জলসিঞ্চন ব্যৱস্থাপনাক উৎসাহ-উদগণি দিয়া, জলচ্ছেদ বিকাশ তথা জলসিঞ্চন প্ৰযুক্তিৰ ব্যৱহাৰ বিষয়বোৰো জড়িত আছে আৰু তেনে সংৰক্ষণ প্ৰযুক্তিৰ ভিতৰত 'ড্ৰিপ' আৰু 'স্প্ৰিংকল' অৰ্থাৎ সিঁচৰতি কিম্বা সিঞ্চন জল ব্যৱস্থাৰ কথা উল্লেখ কৰিব পাৰি।

৩নং তালিকাত জলসিঞ্চনৰ উৎস আৰু গতিধাৰাৰ বিষয়ে উল্লেখ কৰা হৈছে। এই তালিকাখনত দেখা গৈছে যে সম্প্ৰতি জলসিঞ্চিত অঞ্চলৰ প্ৰায় ২৪ শতাংশ খালৰ জৰিয়তে জলসিঞ্চনৰ যোগান ধৰা হয় আৰু প্ৰায় ৬২ শতাংশ নাদসমূহৰ জৰিয়তে যোগান ধৰা হয়। খালৰদ্বাৰা যোগান ধৰা অঞ্চলত -০.১৫ শতাংশৰ এটা নেতিবাচক গতিধাৰা পৰিলক্ষিত হয়; কিন্তু ২০০০-০১ আৰু ২০১০-১১ বৰ্ষৰ মাহৰ কালছোৱাত

**২ নং তালিকা ঃ জলসিঞ্চিত এলেকাসমূহত অগ্ৰগতি**

**হেজাৰ হেক্টৰ হিচাপত**


| বৰ্ষ | বীজ সিঁচা মুঠ অঞ্চল | প্ৰকৃত শস্য ক্ষেত্ৰ | শস্যৰ বিস্তৃত (%) | প্ৰকৃত জলসিঞ্চিত অঞ্চল | মুঠ জলসিঞ্চিত অঞ্চল | জলসিঞ্চনৰ বিস্তৃতি (%) | শতাংশ হিচাপত জলসিঞ্চিত অঞ্চল | |
|---|---|---|---|---|---|---|---|---|
| | | | | | | | প্ৰকৃত | সৰ্বমুঠ |
| ১৯৮০-৮১ | ১১৪০২৮৮ | ১৭২৬৩০ | ১২৩.১ | ৩৮৭২০ | ৪৯৭৭৫ | ১২৮.৬ | ২৭.৬ | ২৮.৮ |
| ১৯৯০-৯১ | ১৪২৮৭০ | ১৮৫৭৪২ | ১৩০.০ | ৪৮০২৩ | ৬৩২০৪ | ১৩১.৬ | ৩৩.৬ | ৩৪.০ |
| ২০০০-০১ | ১৪১১৩৬ | ১৮৫৩৪০ | ১৩১.১ | ৫৫২০৫ | ৭৬১৮৭ | ১৩৮.০ | ৩৯.১ | ৪১.১ |
| ২০০৫-০৬ | ১৪১১৬২ | ১৯২৭৩৭ | ১৩৬.৫ | ৬০৮৩৭ | ৮৪২৮০ | ১৩৮.৫ | ৪৩.১ | ৪৩.৭ |
| ২০১০-১১ | ১৪১৫৬৩ | ১৯৭৫৬৩ | ১৩৯.৬ | ৬৩৬৫৭ | ৮৮৮৮৭ | ১৩৯.৬ | ৪৫.০ | ৪৫.০ |
| ২০১১-১২ | ১৪০৯৭৪ | ১৯৫৬৩২ | ১৩৮.৮ | ৬৫৬৯৩ | ৯১৭২৯ | ১৩৯.৬ | ৪৬.৬ | ৪৬.৯ |
| ২০১২-১৩ | ১৩৯৯৩২ | ১৯৪৩৯৯ | ১৩৮.৯ | ৬৬১০৩ | ৯২৭২৫ | ১৪০.০ | ৪৭.২ | ৪৭.৬ |

**বাৰ্ষিক উৎপাদন বৃদ্ধি হাৰ**

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| ১৯৮০-৮১ -২০১২/১৩ | -০.০২ | ০.৩৬ | ১.৩৮ | ১.৬৬ | ১.৯৭ | ০.৩০ | ১.৬৮ | ১.৬১ |
| ১৯৮০/৮১ -১৯৯০/৯১ | -০.০২ | -০.৫০ | ০.৫২ | ১.৯১ | ২.৩৩ | ০.৪১ | ১.৯৩ | ১.৮২ |
| ১৯৯০/৯১ -২০০০/০১ | -০.০৭ | -০.২৪ | ০.৩১ | ১.৭০ | ২.২৬ | ০.৫৫ | ১.৭৭ | ২.০১ |
| ২০০০/০১ -২০১০/১১ | ০.১৬ | ০.৬৯ | ০.৫২ | ১.৬৬ | ১.৮৩ | ০.১৭ | ১.৪৯ | ১.১৪ |
| ২০১০/১১ ২০১২/১৩ | -০.৩৮ | -০.৮০ | -০.২৫ | ১.৯০ | ২.০৫ | ০.১৫ | ২.৫০ | ২.৮৮ |

**উৎস ঃ কৃষি মন্ত্ৰণালয়, ভাৰত চৰকাৰ**

**গ্ৰাফিক চিত্ৰ-১ ঃ প্ৰকৃত আৰু মুঠ জলসিঞ্চিত অঞ্চলৰ গতিধাৰা**




এই ধাৰাৰ বিপৰীত স্থিতিত ইতিবাচক ০.৭৫ শতাংশৰ গতিধাৰা পৰিলক্ষিত হয়। আনহাতে নাদসমূহৰ (ভূগৰ্ভস্থ জল) দ্বাৰা জল যোগান ধৰা অঞ্চলৰ বিস্তৃতি সাধন খৰতকীয়াকৈ হয়। ইয়াৰ হাৰ আশী আৰু নব্বৈ দশকত ৩ শতাংশতকৈ অধিক হয়। কিন্তু ২০০০-০১ আৰু ২০১০-১১ বৰ্ষৰ মাজত এই গতিধাৰা খৰতকীয়াকৈ অৱনমিত হয়। পৰৱৰ্তী সময়ত পুনৰুজ্জীৱিত হৈ ই ২.৬৩ শতাংশ গতি লাভ কৰে। এই বৃদ্ধিৰ প্ৰধান চালিকা শক্তি হ'ল নলীনাদৰদ্বাৰা কৰা জলসিঞ্চন। এই জলসিঞ্চন খৰ গতিৰে বিস্তাৰিত হয়। তাৰ হাৰ আশী আৰু নব্বৈ দশকত হ'ল ৪ শতাংশতকৈ অধিক। কিন্তু ২০০০-০১ আৰু ২০১০-১১ বৰ্ষৰ কালছোৱাত ২.২৭ শতাংশ অৱনমিত হোৱাৰ পাছত পুনৰ ৩.৩৬ শতাংশৰ স্থিতি লাভ কৰে (২নং গ্ৰাফিক চিত্ৰত চাওক)।

২নং গ্ৰাফিক চিত্ৰৰ পৰা এইটো পৰিলক্ষিত হয় যে শেহতীয়া দশক-কেইটাত ভূগৰ্ভস্থ জলৰ অধিকভাৱে বৃদ্ধি পায়। অৱশ্যে ২০০০-০১ আৰু ২০১০-১১ বৰ্ষৰ কালছোৱাৰ মাজত ইয়াৰ গতি কিছু অৱনমিত হয়। এই নিম্নগামী হোৱাৰ কাৰণ বাস্তৱ ক্ষেত্ৰত দেখা দিয়া কিছুমান কঠিনতাৰ সন্মুখীন হোৱাটোকে বুজায়। পিছে ২০১০-১১ বৰ্ষৰ পাছত ভূগৰ্ভস্থ জলৰদ্বাৰা সাধন কৰা জলসিঞ্চনৰ বৃদ্ধিৰ গতিয়ে বোধহয় ভাল ব্যৱস্থাপনা আৰু ভূগৰ্ভস্থ জল অধিক উপযুক্তভাৱে ব্যৱহাৰ

**৩নং তালিকা ঃ জলসিঞ্চন উৎসৰদ্বাৰা জলসিঞ্চিত অঞ্চল** (হেজাৰ হেক্টৰ হিচাপত)


| বৰ্ষ | চৰকাৰী খাল | বেচৰকাৰী খাল | মুঠ খাল | পুখুৰী | নলী নাদ | অন্য নাদ | মুঠ নাদ | অন্য উৎস | প্ৰকৃত জলসিঞ্চিত অঞ্চল |
|---|---|---|---|---|---|---|---|---|---|
| ১৯৮০-৮১ | ১৪৪৫০ | ৮৪২ | ১৫২৯২ | ৩১৮২ | ৯৫৩১ | ৮১৬৪ | ১৭৬৭৫ | ২৫৫১ | ৩৮৭২০ |
| ১৯৯০-৯১ | ১৬৯৭৩ | ৪৮১ | ১৭৪৫৩ | ২৯৪৪ | ১৪২৫৭ | ১০৪৩৮ | ২৪৬৯৫ | ২৯৩২ | ৪৮০২৩ |
| ২০০০-০১ | ১৫৮০৯ | ২০৩ | ১৬০১২ | ২৪৬৬ | ২২৫৬৬ | ১১২৫২ | ৩৩৮১৮ | ২৯০৯ | ৫৫২০৫ |
| ২০০৫-০৬ | ১৬৪৯০ | ২২৭ | ১৬৭১৮ | ২০৮৩ | ২৬০২৬ | ১০০৪৪ | ৩৬০৭০ | ৫৯৬৬ | ৬০৮৩৭ |
| ২০১০-১১ | ১৫৪৭৬ | ১৭১ | ১৫৬৭৪ | ১৯৮০ | ২৮৫৪৪ | ১০৬৩০ | ৩৯১৭৫ | ৬৮৫৫ | ৬৩৬৫৭ |
| ২০১১-১২ | ১৫৮৩৮ | ১৭২ | ১৬০১০ | ১৯১৮ | ২৯৯৪২ | ১০৫১৫ | ৪০৫৩৭ | ৭২২৮ | ৬৫৬৯৩ |
| ২০১২-১৩ | ১৫৪৬৩ | ১৬৫ | ১৫০২৮ | ১৭৪৮ | ৩০৪৯৭ | ১০৭৬৪ | ৪১২৬১ | ৭৪৬৬ | ৬৬১০৩ |
| মুঠ জলসিঞ্চিত অঞ্চলত অংশ | ২৩.৩৯ | ০.২৫ | ২৩.৬৪ | ২.৬৪ | ৪৬.১৪ | ১৬.২৮ | ৬২.৪২ | ১১.৩০ | ১০০.০০ |

**বাৰ্ষিক বৃদ্ধি হাৰ**

| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| ১৯৮০-৮১ -২০১২/১৩ | -০.০৬ | -৪.২৬ | -০.১৫ | -২.০২ | ৩.৮৪ | ০.৬৯ | ২.৭৩ | ৩.৮৪ | ১.৬৬ |
| ১৯৮০/৮১ -১৯৯০/৯১ | ১.০৬ | -২.৭০ | ০.৯১ | -১.৫১ | ৪.০৯ | ১.৯৯ | ৩.১৮ | ২.২০ | ১.৯১ |
| ১৯৯০/৯১ -২০০০/০১ | -০.১৮ | -১০.৯২ | -০.৩৯ | -২.২৩ | ৪.৮২ | ১.৪৮ | ৩.৩৫ | -০.৩২ | ১.৭০ |
| ২০০০/০১ ২০১০-১১ | ০.৭৬ | -১.১৭ | ০.৭৪ | -১.৭০ | ২.২৭ | -০.৩৪ | ১.৪৮ | ৭.৭১ | ১.৬৬ |
| ২০১০/১১ ২০১২/১৩ | -০.০৫ | -১.৬৯ | -০.০৬ | -৬.০৪ | ৩.৩৬ | ০.৬৩ | ২.৬৩ | ৪.৩৬ | ১.৯০ |

**উৎসঃ ভাৰত চৰকাৰৰ কৃষি মন্ত্ৰণালয়, কেন্দ্ৰীয় জল আয়োগ, জল সম্পদ তথ্য পদ্ধতি, এম অ'এছ পি আই**

**২ নং গ্ৰাফিক চিত্ৰ ঃ উৎসৰদ্বাৰা সঞ্চালিত জলসিঞ্চিত অঞ্চল**




কৰাটোকে সূচায়। এইক্ষেত্ৰত বিশেষ-ভাৱে গ্ৰহণ কৰা প্ৰয়াসৰ কথাও ক'ব পাৰি। তেনে প্ৰয়াসৰ ভিতৰত উল্লেখযোগ্য হ'ল— কোনো কোনো ঠাইত বান্ধ বান্ধি ভূগৰ্ভস্থ জলৰাশিক পুনৰ গতিদান কৰা আৰু অন্য কিছুমান ঠাইত জলচ্ছেদ বিকাশৰ কাম-কাজ হাতত লোৱা তথা সিঞ্চিত জলসিঞ্চনৰ দৰে উপযুক্ত জলসিঞ্চন পদ্ধতি ব্যৱহাৰ কৰা।

**সাৰ**

কৃষিৰ কাৰণে সাৰ হ'ল বৰ গুৰুত্বপূৰ্ণ আধুনিক ওপজ উপাদান বিশেষ; কিয়নো ই মাটিত যি উৰ্বৰতাৰ অভাৱ থাকে সেই সমস্যা সমাধান কৰে। ফচল উৎপাদনৰ বাবে ইয়াৰ গুৰুত্ব অধিক। ৪নং তালিকাত এইটো স্পষ্ট যে সাৰৰ ব্যৱহাৰত যথেষ্ট খৰতকীয়াকৈ উৎপাদন বৃদ্ধি পায়। প্ৰায় ৪.৫ শতাংশ হাৰত এই বৃদ্ধি মন কৰিবলগা বিষয়। ১৯৮০-৮১ বৰ্ষ তথা ২০১৪-১৫ বৰ্ষৰ কালছোৱাৰ মাজত এই বৃদ্ধিৰ পৰিমাণ হ'ল ৫৫ নিযুত টনৰপৰা ২৫৫ নিযুত টন। ১৯৮০ দশকৰ কালছোৱাত সাৰৰ ব্যৱহাৰ অতি খৰ গতিৰে বৃদ্ধি পায়। এনে বৃদ্ধিৰ বাৰ্ষিক হাৰ হ'ল ৮ শতাংশতকৈও অধিক। পিছে নৱৈ দশকত ইয়াৰ গতি প্ৰায় ৪ শতাংশলৈ অৱনমিত হয়। কিন্তু তাৰ পাছত অৰ্থাৎ ২০০০-০১ আৰু ২০১০-১১ বৰ্ষৰ

## ৪নং তালিকা ঃ ভাৰতত পৌষ্টিক গুণৰ সাৰৰ ব্যৱহাৰ

(লাখ টন হিচাপত)

| বৰ্ষ | নাইট্ৰোজেনযুক্ত সাৰ | ফছফেটযুক্ত সাৰ | পটাছযুক্ত সাৰ | মুঠ সাৰ |
|---|---|---|---|---|
| ১৯৮০-৮১ | ৩৬.৭৮ | ১২.১৪ | ৬.২৪ | ৫৫.১৬ |
| ১৯৯০-৯১ | ৭৯.৯৭ | ৩২.২১ | ১৩.২৮ | ১২৫.৪৬ |
| ২০০০-০১ | ১০৯.২০ | ৪২.১৫ | ১৫.৬৭ | ১৬৭.০২ |
| ২০০৫-০৬ | ১২৭.২১ | ৫২.০৪ | ২৪.১৩ | ২০৩.৪০ |
| ২০১০-১১ | ১৬৫.৫৮ | ৮০.৫০ | ৩৫.১৪ | ২৮১.২২ |
| ২০১১-১২ | ১৭৩.০০ | ৭৯.১৪ | ২৫.৭৬ | ২৭৭.৯০ |
| ২০১২-১৩ | ১৮০.৩৬ | ৫৯.৫৫ | ১৮.১৩ | ২৫৮.০৪ |
| ২০১৩-১৪ | ১৬৫.২৫ | ৫৪.৫৮ | ১৯.৭৬ | ২৩৯.৫৯ |
| ২০১৪-১৫ | ১০৯.৪৫ | ৬০.৯৮ | ২৫.৩২ | ২৫৫.৭৬ |

**বাৰ্ষিক বৃদ্ধি হাৰ**

| | | | | |
|---|---|---|---|---|
| ১৯৮০/৮১ -২০১৪/১৫ | ৪.১২ | ৪.৮৭ | ৪.৫৪ | ৪.৪৯ |
| ১৯৮০/৮১ -১৯৯০/৯১ | ৭.৬৬ | ১০.১৭ | ৬.৯৬ | ৮.১৮ |
| ১৯৯০/৯১ -২০০০/০১ | ৪.১০ | ৪.১৭ | ৩.৩৬ | ৪.০৮ |
| ২০০০/০১ -২০১০/১১ | ৪.৭৯ | ৭.০৩ | ৯.৯৮ | ৫.৯৫ |
| ২০১০/১১ -২০১৪/১৫ | ১.৩১ | -৬.৪৪ | -১০.৫০ | -২.০৬ |

**টোকাঃ পি-প্ৰভিজনেল**

**উৎস ঃ ফাৰ্টিলাইজাৰ এছোচিয়েচন অব ইণ্ডিয়া, দিল্লী)**

মাজৰ কালছোৱাত সাৰ প্ৰয়োগৰ বৃদ্ধিৰ গতি প্ৰায় ৬ শতাংশলৈ উন্নীত হয়। কিন্তু ২০১০-১১ বৰ্ষৰ পাছত এটা নেতিবাচক গতিধাৰাই ঠাই লয় আৰু তাৰ ফলত সাৰৰ ব্যৱহাৰ যথেষ্টভাৱে হ্ৰাস পায়। তেতিয়া এই বৃদ্ধিৰ হাৰ -২.০৬ শতাংশলৈ হ্ৰাস পায়।


ফছফেটিক সাৰ -৬.৪৪ শতাংশ আৰু পটাছ সাৰ -১০.৫০ শতাংশলৈ অৱনমিত হয়। আনকি নাইট্ৰোজেনযুক্ত সাৰৰ বৃদ্ধি গতি ১.৩১ শতাংশলৈ পৰি আহে। ৩ নং গ্ৰাফিক চিত্ৰত সেই গতিধাৰা স্পষ্ট হৈ পৰিছে।

যি পৰিৱৰ্তন সাধন হৈছে সেয়া সাৰৰ ৰাজসাহায্য তথা মূল্য নিৰ্ণায়ক নীতিৰ পৰিৱৰ্তনৰ স'তে সম্পৰ্ক আছে। পৌষ্টিক ভিত্তিক ৰাজসাহায্য নীতি অৱলম্বন ক্ৰমে দুবিধ সাৰৰ ক্ষেত্ৰত ছাবচিডি অৰ্থাৎ ৰাজসাহায্যৰ পৰিমাণ যথেষ্টভাৱে হ্ৰাস কৰা হয়। সেই সাৰ দুবিধ হ'ল— ফছফেটিক সাৰ আৰু পটাছযুক্ত সাৰ। ইয়াৰ লগতে সেই দুবিধ সাৰক নিয়ন্ত্ৰণমুক্ত কৰা হয় আৰু এই পৰিৱৰ্তনৰ ফলত দুয়োবিধ সাৰৰ মূল্য খৰতকীয়াকৈ বাঢ়ি যায়। এই কাৰণতে ফছফেটিক সাৰ তথা পটাছযুক্ত সাৰৰ ব্যৱহাৰ সোনকালে হ্ৰাস পায় আৰু ইয়াৰ ফলত যি ভাৰসাম্যহীনতাই দেখা দিয়ে সেইটোৱে নাইট্ৰোজেনযুক্ত সাৰৰ উৎপাদনত প্ৰভাৱ পেলায়। ফলস্বৰূপে ইয়াৰ ব্যৱহাৰো কমি যায়। এই কাৰণতে ভাৰতীয় কৃষিয়ে পৌষ্টিক তথা মাটিৰ উৰ্বৰা শক্তিৰ সংকটৰ পিনে আগবাঢ়ি যাব পাৰে; আৰু সেইটোৱে হ'লে কৃষি উৎপাদনত এটা ভীষণ প্ৰভাৱ পৰিব পাৰে। সেইবাবে সাৰ নীতিৰ ক্ষেত্ৰত সংস্কাৰ সাধনৰ প্ৰয়োজন আছে।

### বীজ

ওপজ সামগ্ৰীৰ গুণগত দিশ এটা গুৰুত্বপূৰ্ণ বিষয়। এই দিশটোৰ ওপৰত কৃষি উৎপাদন বহুখিনি নিৰ্ভৰ কৰে। সেয়ে গুণমান বিশিষ্ট প্ৰমাণিকৃত বীজৰ প্ৰতি মনোযোগ- দিয়া কৰ্তব্য। তেনে বীজৰদ্বাৰাইহে উৎপাদন বৃদ্ধি হোৱাটো আশা কৰিব পাৰি। ৫নং তালিকাত ভাৰতত ব্যৱহৃত গুণগত বীজৰ গতিধাৰা সম্পৰ্কে দেখুওৱা হৈছে। ২০১২-১৩ বৰ্ষৰ কালছোৱাত বীজ বিতৰণৰ পৰিমাণ আছিল ৩১৩ লাখ কুইণ্টল; আৰু ইয়াৰ ভিতৰত সৰহভাগ আছিল ঘেঁহুজাতীয় খেতিৰ কাৰণে। পৰিমাণৰ হিচাপত ক'বলৈ গ'লে ২০৪ লাখ কুইণ্টল। সামগ্ৰিকভাৱে ১৯৯০-৯১ আৰু ২০১৩-১৪ বৰ্ষৰ মাজৰ কালছোৱাত তেনে বীজ ব্যৱহাৰৰদ্বাৰা উৎপাদনৰ গতি দ্ৰুতভাৱে বৃদ্ধি পায়। প্ৰতি বছৰে এই বৃদ্ধিৰ হাৰ হ'ল ৮.৪ শতাংশ। ২০০০-০১ আৰু ২০১০-১১ বৰ্ষৰ কালছোৱাত বিশেষকৈ দ্ৰুতভাৱে উৎপাদন হোৱা পৰিলক্ষিত হয়। সামগ্ৰিকভাৱে এই উৎপাদনৰ বৃদ্ধি হাৰ আছিল ১৩ শতাংশ। দাইল-মাহৰ ক্ষেত্ৰত ১৭ শতাংশ আৰু তৈলবীজৰ বৃদ্ধি গতি ১৬ শতাংশ আছিল (৪নং গ্ৰাফিক চিত্ৰৰ দ্ৰষ্টব্য)। কিন্তু

৩ নং গ্ৰাফিক চিত্ৰ ঃ সাৰৰ ব্যৱহাৰ




আঁহজাতীয় সামগ্ৰীৰ ক্ষেত্ৰত পৰিমাণৰ দিশৰ ফালৰ পৰা এই কালছোৱাত উৎপাদন হ্ৰাস পায়। তাৰ শতাংশ হাৰ আছিল —০.৯৩। তাৰ কাৰণ সম্ভৱতঃ উন্নতমানৰ কপাহ বীজৰ খেতিলৈ পৰিৱৰ্তন হোৱাৰ মানসিকতা। এইবিধ বীজ অলপ খৰচী। ২০১০-১১ বৰ্ষৰ পাছত সামগ্ৰিক উৎপাদন হাৰ ১৩.১৩ শতাংশৰপৰা ৩.১৫ শতাংশলৈ অৱনমিত

৫ নং তালিকা ঃ ভাৰতত ব্যৱহৃত প্ৰমাণিকৃত গুণমান বীজৰ শস্য অনুযায়ী বিতৰণ


| বৰ্ষ | ধান-ঘেঁহু | মাহ | নটাতৈলবীজ | আঁহ শস্য | আলু | অন্যান্য | মুঠ |
|---|---|---|---|---|---|---|---|
| ১৯৯০-৯১ | ৩৪.৭০ | ৩.৪১ | ৮.৫৯ | ২.১৬ | ৭.৯৭ | ০.২৭ | ৫৭.১০ |
| ২০০০-০১ | ৫৯.৪৭ | ৩.৮৫ | ১২.৫৪ | ২.৯১ | ৭.২৩ | ০.২৭ | ৮৬.২৭ |
| ২০০৫-০৬ | ৮৬.৭৩ | ৭.৩৭ | ২৪.৩৫ | ২.৮৯ | ৫.০৮ | ০.৩৩ | ১২৬.৭৫ |
| ২০১০-১১ | ১৮২.৬২ | ২০.৮৩ | ৫০.৬১ | ২.৬৪ | ২০.০৮ | ০.৫৫ | ২৭৭.৩৪ |
| ২০১১-১২ | ১৮৯.০৯ | ২২.২৬ | ৪১.৪৯ | ৩.০৯ | ১৮.৩২ | ১.৬৪ | ২৯৪.৮৫ |
| ২০১২-১৩ | ২০৪.৩২ | ২৪.৫১ | ৫৮.৪১ | ২.৯৫ | ২৩.২০ | ১.৭৩ | ৩১৩.৪৪ |
| ২০১৩-১৪ | ১৮৩.০৩ | ২৭.৮০ | ৬১.০৯ | ২.৮৭ | ২৬.৬০ | ১.৯৭ | ৩০১.৩৯ |

## উৎপাদন হাৰ

| | | | | | | | |
|---|---|---|---|---|---|---|---|
| ১৯৯০-৯১-২০১৩-১৪ | ৮.০৯ | ৫০.৫১ | ৯.২৯ | ১.১৪ | ৪.৬১ | ৮.৫৬ | ৮.৪০ |
| ১৯৯০-৯১-২০০০-০১ | ৬.৪৯ | ১.৯১ | ৩.৮১ | ৪.৯০ | -০.৩৫ | -৬.৯১ | ৫.০০ |
| ২০০০/০১-২০১০/১১ | ১২.৬৪ | ১৭.৪২ | ১৬.৬৯ | -০.৯৩ | -৯.৫৯ | ৮.৬৬ | ১৩.১৩ |
| ২০১০/১১ ২০১৩/১৪ | ০.৮২ | ১০.১০ | ৫.২৭ | ২.০৬ | ১১.৪০ | ৪৭.৪২ | ৩.১৫ |

উৎসঃ ভাৰত চৰকাৰৰ কৃষি মন্ত্ৰণালয়ৰ কৃষি গৱেষণা বিষয়ক ভাৰতীয় পৰিষদ

**৪ নং গ্ৰাফিক চিত্ৰ ঃ প্ৰমাণিকৃত গুণমান বীজৰ ব্যৱহাৰ**




হয়। ইয়াৰ প্ৰধান কাৰণ হ'ল মাহ আৰু তৈল বীজৰ অতি লেহেমীয়া গতিৰ উৎপাদন; কিন্তু শাক-পাচলিকে ধৰি অন্য বীজৰ উৎপাদন অধিক হয়। পৰিমাণৰ দিশৰ ফালৰ পৰা কম হ'লেও চাহিদাৰ দিশৰ পিনৰ পৰা গুৰুত্ব যথেষ্ট। মুঠৰ ওপৰত ক'বলৈ গ'লে প্ৰমাণিকৃত বীজৰ ব্যৱহাৰৰ ক্ষেত্ৰত এটা সুস্থ ধাৰণাই ঠাই পায়। কেৱল ২০১০-১১—২০১৩-১৪ বৰ্ষৰ কালছোৱাতহে এনে বীজৰ ব্যৱহাৰ মন্থৰ গতিৰ আছিল। সি যি কি নহওক, যি বৃদ্ধিৰ গতিয়ে ঠাই পায় সেয়া কৃষকসকলে শেহতীয়া প্ৰযুক্তি ব্যৱহাৰ কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰাৰ ফল আৰু অতি উন্নতমানৰ বীজ ব্যৱহাৰ কৰাৰ প্ৰতিও তেওঁলোকৰ আগ্ৰহ। শেহতীয়া যি মন্থৰ গতিয়ে দেখা দিছে তাৰ ঘাই কাৰণ হ'ল ধান-ঘেঁহু জাতীয় শস্যৰ খেতি— যাৰ বাবে প্ৰয়োজন বতৰৰ এটা অনুকূল পৰিৱেশ। কিন্তু কম বৃষ্টিপাতে তাত বিধি-পথালি দিয়ে।

**কীটনাশক দ্ৰব্য**

শস্যবোৰ ৰক্ষা কৰিবৰ কাৰণে কীটনাশক দ্ৰব্য ব্যৱহাৰ কৰাটো হ'ল গুৰুত্বপূৰ্ণ বিষয়। কাৰণ কীট-পতঙ্গ আদিয়ে তেনে শস্যৰ হানি-বিঘিনি ঘটায়। ৬নং তালিকাত উল্লেখ কৰা কীটনাশক দ্ৰব্যৰ ব্যৱহাৰৰ পৰিমাণ বৃদ্ধি হোৱাটো পৰিসংখ্যাৰপৰা বুজা যায়। ১৯৮০-৮১ বৰ্ষত ইয়াৰ পৰিসীমা আছিল ৪৫ হেজাৰ টন। কিন্তু ১৯৯০-৯১ বৰ্ষত ইয়াৰ মাত্ৰা বৃদ্ধি পাই হয়গৈ ৭৫ হেজাৰ টন। কিন্তু ২০০৫-০৬ বৰ্ষত

**৬ নং তালিকা ঃ কীটনাশক দ্ৰব্যৰ ব্যৱহাৰ**

**(হেজাৰ টন হিচাপত)**


| বৰ্ষ | প্ৰয়োগ |
|---|---|
| ১৯৮০-১৯৮১ | ৪৫.০০ |
| ১৯৮৫-১৯৮৬ | ৫২.০০ |
| ১৯৯০-১৯৯১ | ৭৫.০০ |
| ১৯৯৫-১৯৯৬ | ৬১.২৬ |
| ২০০০-২০০১ | ৪৩.৫৮ |
| ২০০৫-২০০৬ | ৩৯.৭৭ |
| ২০১০-২০১১ | ৫৫.৫৪ |
| ২০১১-২০১২ | ৫২.৯৮ |
| ২০১৩-২০১৪ | ৫৮.২১ |

**বাৰ্ষিক বৃদ্ধি হাৰ**

| | |
|---|---|
| ১৯৮০/৮১-২০১৩/১৪ | -০.৮২ |
| ১৯৮০/৮১-১৯৯০/৯১ | ৫.৪১ |
| ১৯৯০/৯১-২০০০/০১ | -৫.৩৭ |
| ২০০০/০১-২০১০/১১ | ০.৫৫ |
| ২০১০/১১-২০১৩/১৪ | -০.০৯ |

**উৎস ঃ ওপজ সামগ্ৰী জৰীপ বিষয়ৰ সৰ্বভাৰতীয় প্ৰতিবেদন, কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰণালয়ৰ কৃষি সমবায় তথা কৃষক কল্যাণ বিভাগ**

**৫নং গ্ৰাফিক চিত্ৰ ঃ কীটনাশক দ্ৰব্যৰ ব্যৱহাৰ**




ইয়াৰ মাত্ৰা ৪০ হেজাৰলৈ অৱনমিত হৈছিল। তাৰ পিছৰ পৰা ২০১৩-১৪ বৰ্ষত এই দ্ৰব্যৰ ব্যৱহাৰ যথেষ্ট বৃদ্ধি হয়। তাৰ পৰিমাণো হ'ল ৫৮ হেজাৰ টন (৫ নং গ্ৰাফিক চিত্ৰৰ দ্ৰষ্টব্য)। এনে বৃদ্ধি হ'লেও ইয়াৰ সামগ্ৰিক বৃদ্ধি হাৰ হ'ল নেতিবাচক (-০.৮২ শতাংশ)। ২০১০-১১ বৰ্ষৰ পাছত আনকি ইয়াৰ বৃদ্ধি গতি আৰু অলপ নেতিবাচক। এনে হোৱাৰ কাৰণ কীটনাশক দ্ৰব্যৰ সন্দৰ্ভত পিৰিৱেশমূলক দিশৰ চিন্তনীয় বিষয়; আৰু কীট প্ৰতিৰোধক নানাবিধ শস্যৰ বিকাশৰ বাবেও তেনে হয়। তাৰ এটা উদাহৰণ হ'ল 'বি এ কটন' ইয়াৰ বাবে কীটনাশক দ্ৰব্য অধিকভাৱে প্ৰয়োগ কৰাৰ আৱশ্যক নহয়। তদুপৰি অধিক উপযুক্ত মোটা ধৰণৰ কীটনাশক দ্ৰব্য সম্প্ৰতি পোৱা যায়।

৭নং তালিকাত উল্লেখ কৰা বিভিন্ন ধৰণৰ কীটনাশক দ্ৰব্যৰ ব্যৱহাৰৰ গতিধাৰাৰ সম্বন্ধে দেখুওৱা হৈছে। এইটো সুস্পষ্ট যে কীটনাশক দ্ৰব্যৰ গতি নেতিবাচক। ইয়াৰ হাৰ হ'ল -৩.৩৯ শতাংশ। ইপিনে ফাংগিছাইডছৰ ক্ষেত্ৰত ইতিবাচক বৃদ্ধি হাৰ পৰিলক্ষিত হয়। তাৰ হাৰ হ'ল ১২.৪০ শতাংশ। হাৰ্বিচাইড/উইদিচাইছৰ ব্যৱহাৰৰ ক্ষেত্ৰতো ২০০৬-০৭ আৰু ২০১৩-১৪ বৰ্ষৰ মাজৰ কালছোৱাত উচ্চ


**৭নং তালিকা ঃ ভাৰতত বিভিন্ন কীটনাশক দ্ৰব্যৰ ব্যৱহাৰৰ পৰিমাণ (২০০৬-০৭ ৰ পৰা ২০১৩-১৪ লৈকে)**

('০০০ মেট্ৰিকটন হিচাপত)

| বৰ্ষ | কীটনাশক | ভেঁকুৰ ৰোধক | অন্যাৰশ্যকীয় হাবি-বন নাশক |
|---|---|---|---|
| ২০০৬-০৭ | ৩৮.২৩ | ২৩.১২ | ১১.১৪ |
| ২০০৭-০৮ | ৩৯.১৯ | ২৬.৯৯ | ১২.৯১ |
| ২০০৮-০৯ | ৩৮.২ | ৩৫.৩২ | ১২.৪৩ |
| ২০০৯-১০ | ৩৪.৬৫ | ৩১.৫৫ | ৮.৬৬ |
| ২০১০-১১ | ৪৫.৭৫ | ২৬.৭৪ | ১০.০১ |
| ২০১১-১২ | ৩৯.৩৬ | ৪৪.৩৮ | ৭.৯২ |
| ২০১২-১৩ | ৩২.৭৮ | ৪৫.৭২ | ৬.৫৯ |
| ২০১৩-১৪ | ২৯.০২ | ৫৮.৮৮ | ১২.০৫ |
| **বাৰ্ষিক বৃদ্ধি হাৰ** | | | |
| ২০০৬/০৭-২০১৩/১৪ | -৩.৩৯ | ১২.৮০ | ০.৯৯ |

**উৎস ভাৰত চৰকাৰৰ কৃষি মন্ত্ৰণালয়**

**৬নং গ্ৰাফিক চিত্ৰ ঃ উৎপাদনজাত সামগ্ৰী অনুযায়ী কীটনাশক দ্ৰব্যৰ ব্যৱহাৰ**




গতিধাৰা দেখা যায়। ৬ নং গ্ৰাফিক চিত্ৰৰ দ্ৰষ্টব্য)। কীটনাশক দ্ৰব্যৰ ব্যৱহাৰৰ ক্ষেত্ৰত যি নেতিবাচক ধাৰা দেখা গৈছে তাৰ কাৰণ হ'ল পৰিৱেশমূলক দিশত উদ্ৰেগ হোৱা চিন্তা আৰু সেইবোৰ দ্ৰব্যৰ প্ৰকৃতি হ'ল অধিক বিষাক্ত পদাৰ্থযুক্ত। তদুপৰি কীটৰোধক সঁচৰ বীজৰ বিকাশ সাধন হোৱাটো। তেনে সঁচৰ বীজৰ ভিতৰত বিশেষকৈ 'বিটি কটন' নামৰ কপাহৰ নাম ল'ব পাৰি। ভেঁকুৰ ৰোধক দ্ৰব্যৰ ব্যৱহাৰ বৃদ্ধি হোৱা পৰিলক্ষিত হয়। তাৰ কাৰণ হ'ল গছ-গছনিত দেখা দিয়া ৰোগৰ প্ৰতিকাৰ ৰোধ কৰাৰ গুৰুত্ব বৃদ্ধি পাইছে আৰু তেনেধৰণৰ প্ৰতিযেধক দ্ৰব্যও বহুলভাৱে পোৱা নাযায় আৰু অন্যাৰশ্যকভাৱে গজি উঠা হাবি-বন আদি ধ্বংস কৰিবৰ বাবে প্ৰয়োজনীয় দ্ৰব্য প্ৰয়োগ কৰাৰো প্ৰয়োজনীয়তা আহি পৰে; কাৰণ তেনেবোৰ হাবি-বন উঠাই পৰিষ্কাৰ কৰিবৰ বাবে শ্ৰমিক নিয়োগ কৰাৰ আৱশ্যক হয় আৰু তেনে শ্ৰমিকক মজুৰিও অধিক দিব লগা হয়।

**পামৰ মেচিন সামগ্ৰী আৰু যন্ত্ৰপাতি**

কৃষিৰ বাবে পামৰ মেচিন সামগ্ৰী আৰু যন্ত্ৰপাতি বৰ্দ্ধিতভাৱে গুৰুত্বপূৰ্ণ ওপজ সামগ্ৰীৰ এটা অঙ্গস্বৰূপ হৈ পৰিছে। ৮নং তালিকাত ভাৰতত ট্ৰেক্টৰৰ নিৰ্মাণ আৰু বিক্ৰীৰ ক্ষেত্ৰত হোৱা বৃদ্ধিৰ বিষয়ে দেখুওৱা হৈছে। ট্ৰেক্টৰৰ সংখ্যা প্ৰায় দহগুণ বৃদ্ধি পাইছে। ১৯৮০-৮১ বৰ্ষৰ ৭০ হেজাৰৰ পৰা ২০১৩-১৪ বৰ্ষত প্ৰায় ৭০০ হেজাৰ স্পৰ্শ কৰে। ১৯৮০/৮১-২০১৪/১৫ ৰ বৃদ্ধি হাৰ হ'ল ৬.৮৭ শতাংশ। ২০০০/০১-২০১০/১১ বৰ্ষত ইয়াৰ ক্ৰমাগত বৃদ্ধিৰ হাৰ হ'ল ৯.৯৩ শতাংশ, কিন্তু ইয়াৰ অৱনমিত গতি ২০১০-১১ বৰ্ষৰ পাছত আধা ভাগতকৈও কম হয়। ৮নং তালিকাত তাক উল্লেখ কৰা হৈছে।

**৮ নং তালিকা ঃ ভাৰতত ট্ৰেক্টৰৰ নিৰ্মাণ আৰু বিক্ৰী**

| বৰ্ষ | ট্ৰেক্টৰৰ সংখ্যা | |
|---|---|---|
| | নিৰ্মাণ | বিক্ৰী |
| ১৯৮০-৮১ | ৭১০২৪ | ৭২০১২ |
| ১৯৮৫-৮৬ | ৭৫৫৫০ | ৭৬৮৮৬ |
| ১৯৯০-৯১ | ১৩৯২৩৩ | ১৩৯৮২৮ |
| ১৯৯৫-৯৬ | ১৯১৩১১ | ১৯১৩২৯ |
| ২০০০-০১ | ২৩৫৬০২ | ২৫১৯৩৯ |
| ২০০৫-০৬ | ২৯৬০৮০ | ২৯১৬৮০ |
| ২০১০-১১ | ৫৩০৩০৩ | ৫৪৫১২৮ |
| ২০১১-১২ | ৬২৫৯৪৬ | ৬০৭৬৫৮ |
| ২০১২-১৩ | ৫৭৮১১২ | ৫৯০৬৭২ |
| ২০১৩-১৪ | ৭০৭৮৯৮ | ৬৯৬৮২৮ |
| ২০১৪-১৫ | ৬১২৯৯৪ | ৬২৬৮৩৯ |


**বাৰ্ষিক বৃদ্ধি হাৰ**

| | | |
|---|---|---|
| ১৯৮০/৮১-২০১৪/১৫ | ৬.৭৯ | ৬.৮৭ |
| ১৯৮০/৮১-১৯৯০/৯১ | ৬.৪১ | ৬.৭৩ |
| ১৯৯০/৯১-২০০০/০১ | ৭.৮৭ | ৮.১০ |
| ২০০০/০১-২০১০/১১ | ১০.৩৮ | ৯.৯৩ |
| ২০১০/১১-২০১৪/১৫ | ৪.২১ | ৪.২৫ |

টোকা ঃ ৰপ্তানিকো বিক্ৰীত ধৰা হৈছে

উৎস ঃ ভাৰত চৰকাৰৰ কৃষি মন্ত্ৰণালয়

## ৭ নং গ্ৰাফিক চিত্ৰ ঃ ট্ৰেক্টৰৰ বিক্ৰী




### ৯নং তালিকা ঃ কৃষিৰ ক্ষেত্ৰত ব্যৱহৃত বিভিন্ন যান্ত্ৰিক আহিলা

('০০০ হিচাপত)


| বিদ্যুৎচালিত আহিলা | | | | |
|---|---|---|---|---|
| বৰ্ষ | ডিজেল ইঞ্জিনৰ পাম্পছেট | বিদ্যুৎ পাম্পছেট | পাৱাৰটিলাৰ | কৃষিত ব্যৱহৃত ট্ৰেক্টৰ |
| ১৯৮১-৮২ | ৩৩৫৩ | ৩৯৭৭ | ২৭৩ | ৪৮৯ |
| ১৯৮৬-৮৭ | ৫৯৬৮ | ৬৩৪৯ | ৭০১ | ১৫৮০ |
| ১৯৯১-৯২ | ৬৮৯২ | ৯৩২৪ | ১০৭১ | ৩৭৬৪ |
| ১৯৯৬-৯৭ | ৮৮৯০ | ৯১৬০ | ১৬৭১ | ৬৭৯৭ |
| ২০০১-০২ | ১৪২৬১ | ১৮৪৪৮ | ৩২৬১ | ১৫৪৬৩ |
| ২০০৬-০৭ | ১৩১৮০ | ১২৭১৪ | ২৮৯৫ | ৩১২৭৯ |
| ২০১১-১২ | ৩০০৮২ | ২২৭৬১ | ৭৯৫৪ | ৬১১৩৩ |
| বাৰ্ষিক বৃদ্ধি হাৰ | | | | |
| ১৯৮১/৮২-২০১১/১২ | ৭.৩৩ | ৫.৭৯ | ১১.৪৯ | ১৬.৮৫ |
| ১৯৮১/৮২-১৯৯১/৯২ | ৬.৭৭ | ৮.০৫ | ১৩.২৩ | ২০.৩৯ |
| ১৯৯১/৯২-২০০১/০২ | ৬.৮৩ | ৬.৪০ | ১০.৬৫ | ১৩.৭১ |
| ২০০১/০২ ২০১১/১২ | ৭.০২ | ১.৯৩ | ৮.৪৪ | ১৩.৩১ |

উৎস ঃ কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰণালয়ৰ কৃষি সহযোগ তথা কৃষক কল্যাণ বিভাগৰ ইনপুট ছাৰ্ভেৰ সৰ্বভাৰতীয় প্ৰতিবেদন

তাৰ শতাংশ হাৰ হ'ল ৪.২৫। ইয়াৰ পৰা পৰিলক্ষিত হয় যে শেহতীয়া বছৰকেইটাত ট্ৰেক্টৰ বিক্ৰীৰ বৃদ্ধি যথেষ্ট লেহেমীয়া হয়। ২০১২ আৰু ২০১৪ বৰ্ষৰ হ্ৰাসকৰণৰ কাৰণ আংশিকভাৱে কম বৃষ্টিপাত। ইয়াৰ ফলত ঋণ প্ৰদানৰ ক্ষেত্ৰতো সীমাবদ্ধতা আনি দিয়ে।

৯ নং তালিকাত কৃষি কাৰ্যত ব্যৱহৃত বিভিন্ন মেচিন সামগ্ৰীৰ আহিলাৰ পৰিসংখ্যা দাঙি ধৰা হৈছে। উক্ত তালিকাৰপৰা এইটো পৰিলক্ষিত হয় যে ১৯৮১/৮২-২০১১/১২ বৰ্ষৰ কালছোৱাৰ মাজত সামগ্ৰিকভাৱে ডিজেল পাম্পছেটৰ ব্যৱহাৰৰ বৃদ্ধি পৰিক্ৰমা তুলনামূলকভাৱে ৫.৭৯ শতাংশত থাকে, কিন্তু ২০০১/০২-২০১১/১২ বৰ্ষৰ কালছোৱাত এই বৃদ্ধিৰ গতি ১.৯৩ লৈ অৱনমিত হয়। ৮ নং গ্ৰাফিক চিত্ৰত দ্ৰষ্টব্য)। একেদৰে পাৱাৰ টিলাৰ তথা ট্ৰেক্টৰৰ ব্যৱহাৰৰ ক্ষেত্ৰতো বৃদ্ধিৰ নিম্ন হাৰলৈ অৱনমিত কৰে ২০০১/০২-২০১১/১২ বৰ্ষৰ কাল-ছোৱাত। ইয়াৰ হাৰ হ'ল যথাক্ৰমে

**৮ নং গ্ৰাফিক চিত্ৰ ঃ বিভিন্ন বিদ্যুৎচালিত সৰঞ্জাম সহ পৰিচালিত আহিলাৰ সংখ্যা**




৮.৪৪ আৰু ১৩.৩১ শতাংশ। এনে গতিৰ হাৰে সামগ্ৰিকতভাৱে খৰতকীয়া বৃদ্ধি হাৰৰে ইঙ্গিত দিয়ে, কিন্তু শেহতীয়া বছৰকেইটাত এনে বৃদ্ধি অৱনমিত হোৱাটোকে প্ৰকাশ কৰে।

বিদ্যুৎচালিত পাম্পৰ ক্ষেত্ৰত লেহেমীয়া গতিৰ কাৰণ ভালেকেইখন ৰাজ্যত বিদ্যুতৰ নাটনি আৰু যোগান সমস্যা হ'ব পাৰে। এনে পৰিস্থিতিত ডিজেল পামছেট ব্যৱহাৰ কৰাৰ বাট মুকলি কৰে।

**সামৰণি**

ওপজ সামগ্ৰী অৰ্থাৎ কৃষি উৎপাদন কাৰ্যত ব্যৱহৃত আহিলাপদ্ধতি তথা সাৰ, অন্যান্য দ্ৰব্য আদি কি স্তৰৰ আৰু কেনেধৰণৰ সেইবোৰে কৃষিৰ উৎপাদন তথা উৎপাদনশীল অৱস্থাৰ স্থিতি যথেষ্টভাৱে নিশ্চিত কৰে।

ভাৰতৰ কৃষি উৎপাদনৰ বৃদ্ধিৰ ক্ষেত্ৰত বিশেষকৈ সেউজ বিপ্লৱৰ পাছত— আধুনিক প্ৰযুক্তি তথা ওপজ সামগ্ৰীয়ে এটা ডাঙৰ ভূমিকা গ্ৰহণ কৰে। জনসংখ্যা বৃদ্ধি আৰু উপাৰ্জন বঢ়াৰ লগে লগে চিন্তাধাৰায়ো নতুন গতি ল'বলৈ উপক্ৰম কৰে। তাতে আকৌ প্ৰাকৃতিক সম্পদৰাজিৰ নাটনিয়ে বিষয়টো অধিক গাঢ় কৰি তোলে। মাটি আৰু জলৰ নাটনিয়ে বিজ্ঞান আৰু প্ৰযুক্তিৰ ওপৰত আলোকপাত কৰিবলৈ নতুন দিশৰ সূচনা কৰে— যাৰদ্বাৰাই উৎপাদনশীল ক্ষমতা বৃদ্ধি কৰিব পৰা যায়। সেই অৱস্থিতিয়ে আৰু মানসিকতাই বিভিন্ন ধৰণৰ আৱিষ্কাৰ আৰু বিকাশৰ পথ উন্মোচন কৰে। তাৰ ভিতৰত উল্লেখযোগ্য বিষয়বোৰ হ'ল— অধিক উৎপাদনক্ষম জাতৰ বীজ, সাৰৰ জৰিয়তে গঠন কৰিব লগা অৱস্থাত শস্যলৈ পৌষ্টিকতা প্ৰদান, জল উৎস প্ৰযুক্তি আৰু ব্যৱস্থাপনাৰ জৰিয়তে জল যোগানৰ ভাল ব্যৱস্থা, কীটনাশক দ্ৰব্যৰ জৰিয়তে ভালদৰে পোক-পৰুৱা নিয়ন্ত্ৰণৰ ব্যৱস্থা আৰু অধিক উপযুক্ততাৰে কৃষি পামলৈ ভাল বিদ্যুৎ তথা মেচিন সামগ্ৰী ব্যৱহাৰ কৰাৰ ব্যৱস্থা। এইবোৰ উপচাৰ আৰু আহিলা-পাতিৰ প্ৰয়োজনীয়তা তথা চাহিদাই বহু ধৰণৰ উদ্যোগ আৰু কৃষি-ব্যৱসায় আৰম্ভ কৰাৰ পথ মুকলি কৰে। তেনে উদ্যোগৰ ভিতৰত লেখত ল'বলগা হ'ল— বীজ উদ্যোগ, সাৰ কাৰখানা, জলসিঞ্চন, সা-সৰঞ্জামৰ নিৰ্মাণ উদ্যোগ, কৃষি-ৰাসায়নিক উদ্যোগ আৰু কৃষি-পামৰ প্ৰয়োজনীয় মেচিন সামগ্ৰী তৈয়াৰী উদ্যোগ। এই সকলোবোৰে এতিয়া কৃষিৰ বাবে বিপুলভাৱে বৰঙণি যোগাইছে।

তেনে বৰঙণি সামগ্ৰিকভাৱে সৰহভাগ কৃষিৰ ওপজ সামগ্ৰীৰ ক্ষেত্ৰত সুস্থভাৱে বৃদ্ধিৰ গতি কিছু বছৰলৈকে অটুট ৰখা দেখা যায়। এই সন্দৰ্ভত কৰা অধ্যয়নত ২০১০-১১ বৰ্ষলৈকে তেনে গতি অটুট থাকে। কিন্তু সাম্প্ৰতিক বছৰবোৰত তাৰেই বহু ওপজ সামগ্ৰীৰ বৃদ্ধি হাৰ হ্ৰাস পাইছে কিম্বা পূৰ্ণভাৱে অৱনতি ঘটিছে। অৱশ্যে জলসিঞ্চিত এলেকাৰ সন্দৰ্ভত জল ব্যৱস্থাৰ সুস্থ

গতিৰ ধাৰা অব্যাহত আছে। এই ধাৰাৰ শতাংশ হাৰ হ'ল ১.৭ ৰ পৰা ২.০। এয়া ঘাইকৈ নলীনাদৰদ্বাৰা ভূগৰ্ভস্থ জলৰ জলসিঞ্চন যোগান ব্যৱস্থা— যাৰবৃদ্ধি গতি ৩.০ শতাংশৰ পৰা ৪.০ শতাংশলৈ উন্নীত হৈছে। সাম্প্ৰতিক বছৰকেইটাত সাৰ উৎপাদনৰ গতি অৱনমিত হৈছে। তেনেদৰে প্ৰমাণিকৃত বীজৰ বৃদ্ধিৰ গতিও লেহেমীয়া হৈছে। ইপিনে পামৰ মেচিন সামগ্ৰীৰ চাহিদাই ১৯৮০ দশকৰ পৰা ভালদৰে গতি লাভ কৰিছে, কিন্তু সাম্প্ৰতিক বছৰবোৰত তেনে গতি যথেষ্ট অৱনমিত হৈছে।

কৃষি কাৰ্যত ব্যৱহৃত ক্ষেত্ৰসমূহ পৰ্যবেক্ষণ কৰিবৰ বাবে নীতিবিশেষৰ পৰিৱৰ্তন সধাৰ আৱশ্যক আছে। অন্যথা তেনেবোৰ কৃষিভূমি অন্য কাম-কাজৰ বাবে ব্যৱহাৰ কৰিলে কৃষি উৎপাদন বৃদ্ধি কৰাত অধিক বাধা আহি পৰিব। এনে আশংকালৈ চাই উৎপাদন তথা উৎপাদনশীল ক্ষমতা বৃদ্ধি কৰাৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰাৰ প্ৰয়োজন আছে। কৃষি খণ্ডত খেতি-বাতি কৰাৰ বাবে যি কৰ্মবাহিনীৰ অৱনতি ঘটিছে সেই সমস্যা সমাধান কৰিবৰ অৰ্থে কিন্তু উপায় অৱলম্বন কৰাৰ আৱশ্যক হ'ব। তাৰ কাৰণে এনে উপায়, উপযুক্ত মেচিন আদি তথা যান্ত্ৰিককৰণ ব্যৱস্থা। জলসিঞ্চনৰ ক্ষেত্ৰত উন্নতি সাধন কৰা পৰিলক্ষিত হয়, কিন্তু এই সম্পদৰ যি নাটনি বৃদ্ধি পাইছে তাৰ বাবে জল সংৰক্ষণ কামক উৎসাহিত কৰিবলৈ নিৰন্তৰ প্ৰয়াসৰ আৱশ্যক আছে আৰু লগতে প্ৰাপ্ত জলৰাশিক সমুচিতভাবে ব্যৱহাৰ কৰাৰ প্ৰতিও ধ্যান দিয়াটো কৰ্তব্য।

শেহতীয়াকৈ সাৰ ব্যৱহাৰৰ ক্ষেত্ৰত যি অৱনতি ঘটিছে, সেইটোৱে মাটিৰ উৰ্বৰা শক্তি তথা পৌষ্টিক গুণৰ সংঘৰ্ষৰ পথ প্ৰশস্ত কৰিব পাৰে। তাৰ পৰা হাত সাৰিবলৈ সাৰ নীতিৰ ক্ষেত্ৰত আশু সংস্কাৰ সাধন কৰাৰ আৱশ্যক আৰু ৰাজসাহায্যৰ বিষয়টোৰ প্ৰতিও মনোযোগ দিয়া সমীচিন। বীজৰ ক্ষেত্ৰত নতুন প্ৰযুক্তিৰ বাবে চিন্তা কৰাৰ প্ৰয়োজন। জৈৱ-প্ৰযুক্তিকে ধৰি অন্য অধিক উৎকৰ্ষ সাধন শৈলীৰ বিকাশে বহু সমস্যা সমাধান কৰিব পাৰে আৰু এটা ডাঙৰ ভূমিকা গ্ৰহণ কৰাত আগ ভাগ ল'ব পাৰে। অধিক মূল্যৰ উৎপাদন সামগ্ৰীৰ দিশত কৃষি আৰু খাদ্যবস্তু চাহিদাৰ প্ৰয়োজনীয়তালৈ চাই সেইবোৰ বিষয়ৰ সন্দৰ্ভত গভীৰ চিন্তা-চৰ্চা কৰি তাৰ প্ৰয়োজনীয়তাক সমাধান কৰা দৰকাৰ। তেনে উৎপাদনত সামগ্ৰীৰ ভিতৰত শাক-পাচলি, ফল-মূল আৰু পশুধনৰ খাদ্যবস্তুৰ বিষয়ে উল্লেখ কৰিব পাৰি। ❐


## পয়োভৰাৰ পৰৱৰ্তী সংখ্যাৰ

# বিষয় সম্ভাৰ

জুন ২০১৭ — **যুৱাসকলৰ সবলীকৰণ**

জুলাই ২০১৭ — **সামাজিক সুৰক্ষা**

উপৰোক্ত বিষয়ত অভিজ্ঞ ব্যক্তিৰ পৰা প্ৰবন্ধ-পাতি বিচৰা হ'ল। বিষয়সমূহ উত্তৰ-পূৰ্বাঞ্চলৰ তথ্যপাতিৰে সমৃদ্ধ হ'ব লাগিব। উপযুক্ত বিবেচিত হ'লে যথা সংখ্যাত প্ৰকাশ কৰা হ'ব। লগতে বিভিন্ন পুথি, আলোচনী বিক্ৰেতা সকলকো তেওঁলোকৰ প্ৰয়োজনীয় কপিৰ বাবে আমাৰ কাৰ্যালয়ৰ লগত যোগাযোগ কৰিবলৈ অনুৰোধ কৰা হ'ল।

সম্পাদক, **পয়োভৰা**

পেন্সনপাৰা পথ, গৃহ নং-৪, গুৱাহাটী-৭৮১০০৩

ফোন নং-২৬৬৫০৯০, ই-মেইল ঃ yojanaasomia@yahoo.co.in

# অসমত চাহশিল্পৰ আৰম্ভণি আৰু ইয়াৰ বাণিজ্যিক সম্প্ৰসাৰণ

**অৰ্পণ দত্ত***

চাহ হৈছে সাময়িক তৃপ্তি প্ৰদান, মানসিক অৱসাদ নিবাৰণ আৰু অন্তৰ্নিহিত ৰাগিৰে মানুহক আকৰ্ষিত কৰি ৰাখিব পৰা এবিধ পানীয়। এনে চাহৰ প্ৰচলন ব্ৰিটিছসকলেই অসমত কৰিলেও তেনে কৰাৰ সময়ত চাহশিল্পৰ কলা-কৌশল সম্পৰ্কে তেওঁলোকৰ জ্ঞান সমূলি নাছিল। জ্ঞাননো কেনেকৈ হ'ব— চাহপাত উৎপাদন বা চাহশিল্প দূৰৈৰ কথা, চাহৰ প্ৰচলনো ব্ৰিটিছ সাম্ৰাজ্যত বহু পলমকৈহে হৈছিল। চাহৰ খেতি আৰু চাহ উৎপাদন অতীজত চীন দেশতেই সীমিত থকা ই চীনৰ একচেটিয়া ব্যৱসায়ত পৰিণত হৈছিল। প্ৰাপ্ত তথ্য মতে, চীনা সম্ৰাট ছেন নুভে সেই দেশত প্ৰথম চাহক দৰব হিচাপে প্ৰচলন কৰিছিল। তাত প্ৰমাণিত হৈছিল যে চাহত থকা এপিগেলাক্টচিন গেলেট, কিউৰেছেটিন আৰু ফ্লেনয়েডছ নামৰ এণ্টি অক্সিডেণ্টৰ বাবেই চাহ খোৱাৰ পাছত সজীৱতা আহে। এসময়ত অৱশ্যে চাহপান শৰীৰৰ পক্ষে ক্ষতিকাৰক জ্ঞান কৰা হৈছিল। কিন্তু ১৯৯০ চনত বিজ্ঞানীসকলে পৰীক্ষাৰ-দ্বাৰা সিদ্ধান্তত উপনীত হ'ল যে চাহত বহুতো এণ্টি অক্সিডেণ্ট থাকে, যিবোৰে কেন্সাৰৰ উপৰিও অন্য বহু ৰোগ প্ৰতিৰোধ কৰাৰ সামৰ্থ্য থাকে। তদুপৰি, চাহত কেফেইন, টেনিন, কাৰ্বহাইড্ৰেট, প্ৰ'টিন আৰু চৰ্বি আদিও থাকে বুলি পোহৰলৈ আহে।

চাহৰ খেতি চীন দেশত আৰম্ভ হৈছিল যদিও খ্ৰীষ্টিয় পঞ্চম শতিকাতহে চাহৰ ব্যৱসায়ে উক্ত দেশত পূৰ্ণ যৌৱন লাভ কৰিবলৈ সক্ষম হয়। ফলত ই কুটীৰ শিল্পৰ ৰূপত গঢ় লৈ উঠে আৰু আমাৰ ৰাজ্যত কৃষকে ধানখেতি কৰাৰ দৰে তেতিয়া চীন দেশৰ প্ৰতিঘৰ লোকে এশৰ পৰা দুশ জোপা চাহগছ লগোৱাটো এটা চখৰ দৰে হৈ পৰিছিল। পৰৱৰ্তী কালত চীন দেশৰ চাহৰ ব্যৱসায় আৰু প্ৰচলন লাহে লাহে কাষৰীয়া দেশ যেনে তিব্বত, জাপান, মংগোলীয় আৰু দক্ষিণ-পূব এছিয়াৰ দেশসমূহলৈ বৃদ্ধি পাব ধৰে। পিছত চাহৰ ৰপ্তানি বজাৰ ৰাছিয়া, মধ্যপ্ৰাচ্য আৰু জাভালৈ সম্প্ৰসাৰিত হয় আৰু জাভাত সংগ্ৰহ কৰা তেনে চাহৰ পৰাই হলেণ্ডৰ বেপাৰীয়ে ইউৰোপত চাহৰ বজাৰ মুকলি কৰাৰ সুযোগ পায়। হলেণ্ডৰ "ইষ্ট ইণ্ডিয়া কোম্পানী"য়ে ১৬৬০ চনত তেনে কাম হাতত লয় বুলি তথ্যই কয়। ইয়াৰ ফলতেই এটা সময়ত হলেণ্ডৰ ৰাজধানী আৰ্মষ্টাৰডাম পৰিণত হৈ উঠে চাহ বিক্ৰীৰ কেন্দ্ৰ-স্থললৈ।

চাহৰ তৃপ্তিয়ে ইউৰোপৰ অধিক সংখ্যক লোকক আকৰ্ষিত কৰাত ১৭ শতিকাৰ শেষৰ ফালে ইয়াৰ চাহিদা বাঢ়িব ধৰে। এনে বৃদ্ধিপ্ৰাপ্ত চাহিদা পূৰোৱাৰ সুযোগ এটা গ্ৰহণ কৰে ভাৰতস্থ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে। ১৮ শতিকাৰ প্ৰাৰম্ভতে এই কোম্পানীয়ে লণ্ডনস্থ মুখ্য কাৰ্যালয় 'ইণ্ডিয়া হাউছ'ত চাহৰ নিলাম বজাৰ মুকলি কৰে আৰু ইয়াৰ পিছৰ পৰাই ব্যৱসায়িক কায়দাৰে হলেণ্ডৰ বেপাৰীক চেৰ পেলাই তাক ব্ৰিটিচৰ একচেটিয়া ব্যৱসায়ত পৰিণত কৰে। সেয়ে হ'লেও ভিতৰি শংকা ৰৈ গ'ল— জানোচা হলেণ্ডৰ বেপৰীয়ে তেওঁলোকক পৰাভূত কৰেই! অৱশ্যে তাক লৈ তেওঁলোকে বেছি মূৰ ঘমোৱাৰ প্ৰয়োজন নহ'ল। এক নতুন খবৰে তেওঁলোকক বাৰুকৈ উৎসাহিত কৰিলে— সেইটো অসমত চাহগছ আৱিষ্কৃত হোৱাৰ বতৰা।

চাহৰ বিষয়ে জল্পনা-কল্পনা চলি থকাৰ সময়তে প্ৰচাৰিত তেনে নতুন খবৰে ইংৰাজসকলক উৎসাহিত কৰি তুলিলে। চৰকাৰে অসমত চাহগছৰ খবৰ সংগ্ৰহৰ দায়িত্ব দিলে মেজৰ ৰবাৰ্ট ব্ৰুছ আৰু তিনিজন ইংৰাজ বণিকক। তেওঁলোকে ১৮২৩ চনত স্বৰ্গদেউ পুৰন্দৰ সিংহ/চন্দ্ৰকান্ত সিংহৰ সময়ত গড়গাঁও পৰিভ্ৰমণ কৰে। তেনে সময়ত ৰাজ-দৰবাৰত কথা প্ৰসংগত চিংফৌ পাহাৰ আৰু উজনি অসমৰ হাবিত চাহগছ থকাৰ কথাটো পোহৰলৈ আহে। চিংফৌৰ মুখিয়াল বিচাগামৰ জৰিয়তে তেনে খবৰ জনাটো সম্ভৱ হ'ল। পাছত বিচাগামৰ লগত পৃথকে আলোচনা কৰাৰ সময়ত ৰবাৰ্ট ব্ৰুছে কিছু অধিকভাৱে জানিব পাৰিলে। হয়তো বিচাগামে তেওঁক চাহপাত সিজোৱা পানী (ফেনাপ) ধোকা মাৰিবলৈ দিলে। কিন্তু তেতিয়ালৈ ব্ৰুছে চাহগছৰ ছাঁটোকে দেখিবলৈ পোৱা নাছিল। গতিকে বিচাৰি ফুৰা বস্তু হাততে পাই তেওঁ উৎফুল্লিত হৈ উঠে আৰু গামক চাহগছৰ পুলি কেইটামান গোটাই দিয়াৰ বাবে অনুৰোধ জনালে। গামেও তেনে কামৰ প্ৰতি সন্মতি প্ৰদান কৰিলে। পিছে চাহৰ পুলি গোটাই দিয়াৰ সময়ত ৰবাৰ্ট

***লেখক অৰ্পণ দত্ত অসম চৰকাৰৰ ভূতত্ত্ব আৰু খনি বিভাগৰ অৱসৰপ্ৰাপ্ত ভূ-বিজ্ঞানী।**

ব্ৰুছে শদিয়াত মানৰ লগত লগা যুঁজত ব্যস্ত থকা হেতুকে তেওঁৰ ভায়েক চি এ ব্ৰুছেই বিচাগামৰ পৰা পুলিকেইটা লয়। পিছত সেই পুলিৰ কেইটামান ডেভিড স্কটৰ জৰিয়তে কলিকতাত থকা উদ্ভিদ বিজ্ঞান উদ্যানত পৰীক্ষাৰ বাবে পঠোৱা হয়। কিন্তু কলিকতাৰ পৰা অহা চাহৰ ৰিপ'ৰ্টে কিছু খেলিমেলিৰ সৃষ্টি কৰিলে। সেই ৰিপ'ৰ্টে প্ৰকাশ কৰিলে যে সেইবিলাক চীনদেশত পোৱা চাহপাতৰ লগত সাদৃশ্য থাকিলেও কিন্তু একে-জাতীয় নহয়।

১৮৩২ চনলৈ চাহৰ বিষয়ে অধিক কথা পোহৰলৈ অহা নাছিল। কিন্তু এনে সময়তে ইংৰাজ চৰকাৰে কেপ্টেইন জেনকিন্সক অসমৰ সম্পদৰ বিষয়ে অধ্যয়ন কৰি ৰিপ'ৰ্ট যুগুতোৱাৰ ভাৰ দিয়ে আৰু এনে সুযোগতে চি এ ব্ৰুছে অসমত চাহগছ থকাৰ কথাটো পুনৰ খুচৰি দিয়াৰ ফলত চাহৰ বিষয়টোৱে গুৰুত্ব পাবলৈ লয়। সেয়ে বিষয়টো চালি-জাৰি চোৱাৰ বাবে তদানীন্তন চৰকাৰে সাতজন অসামৰিক লোক, তিনিজন কলিকতাৰ ব্যৱসায়ী, দুজন স্থানীয় লোক আৰু উদ্ভিদ বিজ্ঞান উদ্যানৰ বিজ্ঞানী ড° ৱালিক আদিক লৈ এখন চাহ কমিটী গঠন কৰি দিয়ে। উক্ত সমিতিৰ সচিব মিঃ গৰ্ডনক চীনদেশলৈ গৈ তাৰ চাহৰ পুলি, গুটি আৰু অভিজ্ঞ বনুৱা সংগ্ৰহ কৰাৰ দায়িত্বও দিয়া হয়। স্মৰ্তব্য যে তেনে সময়তে কেপ্টেইন জেনকিন্সৰ ৰিপ'ৰ্টো প্ৰকাশ পায়, যাৰ জৰিয়তে প্ৰকাশ্য হয়— অসমৰ চাহগছৰ লগত চীনৰ চাহগছৰ কোনো পাৰ্থক্য নাই; দুয়োটা একেই।

১৮৩৫ চনত চাহ কমিটীয়েও অসমৰ চাহগছক প্ৰকৃত গছৰূপে স্বীকৃতি দিয়ে আৰু চি এ ব্ৰুছক ইষ্ট ইণ্ডিয়া কোম্পানীৰ চাহ উপদেষ্টা সমিতিৰ ছুপাৰিণটেনডেন্ট হিচাপ নিযুক্ত কৰে। তেতিয়ালৈ অৱশ্য চি এ ব্ৰুছে সেই সময়ৰ লক্ষীমপুৰ জিলাৰ চাহগছ থকা ঠাইসমূহ বাছি উলিয়াই স্থানীয় চিংফৌ লোকৰদ্বাৰা তেনে গছৰ পাত উঠোৱা আৰু কাৰখানাত চাহপাত মৰাৰ ব্যৱস্থা সম্ভৱ কৰি তুলিছিলেই। সেই চাহৰ সোৱাদ উপদেষ্টা সমিতিৰ সদস্যৰ বাহিৰেও গভৰ্ণৰ জেনেৰেল লৰ্ড অকলেণ্ডকো ল'বলৈ দিয়া হৈছিল আৰু সেই চাহ উন্নত মানৰ বুলি স্বীকৃতি পাইছিল। এনে স্বীকৃতিত উৎসাহ পায়েই ১৮৩৭ চনত চি এ ব্ৰুছে ৪০ বাকচ চাহ কলিকতা হৈ লণ্ডনলৈ পঠোৱাৰ দিহা কৰে। পিছে সেই চাহৰ পেকিং বেয়া হোৱাত বিক্ৰীৰ অনুপযুক্ত বুলি বিবেচিত হৈ ঘূৰি আহে। গতিকে পিছৰ বছৰত পুনৰ তেওঁ লণ্ডনৰ নিলাম বজাৰলৈ পঠাব লগা হৈছিল। কিন্তু সেই চাহে তাৰ বজাৰত ১৮৩৯ চনৰ ১০ জানুৱাৰী তাৰিখে প্ৰথম বিক্ৰীৰ সুবিধা লাভ কৰে। এইক্ষেত্ৰত সন্তোষৰ বিষয় এয়ে আছিল যে যি সময়ত লণ্ডনৰ বজাৰত চীন দেশৰ চাহ প্ৰতি পাউণ্ডত গড়ে ১-২ চিলিঙহে মূল্য পাইছিল তাৰ বিপৰীতে অসমৰ চাহ কিন্তু পাইছিল ১৬-৩৪ চিলিঙলৈ।

অসমত চৰকাৰীভাৱে প্ৰথমখন চাহবাগিচা প্ৰতিষ্ঠা কৰা হয় পুৰণি লক্ষীমপুৰ জিলাৰ কুণ্ডিল আৰু ব্ৰহ্মপুত্ৰৰ সংগমস্থলৰ ওচৰত। অৱশ্যে সেই ঠাইৰ ফচফচীয়া বালিচহীয়া মাটি চাহখেতিৰ বাবে উপযোগী নোহোৱাত সেই বাগান পৰিহাৰ কৰিব লগা হয়। পিছত চীনদেশৰ পৰা অনা পুলি আৰু স্থানীয়ভাৱে সংগৃহিত পুলিৰে জয়পুৰৰ ওচৰত এখন নতুন বাগান পতা হয়, যিখন ১৮৪০ চনত তাৰ আগৰ বছৰত গঠন কৰা অসম কোম্পানীক বিক্ৰী কৰা হয়। এই অসম কোম্পানীয়ে আকৌ ডিব্ৰুগড় আৰু টিংৰাইমুখৰ ওচৰত কলঘৰ স্থাপন কৰাৰ উপৰিও ১৮৫৩ চনলৈ উজনি অসমত ৯ খন চাহবাগান প্ৰতিষ্ঠা কৰিছিল। প্ৰথম অৱস্থাত বাগানসমূহৰ উৎপাদন ভাল নাছিল যদিও পিছৰফালে উৎপাদন উৎসাহ-জনক হৈ পৰে আৰু ১৮৫৯ চনলৈ ৪০০০ একৰ ভূমিত চাহখেতি কৰি বছৰি ৭.৬ লাখ পাউণ্ড চাহ উৎপাদন কৰিবলৈ সমৰ্থ হৈ উঠে। তেতিয়ালৈ অৱশ্যে সুৰমা উপত্যকাৰো কাছাৰ আৰু ছিলহেটত চাহবাগান খোলাৰ কাম আৰম্ভ হৈছিলেই।

সময় বাগৰাৰ লগে লগে অসমত চাহখেতিৰ পৰিসৰো বাঢ়িব ধৰে। ১৮৫৮ চনত যোৰহাট কোম্পানী গঠন কৰা হয়। ইয়াৰ পিছত ইটো-সিটো কৰি নতুন কোম্পানী কিছুমান প্ৰতিষ্ঠিত হ'বলৈ ধৰাৰ পৰিপ্ৰেক্ষিতত নতুন বাগান আৰু কলঘৰসমূহৰ সংখ্যাও দ্ৰুতগতিত বাঢ়িবলৈ ধৰে। ১৮৩৬ চনলৈ লণ্ডনৰ বজাৰত চীনৰ চাহে দখল কৰা ৯৬ শতাংশ স্থানৰ বিপৰীতে ভাৰতৰ চাহে মাথোন ৪ শতাংশ স্থানহে দখল কৰিবলৈ সমৰ্থ হৈছিল। কিন্তু ইয়াৰ পিছতে চীনৰ ৫৯ শতাংশৰ বিপৰীতে ভাৰতৰ স্থিতি ৩৮ শতাংশলৈ উৰ্দ্ধগামী হয় আৰু এইদৰে দ্ৰুতগতিত বাঢ়ি ১৯০৩ চনত চীনক পাছ পেলাই থৈ ভাৰতে ৮১ শতাংশ স্থান দখল কৰিবলৈ সমৰ্থ হৈ উঠে। তেতিয়া চাহখেতি এটা লাভজনক ব্যৱসায়ত পৰিণত হৈ উঠাত ইংৰাজ চৰকাৰেও বিশেষ গুৰুত্ব আৰোপ কৰিব ধৰে আৰু সেই সময়ত চাহৰ খেতি কৰাটো এটা আভিজাত্যৰ প্ৰতীকৰ দৰে হৈ পৰিব ধৰে। সেয়ে বহু চৰকাৰী কৰ্মচাৰীয়ে নিজৰ চাকৰি বাদ দি বা চাকৰিৰ মোহ এৰি চাহৰ খেতি কৰাৰ ওপৰত গুৰুত্ব দিয়াৰ বিষয়ে বতৰা পোৱা যায়।

এইটো ইতিমধ্যে উনুকিয়াই অহা হৈছেই যে চাহখেতি বা চাহশিল্পৰ প্ৰতি একেবাৰে অনভিজ্ঞ হোৱাৰ হেতুকেই

ইংৰাজসকলে অসমত চাহখেতিৰ আৰম্ভণিৰ বাবে চীন দেশৰ পৰা বনুৱা তথা দক্ষলোক আনিব লগা হৈছিল। প্ৰথম অৱস্থাত চীন দেশৰ পৰা অনা লোকৰ সহায়ত অসমৰ স্থানীয় লোকক প্ৰশিক্ষণ দি এচাম বনুৱাৰো সৃষ্টি কৰি পিছৰ ফালে অসমৰ বনুৱাৰদ্বাৰাই বাগান চলোৱাৰ পৰিকল্পনাও কৰা হৈছিল। পিছে 'ভবা কাম নহয় সিদ্ধি, বাটত আছে কণা বিধি'ৰ প্ৰৱচন ফাঁকিৰ প্ৰতিফলন ঘটিল অসমৰ বেলিকাও। আমাৰ মুকলিমূৰীয়াকৈ থাকি, মাছ ধৰি, খেতি কৰি ভাত খোৱা অসমীয়া বনুৱাই ইংৰাজৰ কথাত উঠ-বহ কৰি আবদ্ধ জীৱন কটাবলৈ টান পালে চলে-বলে-কৌশলে অসমীয়া বনুৱাসকলক পাৰদৰ্শী কৰি তোলা হ'লেও সেই 'নোধোওঁ গা ধুৱালি, নাখাওঁ ভাত খুৱালি, এতিয়া নিগিলো যা কি কৰ কৰ' হৈ ইংৰাজক উভতি ধৰিবলৈ আৰম্ভ কৰিলে। ফলত চাহ বাগিচাত অশান্তি আৰম্ভ হ'ল। তেনে এক অশান্তিয়ে থুনপাক দিছিল নাজিৰাৰ অসম কোম্পানীৰ বাগানত, য'ত বনুৱাসকলে দৰমহাৰ খেলি-মেলিৰ বাবে কোম্পানীৰ অধীক্ষককে ঘেৰাও কৰি ৰাখিব ধৰিলে। তেতিয়া ইংৰাজে কথা বিষম দেখি বিকল্প উপায়ৰ বিষয়ে ভাবিব ধৰিলে। যাকে-তাকে কামত মকৰল নকৰি তেতিয়াৰ থলুৱা বাসিন্দাৰ ভিতৰত সহজ-সৰল আৰু শান্ত প্ৰকৃতিৰ কছাৰি লোকসকলেই তেওঁলোকৰ কামৰ বাবে উপযোগী হ'ব বুলি ভাবি তেনে লোক সংগ্ৰহৰ কাম হাতত ল'লে আৰু দৰং জিলাৰ পৰা ভালেসংখ্যক বনুৱা সংগ্ৰহো কৰিলে। কিন্তু এনে ব্যৱস্থাও কামত নাহিল। লাহে লাহে সেইসকল বনুৱায়ো কামত আমনি দিব ধৰিলে। কেৱল সেয়ে নহয়, ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহৰ সময়তে মধু কোঁচৰ নেতৃত্বত প্ৰায় ১০ হাজাৰ থলুৱা বনুৱা কৰ্মচাৰীয়ে অসম কোম্পানীৰ বাগানত ধৰ্মঘটৰদ্বাৰা অচল অৱস্থাৰ সৃষ্টি কৰিলে। সেই ধৰ্মঘটৰ অৱসান ঘটাবলৈ ইংৰাজ চৰকাৰে কঠোৰ ব্যৱস্থা অৱলম্বন কৰিব লগা হৈছিল আৰু তেতিয়াই ভালদৰে শিকনি লৈছিল যে থলুৱা লোকৰদ্বাৰা আৰু কাম নিসিজিব। গতিকে থলুৱা লোকৰ কথা বাদ দি দূৰৈৰ বনুৱা অনাৰ ওপৰত গুৰুত্ব দিয়া হ'ল যাতে তেনে বনুৱাই থলুৱা লোকৰ দৰে ইচ্ছানুযায়ী নিজৰ মূলভূমি বা সমাজলৈ যাওঁ বুলিলেই উভতি যোৱাটো সহজ নহ'ব। তদুপৰি, বহিৰাগত হোৱাৰ বাবে মূৰ তুলি কথা কোৱাৰ সাহসো নাথাকিব। সময়ত বাহিৰৰ পৰা বনুৱা সংগ্ৰহৰ উদ্দেশ্যে এজেন্সি খুলি এজেণ্টো নিয়োগ কৰা আৰম্ভ কৰিলে। এনে এজেণ্টসমূহৰ কাম হ'ল— মিছা কথাৰে প্ৰলোভন দেখুৱাই মানুহক পাকে-প্ৰকাৰে ফুচুলাই আনি বাগানৰ কামত নিয়োগৰ দিহা কৰা। তেনে এজেণ্টৰ জৰিয়তেই ১৯ শতিকাৰ শেষৰফালে কিছুমান ৰাজ্য যেনে— বিহাৰ, উৰিষ্যা, বংগদেশ, মধ্যপ্ৰদেশ, মহাৰাষ্ট্ৰ, অন্ধ্ৰপ্ৰদেশ আৰু তামিলনাডু আদিৰ স্থানবিশেষৰ পৰা বনুৱা সংগ্ৰহ আৰু বাগানৰ অফিচকে ধৰি বাগানৰ যাৱতীয় কাম সম্পাদনৰ বাবে বিশেষকৈ বংগদেশৰ পৰা এচাম কৰ্মচাৰীক আনি অসমত চাহ উৎপাদন আৰু বাণিজ্যৰ সূচনা কৰা হয়।

উল্লেখযোগ্য যে চাহ উৎপাদনৰ ক্ষেত্ৰত অসম আজিও ভাৰতবৰ্ষৰ ভিতৰত প্ৰথম স্থান দখল কৰি আছে। এতিয়ালৈ ৰাজ্যত ৭৬৭ খন বৃহৎ চাহ বাগানৰ উপৰিও লাখৰ ওপৰত ক্ষুদ্ৰ চাহ বাগান প্ৰতিষ্ঠা কৰি যোৱা বছৰলৈ বাৰ্ষিক ৬২৯.০৫ নিযুত কিলোগ্ৰাম চাহ উৎপাদন কৰাটো সম্ভৱ হৈ উঠিছিল। অসমত উৎপাদিত চাহক এটা নিৰ্দিষ্ট বজাৰ প্ৰণালীৰে বিক্ৰীৰ ব্যৱস্থা পূৰ্বৰ পৰাই চলাই অহা হৈছে। লক্ষণীয়, উৎপাদিত চাহ চৰকাৰীভাৱে বান্ধি দিয়া এটা নিৰ্দিষ্ট পৰিমাণ বাগানতে বিক্ৰী কৰাৰ সুবিধা দিয়াৰ উপৰি বাকী এটা নিৰ্দিষ্ট পৰিমাণ ভাৰতবৰ্ষত থকা চাহ নিলাম কেন্দ্ৰসমূহৰ যোগেদি নিলাম কৰাৰ ব্যৱস্থাও ৰখা হৈছে। যিখিনি চাহ বাগানতে বিক্ৰী কৰাৰ সুবিধা পায় তাক Ex-garden sales বা Forward contact বোলা হয়। আনহাতে, চাহ নিলাম কেন্দ্ৰৰ যোগেদি যি চাহ বিক্ৰী কৰা হয় তাক অক্চন (Auction) কৰা বুলি কোৱা হয়। অসমত চাহৰ নিলাম কেন্দ্ৰ (Auction Centre) প্ৰতিষ্ঠা কৰা হয় ১৯৭০ চনৰ ২৫ নৱেম্বৰত গুৱাহাটীত। কিন্তু কলকাতাত এনে প্ৰতিষ্ঠান প্ৰতিষ্ঠা কৰা হৈছিল ১৮৬১ চনৰ ১৭ ডিছেম্বৰত, অসমৰ চাহৰ ওপৰত নিৰ্ভৰ কৰিয়েই।

পৰিতাপৰ বিশয়, অসমত দেশৰ ভিতৰতে সৰ্বাধিক পৰিমাণৰ চাহৰ উৎপাদন, সৰ্বাধিক বাগান আৰু সৰ্বাধিক বনুৱা নিয়োজিত হৈ থকা সত্ত্বেও কিন্তু আজিও চাহশিল্পৰ নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰি থকা হৈছে ১৯৫৪ চনতে প্ৰতিষ্ঠিত কলকাতাত থকা চাহ বৰ্ডৰ মুখ্য কাৰ্যালয়ৰদ্বাৰাই। উক্ত কাৰ্যালয়টো যুক্তিসংগতভাৱে অসমত থকাটো অপৰিহাৰ্য যদিও কিন্তু অসম এই ক্ষেত্ৰত পূৰা-মাত্ৰাই বঞ্চিত হৈ আহিছে। নিঃসন্দেহে ৰাজ্যখনৰ চাহ-শিল্পৰ উন্নয়ন আৰু প্ৰসাৰৰ বাবে চাহ বৰ্ডৰ মুখ্য কাৰ্যালয়টো অসমত হ'লে চাহৰ উৎপাদন বৃদ্ধি পোৱাৰ লগতে প্ৰশাসনিক ব্যৱস্থাৰো উন্নতি হোৱাৰ উজ্বল সম্ভাৱনা আছে। এনে কামত কেন্দ্ৰীয় চৰকাৰে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিলে অসমৰ বাবে উপকাৰ কৰা হ'ব বুলি ভবাৰ স্থল আছে। ❐